বিষ্ণুৰাভা পুনৰ আহিব উভতি

DIRECTORATE OF LIBRARY SERVICES
তিলক দাস
ASSAM GUWAHATI

বনলতা
নতুন বজাৰ :: ডিব্ৰুগড়

: Bishnu Rabha Punar Aahiba Uvati : An analytical, critical and appreciational biography of Bishnu Prasad Rabha a complete artist of the twentieth-century Assam based on truth, personal close contact and association with this great artist, written by Sri Tilak Das, Barpeta, & Published by Sri Makhan Hazarika 'Banalata', Dibrugarh, Assam.
Price Rupees Twenty five only

প্ৰকাশক ঃ
শ্ৰীমাখন হাজৰিকা
বনলতা
নতুন বজাৰ
ডিব্ৰুগড়

প্ৰথম প্ৰকাশ ১৯৮৮

প্ৰচ্ছদ ঃ
দেবেন দেৱান

মূল্য ঃ ২৫·০০ মাত্ৰ

মুদ্ৰণ ঃ
শ্ৰীস্বপন কোলে
নিউ মুদ্ৰণী
৭১, কৈলাস বোস ষ্ট্ৰীট
কলিকাতা-৭০০০০৬

ঃ উচৰ্গা ঃ

৺বিষ্ণুপ্ৰসাদ ৰাভা দেৱৰ

প্ৰেমময় জীৱনৰ

প্ৰথমা পত্নী

৺প্ৰিয়লতা (দত্ত) ৰাভা দেৱীৰ

কৰুণ সোঁৱৰণীত

যাৰ অকাল বিয়োগে

কলাকাৰ জনাক প্ৰদান কৰিছিল

গীত-বাদ্য-নৃত্য-নাট-সাহিত্য-সংস্কৃতিৰ

বৰ্ণা-বিজয়ী

সাধক শিল্পীৰ

মহাজীৱন লাভৰ

অদম্য অনুপ্ৰেৰণা ।

— গ্ৰন্থকাৰ

॥ নন্দী সুহাই ॥

নিশা শেষ হৈ গ'ল। এতিয়া আৰু কিমান ৰাতি আছে বুলি প্ৰশ্ন কৰিবৰ থল নাই। পূব আকাশত চকাটো ৰঙা পৰি উঠিল আৰু ৰঙা পতাকাৰ দৰেই লাহে লাহে ৰক্তিম ৰঙেৰে সুশোভিত হৈ উঠিছে।: এয়েই জয়ৰ পতাকা—আগমণিৰ শংখ-ধ্বনি।

"মুকুতিৰ জ্যোতি সানি
বায়ু-মণ্ডলত
বিনাশি এন্ধাৰ
খুলি সৰগ দুৱাৰ—
আনে মুক্তি জ্যোতি
এই ধৰাৰ বুকুত ……
চউ পাশে উঠে—
মুকুতিৰ কলৰোল।" ……

(মুক্তি-দেউল)

এই মুকুতিৰ কলৰোলে সৰাকো জগাই তোলে,—ৰাগ-ধ্বনিৰে মুখৰিত হৈ থকা মোৰ হৃদয়খনে জাগিবলৈ বিচাৰে।……বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ স্মৃতি-সভালৈ 'বোলন' পৰে, পত্ৰ-শৰাইৰ পৰা 'বোলন'ৰ তামোল-পাণ শিৰত তুলি লওঁ।

১৯।৬।৮৬ তাৰিখে 'মাইবং নাট্য গোষ্ঠী'ৰ আহ্বানত বিষ্ণু-স্মৃতি সবাহত যোগ দিবলৈ নিশাৰ ৰেল-গাড়ীত যাত্ৰা কৰো, লগত ওলাল আমাৰ নুমলী কন্যা ৰূপাঞ্জলি (লাটুমণি), গুৱাহাটীৰ পৰা নাট্যকাৰ চালেহ উদ্দিন চৌধুৰীও আমাৰ সংগী হয়।

সুন্দৰভাৱে সজাই-পৰাই তোলা মণ্ডপত স্থানীয় খ্যাতি-সম্পন্ন লোক শ্ৰীভদ্ৰেশ্বৰ বড়ো মহাশয়ৰ সভাপতিত্বত মুকলি সভা অনুষ্ঠিত হয়। কলাগুৰুৰ ৰহস্যময় জীৱনৰ কথাৰ ওপৰত ভিত্তি কৰিয়েই ভাষণ দিলো। ৰাইজৰ ফালৰ পৰা দাবী উঠিল—কলাকাৰ জনাৰ জীৱনী এখনি লিখি আমি ৰাইজক দিব লাগে।…

ঘূৰি আহি ঘৰ পালো। লিখা কাম আৰম্ভ হৈ নুঠিল।

'পশ্চিম বজালী শাখা সাহিত্য সভা'ই যোজা কৰা ২০।৬।৮৬ তাৰিখৰ জিলা-পৰিষদৰ 'বিষ্ণু ৰাভা দিবসত বক্তৃতা দিবলৈ যাব লাগে বুলি এটি আহ্বান আহিল। বজালী একালত মোৰ কৰ্মস্থান আছিল। আনন্দ মনেৰেই গলো। প্ৰবীণ সাহিত্যিক শ্ৰীৰঘুনাথ দেৱচৌধুৰী মহোদয়ৰ সভাপতিত্বত সভা বহিল ভোটান্ত-সাদেৰী গাঁৱ। ৰাভাদেৱৰ কবিতাময় আৰু সংঘাতময় জীৱনৰ বিষয়ে আধা ঘণ্টাৰ বক্তৃতা এটি দাঙি মঞ্চত বহি থকা টিহু কলেজৰ অধ্যক্ষ শ্ৰীশৈলেন্দ্ৰ মেধি ডাঙৰীয়াৰ কাষতেই বহিলো। তেওঁ কাণে কাণে ক'লে, "Excellent, আপুনি জীৱনী এখনি লিখক।"

ইয়াৰ পিছ দিনা কোকৰাঝাৰ জিলাৰ বিজনীত সেই একে উদ্দেশ্যৰেই সভা পাতিছে—'জ্যোতি-বিষ্ণু কলা গোষ্ঠীয়ে'। তালৈও গলো, সভাপতিৰ আসনত বহিল স্থানীয় কলেজৰেই উপ অধ্যক্ষ শ্ৰীবীৰেন্দ্ৰগিৰি বসুমতাৰী ডাঙৰীয়াই। নিৰ্দিষ্ট বক্তা হৈছে বঙাইগাঁও কলেজৰ অধ্যাপক ডঃ চন্দ্ৰমোহন দাসদেৱ। আমাৰ ভাগত মুখ্য-অতিথিৰ ভাষণ পৰিল। ইয়াত এটি দীঘলীয়া ভাষণ দিয়া হ'ল,—ৰাইজৰ মাজত কিন্তু হাই-উৰুমি একো নাই। ৰাভাদেৱৰ নামত দুই চাৰি বিভ্ৰান্তকাৰী কথা পোনে-পেনেই দাঙি ধৰি প্ৰকৃত বুৰঞ্জী কৰলৈ প্ৰয়াস কৰিলো।

ড° চন্দ্ৰমোহন দাসদেৱে সংগঠনমূলক বক্তৃতা এটি দাঙি ধৰাৰ অন্তত মৌখিক ভাবে এটি প্ৰস্তাৱ আগবঢ়াই কলে যে আজিৰ সভাৰ মুখ্য অতিথি শ্ৰীদাসে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ এখন সুদীৰ্ঘ জীৱনী লিখি উলিয়াই ৰাইজক দিব লাগে। চাৰিওপিনে ৰাইজৰ হাত চাপৰি পৰিল।

পিছদিনা ৰাতিপুৱা ঘৰলৈ উভতি আহিলো—বাটে বাটে ভাবি আঁহিলো, সঁচাকৈয়ে জীৱনী এখনি লিখিব লাগিব।

ইতিমধ্যে ১৯৭৮ খৃষ্টাব্দৰ পিছৰ পৰাই কলাগুৰু জনাৰ জীৱন-নাটৰ অনেক নতুন নতুন তথ্য আৰু সম্বল আমাৰ হাতত গোট খাইছিল। বান্ধৈ শ্ৰীগোপাল দাসৰ লগত হোৱা নানা আলোচনাতো আৰু দুই এক নতুন কথা তিৰ্‌বিৰাই উঠিছিল। এনেতে এদিন অসম সাহিত্য সভাৰ সভাপতি কবি-সাহিত্যিক ড° মহেন্দ্ৰ বৰাৰ পত্ৰ এখনেৰে সৈতে ডিব্ৰুগড়ৰ 'বনলতা' প্ৰকাশনৰ গৰাকী শ্ৰীমাখন হাজৰিকাৰ পত্ৰ এখনি লৈ উপস্থিত হ'ল শ্ৰীমান অনন্ত হাজৰিকা, —বিষ্ণুৰাভাৰ জীৱনী লাগে। সাতে-সতৰে, ৬।৭।৮৭ তাৰিখৰ পৰা প্ৰৱল আগ্ৰহ আৰু অনুপ্ৰেৰণাৰে লিখিবলৈ আৰম্ভ কৰি ১৭।১১।৮৭ তাৰিখ লিখি সমাপ্ত কৰা হ'ল। যিসকল উৎসাহী গুণীলোকে এই মহৎ কাৰ্যৰ বাবে আমাকে উদগালে, তেওঁলোকৰ মধুৰ সোঁৱৰণীয়ে মোক সদায় আনন্দ দি থাকিব।

সদৌ শেষত, প্ৰকাশক শ্ৰীমাখন হাজৰিকাদেৱলৈ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো। লগতে ৰা-ৰাইজক এইখিনিত জনাই থোৱা হ'ল যে পূবৰ ডাঙৰীৰ পৰা পশ্চিমৰ দিংডিঙালৈ বান্ধৈ শ্ৰীগোপাল দাসক লগত লৈ গঞা ৰা-ৰাইজৰ লগত সৌহাৰ্দ্যপূৰ্ণ সাক্ষাত হব পাৰিলে, কলাগুৰুৰ জীৱন-চৰিতৰ আৰু সম্ভাৰ পোৱা যাব বুলিয়েই আমাৰ দৃঢ় বিশ্বাস।

লিখনিৰ দায়-দোষৰ মৰিষণ বিচৰা হ'ল। ইতি—

নিপীৰিত, নিৰ্যাতিত, অৱহেলিত,
অনাদৃত, শোষিত—
হলোৱা-হজুৰ-বনুৱাৰ—
মুকুতিৰ অভিলাষী—
তিলক দাস।

বৰপেটা,
১৮।১১।৮৭

ঃ সূচী ঃ

১।	জোনোৱালী নিশাৰ ৰূপোৱালী পোহৰ	...	১
২।	পূৰৱী নিশা সোণালী উষা	...	৮
৩।	বিশ্বৰ ছন্দে ছন্দে	....	১৭
৪।	মোৰ জীৱনৰ আকাশতে	...	২৭
৫।	এটুপি চকুলো মোৰ যে কেৱল	...	৩৫
৬।	বোলে প্ৰিয়া তুমিও এটি গীত গোৱা	...	৪২
৭।	মহাসাগৰ সিঁচি আনিম	...	৪৭
৮।	জীৱন জুৰি তোমাৰে গান গালো	...	৫৩
৯।	নাচে তাৰা ছন্দে ছন্দে	...	৬১
১০।	সুৰৰে দেউলৰে ৰূপৰে শিকলি	...	৬৮
১১।	চৈৰে ভিতৰে গুঞ্জন বহিছে	...	৭৫
১২।	অগনি যুগৰ ৰঙা ফিৰঙতি শিখা	...	৮৫
১৩।	ৰন্ধ্ৰে ৰন্ধ্ৰে তুলি সুৰ	...	৯৪
১৪।	নিপীড়ন নিৰ্যাতন হব আজি শেষ	...	১০২
১৫।	আহ অ' ন জিলিকনি	...	১১১
১৬।	গুৰু ঘন ঘন ঘোষ ঘৰিষণ গৰ্জন	...	১১৮
১৭।	ছেদল ভেদল খেদল দাপে	...	১২৫
১৮।	আদি সত্য আমি উলিয়ালো	...	১৩৪
১৯।	গুঞ্জন আৱাহন, সৃজনৰ নব বল	...	১৪১
২০।	বিষ্ণুৰাভা, আকো তুলিকা লোৱা	...	১৪৭
২১।	বিষ্ণুৰাভা পুনৰ আহিব উলটি	...	১৫৬

॥ ধ্বনি মান ॥

জোনোৱালী নিশাৰ ৰূপোৱালী পোহৰ

সুন্দৰ শ্ৰীমন্ত শংকৰদেৱে জীৱন কালতেই ৰজা ঘৰ আৰু প্ৰজা ঘৰৰ পৰা 'মহাপুৰুষ' আখ্যা পালেও, তেওঁৰ প্ৰতিৰোধী দল এটাই সকলো ক্ষেত্ৰতেই তেওঁৰ বিৰোধ আচৰণ কৰিছিল আৰু তেওঁৰ বিৰুদ্ধে শাসকৰ আগত খল লগাইছিল। ৰাজ-বিচাৰৰ আচামী স্বৰূপে থিয় হৈ তেওঁ বাদীৰ আৰ্জিৰ উত্তৰবোৰ এটা এটাকৈ দিবলৈ বাধ্য হৈছিল। অৱশ্যে বিচাৰকৰ্তা ৰজাই তেওঁৰ উত্তৰবোৰ শুনি সন্তুষ্ট হব পাৰিছিল। শ্ৰীমন্ত শংকৰ সুৰুষৰ আদৰ্শ দৰ্শন আৰু কৰ্ম-সূচীৰ অনুগামী গণ তীৰ্থযাত্ৰী বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ বিৰুদ্ধে ৰজা-ঘৰ ধনিকৰ প্ৰতিভূ শাসকবৰ্গই টিঙিৰিতুলা হৈ উঠিছিল। যি স্বাধীনতাৰ আলমত ভাৰতৰ ধনিক আৰু পুঁজিপতিসকলে সৰ্বক্ষমতা দখল কৰি শোষণৰ পথ প্ৰসস্থ কৰিবলৈ সুযোগ পাইছিল, অহিংসে পথৰ গান্ধী-আন্দোলনকেই পৰাধীনতাৰ লোহ শিকলি চিঙাৰ মূল-মন্ত্ৰ বুলি বঢ়াই প্ৰচাৰ কৰি—সেই মন্ত্ৰতেই নিম্ন শোষিত জনগণক চিৰ বন্দী কৰি শাসনকাৰ্য উজু কৰিবলৈ সুযোগ লভিছিল। সেই স্বাধীনতা ভুৱা বুলি বিষ্ণুপ্ৰসাদ ৰাভাদেৱে ৰিঙিয়াই গুজৰি গুমৰি উঠাত শাসকবৰ্গ স্বাভাৱিকতেই আতংকিত হৈ উঠিছিল।

নিপীড়িত অৱহেলিত অনাদৃত জনগণে স্বাধীন ৰাষ্ট্ৰ এখনত অনাহাৰে থকা, নাঙলৰ শিৰলুৰ তীব্ৰ পৰশত ৰূপ লৈ উঠা লখিমীৰ বৰ-ভণ্ডাৰ ধনী-মহাজন, জমিদাৰ, যোটদাৰে চাহি-চুহি নিয়া, নগৰ-মহানগৰৰ ক'ল-কাৰখানাৰ শ্ৰমিক-বনুৱাসকলৰ বেদনাময় দুঃখজনক জীৱন-যাত্ৰা, গ্ৰাম্য অৱহেলিত অঞ্চলসমূহৰ সৰ্বসাধাৰণ জনগণৰ ওচৰত চলা শোষণৰ নিৰ্মম আদালতীয় আইনৰ চল-চক্ৰান্ত আদিৰ যন্ত্ৰণাদায়ক নিৰ্মম চিত্ৰবোৰ দেখি বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ বিপ্লৱী দৰদী দেহ-মন-প্ৰাণ জিকাৰ খাই উঠিছিল। সেই অন্যায়, অ-নীতি, অত্যাচাৰ, ব্যাভিচাৰ, ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে শেষ অস্ত্ৰ প্ৰয়োগৰ আৱশ্যকতা তেওঁ মৰ্মে-মৰ্মে অনুভৱ কৰিছিল।

তেওঁৰ পৰিকল্পনা, আদৰ্শ আৰু কাৰ্যসূচী এক অনন্য ধৰণৰ আছিল। বৰ্তমানৰ সংকুচিত অসম খনতকৈ, তেওঁৰ সাংস্কৃতিক আৰু বৃহত্তৰ বৰজাতীয় বৰ-অসমখন আৰু বহল আছিল। এই বিষয়ত তেওঁৰ গৱেষণা, অনুসন্ধান, অভিজ্ঞতা, ভৌগোলিক আৰু ঐতিহাসিক জ্ঞানে সদায় তেওঁক অনুপ্ৰেৰণা দিছিল। ইয়াৰ মাজতেই, তেওঁ তথাকথিত দুই এক বামপন্থীয়াৰ দ্বাৰা সমালোচিত নোহোৱাকৈ থকা নাছিল। গণতীৰ্থযাত্ৰী বিষ্ণুপ্ৰাসাদদেৱে তেওঁৰ গল্পৰ পুথি "সোণপাহি"ৰ পাতনিত এনেদৰে লিখি তেওঁ নিজস্ব ব্যক্তিত্ব ফটোগ্ৰাফৰ হুবহু চিত্ৰৰ নিচিনা দাঙি ধৰিছিল ঃ

"ৰাইজৰ মৰমৰ অসীম অপাৰ বিশাল সাগৰত আমি মাছ লৈ ঢেল ওপঙাদি সাঁতুৰি সাঁতুৰি খেলো, মেলোঁ, ওমলোঁ।...

ৰাইজৰ মৰম চেনেহেই আমাৰ ৰক্ষা-কবচ ৰাইজৰ আশীষেই আমাৰ পশুপাত অস্ত্ৰ। এই ৰক্ষা-কৱচ আৰু পশুপাত অস্ত্ৰৰ বলতেই আমি সুস্থ, বলিষ্ঠ নিৰ্ভীক সৈনিক।"....

ৰাজনীতিৰ অন্ধকাৰত বুৰ গৈ বাট খেপিয়াই মুক্তিৰ পথ বিচাৰি হাবুডুবু খোৱাসকললৈ তেওঁ স্পষ্টভাৱেই ৰিঙিয়াই কৈছে ঃ

"ক'ত মুক্তি ?...ক'ত মুক্তি ?? মুক্তিৰ বাট ক'তা ???...

মুক্তিৰ হেপাহত কোনোবাই বেলেগ ধৰ্ম লয়, কোনোবাই ভিন্ন ৰাজনৈতিক দলত সোমায়, কোনোবাই সেই হাবিলাসত উধাই মুধাই ঘূৰে, ঠেলা-হেঁচাত উশাহ নাপাই মৰে কতই আপোনঘাতী, স্বজন-বধী হয় ;—মুক্তি আৰু নাপায়।...

...আদৰ্শৰ চাকি। কমিউনিজমৰ পোহৰ, ৰাইজৰ অন্তৰৰ অজ্ঞানতাৰ তিমিৰ অন্ধকাৰ আঁতৰাই দিয়ে। পোহৰত মুক্তিৰ বাট মুকলি হয় ; ঃ— বিপ্লৱৰ বাট।"...

মাৰ্ক্সবাদে তেওঁৰ মানসিক জগতৰ নতুন দিগন্ত খুলি দিছিল। ফৰাচী বিপ্লৱৰ সাম্য, মৈত্ৰী, স্বাধীনতাৰ ভাৱধাৰাই এদিন পৃথিৱীৰ বিভিন্ন দেশৰ কবি-সাহিত্যিকৰ মানস-ৰাজ্যত তোলপাৰ লগাইছিল। তেনেকৈ মাৰ্ক্স এনগেলচ আদিৰ যুগান্তকাৰী লিখনিয়েও জগৎ খনকেই জোকাৰি দিছিল। ৰুচদেশে সমাজতান্ত্ৰিক বিপ্লৱত ধুমুহাৰ দৰে অগ্ৰসৰ হৈ সপোন দিঠকত পৰিণত কৰিছিল। পৃথিৱীৰ বুৰঞ্জী অধ্যয়ন কৰা বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰো জীৱনৰ বিভিন্ন কাৰ্যসূচী, পৰিকল্পনা, ভাৱ-আবেগ, আদৰ্শৰ কবি মনটো, শিল্পী মনটো, ঐতিহাসিক মনটো, ন ন চেতনাৰে মুঞ্জৰিত কৰি গতিশীল কৰি তুলিছিল। তেওঁ একক মানৱ জাতিত বিশ্বাসী হলেও, ভৌগোলিক, ঐতিহাসিক, নৃতাত্ত্বিক বিশ্বাস, বিচাৰ, সংস্কাৰ, প্ৰেম-প্ৰীতি-স্নেহ আদিৰ দ্বাৰা উদ্ভূত একোখিনি সমাজৰ গোষ্ঠীত্বক সদায় আস্থাৰে বিচাৰ কৰিছিল। একোটি

পৰিয়ালৰ ফৈদ বা বংশৰ একতা আৰু সংহতিৰ পৰা স্বাভাৱিকতে একগোট হৈ একোখন সমাজৰ সৃষ্টি কৰা ক্ৰিয়া-প্ৰক্ৰিয়াকো তেওঁ গভীৰভাৱে লক্ষ কৰিছিল। প্ৰাচীন কামৰূপ কমতা-অসমৰ বিভিন্ন এনে ফৈদসমূহৰ তেওঁ অধ্যয়ন আৰু অভিজ্ঞতাৰে গৱেষণা কৰি বিভিন্ন তত্ত্ব-তথ্য দাঙি ধৰি থৈ গৈছে।

"অসমীয়া কৃষ্টি" আৰু অসমীয়া কৃষ্টিৰ চমু আভাষ নামৰ দুটি ভাষণ, বুৰঞ্জীৰ অতি মূল্যবান অৱলম্বন স্বৰূপে আমি পাইছো। ভৱিষ্যত পণ্ডিতৰ গৱেষণাৰ বাবে এই দুখনি অতি মূল্যবান পুস্তিকা বুনিয়াদ হিচাপে গ্ৰহণ কৰিব পাৰিব।

প্ৰকৃততে অসমীয়া ভাষা নো-ওপজোতেই অসমীয়া জাতিৰ সৃষ্টি হৈছে। গৱেষক বাভাদেৱৰ মতে কাৰ্বি (মিকিৰ) সকলেই অনাদি পাতৰ দৰে পোন প্ৰথমতেই অসমীয়া জাতিৰ আদি ভেটি স্থাপন কৰোঁতা। ঘৰঘৰৰ ভেটিটো বান্ধোতেই নামকৰণ নোহোৱাৰ দৰে, এই কাৰ্বিসকলেই বৰ-অসমীৰ বৰ ভেটি নিৰ্মাণ কৰি গতিশীল কৰি থৈ গৈছে।

" এই অসমৰ প্ৰথম মানৱৰ প্ৰথম অসমীয়াৰ বাসস্থান গঢ়োতে কিমান পৰিশ্ৰম লাগিছিল; এই মিকিৰসকলেই জানে।……তেওঁলোক অসমৰ আৱিষ্কৰ্তা কলম্বচ।"

ঃ অসমীয়া কৃষ্টি বাভাদেৱে তেওঁলোকৰ এই আগম আঢ়ৈ লক্ষ বছৰৰ আগৰ বুলি কৈছে। আৰু এওঁলোক অষ্ট্ৰিক জাতীয় লোক বুলি মত প্ৰকাশ কৰিছে। অসমত এওঁলোকৰ আদি বাসস্থান আছিল—বৰ্তমান নগাঁও জিলা। অসমীয়া জাতীয় জীৱনৰ প্ৰথম পত্তনকাৰী হিচাপে এওঁলোক অসম আৰু অসমীয়াৰ চিৰনমস্য বুলি তেওঁ মত প্ৰকাশ কৰি গৈছে। বৰ্তমান কালত এওঁলোকে নিজকে কাৰ্বি বুলিহে কয়। আজিও এওঁলোকৰ বোল-বচন, পিন্ধন-উৰণ, তিথি-পৰ্ব, মেল-খেল মূলত অসমীয়া ৰূপে বিৰাজ কৰি আছে।

কাৰ্বিসকলৰ কেবা হেজাৰো বছৰৰ পিছত কুকী, মিচিমি, দফলা আদি অসমত প্ৰবেশ কৰে। কাৰ্বিসকলৰ দ্বাৰা প্ৰভাবান্বিত হৈ এওঁলোকেও অসমৰ ভূমি খণ্ডকেই নিজৰ পিতৃ ভূমি বুলি মান্য কৰি লোক-গীত, লোক-নৃত্য, লোক-বাদ্য, উৎসৱ-আনন্দ আদিক বুকুত সাৱটি লৈ কৃষ্টি-সংস্কৃতিৰ ক্ষেত্ৰত আগবাঢ়ি গ'ল। জুম খেতিৰ মাজত তেওঁলোকৰ ধৰ্ম-বিশ্বাস আৰু সংগীতে ক্ৰমে ক্ৰমে এটি নতুন ৰূপ লবলৈ ধৰিলে। এনে দৰেই লোক-সংগীতে দহ হেজাৰ বছৰ অতিক্ৰম কৰি গ'ল আৰু লগে লগে অসমীয়া সংস্কৃতিৰ অতীতৰ বাবে বৰণীয়া বৰভেটিটো হৈ পৰিল দৃঢ় আৰু বিষাল।

ইয়াৰ পিছতেই এই মনোৰম উন্মুক্ত বহল ৰাজ্যখনিলৈ প্ৰব্ৰজন কৰি আহিছিল সৌন্দৰ্যবোধৰ বৰ-ভঁৰালৰ গৰাকী নগাসকল। তেতিয়াও নগাঁওৰ দক্ষিণ অঞ্চল জয়ন্তীয়া, কাছাৰ আৰু বৰ্তমান শিৱসাগৰ জিলাৰ পশ্চিম অঞ্চলত

কাৰ্বিকসকলৰ ৰাজত্ব পূৰ্ণভাৱে চলি আছিল আৰু তেওঁলোকৰ মুখ্য দেৱতা 'বেপংৰংকেৰ'ৰ পূজা গীত বাদ্য আৰু নৃত্যৰ সমাবেশত মুখৰ হৈ আছিল। এওঁলোকেই অসমৰ নাম দিছিল হেনো পাৰক।

মানুহ মৰিলে তাতেই জীৱনটো শেষ হয় বুলি এই আদিম লোকসমূহে বিশ্বাস কৰা নাছিল। শিলচটা যেনেকৈ অজৰ অমৰ, মানুহো তেনেকৈয়ে অজৰ-অমৰ; সেয়ে মৃতকৰ নামত—পুৰুষ হলে দীঘলীয়া ওখ আৰু তিৰোতা হলে চেপেটা শিল এচটা মৃতকৰ শেষ স্থানত সজাই থৈ দিছিল।

ইয়াৰ পৰবৰ্তি কালত—দক্ষিণ ব্ৰহ্ম আৰু শ্যাম দেশৰ পৰা আগমন হ'ল মোন বা তালৈঙু গোষ্ঠীৰ লোকসমূহৰ আৰু আহিবলৈ ধৰিলে কাম্বোজৰ খমেৰ জাতি মিলি মনখমেৰসকল। বিভিন্ন গোষ্ঠীৰ সংঘৰ্ষ বাগৰো নোহোৱাকৈ থকা নাছিল। পিছত বিবাহ সম্বন্ধেৰে মিত্ৰতা হ'ল। এওঁলোকেও মৃতকৰ ক্ষেত্ৰত শিলৰ থাপনা কৰি সমাধিৰ চাৰিওপিনে নৃত্য কৰিলে, পৰ্বতৰ হাবিবননিত জুই জ্বলাই দিলে আৰু সেই চাইভূমিত গুটি সিঁচি শস্যৰ ৰাজহুৱা ভঁৰাল সাজিলে, সুদূৰ ভৱিষ্যতৰ সুন্দৰ অসমৰ বাবে কৃষ্টি-সংস্কৃতিৰ অৰিহনা আগবঢ়ালে। এওঁলোকে বুৰা তামোল গছবোৰ ওখ হৈ গৈ আকাশ চুলে, গাত পাণ-লতাই মেৰ দি সাৰটি ধৰিলে, ধানৰ সবুজ সেউজী ৰঙৰ খেতিয়ে লহপহাই বতাহত নাচিবলৈ লাজ নকৰা হ'ল।

আৰু হেজাৰ বছৰৰ পিছত সোণাময় অসমৰ সুবিশাল বুকুৰ মাজলৈ আহিল দানৱ বংশৰ লোকগোষ্ঠী। কালক্ৰমত এওঁলোকৰ ৰাজ্য নেপালৰ দক্ষিণ সীমালৈ বিস্তৃতি লাভ কৰিলে। এওঁলোকৰ বিষয়ে বিভিন্ন কিংবদন্তি, পৌৰাণিক সাধু, আৰু বিভিন্ন পুৰাণ শাস্ত্ৰত নানা কাহিনী পৰবৰ্তীকালত ৰচিত হৈ জনগণৰ মুখে মুখে ব্যাপি পৰিল। ইয়াৰ উপৰিও আৰু আহিছিল আদিম মঙ্গোলীয়া জাতি। এওঁলোকৰেই পৰম প্ৰতাপী তিনি ভায়েক—মোৰাং, মাইৰাং আৰু মোৰাণ। পূব অঞ্চলত ৰজা হৈছিল মোৰাণ, মধ্য অঞ্চলত মাইৰাং আৰু নেপালৰ দক্ষিণ উত্তৰ অঞ্চলও মোৰাং। এই মাইৰাঙেই পুৰাণৰ মহিৰঙ্গ দানৱ বুলি ৰাভাদেৱে কয়। দানৱ বংশৰ শেষ ৰজা ঘটকাসুৰক নৰকাসুৰে বধ কৰি অসুৰৰ ৰাজ্যৰ পাতনি মেলে। নৰকৰ প্ৰাগজ্যোতিষপুৰ ৰাজধানীৰ পৰা শালস্তম্ভই হাৰুপেশ্বৰত ৰাজধানী পাতিছিল।

মঙ্গোলীয়া বড়ো জাতিৰ লোকসকল লাহে লাহে, ক্ৰমে ক্ৰমে অসমত বিয়পিবলৈ ধৰিলে। ৰাভাদেৱৰ মতে ভল্লীৰি গোসানীয়েই এওঁলোকৰ ঘাই গোসানী। ৰাভাদেৱে "অসমীয়া কৃষ্টিৰ চমু আভাষ" ত লিখিছে:—"অসমক ডিমাছা খছাৰীসকলে কামৰূপ নুবুলিছিল, কামৰু হে বুলিছিল, কামাখ্যা নুবুলিছিল, কামলক্ষ্মী হে বুলিছিল কামক্ষী (খা) কামুক্ষা হে বুলিছিল। এতিয়াও খেৰাই পূজাৰ সময়ত গোসাই গোসানীৰ আসন দিওঁতে "বাথৌ ব্ৰাই"ৰ

বাওঁ পিনে "বাগদেওৰ"ৰ কাষতে "কামক্ষী" গোসানীৰ আসন বড়ো খছাৰীসকলে আজিও দিয়ে। খছাৰীসকলে ব্ৰহ্মপুত্ৰ নবুলিছিল, "ভুল্লংবুথুৰ' হে বুলিছিল "লৌহিত্য' নবুলিছিল, "টিলাও" হে বুলিছিল, ভৰলী বা ভৰলু নবুলিছিল "ভল্লী' (য'তে কেঁচা খাইতী গোসানীৰ থান থাকে, অতেই ওচৰতে ভৰলী বা "ভল্লী' নদী থাকিবই,—) 'কাম' মানে প্ৰেতৰ দেৱতা, 'টিলাও' (টি বা ডি গালাও) মানে ডাঙৰ দীঘল নৈ। কিন্তু যেতিয়া কালিকাপুৰাণ, যোগিনীতন্ত্ৰ ৰচিত হ'ল, তেতিয়া এই পুৰাণ আৰু তন্ত্ৰ প্ৰণেতাসকলে নানা গল্পেৰে সজাই 'কাম্‌ৰু'ক 'কামৰূপ' কৰিলে, কাম্‌ক্ষা' বা কামখ্যীক (ক্ষী) কামাখ্যা কৰিলে, ভুল্লং বুথুৰক ব্ৰহ্মপুত্ৰ কৰিলে, 'টিলাও'ক লাওটি লুইত, লৌহিত্য কৰিলে।"......

বৰো-কছাৰী, ডিমাছা আৰু চুটিয়া সকলৰ সাংস্কৃতিক অৱদান সন্ধ্যা-ললিতা-কান্তাৰ দৰেই অসমৰ জাতীয় জীৱনত ত্ৰিধাৰা স্বৰূপেই বৈ ৰ'ল। কমতা-কামৰূপৰ বহল বক্ষত এনে দৰেই নানা গোষ্ঠীয়ে পৰ্বত-প্ৰান্তৰত বিস্তৃতি লভি অসম আৰু অসমীয়াৰ ভৱিষ্যত সুন্দৰ সংস্কৃতিৰ ৰঙমঞ্চ খন সমৃদ্ধিশালী কৰি তুলিছিল। অকল বলে বীৰ্যেই নহয়, কৃষ্টি-কলা-গীত বাদ্য-নৃত্যতো ন ন অৰিহনাৰে বৰ অসমৰ মনোমোহা ৰংঘৰ-কাৰেংঘৰ সাজিবলৈ অক্ষয় ভঁড়াৰ পাতিলে।

তেনেকৈয়ে, বোঁৱতী ব্ৰহ্মপুত্ৰৰ দৰে আজিৰ মহিমাময়ী অসমীয়া সংস্কৃতিয়ে এটি ধাৱমান প্ৰৱাহমান গতি লয়। এই দীৰ্ঘ কালৰ ইতিহাসৰ সত্য ঘটনা কিছুমানেও, সময়ৰ গতিত আখ্যানৰ ৰূঢ় লৈ উঠিছিল আৰু সেই মাধুৰীমাময় আখ্যানৰ মাজতেই, আমাৰ বৰ অসমৰ বুৰঞ্জী উদ্ধাৰ কৰিব লগা হৈছে। চিন্তাশীল গৱেষকসকলে ইয়াৰ মাজৰ পৰা বুৰঞ্জী উদ্‌ঘাটন কৰিছে। এই ক্ষেত্ৰত বিষ্ণুপ্ৰসাদ ৰাভাদেৱ নিশ্চয় অগ্ৰণী। বিহুৰ আদি কথা, ব্ৰহ্মপুত্ৰৰ আদি নাম, কাৰ্বিৰ অতেৰাং বা জিৰকেদাম্‌, বিভিন্ন জনজাতিৰ মৰংঘৰ—ডেকাচাং, গাভৰু চাং, নগাৰ হেন্‌চেউকী মৰঙৰ লগত অসমীয়া সংস্কৃতিৰ ৰহঘৰা কীৰ্তনঘৰ নামঘৰৰ ওতঃপ্ৰোতঃ সম্পৰ্কৰ কথা তেওঁ কৈছিল। মৰং ডেকা চাঙৰ আৰ্হিত শ্ৰীমন্ত শঙ্কৰদেৱে কীৰ্তনঘৰ নামঘৰ সঁজা তত্বটো ৰাভাদেৱে বিস্তৃত বিশ্লেষণ কৰিবলৈ সময় নাপালে। অসম কামৰূপ-বেহাৰ তিনি ৰাজ্যৰ বন্দনী খান বৰপেটাৰ ভাজঘৰটি (মণিকুট) পুৰে কীৰ্তনঘৰৰ গাতে লাগি থকা আৰু ইয়াৰ গাতে লাগি থকা চাংঘৰটি মৰংঘৰৰেই অৱশেষ বুলিয়েই ভাবিব পাৰি। কোনো সামাজিক, ধৰ্মীয় বা ৰাজহুৱা মতদ্বৈধতাৰ কোনো এক সিদ্ধান্ত লব লগা হলে, আজিও এই চাংঘৰটিতেই সমাজ পাতি বহি সিদ্ধান্ত লোৱা নিয়ম চলি আছে। এনে নিয়ম জনজাতীয় মৰংঘৰতো বিদ্যমান।

এনেবোৰ অনেক কাৰণতেই বিষ্ণুপ্ৰসাদ ৰাভাদেৱে বৃহত্তৰ অসমৰ সমস্ত জনজাতি, উপজাতি, জনগোষ্ঠী আৰু থেলবিলাককো অসমীয়া জাতিৰেই অবিচ্ছেদ্য অংগ বুলি পৰিচয় দিছিল। পিন্ধন-উৰণ, খাৱন-পিয়ন, উঠক-বৈঠক, গাৱণ-বাৱন, নাচোন-কাচোন, বুৱন-কাটন, চিকাৰ-নিকাৰ, খেল মেল, গাৰ্জাখোলা, নামখোলা, দেওখোলা আদি সকলোতেই অন্য মিলেৰে অসমীয়া বৰ-সমাজখন স্ব মহিমা ৰূপেৰে প্ৰকাশ হৈ আছে।

এখন সাৰ্বভৌম ৰাষ্ট্ৰ নোহোৱাকৈ কেনেকৈনো অসমীয়া জাতি-সত্বাই একক ৰূপ ললে, ইয়াৰ বিচাৰত, আজিৰ কুটপণ্ডিত বা স্বৰ্থান্বেষী ৰাজ-নীতিকৰ মত দ্বৈধতা থাকিলেও, বৰ-অসমীয়া জাতিৰ সংমিশ্ৰিত, সম্মিলিত, সংগঠিত ক্ৰিয়া, কোনো মতেই উলাই কৰিব নোৱাৰা বিধৰ বুলিহে প্ৰতীয়মান হয়। আহোমে এপিনে, কোচে আন পিনে ৰাজত্ব বিস্তাৰ কৰিলেও বা সময়ে সময়ে অ'ত ত'ত ক্ষুদ্ৰ শাসকৰ সৃষ্টি হলেও,—লোকসমূহৰ একত্ৰীকৰণ, সমিল মিলকৰণ আদিৰ নৱ প্লাৱনে এক সংহতিপূৰ্ণ বৃহৎ সমাজ এখনৰহে নতুন দিগন্তে থুলি দিছিল বুলিহে বুৰঞ্জীয়ে আমাক শিকায়।

ক্ৰমবিকাশ-আৰু ক্ৰম বৰ্ধমান ক্ৰিয়াৰ মাজেৰে কালৰ ভ্ৰূকুটি নেওচি গণ সমাজখনে বীৰদৰ্পে অগ্ৰগতি কৰিছিল। জোনোৱালী নিশাৰ সেণোৱালী পোহৰৰ দৰে চিলাৰায় আৰু লাচিতৰ কাৰ্য আৰু বীৰত্বই এই বিশাল ভূমিখণ্ডক দেশপ্ৰেম দিলে, শকতি-ভকতি প্ৰদান কৰিলে। শৰাইঘাটৰ ৰণৰ সমৰঘন্টা বাজি উঠোতে লাচিত বৰফুকণে ঘোষণা কৰিছিল

…"ৰণত কি লোকৰ পাছ ভৰি হুহঁকিব এই হেংদানে তাকে কাটিম, পাছে মহাৰজাক জনাম।· মই ফুকণৰ দিনত এনে দশা হ'ল! মোৰ ৰজা ৰক্ষা হব কেনেকৈ, ৰাজ্য ৰক্ষা হব কেনেকৈ, পাছলৈ বা ৰক্ষা হব কেনেকৈ?"…বুৰঞ্জীৰ এনে বাণীবিলাকেই অসমদেশ আৰু অসমীয়া জাতিৰ বৰ্তমান কালৰ স্থিতি আৰু ভৱিষ্যতৰ চলন্ত বেগৱন্ত গতিক সদা সৰ্বদা ইন্ধন জোগাই থাকিব। অসমৰ সৰ্ববুৰঞ্জীৰ আঁকৰ বুৰঞ্জীবিদ গৱেষক বিষ্ণুপ্ৰসাদ ৰাভাদেৱে পৰীক্ষা-নিৰীক্ষা কৰি সংহতিপূৰ্ণ বৰ অসম গঢ়াৰ সপোন দেখাই নহয়, জাতি গঠনৰ প্ৰক্ৰিয়াও কাৰ্যক্ষেত্ৰত প্ৰয়োগ কৰি থৈ গৈছে। অকল সংগীত, সাহিত্য বা ৰংগ-মঞ্চতেই নহয়, জাতীয়-জীৱনত লগা সকলো দিশৰে শিল্প, ভাস্কৰ্য, স্থাপত্য বেহা-বেপাৰ, বয়ন-বন্ধন, আ-অলংকাৰ আদিৰ পৰা বৰ্তমান যুগৰ ব্যৱসায়িক কলা চিনেমা আদিবো পথৰ নিৰ্দেশ দি থৈ গৈছে। মৰংঘৰ, শিঙৰীঘৰ, কাৰেংঘৰ, হেলোংঘৰ, পাটঘৰ, চ'ৰাঘৰ বাটঘৰ, খাৰঘৰ, বৰঘৰ, বেঁকাঘৰ, কীৰ্তনঘৰ, ভাজঘৰ আদিৰ সমন্বয়েৰে জনগণক একত্ৰিত সুসংগঠিত কৰি কেনেকৈ সমৃদ্ধিশালী সত্য-সুন্দৰ সাংস্কৃতিক সমাজ-জীৱন গঢ়িব লাগে, তাকে তেওঁ কাপে-কলমে, সভায়ে-সমিতিয়ে প্ৰকাশ কৰিছে। তেওঁ ৰাজকোষত পৰি

অজ্ঞাতবাস হোৱা কালছোৱাত কমতা-কামৰূপ-অসমৰ দহহেজাৰ বছৰৰ বৃহৎ ধ্ৰুৱগাথিন ' চিপাহী-চন্তৰীৰ আক্ৰমণত হেৰাই গলেও, সেই দুৰ্লভ ৰূৰঞ্জীৰ কলীয়া আখৰ কেইটিৰ কথা কালৰ বুকুত ৰৈ যাব।

নিপীড়িত অৱহেলিতৰ বন্ধু বিষ্ণুপ্ৰসাদ ৰাভাদেৱে প্ৰদৰ্শিত সত্য পথেৰে প্ৰগতি কৰিব পাৰিলেহে সৰ্বসাধাৰণ শোষিত নিম্ন জনগণে দানৱৰ কৱলৰ পৰা মুকুতি লভি কোটি কোটি জনতাৰ কল্যাণৰ অৰ্থে মহাভাৰতৰ এই উত্তৰ-পূৱৰ বহল ভূখণ্ডক পুনৰ ৰূপে-ৰসে, গুণে-গন্ধে, জ্ঞানে-বিজ্ঞানে, বেহায়ে-বেপাৰে, নাচে-গীতে, মাতে-কথাই, বিহুয়ে-সবাহে, দেউলে-দোমাহীয়ে ৰমক-জমককৈ কলাগুৰুজনাৰ সপোন দিঠকত পৰিণত কৰিব পাৰিব। তেওঁ নিজেও বিশ্বাস কৰিছিল আৰু কৈছিল ঃ—

"....অসমীয়া কৃষ্টি-সংস্কৃতি আৰু সভ্যতা নিৰ্যাতিত নিষ্পেষিত দুখীয়া গাঁৱলীয়া কৃষক বনুৱা অসমীয়াইহে আজিও অৱহেলিতভাৱে জীয়াই ৰাখিব পাৰিছে, যিবিলাকেৰে আজিও আমি গৌৰৱ কৰিব পাৰোঁ, অসমীয়া বুলি জগতত চিনকী দিব পাৰো।"...

সাহিত্য-সংস্কৃতি সদায় বহতী বৰনৈৰ দৰেই। এই বৰনৈ প্ৰবাহমান কৰি ৰাখে জনতা জনাৰ্দনে, শ্ৰম কৰোঁতা ৰাইজে, গণদেৱতা জনগণে। ৰাইজেই জনগণ, ৰাইজেই গণপতি গণেশ—গণদেৱতা, যি গণ-তীৰ্থৰ কল্যাণৰ বাবে বিষ্ণুপ্ৰসাদ ৰাভাদেৱে অশেষ নিৰ্যাতন, দুঃখকষ্টেৰে নিজৰ জীৱনক জৰ্জৰিত কৰি তুলিছিল—সেই গণদেৱলৈ আমাৰ প্ৰণিপাত!

"সেই পিষ্ট ক্লিষ্ট নিপীড়িত দল
পাই দধীচিৰ নব বল
চিঞৰি চিঞৰি তোলে ৰোল—
খোল্ খোল্ খোল্ খোল্
মন্দিৰ দুৱাৰ খোল
চৌপাশে উঠে মুকুতিৰ মহাবোল।"...

পুৰতী নিশা সোণালী উষা

বিষ্ণু প্ৰসাদ ৰাভা ক'ৰ মানুহ? তেওঁ ক'ত থাকে? তেওঁ কি কৰে? এনে প্ৰশ্ন কোনেও কতো কৰা শুনা নাযায়। তেওঁ অসমৰ এজন মহান প্ৰতিভাশালী লোক, অকল অসমৰেই নহয়, কুৰি শতিকাৰ ভাৰত তথা পৃথিৱীতেই এনে বহুমুখী প্ৰতিভাসম্পন্ন লোক বিৰল। অসমৰ এনে এখন গাঁও নোলাব, য'ত তেওঁ এদিনো থকা নাই, কোটি জনৰ কল্যাণৰ বাবে তেওঁৰ কৰ্ম-ব্যস্ত জীৱনত তেওঁ আজিৰি নাপালে।

তেওঁৰ পূৰ্ব-পুৰুষসকল এই মনোৰম অসমৰেই অন্যতম আদিম বাসীন্দা। তেওঁলোকে কৃষি কৰি অন্ন মুঠি উলিয়ায়, উৎসৱৰ বেলাত গীত-বাদ্য নৃত্যৰে আনন্দ কৰে; তেওঁলোক চৰিত্ৰবান, উদাৰ, সাহসী। তেওঁলোকৰ তিৰোতা বিলাকেও কঠোৰ শ্ৰম কৰে, তাঁতত সপোন ৰচে, পানীত মাছ মাৰি ঘৰলৈ আনে। পুৰুষসকলেও চিকাৰ কৰি হৰিণ গাহৰি মাৰি আনে। এক আনন্দময় জীৱন!

কামৰূপ জিলাৰ দক্ষিণ পাৰৰ এখনি সৰু গাঁও। প্ৰাকৃতিক সৌন্দৰ্যৰ মাজৰ এই সৰু শুৱনী গাঁও। নাম 'ৰাণী'! ৰূপে-ৰসে ৰাণী!! দক্ষিণৰ খাচীয়া-জয়ন্তীয়া পৰ্বতখনে মিতিৰৰ দৰে ৰাণীলৈ চাই থাকে। সেই পৰ্বতৰ পৰাই জনম লভি ৰূপৱতী ভৰলু নৈখন ৰাণীৰ পূৱপিনে আঁতিৰেদি বৈ গৈ বৰ-লুইতৰ বহল বুকুত লীন গৈছে! চানডুবি আৰু দ্বিপৰ বিলৰ দূৰত্বক তেতিয়াৰ মানুহে একো দূৰ বুলিয়েই নধৰে, দলবদ্ধভাৱে নামে-গীতে মুখৰ কৰি মাছ মাৰিবলৈ যায়। গদাপানী কোঁৱৰে আত্ম-গোপন কৰি থকা কালত এই গাঁৱতেই এজনী উদাৰমনা গাৰো তিৰোতাৰ আশ্ৰয়ত কেইদিনমান নিৰ্ভয়ে আছিল।

বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ আগৰ সাত পুৰুষৰ নাম আমি এতিয়াও পোৱা নাই। মাথোঁ তেওঁৰ পিতৃৰ পিতৃ ককাদেউতাক শনিৰাম কছাৰীৰ কথা তেওঁৰ নিজ মুখৰ পৰাই জানিব পাৰিছিলো। শনিৰামৰ বাপেকৰ খেতি খোলাখিনি বৰ

সুন্দৰ আছিল আৰু সেই কাৰণে তেওঁ পুতেকক গুৱাহাটীলৈ পঢ়িবলৈ পঠাইছিল। অলপ পঢ়াশুনা কৰিয়েই শনিৰামে সামৰিক বিভাগত ভৰ্তি হবলৈ আবেদন কৰিলে আৰু সুন্দৰ চেহেৰা আৰু শুদ্ধ ইংৰাজী আৰু অসমীয়া ভাষা কব পৰা ক্ষমতা আৰু নিতোপল স্বাস্থ্যৰ বাবে তেওঁ সহজতে জামাদাৰ এন্-চি-ওত ভৰ্তি হৈ পৰিল। প্ৰশিক্ষণৰ বাবে তেওঁ ফৰিদপুৰলৈ গৈ প্ৰশিক্ষণ সমাপ্ত কৰে। পিছতেই ছুটী লৈ আহি নিজ ঘৰত শুভ-বিবাহ সম্পন্ন কৰে। তেওঁৰ বিবাহত অনেক লোকে ভোজ-ভাত খাবলৈ আহিছিল, চিফুং-মাদলৰ শব্দত অঞ্চলটোৱেই ৰজন্-জনাই গৈছিল।

এনে সময়তে ভূটানৰ লগত ইংৰাজৰ সীমা-বিবাদ হ'ল আৰু শনিৰামক ভৈৰৱকুণ্ডৰ অস্থায়ী সামৰিক শিৱিৰলৈ বদলি কৰি আনে। অলপ দিন পিছতেই তেওঁ ওদালগুৰি লৈ আহে আৰু সামৰিক বেৰাকৰ ফেমিলি লাইনত থাকিবলৈ লয়। ইয়াত থাকোতেই ওদালগুৰি অঞ্চলত বসন্ত বেমাৰে মহামাৰীৰ ৰূপ লৈ উঠে। সেই সময়ত এনে ৰোগৰ বিশেষ ঔষধ ওলোৱাই নাছিল আৰু সেয়ে বেমাৰ আৰম্ভ হলেই মানুহৰ মাজত আতংক হৈছিল। পৰিয়ালবৰ্গক ওদাল-গুৰিত থৈ শনিৰামে দীৰ্ঘদিনৰ বাবে ভৈৰৱকুণ্ডৰ সামৰিক শিৱিৰত থাকিব লগা হৈছিল।

ওদালগুৰিতেই শনিৰামৰ দুজন পুত্ৰ উপজিছিল—ধনসিং আৰু গোপাল। ধনসিঙৰ বসন্ত বেমাৰত মৃত্যু হয় আৰু বৰ আচৰিতভাৱে আই নামত সেৱা কৰি থাকোতে মাকৰো পৰলোক হয়। গোপাল তেতিয়া একেবাৰে কেঁচুৱা, এই কেঁচুৱাৰ বাবে শনিৰাম বৰ বিমোৰত পৰি গ'ল। কি কৰিব কি নকৰিবকৈ ভাবি থাকোতে তেজপুৰত চাকৰি কৰি থকা তেওঁৰ এজন আত্মীয়লৈ মনত পৰিল। সেই জনেই হৈছে তেতিয়াৰ পুলিচ ইন্সপেক্টৰ তামোলপুৰ অঞ্চলৰ চান্দবৰ ৰাভা। তেতিয়া ওদালগুৰিৰ পৰা তেজপুৰলৈ কোনো বাট পথ নাই। অটব্য হাবিৰ মাজেৰে ঘোঁৰাত উঠি যোৱাৰ বাহিৰে আন উপায় নাছিল। এনে দৰেই ভূটীয়া ঘোঁৰাৰে পাঁচজনলোকক তেজপুৰলৈ পঠিয়াই দি খবৰ দিয়ালে। চান্দবৰ ৰাভাৰ মনত বৰ হৰিষ মিলিল, কাৰণ তেওঁ নিঃসন্তান আছিল। তেওঁ পুনৰ ঘোঁৰাৰে আহি চিপাহীৰ সহায়ত কেঁচুৱা গোপালক তেজপুৰলৈ লৈ গ'ল। এই জনা গোপালেই বিপ্লবী শিল্পী বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ পিতৃদেৱ। গোপাল প্ৰাচীন ইতিহাসেৰে পৰিপূৰ্ণ তেজপুৰ চহৰতেই ডাঙৰ দীঘল হবলৈ ধৰিলে। সন্তানৰ আশাত চান্দবৰ ৰাভাই দ্বিতীয় পত্নী বিবাহ কৰিলে, কিন্তু গোপালৰ প্ৰতি তেওঁৰ মৰম-চেনেহ কোনোমতেই নকমিল, গোপালক তেওঁ আপোন পুত্ৰৰ দৰেই সদায় মৰম-চেনেহ কৰি থাকিল।

গোপালে তেজপুৰৰ হাইস্কুলত ভালদৰেই মনোযোগেৰে পঢ়াশুনা কৰি তেতিয়াৰ নৱমমান শ্ৰেণীলৈ আগ বাঢ়ি যায়। আন পিনে ধনসিঙেও ডাঙৰ

হৈ ফৰিদপুৰলৈ গৈ সামৰিক বাহিনীত যোগ দিয়াৰ কিছু দিন পিছতেই তেওঁক অসম-ৰাইফলচলৈ বদলি কৰে আৰু তেতিয়াৰ লুচাইপাহাৰ জিলাৰ (এতিয়াৰ মিজোৰাম ৰাজ্য) আইজাল সদৰত থাকিবলৈ লয়। এওঁৰ পুতেক জগৎসিং কছাৰীয়ে তেজপুৰৰ পৰাই হাইস্কুলৰ শেষ পৰীক্ষা পাচ কৰি কলিকতা আৰ্ট কলেজত নাম লিখে ; কিন্তু এওঁৰ শিক্ষা সম্পূৰ্ণ শেষ নহওতেই হঠাতেই নবিয়াত পৰি পৰলোক হ'ল। এওঁৰ দ্বাৰা অংকিত কেবাখনো চিত্র এতিয়াও তেজপুৰত জয়কুমাৰ মেচ আৰু বিজয়কুমাৰ মেচৰ ঘৰত থকা বুলি জানিব পৰা গৈছে। এওঁলোক দুয়ো ৰাভাদেৱৰ ভিনিহিয়েক ডাক্তৰ ধাৰাবা মেচৰ মাজু পুত্র।

গোপালচন্দ্র ৰাভাই ডিব্ৰুগড়ত থকা সামৰিক হেড্ কোৱাৰ্টাৰত পোনতেই ভৰ্ত্তি হয় এই সময়তেই অসমৰ উত্তৰ-পূব সীমাৰ মিচিমি, আবৰ, চিংফৌ, খামতি আদি জাতিয়ে ইংৰাজ ৰাজত্বৰ বিৰুদ্ধে বিদ্রোহ আচৰণ কৰাত—দমনৰ বাবে সৈন্য-সামন্ত পঠিয়ায়। আনপিনে, নগা পৰ্বততো বিদ্রোহৰ জোকাৰণি উঠে। এনে অভ্যুত্থানবোৰ ইংৰাজৰ সামৰিক বাহিনীয়ে অলপ দিনৰ ভিতৰতেই দমন কৰিছিল। এই সামৰিক অভিযানবোৰত গোপালচন্দ্র ৰাভায়ো অংশ গ্ৰহণ কৰিব লগা হৈছিল। এওঁ সামৰিক বাহিনীৰ লোক হলেও, বুৰঞ্জী আৰু ভুগোল বিষয়ত বৰ বাপ থকা লোক আছিল। পৰ্বতমালাৰ গাঁও আৰু বাসীন্দাসকলৰ বিষয়ে জানিবলৈ তেওঁ বৰ কৌতুহলী আছিল। ১৮৪১ ইং চনত ইংৰাজী ভাষাত প্ৰকাশিত হৈ ওলোৱা ৰ'বিনচন (Robinson) চাহাবৰ "Descriptive Account of Assam" নামৰ ইংৰাজী পুথি খন তেওঁ বৰ যত্নেৰে পঢ়িছিল আৰু তেওঁ বুৰঞ্জীৰ প্ৰতি বৰ আগ্ৰহান্বিত হৈ পৰিছিল।

ইংৰাজ বিষয়া ই. এ. গেইট অসমৰ কমিচনাৰ হৈ অহাত তেওঁ অসমৰ প্ৰাচীন ইতিহাস সংগ্ৰহ কৰি অসমৰ এখন শুদ্ধ বুৰঞ্জী লিখিবলৈ মন মেলে। ইয়াৰ বাবে তেওঁ তত্ত্ব, তথ্য, উপাদান সংগ্ৰহত গভীৰভাৱে লাগি যায়। চুবেদাব মেজৰ গোপালচন্দ্র ৰাভাই এই কাৰ্যৰ গম পাই, তেওঁক সহায় কৰিবলৈ আগ বাঢ়ি আহিল। গুণীৰ গুণ বুজোতা ইংৰাজ বুৰঞ্জীবিদেও তেওঁৰ সম্বলসমূহক যথেষ্ট মূল্য প্ৰদান কৰিলে।

পৰ্বতীয়া জাতি উপজাতিৰ মাজত সুস্থিৰতা আহি পোৱাৰ পিছতেই গোপালচন্দ্র ৰাভাক তেতিয়াৰ বংগৰ ভিতৰুৱা অন্যতম প্ৰধান চহৰ ঢাকালৈ বদলি কৰে। তেওঁ তেওঁৰ সহধৰ্মিনী শ্ৰীমতী গেঠী দেৱীক ঢাকালৈ লৈ গৈ সামৰিক পৰিয়াল-বেৰেকত থাকিবলৈ লয়। এই জনা মহিষী মহিলাৰ পিতৃ-মাতৃৰ ঘৰ বঙ্গীয়াৰ ওচৰ-পাজৰৰ এখন গাঁওত আছিল। কৃষ্টি-সংস্কৃতি আৰু শিল্প সম্পদেৰে ভৰপূৰ এই বিখ্যাত ঢাকা নগৰতেই ১৯০৯ ইং চনৰ ৩১ জানুৱাৰী বৃহস্পতিবাৰে বিষ্ণুপ্ৰসাদৰ জন্ম হয়। ইয়াতেই তেওঁক পাঁচ-ছয় বছৰমান বয়সত ইংৰাজ বা-বিষয়সকলৰ ল'ৰা-ছোৱালীসকলে পঢ়া ইংৰাজী

প্ৰাইমাৰী স্কুলত নাম লিখাই দিয়ে, পাঁচোটি ঘোঁৰাই টনা বাগীগাড়ীত তেওঁক সেই স্কুললৈ অনা নিয়া কৰিছিল। কিন্তু এই স্কুললৈ কেইদিনমান যাওঁতেই শিশু বিষ্ণুপ্ৰসাদৰ মনত ভাল নলগা হ'ল। বাপেকৰ কোলাত বহি হাঁহি হাঁহি তেওঁ মনৰ ভাৱ প্ৰকাশ কৰাত দেউতাকে তেওঁক উৰ্দু মাধ্যমৰ প্ৰাইমাৰী স্কুলত ভৰ্তি কৰাই দিয়ে, ইয়াত এবছৰমান পঢ়াৰ পিছত তেওঁক বাংলা ভাষাৰ প্ৰাইমাৰীলৈ পঠিয়ায়। সকলো কেইখন স্কুলৰ ভিতৰতেই শিশুৰাভাৰ মেধা আৰু ব্যক্তিত্বত শিক্ষকবৃন্দ সুখী হৈছিল। পিছৰ দুবিধ স্কুললৈ তেওঁ খোজ কাঢ়িহে আন শিশুসকলৰ লগত লৰি-ঢাপৰি হাঁহি-মাতি গৈছিল।

চৰ্দাৰ বাহাদুৰ চুবেদাৰ মেজৰ গোপালচন্দ্ৰ ৰাভা ১৯১৫-১৬ ইং চনৰ শেষৰ পিনে চাকৰিৰ পৰা অৱসৰ লৈ সপৰিয়ালে তেজপুৰলৈ আহে। অৱসৰৰ আগে আগেই O. B. I., Aide-de-camp, Governor of Bengal" উচ্চ সামৰিক পদৱীটোলৈ তেওঁৰ উন্নতি হৈছিল। তেতিয়াৰ ইংৰাজ চৰকাৰে তেওঁক মৰ্যাদাপূৰ্ণ জীৱন যাপনৰ বাবে দুহেজাৰ বিঘা খেটি-মাটি পট্টা আৰু নামজাৰী কৰি দিছিল। তেজপুৰ নগৰৰ বিখ্যাত "বান-ৰঙ্গমঞ্চ", বাজহুৱা পুথি ভঁৰাল আৰু কংগ্ৰেছ কাৰ্যালয় চৰ্দাৰ বাহাদুৰ গোপালচন্দ্ৰ ৰাভাৰ অনুদানৰ ওপৰতেই গঢ় লৈ উঠিছিল।

বিষ্ণু প্ৰসাদে তেজপুৰ হাইস্কুলত নাম লগায়। তেতিয়াৰ দিনত হাইস্কুলত আঠখন শ্ৰেণী আছিল—ক্লাচ থ্ৰিৰ পৰা ক্লাচ টেনলৈ। এওঁ চতুৰ্থমানত ফেইল হৈ বৰ লাজ পালে আৰু পঢ়াত বেছি মনোনিবেশ কৰিলে। পিছৰ বছৰত ৪ৰ্থ হৈ প্ৰমোচন পোৱাত উৎসাহিত হ'ল। পিছৰ শ্ৰেণীত তৃতীয় হৈ, ক্ৰমে সিবছৰত দ্বিতীয় আৰু পিছত প্ৰথম হৈ শিক্ষক আৰু ছাত্ৰৰ মাজত নামজ্বলা হৈ উঠিল। ১৯২৬ ইং চনত তেওঁ মেট্ৰিক পৰীক্ষা প্ৰথম বিভাগত পাছ কৰি কলিকতাৰ চেণ্ট্ পল কলেজত আই-এচ-চি শ্ৰেণীত নাম লগায়। তেওঁ পঢ়াৰ লগে লগে বিবিধ খেল-ধেমালি আৰু সংগীত চৰ্চাত বাৰুকৈয়ে মনোনিবেশ কৰিছিল। দুবছৰ পিছত প্ৰথম-বিভাগত পৰীক্ষাত উত্তীৰ্ণ হয়। বিপণ কলেজত তেওঁ আৰু কিছুমান সুবিধা পাব বুলি বি-এচ্-চিত পঢ়িবলৈ লয়। এই কলেজলৈ আহিও তেওঁ আগৰ দৰেই সকলো ক্ষেত্ৰতেই সুনাম অৰ্জন কৰিলে।

তেতিয়া ভাৰতৰ ভিতৰতেই কলিকতা মহানগৰীৰ শিক্ষা-দীক্ষা, কৃষি-সংস্কৃতি, সাহিত্য-সংগীত, বেহা-ব্যৱসায়, দেশসেৱা-সমাজসেৱা, ৰাজনীতি-বিপ্লৱ-বিদ্ৰোহ সকলো পিনেই জয়জয়-ময়ময়। এনে বিভিন্ন অধ্যায়বোৰে কিশোৰ-যুৱক বিষ্ণু প্ৰসাদক সকলো পিনেদিয়েই নিশ্চয় প্ৰস্তুত কৰি তুলিছিল।

বিজ্ঞানৰ ডিগ্ৰী-কোৰ্চৰ প্ৰথম বাৰ্ষিকৰ পৰা দ্বিতীয় বাৰ্ষিকৰ ফাইনেল শ্ৰেণীলৈ তেওঁ প্ৰথম হৈ পৰীক্ষাত সুনাম অৰ্জন কৰিলে।

এনে সময়তে ভাৰতত স্বাধীনতাৰ আন্দোলনে চাৰিওপিনে জোকাৰণি মাৰি উঠিছে। কৃষক বনুৱাৰ পৰা বৰলোকৰ সমাজলৈও এই আন্দোলনে এটি চেতনা সজাগ কৰি দলদোপ লগাই তুলিলে। মহাত্মাগান্ধী, গঙ্গাধৰ তিলক, মদনমোহন মালব্য আদি ভাৰতীয় নেতৃবৃন্দৰ বা-বক্তৃতাত বাইজ সচকিত হৈ উঠিল। এওঁলোকৰ নেতৃত্বত নিখিল ভাৰত কংগ্ৰেছ কমিতিয়ে (A. I. C. C.) অহিংস-অসহযোগৰ নীতি গ্ৰহণ কৰিলে কিন্তু বিদ্ৰোহী যুৱকসমাজৰ এই নীতিত ভিতৰি আস্থা ৰাখিব নোৱাৰিলে। তেওঁলোকৰ সৰু সৰু গোপন বিপ্লৱী দলে সশস্ত্ৰ বিপ্লৱৰ দ্বাৰাহে দেশক স্বাধীনকৰিব পৰা যাব বুলি দৃঢ় বিশ্বাস পোষণ কৰিলে। তেনে ভাবেই ঠায়ে ঠায়ে গোপন প্ৰস্তুতি চলালে। ছাত্ৰ বিষ্ণু প্ৰসাদেও দেশৰ মুকুতিৰ ক্ষেত্ৰত এনে বিশ্বাসৰেই সমৰ্থক আছিল।

চট্টগ্ৰামত থকা ইংৰাজৰ অস্ত্ৰাগাৰত হঠাতেই বিপ্লৱীসকলৰ আক্ৰমণ হ'ল। চাৰিও পিনে নগৰ খনত হুলস্থূল লাগি পৰিল, গুৰুম্ গুৰুম্ কৈ বোমা বন্দুকৰ শব্দ উঠিল। ইয়াৰ মাজেদিয়েই অস্ত্ৰশস্ত্ৰ লুণ্ঠন হৈ গ'ল। ইংৰাজৰ সৈন্যৰ শিবিৰবোৰ সপ্তম হৈ 'সাৱধান' অৱস্থাত প্ৰস্তুত হ'ল। দেশৰ চাৰিও পিনে গ্ৰেপ্তাৰ আৰু খানাতলাচ চলিল, অনেক যুৱকক জেলত থলে। ৰিপন কলেজৰ হোষ্টেলতো পুলিচে খানা তলাচ কৰিলে, বিষ্ণু প্ৰসাদৰ কোঠাটোতো পুলিচে লণ্ডভণ্ড কৰি বিচাৰিলে। ঘন ঘনকৈ হোৱা পুলিচৰ এনে কাৰ্যত অনেক ছাত্ৰ হাৰবাণ হৈ পৰিল আৰু কলেজৰ পঢ়া-শুনাৰ পৰিবেশ নোহোৱা হৈ গ'ল। ছাত্ৰ বিষ্ণুপ্ৰসাদ কলেজৰ পৰা ট্ৰান্সফাৰ চাৰ্টিফিকেট বিচাৰিলে, কিন্তু খেলুৱৈ ছাত্ৰসকলে তেওঁক কোনোমতেই এৰি দিব নোখোজে। তথাপিও, এদিন কলেজৰ অধ্যক্ষৰ পৰা তেনে চাৰ্টিফিকেট লৈ তেওঁ কোচবেহাৰলৈ গুচি গ'ল ; কিন্তু তালৈ গৈ দেখিলে যে তাত বিজ্ঞান শ্ৰেণী নাই, তেতিয়া তেওঁ নিৰুপায় হৈ বি এ শ্ৰেণীৰেই প্ৰথম বাৰ্ষিকত নাম লগালে। তেতিয়া চোৰাং-চোৱাৰ তিৰ্ঘিল খিলনি অতিমাত্ৰাত বাঢ়িছে। কোচবেহাৰ ৰাজ্য দেশীয় ৰজাৰ শাসনাধীন যদিও তাতো স্বাধীনতাৰ আন্দোলনৰ ভুমিকম্পীয় জোকাৰণি নলগাকৈ থকা নাছিল। ইয়াত অলপ দিনৰ ভিতৰতে নিপুণ খেলুৱৈ বিষ্ণুপ্ৰসাদ ফুটবল আৰু হকি খেলত সুনাম অৰ্জিলে। সেই সময়ত কোচবেহাৰ মহাৰজাসকলেও চিকাৰ আৰু খেল-ধেমালি বৰ ভাল পাইছিল। খেলুৱৈ ছাত্ৰে সেই সময়ত ৰজাঘৰৰ পৰা সহায় সাহায্যও পাইছিল। বৰপেটা, বৈটামাৰী আৰু গৌৰীপুৰ অঞ্চলৰ দুখীয়া ফুটবল পৈণত ছাত্ৰই অৰ্থ সাহায্য পাই ভিক্টোৰীয়া কলেজত পঢ়িবলৈ সুবিধা পাইছিল।

পিছে চোৰাং-চোৱা আৰু পুলিচৰ হাৰাশাস্তিত বিষ্ণুপ্ৰসাদে ইয়াৰ পৰাও বদলী-চাৰ্টিফিকেট লৈ যাবলৈকেই স্থিৰ কৰি ঘৰলৈ গুচি আহিল। এই সময়ত অসম জুৰি স্বাধীনতাৰ আন্দোলন গা কৰি বিস্তৃত লাভ কৰিবলৈ ধৰিছে,

অসমৰ ৰাইজে আৰু ইংৰাজৰ পদলেহন কৰি থাকিবলৈ বিচৰা নাই। সভা সমিতি আৰু শোভাযাত্ৰাৰ ওপৰত পুলিচে লাঠি চালনাও কৰিবলৈ ধৰিছে। বালগঙ্গাধৰ তিলকৰ "স্বৰাজ আমাৰ জন্ম স্বত্ব" বাক্যষাৰে এক জ্বলন্ত অগনিৰ দৰে ৰাইজক গৰম কৰি তুলিছে। "মহাত্মা গান্ধী কি জয়," "ভাৰত-মাতাকি জয়" ধ্বনিয়ে মহামন্ত্ৰৰ দৰে স্বাধীনতাকামী সকলক মৰিবলৈ ভয় নোহোৱা কৰিছে। যুৱক বিষ্ণুপ্ৰসাদ ৰাভাৰ নেতৃত্বত ছাত্ৰসকলৰ মহাত্মা গান্ধীৰ গ্ৰেপ্তাৰৰ প্ৰতিবাদৰ শোভাযাত্ৰা ওলাল। সশস্ত্ৰ পুলিচ বাহিনীয়ে তেজপুৰ নগৰত মাৰ্চ কৰি থৈাদ আহিল। বজাৰৰ দোকান-পোহাৰবোৰৰ দুৱাৰবোৰ বন্ধ হৈ গ'ল। পিছতেই শোভাযাত্ৰাও চেদেলি-ভেদেলি হৈ পৰিল।

এই ঘটনাৰ এসপ্তাহ পিছতেই বিষ্ণুপ্ৰসাদক কোচবেহাৰৰ পৰা বহিষ্কাৰ (Extern) কৰাৰ হুকুম তেওঁৰ হাতত পৰিল। কলেজ কৰ্তৃপক্ষয়ো তেওঁলৈ বাধ্যতামূলক ট্ৰেন্স্‌ফাৰ চাৰ্টিফিকেট পঠিয়াই দিলে। লগে লগে তেওঁ তৃতীয় বাৰ্ষিক শ্ৰেণীৰ পৰা পৰীক্ষাত চতুৰ্থ স্থান লাভ কৰি চতুৰ্থ বাৰ্ষিক শ্ৰেণীলৈ প্ৰমোচন পোৱা খবৰটিও পোৱা গ'ল।

অধ্যয়নৰ হাবিলাস থকা বিষ্ণুপ্ৰসাদ এই বেলি শেষ আশা লৈ ৰংপুৰৰ কাৰমাইকেল কলেজৰ বি-এ শ্ৰেণীৰ চতুৰ্থ বাৰ্ষিকত ভৰ্তি হ'ল। তেওঁ কলেজ হোষ্টেলত থাকি অধ্যয়নৰ লগে লগে গীত, বাদ্য, নৃত্য, নাচ, চিত্ৰ আদিত মনোনিবেশ কৰিলে। ৰঙে-ৰসে ভৰপুৰ সেই ৰংপুৰ নগৰ আজি বাংলাদেশৰ ভিতৰুৱা। এসময়ত কামৰূপ কমতাৰ লগত এই ৰংপুৰৰ নিবিড় সম্পৰ্ক আছিল। উজনীৰ ৰংপুৰ আৰু ভাটীৰ ৰংপুৰত সেই পূৰ্বকালত এখন গণ-সমাজৰেই লোক বাস কৰিছিল। নৰনাৰায়ণ আৰু চিলাৰায়ৰ গৌৰৱময় বুৰঞ্জী কালত ৰংপুৰ বেহাৰ ৰাজ্যৰে ভিতৰুৱা আছিল। বুৰঞ্জীৰ ছাত্ৰ বিষ্ণুপ্ৰসাদে বুৰঞ্জীৰ অনেক সম্বলেই নিশ্চয় ইয়াত পাইছিল।

ৰংপুৰত অসম-কামৰূপ-কমতাৰ স্মৃতি আজি আৰু একো নাই ; কিন্তু কোচবেহাৰ ৰাজ্যৰ পৰা অসমৰ নানা স্মৃতি এতিয়াও কালে চুহি অন্ত কৰিব পৰা নাই। নৰনাৰায়ণ ৰজাৰ আদেশত নিৰ্মাণ কৰা মদনমোহন কৃষ্ণৰ মুৰলীধাৰী মূৰ্তিটোৰ মুখ-মণ্ডল সুন্দৰ শ্ৰীমন্তশংকৰদেৱৰ চানেকিৰে খনিকৰ জনে গঢ়িছিল বুলি নিশ্চয়কৈ জনা যায়। ৰাজ-কাৰেঙৰ কাষৰ এই মন্দিৰত থকা "মধুৰ মূৰতি মুৰাৰু", শ্ৰীকৃষ্ণগোবিন্দৰ বাম পাশে কিয় শ্ৰীমতী ৰাধিকা নাই, এই প্ৰশ্নৰ বংগৰ ভকতে-পণ্ডিতে আজিও কণাকৰ্ণি কৰে। মধুপুৰ ধামৰ তিনি-ছালৰ কীৰ্তন ঘৰ, ভাজঘৰ আৰু গুৰুগৃহৰ মঠে বহল অসমৰ স্মৃতি আজিও বহন কৰি আছে। এই তীৰ্থস্থান খনিও তলত দিয়া বাৰ বিধ সেৱাৰ-বস্তু গুৰু-মঠত মহাভকতি শ্ৰদ্ধাৰে সংৰক্ষিত হৈ আছে :—

১। শ্ৰীমন্তশংকৰদেৱৰ মায়ানৰ তনু-অৱশেষ
২। মাধৱদেৱৰ মায়ানৰ তনু অৱশেষ
৩। দশম
৪। গুণ-মালা
৫। নামঘোষ (তিনিওখন দুজনা গুৰুৰ নিজ হস্তাক্ষৰৰ)
৬। কাপ-কলম
৭। শ্ৰীমন্তশংকৰদেৱৰ মালাবস্তু
৮। সাঁচিপাত সজ শিলগুটি
৯। শ্ৰীমন্তশংকৰদেৱৰ কাষ্ঠ পাদুকা
১০। শ্ৰীমন্তশংকৰদেৱে ব্যৱহাৰ কৰা এটি লোটা
১১। নাগেৰি টকা এটি

আৰু ১২। বৃন্দাৱনী বা বৃন্দাবনীয়া বস্ত্ৰৰ দোহি। যিমান দিনলৈ এই দেৱ-দুৰ্লভ পৰম সম্পদসমূহ এই মহাতীৰ্থত সংৰক্ষিত হৈ থাকিব, সিমান দিনলৈ বা-বাইজে, গায়নে-বায়নে পাঠকে-বিয়াসে, সবেও ইয়াত মূৰ দোৱাই থাকিব।

বিষ্ণুপ্ৰসাদে কোচবেহাৰ ৰাজধানীত পঢ়ি থাকোতে বুঢ়াভকত লক্ষ্মীকান্ত আতৈক অনেক দিন লগ পাই নানা কথা বতৰা হৈছিল আৰু তেওঁৰ পৰৱৰ্তী জীৱনৰ অজ্ঞাতবাসৰ সময়তো নিশা কটাই 'ভুৰুকাত হাতী ভৰোৱা' নামৰ চিত্ৰ এখনি আঁকি বুঢ়াভকতৰ হাতত তুলি দি বেগাই খোজলৈ নেদেখাহৈ পৰিছিল।

ৰংপুৰত বিষ্ণুপ্ৰসাদৰ বিশেষ কীৰ্তি স্বৰূপে তেওঁ থৈ আহিছিল, সৰস্বতী পুজাৰ বাবে দেৱীসৰস্বতীৰ প্ৰাচ্য কলা ধাচৰ গঢ়া খেৰ-মাটিৰ প্ৰতিমা এখনি। তেওঁ তেতিয়াই কেনে শিল্পীৰ স্থান লভিব পাৰিছিল, এয়ে এটি উদাহৰণ। বিসৰ্জন নিদি এই মনোৰম প্ৰতিমাখনি ছাত্ৰ আৰু অধ্যাপকসকলে কলেজৰ পুথি-ভঁৰালত জ্ঞান-বিদ্যাৰ দেৱী স্বৰূপে সংৰক্ষিত কৰিছিল।

এনে ধৰণৰ অনেক গুণৰ অধিকাৰী হৈও, শিক্ষক ছাত্ৰৰ অতি প্ৰিয়জন হৈও, তেওঁ চট্টগ্ৰামৰ ইংৰাজৰ থাৰ-ঘৰৰ অস্ত্ৰ লুণ্ঠনৰ অন্য এজন আচামী কৰি পুলিচ আৰু চোৰাংচোৱাই তেওঁক গ্ৰেপ্তাৰ কৰিবলৈ কৰাৰ চেষ্টাত তেওঁ অতিষ্ঠ হৈ উঠিল। উষাপুৰী শোনিতপুৰলৈ তেওঁৰ বাৰে বাৰে মনত পৰিবলৈ ধৰিলে। ৰাতিও তেওঁৰ ভালকৈ টোপনী নহা হ'ল। কেতিয়াবা ৰাতিও তালাচী দল আহি ওলায়।

সময়ঃ পুৱতী নিশা সোণালী উষা

কোন ?

আমি উষা !

উষা ?

হয় !
পৰিচয় ?
কালিলৈ বিহুৰ যি নাচ হব,
সেই নাচৰ বৰ বিহুতলীত
মোকেই পাতিছে ঘাই !
দুয়ো দুয়োৰো মুখলৈ চাই থাকে ।
সপোন নে দিঠক ?
সপোন, কিন্তু মোৰ নাচ দিঠক
আপুনি বৰ ঢুলীয়ানে ?
কাৰ ?
মোৰ ! আমাৰ !!
মই এজনৰ ঢুলীয়া নহয়,
হেজাৰ জনৰ ঢুলীয়া, কোটি কোটি
জন-গণৰ ঢুলীয়া ;
"পুৰবী নিশাৰ সোণালী উষাৰ
উঠে মউসনা গান"…
"কিমান হেঙুলী উষা
কিমান জোনাকী নিশা
মিছাতেই গ'ল মোৰ
কিমান গধূলি পুৱা"…
"পুৰৰ তোৰণ ভাঙি—
আনিম ৰুপহী সোণালী উষা"…
"সোণাৰ সপোন ভাগি
পুৰবী নিশা সোণালী উষা…
তন্দ্ৰালস আঁখি মেলি"…
"ৰজকিনী প্ৰেম বিকষিত হেম
কাম গন্ধ নাহি তথা"

যেন কোনোবাই শেষৰ কথাষাৰ চিঞৰিহে কলে, কবি চণ্ডিদাসৰ কবিতাফাকি তেওঁৰ কাণত বাৰে বাৰে যেন বাজি উঠিল। তেওঁ বৰ আচৰিত হ'ল, এনে অদ্ভুত সপোনৰ কথা হৃদয়ৰ বন্ধু জনকো কব নোৱাৰি, বৰ অবুজ অবুজ যেন কথোপ-কথনবোৰ। তথাপিও তেওঁ আবেগিক হৈ নুঠিল। তেওঁৰ পৰিকল্পনা-বিলাকৰ কথাত তেওঁ সজাগ হৈ উঠিল। এটা যেন ধ্বনি তেওঁ শুনিলে এযে নাচ, লগে লগেই আহিল তাল, "তালঃ কাল ইতিজ্ঞেয় স কালশ শম্ভুৰুচ্যতে" কালৰ পৰিমাণ নিৰ্ধাৰণৰ বাবে সৃষ্টি হ'ল তাল। অখণ্ডকালক

সমান আৰু সৰু সৰু ভাগ কৰিলেই হয় 'মাত্ৰা', ঘ'ৰ পৰা 'তাল' আৰম্ভ হয়—সেয়েই সম্ আৰম্ভণি বা চাপৰ, বৰগায়ন-বৰবায়নৰ ওঁ স্বৰেৰে ইঙ্গিত দিয়াৰ লগে লগেই খোলত চাপৰ পৰে। স্বৰ-ধ্বনিৰ গতি অনুসৰি 'তাল' বিভক্ত হয়। কোনো এখন তাল বজাওতে ঘ'ত হাতৰ তালি পৰে, সেয়ে 'তাল' আৰু ঘ'ত হাত খন পিছৰ তালৰ বাবে আঁতৰি যায়, সেইখিনিয়েই 'ফাঁক', 'খালি' বা শূন্য। তালৰ প্ৰথম 'মাত্ৰাৰ' নাম 'গ্ৰহ'; গাওতে বাওতে বা নাচোতে, যি গতিত সমতা ৰক্ষা কৰা হয়—সেয়েই 'লয়'। মানৱৰ প্ৰাণত সংগীতে প্ৰদান কৰা আনন্দৰ পৰা জাগৰিত হয়—এক অনুপম সৌন্দৰ্য চেতনা—এয়েই 'ৰস'।

বিষ্ণুপ্ৰসাদে পুৱে বগাদৰ দিয়াৰ আগতেই সপোন-দিঠকৰ মাজেদি সাৰ পাইছিল। শয্যাত পৰি থাকোতেই চৰাই-চিৰিকতিয়ে সুমধুৰ সুৰ-ব্যঞ্জনা আৰম্ভ কৰিছিল। পিছলৈ হোষ্টেলৰ আন ল'ৰাও উঠাৰ শব্দ হ'ল। এটি নতুন উৎসাহেৰে তেওঁ বিচনাৰ পৰা নামি পৰিল।

এই বুলি তেওঁৰ যাত্ৰা মহানগৰী কলিকতালৈ। যোৱাৰ আগ দিনা হোষ্টেলত সংগীতৰ আসৰ এটি বহিছিল। তেওঁ প্ৰাণ খুলি গাইছিল, আন কেবাজনেও গাইছিল। সকলো গানৰ ভিতৰত্তেই অতি বেদনাদায়ক গান এটিয়ে চকুবোৰ সেমেকাই তুলিছিল। গানটো ঃ—

"ৰাঙিয়ে দিয়ে যাও গো এবাৰ
যাবাৰ আগে, আপোন ৰাগে
গোপন ৰাগে,
তৰুণ হাসিৰ অৰুণ ৰাগে।
অশ্ৰু জলেৰ কৰুণ ৰাগে॥
যাবাৰ আগে যাও গো আমায়
জাগিয়ে দিয়ে,
ৰক্তে তোমাৰ চৰণ দোলা
লাগিয়ে দিয়ে।
অশ্ৰু জলেৰ কৰুণ ৰাগে॥

বিশ্বৰ ছন্দে ছন্দে

কলিকতা মহানগৰী। উনৈশ শতিকাতেই পশ্চিমীয়া জাতিৰ সংসৰ্গলৈ আহি কৃষ্টি-সংস্কৃতি, সাহিত্য-সংগীত, বেহা-ব্যৱসায়, শিল্প-কলাৰ ভাৰতীয় বাট-চ'ৰা স্বৰূপে গঢ় লৈ উঠা কলিকতা নগৰী। ইংৰাজী, ফৰাচী, পৰ্তুগীজ আদি বিভিন্ন ভাষাৰ সাহিত্যৰ মৌ-কোঁহ নিজৰি আহি বাংলা সাহিত্যৰ ওপৰত মিণা কৰাৰ দৰেই জেউতি চৰায়।

কোনো দিনাই ভাৰত অকলশৰীয়া দেশ নহয়। ভাৰতীয়সকলেই বৰনাও তৰী মহাসাগৰৰ ইপাৰে সিপাৰে—সুমাত্ৰা, যাভা, বোৰ্ণিও পাৰ হৈ, কত দেশ কত দ্বীপ, কত উপদ্বীপলৈ ভাৰতীয় ভাব-ধাৰাৰ লগতেই বেহা-বণিজৰো পাতনি মেলি কত শত মানুহৰ লগত মিতিৰালি পাতিছিল। আৰব, আফ্ৰিকালৈ বুলিও পাল তৰা নাও মেলি দিয়া কাহিনী আছে, ইৰাণ আফগানিস্থানেই নহয়, চীন জাপানলৈও মানুহ ধাবমান হৈছিল। এয়া পুৰণি যুগবোৰৰ কথা। এই নতুন যুগতো পৃথিৱীৰ লগত হোৱা আদান প্ৰদানত কলিকতা অগ্ৰণী।

পৰ্তুগীজ নাবিক বাৰ্থোলোমিউ ডিয়াজে ১৪৮৭ খৃষ্টাব্দতেই সাগৰৰ পৰ্বত সদৃশ ঢৌ ভাঙি ভাৰতৰ পিনে আগবঢ়াৰ দুঃসাহস কৰিছিল। ইয়াৰ প্ৰায় এঘাৰ-বাৰ বছৰ পিছত নাবিক ভাস্কো-ডা-গামাই উত্তমাশা পাৰ হৈ ভাৰতৰ কালিকটত বাণিজ্য-কোঠ সাজিছিল। লগে লগে ৰাজ্য-পাতনৰ অভিসন্ধি লৈ আলমেইডা সেনাপতিয়ে ভাৰত মহাসাগৰৰ উপকূল অঞ্চলত নামি পৰিছিল।

১৬০০ খৃষ্টাব্দত ইংৰাজৰ বণিকসকলে ৰাণী এলিজাবেথৰ ৰাজত্ব কালতে "ইংলিছ ইষ্ট ইণ্ডিয়া কোম্পানী"ৰ চৌ-মুখা পিন্ধি সাম্ৰাজ্যৰে সপোন দেখিলে। বোম্বে-মাদ্ৰাজত কোঠ পাতিলেই, তাৰ পিছতেই বঙ্গৰ হুগলীত পোন প্ৰথমতে ১৬৫১ খৃষ্টাব্দত বাণিজ্য-কোঠ পাতি ললে। আনপিনে বাঙালী বসতি সুতানুটি নামৰ গাঁও এখনকো বাণিজ্যৰ নামতেই নিজা কৰি লৈ পোনতে বেহা বেপাৰকেই চলালে। অতি সোনকালেই গোবিন্দপুৰ আৰু কলিকতা গাঁও

দুখীন কিনি লৈ ভৱিষ্যত বৃহৎ সাম্ৰাজ্যৰ সপোন ৰচনা কৰিলে, এয়েই আজিৰ মহানগৰী কলিকতাৰ পাতনি অধ্যায়। সময় আগবঢ়াৰ লগে লগে এই নগৰ কলিকতাও দিনক দিনে ৰূপে-ৰসে, বেপাৰে-বাণিজ্যে, জ্ঞানে-বিজ্ঞানে, গীতে-নাচে, স্কুলে-কলেজে, নাটে-বচনে, কবিতা-উপন্যাসে, গ্ৰন্থাগাৰলীয়ে ৰমকে জমকে প্ৰজ্বলিত হৈ উঠিল। অনেক কবি-শিল্পী-সাহিত্যিকৰ ই জন্মস্থানেই নহয়—বাসস্থানো হৈ উঠিল। জগৎ বিখ্যাত বঙ্কিমচন্দ্ৰৰ পৰা ৰবীন্দ্ৰ ঠাকুৰদেৱলৈ মহত পুৰুষসকলৰ চৰণ-চাবত কলিকতা ধন্য হ'ল। "বন্দেমাতৰম্" সংগীতে স্বাধীনতাৰ যোদ্ধা বিপ্লৱীসকলকো উদ্বেলিত কৰি তুলিলে। কবিগুৰু ৰবীন্দ্ৰৰ চিন্তা-চৰ্চা বাঙ্গালীৰ জীৱন-চৰ্চাত পৰিণত হ'ল।

"চাৰি দিকে তাৰ আপন উল্লাসে
জগৎ ধাইছে কাজে,
চাৰি দিকে তাৰ মানব মহিমা
উঠিছে গগন পানে ;
খুঁজেছে মানব আপনাৰ সীমা
অসীমেৰ মাঝখানে।"

—ৰবীন্দ্ৰনাথ।

এই কলিকতা মহানগৰীতেই অসমীয়া সাহিত্যৰ নবযুগৰ শিঙা ধ্বনিৰ লগতে 'ধেমালি' বাজনা ওপৰ-চোকেলী থনো—

তং / ধিনং তা / থিত্ তাধি / নিতা খিতা /
ধিধি নাধি /
নিতা খিতা / তাধিনাক্ থেয় /
খুৰৰাত্ তাক্ / ধেয় ॥

যেন বাজি উঠিল।

১৮৮৮ খৃষ্টাব্দৰ ২৫শে আগষ্ট তাৰিখে অসম সাহিত্য সভাৰ প্ৰথম ভেটি স্বৰূপে "অসমীয়া ভাষা উন্নতি সাধিনী সভা"ৰ (অ-ভা উ-সা) ইয়াতেই জন্ম হয়। অসমীয়া সাহিত্যৰ নতুন যুগৰ প্ৰৱৰ্তক লক্ষ্মীনাথ বেজবৰুৱা সম্পাদিত "বাঁহী" খ্যাতনামা "জোনাকী", "আৱাহন" আদিৰ ইয়াতেই সৃষ্টি হয়। এনে দৰেই মহানগৰী কলিকতাৰ লগত অসমৰ সাহিত্যিক অকৃত্ৰিম মধুৰ সম্পৰ্ক এটি গঢ়ি উঠে।

বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ তেওঁৰ "বোৱতী সুঁতি" নামৰ প্ৰবন্ধটোৰ পৰা কিঞ্চিৎ দাঙি ধৰা হ'ল :

"কলিকতা মহানগৰী।

হৰীশ মুখাৰ্জী ৰোড। ধুনীয়া দুখলপীয়া ঘৰ। কোঠালী এটাত ধুনীয়া ধুনীয়া চেয়াৰ টেবোল। বাহিৰত জক্‌মকীয়া চাইনবোৰ্ড—Argo

Picture Corporation; আমাৰে গঢ়া। আমাৰ মানে মই অকল নহয়ও, লগতে আৰু তিনিজন লগৰীয়াও; তিনিও বাঙালী। আমি চাৰিজন। কৰ্পোৰেচনৰ ঘাই গৰাকী, মধাফুটা। ৺ৰাজেন বৰুৱা (পাছত জয়মতী বোল ছবিৰ সহকাৰী পৰিচালক), শ্ৰীপ্ৰভাত শৰ্মা (নাট্যকাৰ) প্ৰমুখ্যে আন আন অসমীয়া বান্ধৈসকলে মাজে মাজে উছাহ দিয়ে। উছাহত উতলি উঠো। তেতিয়াৰ কলিকতাৰ নামজ্বলা ভাৰবীয়াসকলেও দুই এজনকৈ অফিচত ভুমুকি মাৰে। মনত গৰৱ উপজে। কাকত পত্ৰাদি ছপোৱা হয়। আলচ চলে, কি ফিল্মনো তোলা হব, কৰ্পোৰেচন কেনেকৈ জীয়াই থাকিব; আৰু যে কিমান?...সমিধান নোলায়। অন্ত নিসিজে; অসিদ্ধ থাকে।

বিধ বিধ ধেমালি বজোৱা হয়, নান্দী সুহাই একতালীৰ কোব আৰু কোনো পধ্যে নপৰে। নিলগত প্ৰবেশ ভঙ্গিমা নিমাওমাও,—খুট্‌পুট্‌প্‌। এই দৰে ফিল্ম তোলাৰ যা-যোগাৰ মনৰ চাকনৈয়াতেই কলকলাই থাকে; কি ফিল্ম-সেল্লা আৰু বেকত হৈ নুঠে। এজনে কিবা থিদ্ধাং কৰিলে, বাকী কেইজনৰ হোকা বাদ। Thesis প্ৰসঙ্গ anti-thesis বিৰোধৰ দ্বন্দ্বহে চলে,—syn-thesis সমন্বয়সূচক সংশ্লেষণ নৌ ওলায় এথোন।

এনেকৈয়ে দ্বন্দ্ববাদৰ আউনা আউসী, অঁৰিয়া অঁৰি লাগে। ধনৰ পুঁজি সাং হৈ আহে। ঘৰলৈ চিঠি লিখিলে উত্তৰ নিমিলে। সকলোৰে ঘৰত খঙৰ জুই ভক্‌ভকায় দপ্‌ দপ্‌কৈ। পঢ়া ল'বাই পঢ়ক, এইবোৰ আকৌ কিহৰ ৰং ধেমালি?...

আৰু নচলে।...অফিচত নানা আলচ চলে। "কৰ্পোৰেচন" ভঙাৰ পাংপৰতৰ পৰা পাৰ্তনি মেলি ৺ধীৰেন গাঙ্গুলীৰ (ডি-জি) 'জয়মতী' ফিল্ম কৰিবৰ যো-যা লৈকে। বা বাতৰি শুনো—ডি-জিয়ে হেনো জয়মতীৰ বহিৰ্দৃশ্য তুলিবলৈ অসমৰ গুৱাহাটীৰ ফালে খোজ লব। ধাউতিও আছিল, "আৰ্গো পিক্‌ছাৰ্চ কৰ্পোৰেচনৰ" পহিলা ওলগ,—'জয়মতী—হু'ক' বুলি।

আমাৰ ভিতৰত মনৰ অমিল, ধনৰ পুঁজিৰ তলি উদং। কৰ্পোৰেচন থৰক্‌ বৰক্‌। 'জয়মতী' সপোন হৈহে ৰ'ল, দিঠকত আৰু নহ'ল। দিহাও নাই।...

উচ্‌পিচাই থাকো। হাকুদাকুকৈ কাপ তুলি তুলাপাতত মহাঁৰি ঘহোঁ।......

৺জ্যোতিপ্ৰসাদ আগৰৱালা। অসমৰ কবি, গায়ন, নাট্যকাৰ। বিলাত আৰু বিলাতৰ আশে-পাশে কাষৰে পাজৰে থকা দেশবোৰত বহুতো ঠাইত ঘূৰিছে, বহু খিনি দেখিছে শুনিছে, শিকিছে, বুজিছে। ধন্‌বিত থকা বৰ মনৰ ডেকাগিৰী, অসমীয়া শিল্পীসকলৰ মৰমৰ চেনেহৰ শিল্পী ককাইদেউ তেওঁ,—আমাৰ জ্যোতি ককাইদেউ বিলাতৰ পৰা ওভটা বেছি দিন হোৱা নাই। তেওঁলৈ মোৰ মনৰ গুপন-গোপন নিমাত-মাত কেইষাৰ তুলাপাতৰ লিপিকাত পুৰ কৰি পঠাওঁ, ঘাইকৈ এই কেইষাৰ—জয়মতী ফিল্ম যেন তেওঁ নিজেই

জোলে ; আমি যেন ৰূপোআলীৰ, আবোৱানত ৺ডি-জিৰ বিজতৰীয়া ৰঙলুৱে জয়মতী দেখা নাপাওঁ, ৺কৰাইদেৱে সজা জতুৱা অসমীয়া "জয়মতী" ক হে যেন আমাৰ দুচকুৱে নয়ন ভৰি হে'পাহ পলুৱাই চাবৰ সকাহ পায়।......আৰু নানা তৰহৰ কথা বতৰা।........ ..কল্যাণ খৰমান তালৰ ছেৱে ছেৱে 'আৰ্গো-পিক্ছাৰ্চ কৰ্পোৰেচনৰ সামৰণি পৰে নাট অবিহনে ভেকো ভাওনা।"........

কলিকতাৰ পৰিবেশ আৰু পাৰিপাৰ্শ্বিকতাই বিষ্ণুপ্ৰসাদ ৰাভাক শ্ৰীশ্ৰীকলাৱতীৰ সকলো ৰূপৰেই চিন্তা চৰ্চা আৰু আৰাধনাৰ বাবে অনুপ্ৰেৰণা দিলে, ছাত্ৰ-জীৱনৰ মায়াই তেওঁক পুনৰ ছাত্ৰ হোৱাৰ দিন-স্বপ্নই বাৰুকৈয়ে আমনি কৰিছিল। সুদূৰ কলিকতাৰ পৰাই তেওঁ মনোৰম অসমৰ ৰূপৰস গোন্ধ স্পৰ্শৰ অনুভূতিত মুঞ্জৰিত হৈ পৰিল। শ্ৰীবিষ্ণু প্ৰিয়া ৰাভা ঠাকুৰীয়াৰ চোমুখা এটি পিন্ধি খিবিধ প্ৰৱন্ধ লিখিলে। তেওঁৰ "শ্ৰীকলাৱতী" প্ৰৱন্ধত তেওঁৰ সুকুমাৰ কলাৰে পৰিপূৰ্ণ হৈ থকা মনটোৰ চিত্ৰ এখনি ভাহি উঠিল। "শ্ৰীশ্ৰীশংকৰদেৱৰ গায়ন" প্ৰৱন্ধত নদৃষ্টিৰ ৰমক্-জমক্ ৰঙে তিৰ্বিৰালে। বাংলা ভাষাৰ আলোচনী "সঙ্গীত বিদ্যা প্ৰবেশিকা" খনিয়ে সংগীত সম্বন্ধে ডেকা বিষ্ণু প্ৰসাদক আৰু নন কলা-কথাৰ সম্ভেদ দিলে। কলিকতাৰ বাহিৰৰ পৰা অহা বিভিন্ন সঙ্গীতজ্ঞসকলৰ লগত সন্ধিয়াৰ সঙ্গীত-আসৰত' তেওঁৰ সান্নিধ্য ঘটিল। বিশাল সংগীত-সাগৰত তেওঁ অৱগাহণ কৰি নিজকেই প্ৰস্তুত কৰি তুলিলে।

বিশ্ব ব্ৰহ্মাণ্ডৰ গতিৰ লগতে, সংগীতৰ গতি আৰু লয়ৰ লগত যেন এক আত্মিক সম্বন্ধ স্থাপন কৰি বিশ্বৰ ছন্দে ছন্দে এক নৃত্যৰ আৱহমান ৰূপ সৃষ্টি হৈ উঠিছে। সংগীতে প্ৰদান কৰা এক মহানন্দৰ পৰাই মানৱ প্ৰাণত সৌন্দৰ্য-চেতনাৰ অনুভূতি হৈ পৰে। ভাৰতীয় সংগীত-শাস্ত্ৰ বৰ জটিল। যি জনে কঠোৰভাৱে আত্ম-সংযম কৰি নীতিগতভাৱে সংগীত শাস্ত্ৰজ্ঞ হৈ সাধনা কৰিব পাৰিব, তেওঁহে সংগীত-বিশাৰদ হব পাৰিব। মাতংগ মুনিৰ কালৰে পৰা শাৰ্ঙ্গদেৱৰ সংগীত ৰচনাৰ যুগলৈ হেজাৰ বছৰৰ ভিতৰত "ৰাগ" সমূহ সুসংগঠিত হৈ উঠিছিল। অপলাচাৰ্য্যৰ "তাল চিন্তামণি", লক্ষ্মীনাৰায়ণৰ "সঙ্গীত সূৰ্যোদয়, ৰজা হৰিপালৰ "সঙ্গীত সুধাকৰ", শুভংকৰৰ "সঙ্গীত দামোদৰ" ভৰত কল্পৰ "তাল মঞ্জৰী" আদি অনেক সংগীত শাস্ত্ৰ মহাভাৰতত আছে। গ্ৰন্থৰ পুথি "মানসাৰ" পুথিকে আৰম্ভ কৰি বিষ্ণু প্ৰসাদে কলা-শিল্প সংগীতৰ অনেক সংস্কৃত পুথি তেওঁ গভীৰভাৱে অধ্যয়ন কৰিছিল, নৃত্যৰ হস্ত, চলনা আদিৰ অনেক শ্লোক তেওঁ কণ্ঠস্থ আছিল। সকলো ক্ষেত্ৰতে তেওঁ শ্ৰীমন্ত শংকৰদেৱৰ স্থান মৰ্মে মৰ্মে উপলব্ধি কৰিছিল।

"ওৱে সখি পেখোৱে কঞ্জ লোচনী
চললি নন্দ কুমাৰা।

ইন্দু বদন কোটী মদন
ৰূপে তুল নুহি যাবা ॥”—

“মধুৰ মুৰুতি মুৰাৰু” শ্ৰীকৃষ্ণ আৰু “দৰশিত সুন্দৰ গোৰ কলেবৰ যৈচন সুৰ পৰকাশ” সুন্দৰ শ্ৰীমন্তশংকৰৰ শ্ৰেষ্ঠত্বত তেওঁ দৃঢ় বিশ্বাসী যে আছিল ই ধ্ৰুৱ নিশ্চয়। এই দুয়ো জনাই আছিল সংগীত বিশাৰদ। বিষ্ণুপ্ৰসাদ ৰাভাদেৱেও তেওঁৰ জীৱনটো এনে হেন সংগীত সৰোবৰতেই বুৰাই ৰাখিবলৈ হাবিলাস কৰিছিল। সংগীত শাস্ত্ৰৰো যেন পাৰাপাৰ নাই। তথাপিও, আন অধ্যয়নৰ মাজতো তেওঁ এনে সংগীত শাস্ত্ৰ মথি চৰ্চি কৰ্চি সাধনা ভজনাৰে ঝঞ্ঝাবিজয়ী হৈ উঠিবলৈ প্ৰচেষ্টা চলাইছিল।

বিষ্ণুপ্ৰসাদ কলিকতাত থকা সময়তেই তেওঁৰ ককায়েক নন্দলাল ৰাভা ঢাকাত পুলিচ বিষয়াৰ পদত আছিল। ভায়েকৰ পঢ়াশুনাও নহ'ল আৰু চাকৰি-বাকৰিৰো এটি সুবিধা হৈ নুঠাত তেওঁ বৰ চিন্তিত হৈ পৰিছিল। ভায়েকক চৰকাৰী বিষয়াবাবলৈ তেওঁলোকৰ যোগ্যৱন্ত আৰু মান্যৱন্ত পিতৃ চৰদাৰ বাহাদুৰ গোপালচন্দ্ৰ ৰাভাদেৱৰ কীৰ্তি ৰক্ষা কৰিবই লাগিব। বিষ্ণু প্ৰসাদৰো পিতৃ ভক্তিৰে অন্তৰ পৰিপূৰ্ণ আছিল। ককায়েকৰ পত্ৰ পাই তেওঁ ঢাকালৈ যাত্ৰা কৰিলে আৰু পুলিচ লাইনৰ চৰকাৰী কোৱাৰ্টাৰত ককায়েকক লগ পাই পৰম আহ্লাদিত হ'ল। ঢাকাৰ তেওঁৰ সৰু কালৰ কথাবোৰ মনত পৰিল। ‘লায়ন থিয়েটাৰ'ৰ ওস্তাদ কালাচান্দলৈ তেওঁৰ শ্ৰদ্ধা জন্মে, এইজনা পুৰুষেই তেওঁক পোনপহিলাতে আঠ বছৰ বয়সত ১৯১৭ চনত উৰ্দু নাটকৰ ভাও শিকাই দিছিল। তেতিয়াৰ ঢাকা গীতে-মাতে, নাচে-নাটে ভৰপুৰ। ককায়েকৰ লগত ঘৰুৱা সুখ দুঃখৰ অনেক কথা বতৰা হ'ল। নিজৰ জন্মস্থান খনলৈ অন্তৰেদি সেৱা-সৎকাৰ জনালে। তথাপিও, তেওঁৰ পিতৃহীন বাংগালি ঢাকাখন তেওঁ শূন্য যেনহে পালে।

ককায়েক নন্দলালে ভায়েকক সামৰিক বাহিনীয়েই হওক বা পুলিচ বাহিনীতেই হওক সোমাবলৈ টানি পৰামৰ্শ দিলে, কাৰণ দেউতাকৰ ইংৰাজ বিষয়া বন্ধুসকল এতিয়াও আছে তেওঁলোক অৱসৰ লৈ গুচি গ'লে, এনে সুযোগ আৰু কেতিয়াও নাহে। চৰদাৰ বাহাদুৰ গোপালচন্দ্ৰ ৰাভা. ও-বি-আই, এইড্-ডি-ৰেংকৰ যোগ্যতাসম্পন্ন বিষ্ণু প্ৰসাদৰ গঢ়-গঠন, দেখিলেই আৰু তেওঁৰ মাত-বোল শুনিলেই পিতৃৰ বন্ধু গুণীৰ গুণ বুজা ইংৰাজ বিষয়াই সঁহাৰি নিদিয়াকৈ কেতিয়াও থাকিব নোৱাৰে বুলিয়েই ককায়েকৰ বিশ্বাস আছিল।

ইষ্টাৰ্ণ ৰেজিমেণ্টৰ কমেনডেণ্ট লেফটেনেণ্ট কৰ্ণেল ভেলা স্মিথলৈ দিয়া পত্ৰখন লৈ বিষ্ণু প্ৰসাদ ছিলঙলৈ ৰাওনা হয়। ইংৰাজৰ পদ-মান লবলৈ মনত কিন্তু অকণো ইচ্ছা নাই, তথাপিও ককায়েকৰ বাক্য পেলাব নোৱাৰে। পিছতেই,

তেওঁৰ দেখা-সাক্ষাত হ'ল পিতৃৰ অন্যতম বন্ধু তেতিয়াৰ বহল অসম খনৰ আই-জি-পি টি. পি. এম ও. কালাঘান চাহাবৰ লগত চৰদাৰ বাহাদুৰ বন্ধুৰ এনে সুন্দৰ উপযুক্ত পুত্ৰ, এতিয়াও আমি দেখা নাছিলো বুলি দুয়ো বিষয়াই মনত বেজাৰ কৰিলে। দুয়োজনেই সেই মহৎপুৰুষ জনৰ সুন্দৰ সাহসী কৰ্তব্য-পৰায়ণ স্বাস্থ্যবান চেহেৰা বিষ্ণু প্ৰসাদক পুলিচ বিভাগৰ ডেপুটি চুপাৰিনটেনডেণ্টৰ দায়িত্বশীল পদত মকৰৰ কৰাৰ কোনো অসুবিধা নাই বুলি মত প্ৰকাশ কৰিলে।

ছিলঙৰ পৰা বিষ্ণুপ্ৰসাদ তেতিয়া বৰপেটাত ডাক্তৰ হৈ থকা ভিনিহিয়েক ধাৰাৰাম মেচৰ পৰিয়ালবৰ্গৰ মাজত উপস্থিত হ'ল। তেতিয়া বৰপেটাত সত্ৰীয়া সংগীতৰ মহা পয়োভৰ। তেওঁ হৰমোহন বায়ন, দয়ালচন্দ্ৰ সূত্ৰধাৰ, গিৰীশচন্দ্ৰ বায়ন, চন্দ্ৰমোহন গায়ন, পিতাম্বৰ বিয়াসৰ ওজা দীনবন্ধু দাস ওস্তাদ, স্বৰ্গেশ্বৰ বায়ন, ৰমা বায়ন, মহেশ গায়ন, হেমৰথ দত্ত চৌধুৰী, ঘোষা-কীৰ্তনীয়া কালিচৰণ ওজামিশ্ৰ আদি অনেক গায়ন-বায়ন-নৰ্তকৰ লগত দেখা-সাক্ষাত চিনাকি হ'ল। তেওঁৰ মনটো পুনৰ সংগীতৰ ক্ষীৰ সৰোবৰত বুৰ গৈ পৰিল। বৰপাট ধামৰ কীৰ্তনঘৰ, ভাজঘৰ, চাংঘৰ, বৰবাটচ'ৰা, দৌল-যোগমোহন আদিৰ শৈল্পিক বিশেষত্ব তেওঁ বিশ্লেষণ কৰিবলৈ ধৰিলে। কৰ্দৈশিৰীয়া মঠৰ লগত আহোম যুগৰ গঠন প্ৰণালীৰ লগতো তেওঁ সম্বন্ধ বিচাৰি উলিয়ালে। বেৰৰ কাঠৰ চিত্ৰাৰ্ধবিলাকে স্থানীয় বাঢ়ৈৰ বিচক্ষণতাহে তেওঁক আঙুলিয়াই দিলে। কীৰ্তনঘৰৰ ভিতৰৰ কাছ-হাতী-গৰুড় আৰু সিংহযুক্ত আসন তিনিখনিয়ে অসমীয়া শিল্পকলাৰ তেওঁক নতুনৰ সন্ধান দিলে। বৰখুটা, বৰডামামা, বৰচৰীয়া, বৰশৰাই, বৰবন্তি আদিয়ে অসমীয়া গণ-জীৱনৰ গৌৰৱ তেওঁৰ মানস-চকুত দাঙি ধৰিলে। ইয়াৰ উপৰিও, গণ-জীৱনৰ সৌন্দৰ্যবোধে তেওঁক মহান আৰু বিশাল অসমীয়া জাতিৰ বিবিধ চাৰু-কলা কাৰু-কলাই অণুপ্ৰাণিত কৰিলে। সৰ্বকলাৰ মাজত তেওঁ মধ্য-মণি স্বৰূপে তেওঁৰ হৃদয়ৰো হৃদয়ত, প্ৰাণৰো প্ৰাণত, হিয়াৰো হিয়াত দৰ্শন লাভ কৰিলে সুন্দৰ শ্ৰীমন্তশঙ্কৰদেৱ মহাপুৰুষক।

'শিল্পীৰ পৃথিৱী'ৰ জ্যোতিপ্ৰসাদ আগৰৱালা দেৱে লিখিছিল ঃ

"আজি অসমৰ শিল্পীয়ে প্ৰথমতে দুৰলৈ নগৈ ঘৰতেই এনে সংস্কৃতিৰ পূৰ্ণৰূপ দিওঁতা,—বা দিবলৈ চেষ্টা কৰোঁতা আৰু যি ঐতিহ্যৰ আদৰ্শক মানৱ সংস্কৃতিৰ পূৰ্ণৰূপ বুলি আমাক কৈ থৈ গৈছে, আৰু নিজৰ জীৱনকেই সেই আদৰ্শৰ বাস্তৱিক উদাহৰণ স্বৰূপে দেখুৱাই যাবলৈ চেষ্টা কৰি গৈছে—নিজৰ সকলো মনীষা প্ৰতিভা নিয়োজিত কৰি—সেইজনা অসমীয়া সংস্কৃতিৰ মন্ত্ৰ দিওঁতা, ৰূপ দিওঁতা আমাৰ চিৰ নমস্য সংস্কৃতি স্ৰষ্টা শ্ৰীমন্তশঙ্কৰদেৱক

আমি বুজিবলৈ—তেওঁৰ জীৱনৰ অৰ্থ উলিয়াবলৈ, তেওঁৰ বাণী উপলব্ধি কৰিবলৈ চাব লাগিব। প্ৰগতিৰ বৰ ভেটি হৈছে ঐতিহ্যৰ সত্য।”

বিষ্ণুপ্ৰসাদ ৰাভাৰ অজয়কুমাৰ মেচ ডাঙৰ ভাগিনীয়েক। তেতিয়া অজয়ৰ লগত চৰকাৰী হাইস্কুলত সহপাঠী হৈ পৰিলো আৰু দুয়োৰো মাজত বিশেষ বন্ধুত্ব গঢ় লৈ উঠিল। তেওঁ তেতিয়াই এজন সুন্দৰ গায়ক। আমাৰ ঘৰ তেতিয়া বৰহাটী (সূত্ৰধাৰ হাটী)ত। আমাৰ ঘৰৰ লগতেই লাগি থকা ঘৰটিয়ে দীনবন্ধু দাস বা হুদু ওস্তাদহঁতৰ ঘৰ। তেওঁৰ পিতৃ বিক্ৰিৰাম পাঠক সত্ৰধাৰ সত্ৰীয়া সংগীতৰ এজন বিদগ্ধ ওজা। তেওঁৱেই মোৰ সত্ৰীয়া বায়ন-জীৱনৰ গুৰু। কেতিয়াবা সন্ধিয়া ৰাভাদেৱে তালৈ গৈ অসমীয়া গান গায়; ওস্তাদ দাদাই তবলা বজায়। মই কেতিয়াবা খোল বজাই থাকো আৰু তেওঁলোকৰ গান আৰম্ভ হোৱাৰ লগে লগেই খোলটি এৰি তেওঁৰ গুৰুগম্ভীৰ কণ্ঠস্বৰৰ সুৰটো শুনি থাকো।

কোন সেয়া খোল বজায় ?

আমাৰে খুৰাৰ পুতেক ভাই—‘ৰাখাল’—

মোৰ ঘৰুৱা নামটো কয়। এনে দৰেই তেওঁৰ লগত মোৰ যোগসূত্ৰ এটিৰ আৰম্ভণি হৈছিল।

বন্ধু অজয় কুমাৰ মেচৰ লগত হাইস্কুলত পঢ়া তিনিটি বছৰৰ ভিতৰতো মই কেতিয়াবা তেওঁক বিচাৰি হস্পিতালৰ ভিতৰত থকা ডাক্তৰৰ কোৱাৰ্টাৰটিলৈ যাওঁ, তেৰো আমাৰ বৰহাটীৰ ঘৰলৈ আহে। ইয়াৰ মাজেদিও ৰাভাদেৱৰ লগত এটি আপোন সম্বন্ধ গঢ়ি উঠিছিল।

অলপ দিন বৰপেটাত থাকি তেওঁ পুনৰ কলিকতালৈ ৰাওনা হ’ল। ইপিনে বায়েক ভিনিহিয়েকে তেওঁক চাকৰিত সোমাব লাগে বুলি তোৰ-জোৰ কৰি আছে। পিতৃদেৱ চৰদাৰ বাহাদুৰৰ গৌৰৱ ৰক্ষা কৰিবলৈ হলে, তুৰন্তে বিষ্ণুপ্ৰসাদে পুলিচ বিভাগতেই হওক বা সামৰিক বিভাগতেই হওক, এটি উচ্চ পদ লোৱা অতি আৱশ্যক।

কলিকতালৈ পুনৰ আহি বিষ্ণুপ্ৰসাদে গীত, বাদ্য, নৃত্য, নাট্য, চিত্ৰ আদি বিভিন্ন কলাৰ সাধনাত লাগি গ’ল। অসম আৰু বংগ, দুয়ো ৰাজ্যৰে সংগীতৰ লগত তেওঁৰ চা-চিনাকি আগতে নোহোৱাকৈ থকা নাছিল। শ্ৰীমন্ত শংকৰদেৱৰ বৰগীত বা অংকৰ গীতত ‘ৰাগ’ আৰু ‘তাল’ প্ৰধান। ৰঞ্জকতাই ৰাগৰ প্ৰাণ। ‘নাদ’ ব্ৰহ্মাৰ স্বৰূপ ঃ

নাদৰ পৰা স্বৰ,
স্বৰৰ পৰা সপ্তক,
সপ্তকৰ পৰা ঠাট,
ঠাটৰ পৰা—ৰাগ।

অন্য ৰাগৰ ছাঁ নপৰিলেই শুদ্ধ ৰাগ হয়। সুন্দৰ শ্ৰীমন্তশংকৰৰ "চিহ্ন-যাত্ৰা"ৰ অভিনয়ত তেওঁৰ 'তিমিৰ ৰাগ'ত পুৰাণিৰ অৱসান হৈ পৰিছিল আৰু 'বায়ুমণ্ডলী ৰাগ'ত পাতিসোণ্ডা বৃক্ষৰ পুৰণি পাতবোৰ জৰ্-জৰ্ কৈ সৰি পৰি নতুন কুঁহিপাত মেলিছিল। ইয়াৰে অনেক কাল পূৰ্বত বৰপেটাৰ দক্ষিণ-পশ্চিমে থকা লেহি-ডাঙৰাত ৰাগৰ চৰ্চা এক অপূৰ্ব ভাবে আছিল। এই লেহিৰ ডাক পুৰুষৰ বচনসমূহেই অসমীয়া সাহিত্যৰ এটি আদি ৰূপ বুলিও কব পাৰি। সহজ ভাষাৰে কবলৈ গলে—

"কৈৰ হন্তে আসে ৰাগ কৈত লয়ে ঠায়।
শুনিয়ো ৰাগৰ কহোঁ কোন বাপ মায়॥
শূন্য হন্তে আসে ৰাগ বিশ্বনে লয়ে ঠায়।
হুঙ্কাৰে ভৈলন্ত গুৰু হৃদি বাপ মায়॥
উৰ্ধগামী হুয়া ৰাগ আকাশে যায় উৰি।
জিহ্বাই ভৈলন্ত আগ তালু ভৈলা গুৰি॥"

বিশ্বৰ ছন্দ ছন্দেই, সংগীতৰো ছন্দ। সংগীতৰ মাজেদিয়ে বিষ্ণুপ্ৰসাদ ৰাভাদেৱে ছন্দময় বিশ্বৰ, ছন্দময় একক মানৱ সমাজৰ সন্ধান পাইছিল। ৰুচ নৰ্তকী এনা পাভলোভাৰ "ৰাজহংস নৃত্য"ত তেওঁৰনো কিয় চকু পানী পৰিব লগা হ'ল? এই দেৱীৰ ক্ষন্তেকীয়া সান্নিধ্যই তেওঁক নৃত্য জগতৰ এক মহান সন্ধান দিব পাৰিছিল। মঠ মন্দিৰৰ ভগা ভাস্কৰ্য আদিৰ নৃত্যৰত নট-নটীয়ে তেওঁৰ সমুখত, তেওঁৰ হৃদয়ৰ বহল ৰাজ্যত দাঙি ধৰিলে নৃত্যৰ এক অপূৰ্ব ৰৰমঞ্চ। ইতিমধ্যে তেওঁৰ পৰিচয় হ'ল বংগৰ সংগীত, কবিতা, কলাত নিপুণ ঠাকুৰ বংশৰ লগত। পিছলৈ এই বংশৰে সৌমেন্দ্ৰ ঠাকুৰৰ সান্নিধ্যই তেওঁৰ ৰাজনৈতিক নীলা আকাশখনৰো নতুন ৰূপ আনি দিছিল।

এবাৰ তেওঁ কলিকতাৰ পৰা বাই-চাইকেলেৰে বিশ্ব কবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ শান্তিনিকেতনৰ 'বিশ্বভাৰতী' লৈ যাবলৈ মন মেলিলে। তেতিয়াৰ দিনৰ দুৰ্গম বাট-পথ। কণ্টকো কষ্ট নুবুলি তেওঁ পৰম উৎসাহেৰে ওলাল। তেওঁৰ সংগী হ'ল নাট্যকাৰ প্ৰভাত শৰ্মা আৰু সংগীতজ্ঞ প্ৰভাত সেনগুপ্ত। এই আশী মাইল পথ কিঞ্চিতো কষ্ট নোপোৱাকৈ তেওঁলোকে বিশ্বভাৰতীত প্ৰৱেশ কৰি অনুষ্ঠানটিৰ বিভিন্ন দিশ দৰ্শন কৰি বিশেষভাৱে উপকৃত হ'ল। সেই অনুষ্ঠানৰ গৌৰৱময় 'কলা-ভৱনে' তেওঁলোকক অনেক শিক্ষা প্ৰদান কৰিলে। তেওঁলোকে উভতি যাওঁতে বীৰভূম জিলাৰ 'চিউৰী' নামৰ ঠাইত নিশা থপি অ'ত ত'ত গঞা ৰাইজৰ লগত মিতিৰালি পাতি কলিকতালৈ উভতি আহিল। গায়ক-বায়ক-সকলে তেওঁলৈ অপেক্ষা কৰি আছিল। পুনৰ উৎসাহ উদ্দিপনাৰে 'গানৰ-আসৰ' বহিল। বাংলাৰ ৰাগ-প্ৰধান সংগীতৰ প্ৰথম

সুস্থিট কৰোঁতা সুৰ-সাগৰ হিমাংশু দত্ত মহাশয়ে এই আসৰসমূহত বিষ্ণু প্ৰসাদৰ লগত গাই-বাই অতি আনন্দ লাভ কৰিছিল। এই সুৰ-সাগৰৰ আগৰ বাঙালী গায়কজন আছিল—দিলীপকুমাৰ ৰায়। আধুনিক বাংলা গানৰ এই জনা গায়নেও উন্নতি সাধন কৰিছিল।

এবাৰ শান্তি-নিকেতনত ফুটবল-খেলৰ বৰ সবাহ হ'ল। সেই সবাহলৈ কোচবেহাৰ, ৰংপুৰ, পূৰ্বৰংগ আৰু পশ্চিমবংগৰ অনেক কেইটা খ্যাতনামা টিম খেলিবলৈ গৈছিল। কলিকতাৰ 'ওৱাই-এম-চি-এ' (Young Men Christian Association) ত খেলিবলৈ ৰাভাদেৱক অনুৰোধ কৰিলে, তেওঁ তৎক্ষণাৎ মান্তি হ'ল আৰু এদিন আথৰা দিয়াৰ দৰে টিমটোৰ খেলুৱৈসকলৰ লগত খেলি-মিলি ৰেল-গাড়ীত যাত্ৰা কৰিলে। ফুটবল খেল তেতিয়া জন-সাধাৰণৰ বৰ প্ৰিয় খেল। হেজাৰ হেজাৰ মানুহৰ সমাবেশ হৈছে। খেলুৱৈবিলাকক খেলৰ আগতে নিচেই কাষৰ পৰা চাবলৈ মানুহৰ হেতা-ওপৰা। বিষ্ণুপ্ৰসাদ ৰাভাৰ সুন্দৰ সুঠাম হাঁহিমুৱা মুখ, অলপ অলপ ভাজ লগা চুলি, হাফ-পেণ্টৰ তলেদি ফুটি ওলোৱা নিপোটল শৰীৰটো দেখি দৰ্শক মোহ যায়। খেলত কিমান যে হাত চাপৰি—কিমান হৈ-চৈ-চিঞৰ-বাথৰ।

সন্ধিয়া সংগীতৰ মজলিচ্।

বংগৰ কেবাজনো খ্যাতনামা গায়কেও গান গাইছে। বিষ্ণু ৰাভাৰো পাল পৰিল। তেওঁ অসমীয়া বিহু-গীত, বনগীত গালে, বড়োগীত, ৰবীন্দ্ৰসংগীত, কাৰ্বিগীত, মণিপুৰী গীত, খাচী গীত, মিজোগীত, উড়িয়াগীত, হিন্দী ভজন, উৰ্দু গজল, ৰাভা-বাহুৰঙী, ইংৰাজী আৰু শেষত নেপালী ভাষাৰ খুহুটীয়া গীত এটিৰে সমাপ্ত কৰিলে।

চাৰিওপিনে হাতচাপৰি ; সুন্দৰ, চমৎকাৰ আদি ধ্বনিৰে আসৰৰ বায়ু-মণ্ডল ৰজনজনাই থাকিল। চাৰিও পিনে আনন্দৰ কোলাহল।

বৰ-সবাহ ভাঙিছিল। লোকজন ঘৰলৈ উভটিছিল। টিমৰ যুৱকসকলে ৰেলত উঠি গীত-নাচ মাউথ-অৰগেনেৰে খদম্‌দম্ লগাই নিজ নিজ ঠাইলৈ ৰাওনা হৈছিল।

পুনৰ কলিকতা ওৱাই-এম-চি-এৰ বিচিত্ৰানুষ্ঠানৰ সংগীত-পয়োভৰ। নাচ-গানৰ সীমাসংখ্যা নাই। পৰশুৰাম ৰচিত "বিৰিঞ্চি বাবা" নামৰ বাংলা ভাষাতেই নাটক কৰা হৈছে। কবি নজৰুল ইচ্‌লাম এই সবাহত উপস্থিত আছিল। ৰাভাৰ ভাও আছিল দাৰোৱানৰ। তেওঁ এনে সুন্দৰকৈ নিজকে সজাই তুলিছিল যে দৰ্শকে দেখিলেই তেওঁক প্ৰকৃত কোনোবা বৰলোকৰ দাৰোৱান বুলিয়েই ধৰি লৈছিল। কবি নজৰুল মহাশয়ে এই সুযোগতে ৰাভাদেৱৰ লগত চিনা পৰিচয় হৈছিল আৰু দুয়ো বন্ধু হৈ পৰিছিল। সেই সময়ত এই কবিজনা বঙ্গৰ ডেকাসকলৰ অতি প্ৰিয় পাত্ৰ। তেওঁৰ

কবিতা পাঠ আবৃত্তি কৰা ছাত্ৰ আৰু যুৱকৰ মাজত প্ৰতিযোগিতাহে যেন চলিছিল।

এই সময়তেই কলিকতাৰ কোনো গায়কে বিষ্ণুপ্ৰসাদৰ সংগত পাৰি অসমীয়া গীতবো সুৰ সংযোজনা কৰিছিল। বিখ্যাত গীতিকাৰ পাৰ্বতীপ্ৰসাদ বৰুৱাৰ কথাছবি 'ৰূপহী'ত গীতিকাৰ, চিত্ৰকৰ আৰু সুৰকাৰ হিমাংশু দত্তই সংগীত পৰিচালকৰ ভাৰ লৈছিল। এইজন দত্তৰ লগতেই বিষ্ণুপ্ৰসাদে সংগীতৰ অনেক গভীৰ তত্ত্বৰ আলোচনা বিলোচনা কৰিছিল। সংগীতজ্ঞ দীনেন্দ্ৰ ঠাকুৰৰ লগতো তেওঁ পৰিচিত হৈ পৰিল। ৰবীন্দ্ৰ সংগীতৰ এইজনা ঠাকুৰ এজন নিপুণ শিল্পী।

কলিকতা মহানগৰীৰ হাই-উৰুমি, বিভিন্ন সোপন্থী বাওঁ-পন্থীৰ যুক্তি-প্ৰযুক্তিৰ কোলাহল, সাম্ৰাজ্যবাদী ইংৰাজক অস্ত্ৰ-শস্ত্ৰৰে হেঁচি আনি মুক্ত ভাৰত ঘোষণা কৰিবলৈ ওলোৱা যুৱক দলৰ গোপন আহ্বানৰ ৰুজনুজনিও তেওঁৰ কাণত পৰিল। কিন্তু তেওঁ মাথোঁ বুৰ গ'ল সংগীত সাধনাত, কলাৰ আৰাধনাত। ককায়েকৰ আৰু ভিনিহিয়েকৰ আহ্বানত পুলিচ চাহাব হোৱাৰ কথাও তেওঁৰ প্ৰাণৰ পৰা সম্পূৰ্ণভাৱে অন্তৰ্হিত হ'ল। বিষ্ণুনাৰায়ণ ভাটখাণ্ডেৰ সংগীত-পদ্ধতিয়ে কেনেকৈ সংগীতক পুৰণি কালৰ নিয়ম-নীতিৰ পৰা মোকোলাই আনি সহজীকৰণেৰে সংগীতক জনপ্ৰিয় কৰি তুলিলে—সেইবোৰো তেওঁ অধ্যয়ন কৰি পৰীক্ষা কৰিলে। মুঠতে, মহাসংগীতৰ মিঠা সৰোবৰৰ মৌ-ৰস পান কৰি তেওঁ হবলৈ প্ৰয়াস কৰিলে ৰূপ-তীৰ্থৰ যাত্ৰী আৰু ৰূপ-তন্ত্ৰৰ সাধনা সিদ্ধ পুৰুষ।

"সুৰৰ দেউলৰে / শিকলি ৰূপৰে /
ভাঙি দিলি খুলি / দুৱাৰ সোনোৱালী/
পূজাৰী অ' ! পূজাৰী অ' !! সুন্দৰ পূজাৰী !!!

মোৰ জীৱনৰ আকাশতে

‘ নন্দ্যান্তে ন্যাক্কভি
সহ সমৱর্তণে
ভেৰি ভাম্ ভাম্
নিভাম্ ভাম্
ধ্যাং ধিং নিধিং ধিং
ধিক্তাং ধিক্তাং ধিক্তাং
তথৈ থৈ দবৰ দবদৈ
জানকুন্ঠানকুচ
ত্ৰিভুৱন জননে
ভাদৈ চন্দ্ৰিকা পুতঃ
ঘেণিটা ঘেনিটা খিতা
ঘুমু ঘুমু ঘমু ।
ধেয় ধেয় ধেয় ।”

প্ৰলয় কালত নটৰাজ শিৱই তাণ্ডৱ নৃত্যত বিভোৰ হৈছিল আৰু সেই নৃত্যত সদাশিৱে ডম্বৰু বজাই দশোদিশ নিনাদিত কৰি তুলিছিল। নৃত্যৰ শেষত তেওঁ পুনৰ পাঁচবাৰ ডম্বৰু বজালে আৰু সেই ডম্বৰুৰ নাদত—সনক, সনাতন, সুনন্দ, আৰু সনত চাৰি কুমাৰে হাতত বীণ লৈ প্ৰলয় জলধিৰ মাজৰ হাস্যবদনে ওলাই আহিল। পৃথিৱী পুনৰ সুন্দৰ হৈ উঠিল, ফলে ফুলে গছে বিৰিখে চৰায়ে চিৰিকতিয়ে ৰমক্-জমক্ হ’ল। গহীন গভীৰ মন পৰশা হিয়া জগোৱা সুৰ-ধ্বনিত বিশ্ব-জগত আনন্দময় হৈ পৰিল।

প্ৰাচীন কামৰূপ সংগীতৰ ৰাজ্য। প্ৰাগ-জ্যোতিষৰ নৃপতি নৰকাসুৰক বধ

কৰি শ্ৰীকৃষ্ণই ষোল্ল হেজাৰ কলা-কন্যাক ৰাৰকালে লৈ গৈছিল আৰু সেইসকলেই সেই স্থানৰ কন্যাসকলক গীত-বাদ্য-নৃত্যৰ শিক্ষা দিছিল।

পুৰাণ কামৰূপ তথা বহল অসমৰ আদিম জাতি, উপজাতি জনজাতি, জনগোষ্ঠী—কিৰাত, কাৰ্বি, কুকী নগা, মিৰি, মিচিমি. বড়ো. চুটীয়া, ডিমাচা, ৰাভা, কছাৰী, অসুৰ আদি বাৰকুৰি খেল-মেলৰ নিজস্ব গীত-বাদ্য-নৃত্য আছিল আৰু আজিও আছে। অসমৰ নৃতত্ত্বৰ বিচাৰ, ভৌগোলিক অবয়ব, নদ নদী, পৰ্বত পাহাৰৰ অৱস্থিতি, প্ৰকৃতিৰ গতিধাৰাৰ সুদীৰ্ঘ কাহিনী, বহু হেজাৰ বছৰৰো বেছি এই উত্তৰ-পূব পৰ্বতীয়া ভৈয়ামীয়া ভূমিখণ্ডৰ বিভিন্ন ইতিহাস, বহু গোষ্ঠীৰ নিজস্ব সংগীত ধাৰাৰ ক্ৰমবিকাশ, ক্ৰমোন্নতি, উষা-চিত্ৰলেখাৰ কলাৰ ব্যঞ্জনা, কিৰাত অসুৰ বৰ্মনসকলৰো সংগীতৰ আদি কথাৰ পৰা শ্ৰীশংকৰদেৱৰ বৰগায়ন-বৰবায়নৰ কাললৈ সমস্ত সংগীতৰেই নহয়, সমস্ত সামাজিক ৰাজনৈতিক অৰ্থনৈতিক সাংস্কৃতিক, সকলো ইতিহাসৰেই বিষ্ণুপ্ৰসাদ ৰাভা এজন গবেষক বুৰঞ্জীবিদ্।

"অতীত অসম"ৰ বিষয়ে কবলৈ যাওঁতে তেওঁ লিখিছে ঃ

"এক কোটি বছৰৰ আগতে এই অসম হেনো অতল সাগৰ আছিল। বতাহ, বৰষুণ, তুষাৰ আদি ক্ৰিয়াই থলভাগৰ উপৰিভাগত যেনেকৈ দিনেপতি সালসলনি ঘটাব লাগিছে, এই অসম সাগৰৰ তলিত তেনেকৈ এই শকতি-বিলাকে শাসিব পৰা নাছিল। অগনি শিখাৰ ক্ৰিয়া আৰু পৃথিৱীৰ কলিজা-ভাগ কোঁচ খোৱাৰ ফলত জনম-লভা এই জলাহ ভাগৰ তলিত থলা বমা বা শিলাময় ঠাইয়েই এই প্ৰলয়ংকৰ ভূমিকম্পৰ ফলত মূৰ তুলি উঠিছিল। সেযেহে এই পূব-পশ্চিমীয়াকৈ থকা পাহাৰ শ্ৰেণী দেখা যায়।

অসমৰ ৰাজহাড় যেন এই পাহাৰ শাৰীৰ দুয়ো কাষেদি জীৱনী-ৰক্ত বোৱা ইড়া পিঙ্গলা হেন দুটা নাড়ী লুইত আৰু সুৰমা আজিও ধৰণী শুৱাই আছে। ·

এই ধৰণীৰ তাপ বিলাওতে বিলাওতে কোঁচ খোৱাৰ লগে লগে, যেনেকৈ অসমৰ ন ন থলুৱা বমা ঠাইৰ জনম হৈছিল, ইয়াৰ বুকুত থিক বিপৰীত দ্বন্দৰ ফলত কিছুমান প্ৰাকৃতিক শকতিৰ গুণত সেই বিষমতা লয় পাইছিল। এই দুয়োটা বিৰুদ্ধ গতিৰ ফলতেই অসমৰ পিঠিত দিনে পতি সাল সলনি হৈ আহিছে আৰু হবই। ··লুইত পৰীয়া ভৈয়ামৰো এই দৰেই সৃজন হোৱাৰ উপৰিও, ইয়াৰ গঢ় বেলেগ ধৰণেও হৈছিল।

পোন পোনতে সামান্য ঘন বহনৰ সেউজৰুলীয়া শেলুৰৈৰ পৰাক্ৰম-বিকাশৰ ফলত আজিৰ ঘাহ-ঘাহনি; বন-বনিন হ'ল, হাড় ৰাজহাড় আদি নোহোৱা ক্ৰিমি আদি বাঢ়ি মাছ, কাছ, গাহৰি, নৰসিংহ আদি হৈ বিধ বিধ জন্তু প্ৰাণীৰ ৰূপ লৈ জল, থল, হাবি বননিত চৰিবলৈ ধৰিলে। প্ৰকৃতিৰ ৰেহ

ৰূপ নতুন ৰূপ লৈ ধূনীয়া, শুৱনী হ'ল। আজিৰ অসমী আই কেঁচুৱা অৱস্থাতে চিকুণ হৈ উঠিল :...

...বৌধ সংঘৰ প্ৰাচীন নৃত্যৰ ক্ৰমবিকাশৰ গুণত অসমীয়াৰ অতিকৈ চেনেহৰ ৰঙালী ৰঙিলা বিহু বহাগী নৃত্য গীতৰে পৰিপূৰ্ণ বিহু উৎসৱ হ'ল।... ভৰ বাৰিষা ডকা চাকনৈয়া আৰু ভদীয়া ধলৰ কোবাল সোঁতৰ শব্দ ৰূকুত লৈ এই টিলাও নৈ খন বৈছিল কাৰণে, এই নৈ খনক "ভুল্লংৰুথুৰ" ও বুলিছিল। 'ভুল্লংৰুথুৰ'ৰ অৰ্থ হৈছে—কল কল নাদকাৰী।

....মৎস্যেন্দ্ৰ মীননাথ অসমৰে তথা কামৰূপৰে অসমীয়া কৈৱৰ্ত আছিল। তেওঁ তিব্বতত অবলোকিতেশ্বৰ অৱতাৰ বুলি পূজিত হৈছিল, এই শ্ৰেষ্ঠ সম্মান বুদ্ধৰ দৰে অসমীয়াই পাইছিল।...

.. ভাষা হিচাপে অসমীয়া সম্পূৰ্ণ বেলেগ। ইয়াৰ বৰ্তমান গঠন প্ৰাচীন আদিম অসমীয়া ভাষাৰে শেষ পৰিণতি। শংকৰদেৱৰ যুগতে হ'ল অসমীয়া শিল্পৰ চৰম বিকাশ।... সঁচাকৈয়ে আজি শংকৰদেৱ গুৰু, অসমীয়াৰ প্ৰাণ। আজি শংকৰদেৱৰ যি কোনো কৃষ্টি বা সাহিত্য বাদ দিলে অসমীয়াৰ মৃত্যু হব। শংকৰ নাথাকিলে অসমীয়াৰ একোৱেই নাই।"...

এনে দৰেই গৱেষক বুৰঞ্জীবিদ্ নৃতাত্বিক, ভুগোল-বিজ্ঞানী, ভবিষ্যত দ্ৰষ্টা বিষ্ণুপ্ৰসাদ ৰাভাদেৱে অসমদেশ আৰু অসমীয়া মহাজাতিৰ বিবিধ ইতিহাস উম্মেষণ আৱিষ্কাৰ কৰি এক নতুন যুগৰ সূচনাৰ শংখ-ধ্বনি কৰিলে। পাঞ্চজন্যৰ শৱদৰ দৰে, এই শৱদে বিচিত্ৰময় অসমক জগাই তুলিলে। অসম-অসমীয়াৰ প্ৰাণৰো প্ৰাণ, আত্মাৰো আত্মাৰ্ তেওঁ সন্ধান দিলে।

কলিকতাত থাকিলেই তেওঁ এই বৃহত্তম অসমীয়াৰ সৰ্ব জাতিক, সৰ্ব খেলক, সৰ্ব গোষ্ঠীক সংহতি আৰু একতাৰ বৰকাপোৰ খনেৰে এককেই আৰু এক কৰি তোলাৰ সপোন দেখিলে। সংগীত-জগত, নাচ-জগত আৰু চিনেমা-জগতৰ মাজেদি তেওঁ অসমৰ সৰ্বসম্পাদক নতুন গতিশীল প্ৰাণ প্ৰদান কৰিলে হাতে-কামে লাগি গ'ল।

ওৱাই-এম-চি-এ এটি সদায় সক্ৰিয় অনুষ্ঠান, ইয়াৰ বিবিধ কাৰ্য সূচীয়ে, সহজতে সকলোকে আকৰ্ষণ কৰে। এবাৰ এওঁলোকে এখনি 'মনোহাৰী পোচাক প্ৰদৰ্শন (Fancy Dress Exhibition) পাতিলে। নানা জনে নানা ভাও দিলে, নানা পোচাক পৰিচ্ছদ পিন্ধি চাঞ্চল্যৰো সৃষ্টি কৰিবলৈ বিচাৰিলে। বিষ্ণুপ্ৰসাদ ৰাভাই বিখ্যাত সাহিত্যিক ভিক্টৰ হিউগোৰ "Hunsback of Noterdom" নামৰ চৰিত্ৰটিকেই বাচি ললে। মঞ্চৰ গ্ৰীণৰুমত সোমাই তেওঁ নিজে নিজেই 'মেক-আপ'ত লাগি গ'ল—পিঠিত এটি কুঁজ উটৰ দৰেই, ভৰি দুখন পেংতা, চকু কেৰা, মুখখনো কুশ্চিত, দাঁত কেইটাও কেনে যে হেৰেমুগেমীয়া।

এনে এজন কুৎসিত ভাওৰীয়া মঞ্চত ওলোৱাৰ লগে লগেই ল'ৰাছোৱালী

বিলাকৰ মাজত কোলাহল লাগি পৰিল। ওৱাই-এম-চি-এৰ ছুপাৰিনটেনডেণ্টৰ পত্নী মিচেচ বাকনেলে ভয়তে এনেকৈ চিঞৰি উঠিল যে দৰ্শকৰ মাজত ত্ৰাসৰ সঞ্চাৰ হ'ল ; তেওঁ বহুত সময়লৈ তেওঁৰ কাষতেই বহি থকা স্বামীক সাৱটি ধৰি কঁপিবলৈ ধৰিলে। চাৰিওপিনে হাততাপৰি পৰিল। আমেৰিকাৰ ফিল্ম-জগতৰ মিষ্টাৰ লংচেনী (Mr. Longcheney) য়ে এই প্ৰদৰ্শনীতে উপস্থিত আছিল। এইজনেও বিশেষ সাজ-সজ্জাৰে মঞ্চত ভাও এটি লৈছিল ; কিন্তু বিষ্ণুপ্ৰসাদক কোনেও চেৰ পেলাব নোৱাৰিলে। লংচেনী চাহাবে প্ৰদৰ্শনৰ পিছত ৰাভাদেৱক কৰমৰ্দন কৰি অশেষ ধন্যবাদ যাচিলে। শেষত, অনুষ্ঠানটিৰ পক্ষৰ পৰা বিষ্ণুপ্ৰসাদ ৰাভাক উত্তম-বঁটা (Best Medal) প্ৰদান কৰিলে। তেতিয়াৰ কলিকতা মিউনিচিপাল বোৰ্ডৰ চিয়াৰমেন জে চি, বসু মহাশয়ো উপস্থিত আছিল আৰু অনুষ্ঠানৰ শেষত ৰাভাদেৱৰ লগত কথা-বতৰা পাতি বৰ আনন্দ লাভ কৰিছিল আৰু মন্তব্য দি কৈছিল যে শ্ৰীমান ৰাভাই ভৱিষ্যতে ভাৰতত সুখ্যাতি লাভ কৰিব পাৰিব।

এনে দৰেই কলিকতা মহানগৰীত বিষ্ণুপ্ৰসাদ ৰাভাদেৱে নিজৰ প্ৰতিভা বিকাশৰ অনেক স্থান আৰু সুযোগো পালে। তেতিয়াৰ পাশ্চমীয়া বিজ্ঞান আৰু সভ্যতাৰ বতাহে কলিকতা নগৰীলৈ নতুনৰ বাৰ্তা বহন কৰি আনিছে। সাহিত্য, সংগীত, চিত্ৰকলা, ভাস্কৰ্য, আৰু বিজ্ঞান চৰ্চাৰ নতুন তৰংগই সুন্দৰ আগত যুগৰ সন্ধান দিছে। এই নতুন যুগৰ বিং, গংগা-উভতি বোৱাৰ দৰে বৰলুইতৰ বুকুৰেদি অসমলৈ প্ৰবল বেগে বৈ গৈ এক জাগৰণৰ সৃষ্টি কৰিছিল।

সমগ্ৰ ভাৰত জুৰি দেশক স্বাধীন কৰাৰ আন্দোলনৰ ঢৌ বৈ বৈ বৈ আছে। "বেংগল ভলাণ্টিয়াৰ্ছ" নামৰ বিপ্লৱী ভাৱাপন্ন অনুষ্ঠানে যুৱকবৃন্দক একত্ৰিত কৰি ইংৰাজ চৰকাৰৰ পিলাই চমকাই তুলিছিল। এনে ধৰণৰ বৈপ্লৱিক দল অসমতো গঠন কৰিব পাৰিলে, হয়তো ইংৰাজৰ শাসন আৰু শোষণৰ অন্ত পেলোৱাৰ পথ অসমৰ বাইজে বিচাৰি পালেহেঁতেন –এনে ভাৱে বিপ্লৱী যুৱক বিষ্ণু প্ৰসাদক ব্যতিব্যস্ত কৰি তুলিছিল। এপিনে গীত-বাদ্য-নৃত্যৰ চৰ্চা, চিত্ৰকলাৰ অভ্যাস আৰু অনুশীলন, আনপিনে শোষিত পিড়ীতৰ মুকুতিৰ বাস্তৱ সপোনত তেওঁ অনুপ্ৰাণিত। বিপ্লৱী ট্ৰট্স্কিৰ "The Permanent Revolution" (স্থায়ী বিপ্লৱ) আদি গ্ৰন্থই তেওঁৰ মনোজগতত আৰু নন ভাৱৰ ফেহুজালিৰে পোহৰাই তেওঁক গতিশীল কৰিলে। জাৰ্মান চোচিয়েল ডিমোক্ৰেট এলেকসজেণ্ডাৰ পাৰভাছ (Alexandar Parvous) আদিৰ কোনো কোনো লিখনিয়েও তেওঁক সচেতন কৰি তুলিলে। আনপিনে, ৰবীন্দ্ৰ সংগীতেও তেওঁক আকৰ্ষণ কৰিলে, মুঠতে ৰাভাদেৱৰ বহুমুখী প্ৰতিভাই বিভিন্নভাৱে বিকাশৰ পথ বিচাৰিলে। শিল্পী অবনী ঠাকুৰৰ লগত হোৱা তেওঁৰ বন্ধুত্বই তেওঁক বিশেষভাৱে উপকৃত কৰিলে। এইজনা ঠাকুৰ প্ৰাচ্য-

কলা জ্ঞানত পৰিপক্ক আছিল। আনপিনে তেতিয়াৰ কালত "সুৰ-সাগৰ" নামে খ্যাতি লাভ কৰা হিমাংশু দত্তৰ লগত হোৱা তেওঁৰ অন্যতম সুহৃদয়তাই সংগীত-জগতৰ আন এটি দিশ উন্মুক্ত কৰি দিছিল।

ইয়াৰউপৰি বিভিন্ন কলা-কেন্দ্ৰ ঘূৰি আহি বৰদোৱাৰ কীৰ্তনঘৰৰ কলা-আলেখ্যত জ্যোতিপ্ৰসাদ আগৰৱালাৰ মুৰ দো খোৱাৰ দৰেই, বিষ্ণু প্ৰসাদৰ কেন্দ্ৰ-ভকতি সদায় মনোৰম অসম আৰু সুন্দৰ ডেকাগিৰী শ্ৰীমন্তশংকৰৰ বিশাল পৰিধিৰ ৰঙা-কেন্দ্ৰটিতে আত্মা নিবেশ হৈছিল, চিৰ নবীনত্বৰ অনুসন্ধান আৰু আৱিষ্কাৰত।

বিষ্ণু প্ৰসাদ ৰাভা কলিকতাত থকা কালতেই সংগীতৰ এটি গ্ৰামোফ'ন যুগৰ আৰম্ভণি হৈছিল।. তেতিয়া গীতৰ ৰেকৰ্ড কৰা কাৰ্যই গায়কসকলক বাৰুকৈয়ে উদ্বেলিত কৰিছিল।

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা দেৱ সংগীত আৰু কথাছবিৰ নানা অভিজ্ঞতা আৰু শিক্ষালাভ কৰি ঘূৰি আহি তেজপুৰ পায়। ইয়াতেই তেওঁ বাছি ভাবি চিন্তি শুনি গাঁথি অসমৰ সাহিত্যৰ নতুন যুগৰ স্ৰষ্টা লক্ষ্মীনাথ বেজবৰুৱা দেৱৰ "জয়মতী" নাটক খনকেই বাচি লৈ কথাছবিৰ বাবে মনোনীত কৰিলে; বংগৰ কথাছবি শিল্পী ধীৰেণ গাংগুলিক তেওঁ তেজপুৰলৈ নিমন্ত্ৰণ কৰিলে। অসমীয়াৰ সাহিত্য, সমাজ, বুৰঞ্জী, কলাকৃষ্টি, সংহতি, প্ৰেম-প্ৰীতি, আত্ম-ত্যাগ দেশ প্ৰেম আদি ৰূপায়ণ কৰি দেখুৱাবলৈ এই নাটখনেই প্ৰকৃত বাহন হব বুলি আগৰৱালাদেৱে বিশ্বাস কৰিলে।

১৮৯৫ খৃষ্টাব্দৰ অক্টোবৰ মাহৰ এক গৌৰৱময় দিনৰ নিশা জাৰ্মানৰ ৰাজধানী বাৰ্লিন নগৰতেই পোন প্ৰথমতেই কথাছবিৰ প্ৰদৰ্শন কৰি স্কলাডানোভস্কীয়ে জগতক বিস্মিত কৰে। তেতিয়া ইয়াৰ মতে ওলোৱা নাই—সেয়ে এই সুন্দৰ কলাৰ নাম 'বায়োস্কোপ' বাকহীন ছবি। এনে দৰেই, জে. আৰুইন, জন্. চি. ৰাইচ আদিৰ কঠোৰ শ্ৰম আৰু চিন্তাই বায়োস্কোপক ক্ৰমোন্নতি পথেৰে আগবঢ়াই নিলে। বিভিন্ন শিল্পীৰ ধৈৰ্যময় প্ৰচেষ্টাৰে আমেৰিকাৰ পৰা ছোভিয়েত দেশলৈ ইয়াৰ ক্ৰমোন্নতিয়ে অগ্ৰগতিৰ পথেদি এই সুন্দৰ কলাই চিহ্ন-যাত্ৰাৰ দৰেই আগবাঢ়ি গ'ল। ১৮৯৯ খৃষ্টাব্দত অন্যতম সাধক শিল্পী জে উইলিয়মছনে এখন গাঁৱলীয়া কৃষক-জীৱনৰ ছবি উলিয়াই কলা-অনুৰাগী ৰাইজক সম্মোহন কৰি তুলিলে। এনে দৰে অবাক গতিশীল ছবিয়ে সবাক হৈ উঠিল। বিজ্ঞানৰ সাৰ্থকতাত জগতৰ সংগীত-নাট-ক্ৰিয়া-কৌশলৰ মাজত প্ৰেৰণাৰ বৰলুইত বৰলৈ ধৰিলে। অসমৰ ৰূপৰ সাধক উষা-চিত্ৰলেখাৰ কলা-কাৰেঙৰ ৰবচোতালৰ বৰ গায়ন জ্যোতিপ্ৰসাদেও গতিশীল সবাক চিত্ৰ-ভাওনাৰ বাবে মাটি আখৰা আৰম্ভ কৰিলে।

তেওঁ কৈছিল ঃ

"……প্ৰীতিৰ বৰভেটি হৈছে ঐতিহ্যৰ সত্য। আজি আমাৰ সাংস্কৃতিক প্ৰগতি আমাৰ অসমীয়াৰ—ভাৰতীয়ৰ ঐতিহ্যৰ সত্যৰ ওপৰত অৱশ্যেই প্ৰতিষ্ঠিত

হ'ব লাগিব। আজি আমি বিশ্ব-প্ৰগতিৰ জোনাকী বাটত লগ পোৱা গণতন্ত্ৰই হওক, সমাজতন্ত্ৰই হওক, সাম্যতন্ত্ৰই হওক, যিহকেই আমি অভাৰতীয় মনীষা প্ৰতিভাৰ মনৰ পৰা আনিব খোজো'—তাকেই আমি কিন্তু আমাৰ দেশত প্ৰতিষ্ঠা কৰিব লাগিব আমাৰ ঐতিহ্যৰ সেই সেই তন্ত্ৰ বিষয়ক সত্যৰ ওপৰত হে। আমাৰ ঐতিহ্যৰ ভিতৰত যি তন্ত্ৰৰ সমৰ্থন নাই—তেনে তন্ত্ৰই আমাক অপকাৰহে কৰিব। ভাৰতীয়ৰ জীৱনে সেই তন্ত্ৰৰ মাজেদি তাৰ স্বাভাৱিক বিকাশ নাপাব। তাৰমানে, আমাৰ মৌলিকতাৰ সমন্বয় কৰিহে আমি বিশ্বমনীষা প্ৰতিভাৰ বস্তু গ্ৰহণ কৰিব লাগিব। অৱশ্যে যি বিশ্বমনীষা প্ৰতিভাৰ পৰা ওলায় সি বিশ্বজনীন সত্য যেতিয়া—সি আমাৰো সত্য হ'বই—আমাৰ ঐতিহ্যতো নিশ্চয় সেই সত্যৰ প্ৰকাশ কোনো নহয় কোনো বিভাগত আছেই, হয়তো জীৱনৰ কোনোবা বিভাগত সেই সত্যৰ প্ৰয়োগ নোহোৱাকৈ ৰৈ গ'ল; তাৰ মানে, ব্যাপ্তিৰ ফালৰ পৰা সি কিবা কাৰণত অসম্পূৰ্ণ হৈ ৰ'ল। এতিয়া ভাৰতৰ নতুন সংস্কৃতি গঢ়িবলৈ ওলাওঁতা, সামাজিক জীৱনৰ নতুন ৰূপ দিবলৈ বিচাৰোঁতা, এতিয়া নৱ জন-জীৱনৰ প্ৰকাশ ৰচোঁতা দবাটোৱে প্ৰগতিৰ বাটত লগ পোৱা সংস্কৃতিক নতুন কইনাক আমাৰ ঐতিহ্যৰ সত্যৰ ভেটিত আনি থাপিব পাৰিব লাগিব।"……(শিল্পীৰ পৃথিৱী)

বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ দৰে ৰূপকোৱঁৰ আগৰৱালাদেৱেও সংস্কৃতি-জগতত সুন্দৰ শ্ৰীমন্তশংকৰৰ মহান আৰু বিশাল অৱদানক মুক্তকণ্ঠে স্বীকাৰ কৰি গৈছে।

ৰূপকোৱঁৰে কৈছিল ঃ

"শ্ৰীমন্তশংকৰ আমাৰ সংস্কৃতিৰ গুৰু।……শ্ৰীমন্তশংকৰে দিয়া সংস্কৃতি-টোনো কি, তাকে আমি বুজিবলৈ প্ৰথমতে চেষ্টা কৰিব লাগিব।…

শ্ৰীমন্তশংকৰে এই 'কৃষ্ণ'কে আমাৰ সংস্কৃতিৰ প্ৰতীক বুলি কৈ দি গৈছে আৰু নিজৰ জীৱনতো এই কৃষ্ণ—শিল্পীৰূপ মানৱ জীৱনক প্ৰকাশ দিবলৈ—তেওঁৰ প্ৰতিভাৰে মনীষাৰে চেষ্টা কৰি গ'ল।…আজিৰ বিশ্বস্থাপত্যৰ ৰৌপ্যিক-সৰলতাৰ ৰূপ সমাবেশেৰে ৰচনা কৰিব খোজা মডাৰ্নিষ্টিক স্থাপত্যৰ সৌন্দৰ্যৰ আদিম প্ৰকাশ শ্ৰীমন্তশংকৰৰ নামঘৰতেই মই দেখিছিলো।" (শিল্পীৰ পৃথিৱী)

"…নামঘৰৰ ভিতৰলৈ সোমাই গৈ দেখিলো—থাপনাখন দেখোন—Cubist design অৰ, তাত অঁকা ৰকাবোৰ কোনোটো Impressionist, কোনোটো—Symbolist শিল্পীৰ আলেক্ষৰ দৰে।"

…"তেওঁ (শ্ৰীমন্তশংকৰ) জীৱনৰ মহাশিল্পী হৈ অসমীয়া জনতাৰ মাজত বাহিল—অসমীয়া জনতাৰ নৱ জীৱন গঢ়িবলৈ।"…… (শিল্পীৰ পৃথিৱী)

অসমৰ থান-সত্ৰৰ বিভিন্ন কলা কীৰ্তনঘৰৰ আৰ্হি, কাছ হাতী-সিংহযুক্ত 'আসন', বৰশৰাই, ফুলকটা বৰথুটা, ফুল চটি মাৰলি, বৰ-ডামামা, বৰশৰাই ফুলতোলা মুঠীকঠ ইত্যাদিৰ কলাকৌশলৰ বিষয়ে আজিও শিল্পীবৃন্দৰ তেনে আলোচনা-বিলোচনা পূৰ্ণভাৱে হোৱা নাই। যি কিউবিক দিজাইনৰ কথা ৰূপকোঁৱৰে এদিন কৈছিল, সেই "কিউবিজম"ৰ কথা কবলৈ বাওঁতে শিল্পী

যুৱান গ্ৰিচ (Juan Gris)ৰ কথাই আমাৰ মনলৈ আহে। তেওঁ ১৮৮৭ খৃষ্টাব্দত উপজি দকুৰি বছৰৰ ভৰ যৌৱন কালতেই ১৯২৭ খৃষ্টাব্দত পৰলোক হয়। এই ক্ষেত্ৰত ব্ৰাক নামৰ শিল্পী এজনৰ কথাও আমি জানিবলৈ পাওঁ। এই কিউবিজমে পুৰণিকালৰ ৰীতি-নীতিৰ পৰা সম্পূৰ্ণভাৱে আঁতৰি আহি, কলা-শিল্পৰ এক যুগান্তৰ আনিছিল। ই প্ৰধানত দুই বিধৰ,—বিশ্লেষণাত্মক (Analytical) আৰু সংশ্লেষাত্মক (Synthetical)। প্ৰাথমিক আৰম্ভণি হয় প্ৰথমতে স্বাভাৱিক বস্তুটোৰ খণ্ডিত কৰণেৰে, দ্বিতীয়তে বিশ্লেষণ খণ্ডিতকৰণ আৰু তৃতীয়তে সংশ্লেষণ। ইয়াৰ পৰবৰ্তিকালত ক্ৰমবিকাশৰ পথত প্ৰগতি কৰি পোনতে বৈজ্ঞানিক, পিছতেই ওৰফিক (অৰ্থাৎ কবি সংগীতজ্ঞ Orpheusৰ দৰে গীতৰ সুৰেৰে জড় পদাৰ্থক চৈতন্য কৰা), তৃতীয়তে শাৰীৰিক আৰু চতুৰ্থতে স্বাভাৱিক বা স্বতঃস্ফুৰ্তভাৱে ৰূপ লৈ উঠিছিল।

এই কালৰে সমসাময়িক বিশ্ববিখ্যাত শিল্পী পিকাচো স্পেইন দেশৰ মালাগা নামে ঠাইত উপজিছিল। এওঁৰ চিত্ৰকলাকে 'ফোৰি-কলা' (Fauvism) বুলি কোৱা হয়। এই ক্ষেত্ৰতেই ভিনচেণ্ট্ ভন গগ আৰু প'ল গগাঁৰ নামো সোঁৱৰণ কৰিব পৰা যায়। বৰ্তমান জগতত এই শিল্পীসকলৰ বিষয়ে বিশেষ আলোচনা-বিলোচনাৰে গ্ৰন্থ ৰচিত হৈছে, কিন্তু সুন্দৰ শ্ৰীমন্তশংকৰৰ ক্ষেত্ৰত তেনে পদক্ষেপ এতিয়াও নগণ্য হৈয়ে আছে।

বিষ্ণুপ্ৰসাদ ৰাভাদেৱে শ্ৰীমন্তশংকৰদেৱৰ বিষয়ে বিভিন্ন নতুন কথা কৈছিল। কৃষ্টিৰ আঁকৰ মহাপুৰুষ জনাৰ অনেক নতুন তত্ত্ব তথ্য আৱিষ্কাৰ কৰিছিল। কীৰ্তনঘৰৰ জনম-কাহিনীও তেওঁ গতানুগতিকভাৱে নকৈ—নগা, মিৰি, মিচিমিৰ ডেকাচাঙৰ আৰ্হিৰ কথাহে কৈছিল। অসমীয়া কলা-শিক্ষা, গীত-বাদ্য, নৃত্য, সাহিত্য, আলেক্ষ্য, ভাস্কৰ্য আদিৰ শ্ৰীমন্তশংকৰৰ জীৱন যুগতেই বিকাশ লাভ কৰি মহিমামণ্ডিত হৈ উঠিছিল বুলি তেওঁ মত প্ৰকাশ কৰি গৈছে। তেওঁ কৈছিল ঃ—

"...এই পৃথিৱীত যিসকল মহাপুৰুষে জন্মগ্ৰহণ কৰিছিল, তাৰ ভিতৰত তিনি জন মহাপুৰুষ আছিল কৃষ্টিৰ আঁকৰ। এজন আছিল স্বয়ং শ্ৰীকৃষ্ণ। কৃষ্ ধাতু লগন কৃষ্টিৰ আঁকৰ কাৰণে তেওঁক কৃষ্ণ বুলিছিল। তেওঁ কি নাজানিছিল ? গীত-বাদ্য, নৃত্য, ধনুৰ্বিদ্যা, ক্ৰীড়া, ৰাজনীতি ইত্যাদি সৰ্ব গুণ নিধি তেওঁ আছিল। আৰু এজন আছিল ইটালীৰ লিওনাৰ্দো দ্যা-ভিন্সি। তেওঁ একে লগে বৈজ্ঞানিক, চিত্ৰকৰ, ৰাজনীতিজ্ঞ পুৰুষ আছিল। আৰু এজন আছিল আমাৰ এই অসমৰে মহাপুৰুষ শ্ৰীশ্ৰীশংকৰদেৱ যাক আজি অসমে গুৰু বুলি পূজা কৰি থাকো। সঁচাকৈয়ে আজি শংকৰদেৱ অসমৰ গুৰু, অসমীয়াৰ প্ৰাণ + আজি শংকৰদেৱৰ যি কোনো কৃষ্টি বা সাহিত্য বাদ দিলে অসমীয়াৰ মৃত্যু হব। শংকৰ নাথাকিলে অসমীয়াৰ একোৱেই নাই।"... (অসমীয়া কৃষ্টি)।

এই কুৰি শতিকাৰ প্ৰায় পাঁচ হেজাৰ বছৰ আগতে শ্ৰীকৃষ্ণ মথুৰাৰ অধিপতি কংসৰ কাৰাগাৰৰ ভিতৰত আৱিৰ্ভাৱ হৈছিল আৰু এশ পাঁচিশ বছৰ তেওঁ

জীৱন-নাটৰ লীলা অভিনয় কৰিছিল। কুৰুক্ষেত্ৰৰ যুদ্ধ, তেওঁৰ সুহৃদ সখা অৰ্জুনক কোৱা বাণীসমূহেই "শ্ৰীমদ্‌ভাগৱদ্‌গীতা" শাস্ত্ৰৰূপে মূৰ্তিমন্ত হৈছিল।

দশম শতিকাত উত্তৰদেশত মানুহে আইচলেণ্ড্‌ পাৰ হৈ উত্তৰ আমেৰিকাৰ বৰফে ঢকা অঞ্চলসমূহত প্ৰবেশ কৰে। সেই সময়তেই ইউৰোপৰ বণিকসকলেও আফ্ৰিকালৈ প্ৰব্ৰজন কৰে। গ্ৰীক বিজ্ঞানৰ ক্ষিপ্ৰগতি হৈ অহাত নতুন নতুন শিল্পীৰ জন্ম হয়। এইটোৱে প্ৰাচীন ইটালী দেশকো ধুৱাই পেলায়। এনে কালতেই লিওনাৰ্দো-দ্যা-ভিঞ্চি ওপজে। তেওঁ চিত্ৰশিল্পী, বৈজ্ঞানিক, ভাস্কৰ, ৰাজনীতিজ্ঞ আৰু কাৰিকৰ বিশ্বকৰ্মা। বিজ্ঞানৰ দৃষ্টিৰে তেওঁ দেখিছিল আৰু শিল্পী কল্পনাৰে সৃজন কৰিছিল আৰু ইটালীৰ বিজ্ঞান-শিল্প-কলাৰ নৱ উন্মেষ হৈছিল।

বিশ্ব-বিখ্যাত শিল্পীৰ জীৱনী অধ্যয়ন কৰি সত্য-অনিসন্ধিৎসু বিষ্ণুপ্ৰসাদ ৰাভাই তেওঁৰ মহৎ কলাকাৰৰ জীৱনটোৰ গঢ় দিবলৈ হাবিলাস কৰিছিল। অসমৰ বৰ্ণাঢ্য মহাসংস্কৃতিৰ বৰনামঘৰত সুন্দৰ ডেকাগিৰী শ্ৰীমন্তশংকৰৰ প্ৰতিভাৰ পোহৰত তেওঁ কাম্য সত্য পথ এটিৰ সন্ধানে পাইছিল। জ্যোতিপ্ৰসাদ আগৰৱালাৰ সাংস্কৃতিক প্ৰমূল্যয়ো তেওঁক উদগনি দিছিল, লক্ষ্মীনাথ বেজবৰুৱাৰ শ্ৰীশংকৰ-সাহিত্যয়ো তেওঁক অনকুল বতাহৰ দৰে সহায় কৰিছিল। এখনি সাত-খলপীয়া সিংহাসনত বিশ্ব ৰসিক বেজবৰুৱাক থাপনা কৰি তেওঁ চিত্ৰ এখনি অংকিত কৰি মানুহক মুহিব পাৰিছিল। সাংস্কৃতিক ক্ষেত্ৰত বিষ্ণুপ্ৰসাদৰ অৱদান বৃহৎভাৱেই মৌলিক বুলি আমি দৃঢ়তাৰে কব খোজো। তেওঁ সদায় বিচাৰিছিল, কৃষ্টিক প্ৰগতিৰ পথেৰে আগবঢ়াই নি সংস্কৃতি কৰা, নতুনসৱক অসমীয়া ঠাচত গঢ় দিয়া, আৰু গতিৰ মাজত অসমীয়াৰ জীৱন-ছন্দ তালে সুৰে লয়ে-লাসে স্পন্দিত কৰি তোলা। সেয়েই তেওঁ সুৰৰ মহিমাৰে গাইছিল;

"মোৰ জীৱনৰ আকাশতে
ইন্দ্ৰ ধনু গঢ়িম।
সাত ৰঙৰ মীণা কৰাই
যতনেৰে তৰিম॥
কিন্‌কিনিয়া চকুৰ লোৰে
হুমুনিয়াহ ভাঁপ কণেৰে
প্ৰণয় সুৰূয দেৱতাৰে
জিলিকণি সানিম।
মৃদুল মেঘৰ মাদল কোবাই
গগন-গগনা আলফুলে বাই
বিজুলী নটীৰ নাচোনটি চাই
দেওঁদি দেওঁদি নাচিম॥

এটুপি চকুলো মোৰ যে কেৱল

চিৰ স্বাধীন অসম ইংৰাজ আৰু বৰ্মা ৰজাৰ লগত হোৱা ১৮২৬ খৃষ্টাব্দৰ ইয়াণ্ডাবু সন্ধি মতে ইংৰাজৰ অধীনলৈ গ'ল। স্বাধীনতা পিপাসু ৰাইজে মানৰ অত্যাচাৰ উৎপীড়নৰ পৰা অব্যাহতি পালেও তুঁহ জুই জ্বলাদি অন্তৰবোৰ জ্বলি থাকিল। ইয়াৰ মাজতেই পিয়লি ফুকন, গোমধৰ কোঁৱৰ আদিয়ে ইংৰাজৰ বিৰুদ্ধে সশস্ত্ৰ বিদ্ৰোহ কৰি প্ৰাণ আহুতি দিলে। পিছলৈ, মণিৰাম বৰভণ্ডাৰী বৰুৱাযো ইংৰাজৰ দ্ৰোহ আচৰণ কৰি ফাঁচী-কাঠত ওলমি পৰিল। তেনেকৈয়ে দাঁতি-কাষৰীয়া অঞ্চলসমূহৰ পৰাও বিদ্ৰোহৰ অগণি জ্বলি উঠিল। কাছাৰৰ গুঞ্জামত সমদন কছাৰী, মণিপুৰী ৰাজ্যত টিকেন্দ্ৰজিৎ, গদাধৰৰ পাৰে পাৰে জাওলীয়া দেৱানে ইংৰাজৰ বিৰুদ্ধে সশস্ত্ৰ বিদ্ৰোহ কৰি ৰণ কৰি নিজ নিজ জীৱন হেৰুৱালে।

এনে দৰেই শোণিতৰ ধাৰ বোৱাই বিদেশী ইংৰাজে অসমক নিজৰ কৰাল গ্ৰাসত সুমুৱাই ললে। সময়ৰ গতিত অসম শান্ত হৈ আহিল। হলেও ইয়াৰ মাজতেই বৈটামাৰী অঞ্চলত ৰাৰপাৰ্টিগিৰীৰ ধাওৱা, ফুলগুৰিৰ ধাওৱা, ৰঙ্গীয়াৰ বিদ্ৰোহ, পাথৰিঘাটৰ ৰণ, সথেবাৰীৰ ৰাইজমেল, শিৱসাগৰ-ৰংপুৰত বিদ্ৰোহৰ আখৰা আদিয়ে ইংৰাজ চৰকাৰক ব্যতিব্যস্ত কৰি তুলিছিল। সেয়েহে ইংৰাজে ন ন আইন কৰি, চিপাহী চন্তৰীৰ সংখ্যা বৃদ্ধিৰে পৰাধীনতাৰ লোহ জিঞ্জিৰি আৰু শক্তিশালী কৰি তুলিলে। এনে ঘাট-প্ৰতিঘাট, অভাৱ-অনাটন, অশান্ত পৰিস্থিতি, ৰাইজ-ৰোষত সাংস্কৃতিক জীৱনৰ যে বিপৰ্যয় মিলিছিল, নকলেও হব। ইয়াৰ উপৰিও ১৮৩৬ খৃষ্টাব্দৰ পৰা ১৮৭৩ খৃষ্টাবলৈ অসমীয়া ভাষা-সাহিত্যয়ো মহাসংকতত পৰি নিজৰ কোটি-কলীয়া থিতাপিৰো সেলেক-নেলেক হৈ পৰিল। ১৮৩৯ খৃষ্টাব্দত ৰবিন্সন নামৰ ইংৰাজ ধৰ্ম-প্ৰচাৰক এজনে অসমীয়া ভাষাৰ ব্যাকৰণ (A Grammer of Assamese Language) এখন ৰচনা

কৰি উলিয়াইছিল। এই সৰু ব্যাকৰণ পুথিখনিয়ে ৰাইজৰ মাজত এটি জাগৰণ আনি দিয়ে আৰু অসম-প্ৰেমীক আনন্দৰাম ঢেকিয়াল ফুকন ডাঙৰীয়াৰ নেতৃত্বত হোৱা আবেদনীয়া-নিবেদনীয়া আন্দোলনৰ ফলত অসমীয়া ভাষাই স্কুল আৰু আদালতত ১৮৭৩ ত স্থান লাভ কৰে।

ইয়াৰ পিছতেই ১৯৪০ খৃষ্টাব্দত ইংৰাজ মহিলা মিচেচ কটৰে "অসমীয়া শব্দাৱলী আৰু খণ্ডবাক্য" নামৰ পুথি ৰচনা কৰি প্ৰকাশ কৰি ওলোৱাত অসমীয়া সমাজত এটি জাগৰণে দেখা দিলে আৰু ইংৰাজৰ লগত শাসনৰ বিষয়-বাব লৈ অহা অসমৰ বাহিৰৰ বিবেচক লোকসকলে অসমীয়া ভাষা আৰু সাহিত্যৰ স্বতন্ত্ৰতা আৰু বৈশিষ্টতা বাবুকৈয়ে বুজি পালে। এনে দৰেই অসমীয়া ভাষা-সাহিত্যৰ এটি নতুন অধ্যায়ৰ আৰম্ভণ হ'ল। ধৰ্ম-প্ৰচাৰৰ স্বাৰ্থত ইংৰাজ মিচনাৰীসকলেও অসমীয়া ভাষাৰ বাবে হাতত কলম ললে। কিন্তু তেওঁলোকৰ লিখনিত বা-ৰাইজৰ দুঃখ-দুৰ্দশা, অভাৱ-অভিযোগ, সাংস্কৃতিক নিৰাপত্তা আদিৰ এটি আখৰো ফুটি ওলোৱা নাছিল, মাথোঁ সেই সাহিত্যত খৃষ্টিয়ান ধৰ্মৰ মহিমা, তাৰেই সাধু, তাৰেই সংবাদ, তাৰেই ইতিহাসহে কেৱল ধাৰাবাহিকভাৱে ববলৈ ধৰিলে, ফলত অসমীয়া মানুহে কলীয়া আখৰ শিকিলে সঁচা, কিন্তু সামাজিক আৰু সাংস্কৃতিক জীৱনলৈ নামি আহিছিল বিপৰ্যয় আৰু সন্দেহৰ ডাঠ কলা ডাৱৰৰ গিৰ্জনি। এনে বিপদক প্ৰতিহত কৰিবলৈ গুণাভিৰাম বৰুৱাৰ "আসাম বুৰঞ্জী' গ্ৰন্থ খনে অসমীয়া মানুহৰ হৃদয়ত অতীতৰ গৌৰৱময় ছবি দাঙি ধৰাৰ লগতে, দেশ-প্ৰেমৰো ফল্গু-ধাৰা বোৱাই দিবলৈ কিঞ্চিৎভাৱে হলেও সক্ষম হৈছিল। ১৮৫৪ খৃষ্টাব্দত শোণিতপুৰ জিলাৰ নদুৱাৰত জন্মলাভ কৰা কমলাকান্ত ভট্টাচাৰ্যৰ দেশ-প্ৰেমীক কবিতা, আৰু প্ৰৱন্ধাৱলীয়ে অনেক ডেকা লোকক অনুপ্ৰাণিত কৰিছিল. আনকি মৈ-হেংদান মহেন্দ্ৰ ডেকাফুকনৰ দৰে এজন কবি, গায়ক, চিত্ৰকৰ, অভিনেতা শিল্পীয়ে তেওঁক গুৰুস্বৰূপ মান্য কৰিছিল। এই জনা ডেকাফুকনেই বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ সহযোগী-সহৃদয় হৈ উঠি অসমৰ ডেকা-গাভৰু, চেংৰা-চিখ্লাসকলক নতুন অসম গঢ়াৰ বাবে গীতে-পদে লিখনীৰে অনুপ্ৰেৰণা দিছিল।

কালৰ চকৰি সদায় তীব্ৰ গতিৰেই আগ বাঢ়ে। অসমৰ সাংস্কৃতিক জীৱনৰ নগৰ-চহৰত স্তব্ধতা আহিলেও, অসমৰ ইমুৰৰ পৰা সিমুৰলৈ থকা শতেক সত্ৰৰ গায়ন-বায়ন, নট-ভাওৰীয়াৰ ৰং-ৰূপ-ৰসৰ জীৱনলৈ বিমূঢ়তা অহা নাছিল। ১৮৬৮ খৃষ্টাব্দত নতুন যুগৰ, নতুন সাহিত্যৰ নতুন সংস্কৃতি পথ-সাজোতা লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম হয়। ১৯০৯ খৃষ্টাব্দত তেওঁ মাহেকীয়া "বাঁহী" আলোচনী সম্পাদনা কৰি সাহিত্যৰ আৰু অসমীয়া জাতীয়-জীৱনৰ শক্তিশালী ধাৰা এটিৰ প্ৰবৰ্তন কৰিলে।

"গুৰু লাগে মই শিক্ষিত শিষ্য
জগতক জাননী দিলো,
জগতৰ গুৰু শংকৰ ঘৰতেই
অন্ধলাই নিচিনিলো।"

বুলি বীণ বাই এক সংগীতৰ মূৰ্চ্ছনা তুলিলে। 'কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা', শ্ৰীশ্ৰীশংকৰদেৱ মাধৱদেৱ', 'শ্ৰীশ্ৰীশংকৰদেৱ', 'তত্ত্বকথা', 'কৃষ্ণকথা' আদি বিবিধ ৰসযুক্ত সাহিত্যৰে তেওঁ অসমীয়া সাহিত্যৰ বৰ-ভঁৰাললৈ অনেক অৰিহণা আগ বঢ়ালে। চুটি গল্প, নাটক, উপন্যাস, প্ৰহসন, কবিতা, গীত, লোকগীত আদিৰ বিভিন্ন সম্ভাৰেৰে অসমী আইৰ গৌৰৱ বঢ়ালে। ইয়াৰ লগে লগেই, তেওঁ সন্ধান দিলে বৰ অসমৰ সংস্কৃতিৰ বৰমণ্ডৰ গুৰু-ঘাট, বৰ-ধেমালি, সৰু-ধেমালি, নট-ধেমালি, ঘোষা-ধেমালি, সুহাই-একতালি, কেদাৰ-জ্যোতি, বেলোৱাৰ-ৰূপক, কানাড়া-পয়াৰ, শ্ৰীগান্ধাৰ-একতালি, কল্যাণ-থৰমান আদি বিবিধ সংগীতৰ।

সাহিত্যসম্ৰাট বেজবৰুৱা দেৱৰ তিনিবছৰ আগতেই জন্মগ্ৰহণ কৰা (১৮৬৫—১৯১৪) শিৱসাগৰৰ লক্ষ্মীৰাম বৰুৱাৰ কথাও সংগীতৰ ক্ষেত্ৰত আমি পাহৰিব নোৱাৰো; তেওঁ 'সংগীতাচাৰ্য' উপাধি লাভ কৰিছিল আৰু তেতিয়াৰ অসমত আধুনিক গীতৰ প্ৰচলনত বিশেষভাৱে কাম কৰি গৈছে। অনেক জন গীতিকাৰৰ গীতৰ সংকলনৰ তেওঁ "সংগীত কোষ" নামৰ মূল্যবান গীত-পুথি আমাক দি গৈছে। সেই সময়ত এই পুথিৰ কিছুমান গীতে জাতীয় ভাৱৰ সঞ্চাৰ কৰি দেশৰ অগ্ৰগতিত অৰিহনা আগ বঢ়াই গৈছে। তলত দিয়া গীতটো এদিন সেই কালত ল'ৰা, বুঢ়া ডেকা সকলোৰে মুখে মুখে আছিল। গীতটো ৰচনা কৰিছিল দাৰ্শনিক লিখক ৰাধানাথ ফুকন ডাঙৰীয়াই।

কেদাৰা চৌতাল

কিয়নো পাহৰা অসমীয়া হেৰা
চিৰকাল তুমি আছিলা স্বাধীন॥
ভাৰতৰ মাজে তোমাৰ জননী
বীৰ প্ৰসবিনী আছিলে এদিন।
প্ৰকৃতিয়ে নিজে অসম গঢ়িলে
কাম্য ভূমি পাতি আৱৰি ৰাখিলে।
প্ৰকৃতিৰ বন মুনি মনোৰম
ক'ত আছে এনে অসম সমান।
ভগদত্ত বাণে কুমাৰ ভাস্কৰে
চক্ৰধ্বজ আদি আৰু কত বীৰে
অখণ্ড প্ৰতাপে মেদিনী ক'পালে
অসমীয়া জাতি আছিলে প্ৰধান।

শংকৰ-মাধৱ অক্ষয় কীৰিতি
বেদ গান গালে কবি সৰস্বতি
সকলোকে আজি পাহৰিলা তুমি
এলাহে ভাগৰে হলা অচেতন ॥

অন্যতম দেশপ্ৰেমিক পদ্মনাথ গোহাঞিবৰুৱা (১৮৭১—১৯৪৬), আনন্দচন্দ্ৰ আগৰৱালা (১৮৭৪—১৯৪০), হিতেশ্বৰ বৰবৰুৱা (১৮৭৬—১৯৩৯), অম্বিকাগিৰী ৰায়চৌধুৰী (১৮৮৫—১৯৮৫) আদি কবি-সাহিত্যিক সকলে নতুন অসম গঢ়াত অনেক অৱদান আগ বঢ়ালে। এই ক্ষেত্ৰত ৰায়চৌধুৰী দেৱৰ অৱদান অনন্য। তেওঁ কবি, গায়ক, গীতিকাৰ, অভিনেতা, নাট্যকাৰ আদি বিভিন্ন গুণৰ অধিকাৰী আছিল।

এনে দৰেই যুগোপযোগী অসম গঢ়াৰ ক্ৰিয়া-প্ৰক্ৰিয়া বহুলভাৱে হৈছিল। তেতিয়া গ্ৰামোফ'ন ওলাইছে। এবাৰ গালে বা 'বচন' বুলিলেই গীত আৰু নাটৰ ৰেকৰ্ড হৈ যায়, কিন্তু ইয়াৰ বাবে স্বৰ-সাধনা, তাল-মাতৰ জ্ঞান, বিবিধ বাদ্য-যন্ত্ৰৰ সংগত আদি সুচাৰুৰূপে হৈ উঠিব লাগিব, ইয়াৰ বাবে গায়কবো অৰিহনা থাকিব আৰু কোম্পানীয়েও লাভাংশ পাব। ইয়াৰ বাবে ৰেল-গাড়ীৰে কলিকতালৈ যাব লাগিব, তৰশ্যো তেতিয়া অখণ্ড ভাৰতৰ গোলকগঞ্জৰ পৰা শিয়ালদহ ষ্টেচনেৰে পোনে পোনে ৰেলগাড়ী কলিকতালৈ অহা যোৱা কৰিছিল। বৰপেটাৰ বেপাৰী সকলৰ কলিকতাৰ যোগেদি বৰ ভাল ব্যৱসায় চলিছিল। বৰপেটাৰ পীতাম্বৰ দাস নামৰ ডেকা এজনে তেতিয়া কলিকতাত এখন হোটেল খুলিছিল আৰু লগতে গেঞ্জী-চোলাৰ কাৰখানা এটাও আৰম্ভ কৰিছিল। অসমৰ পৰা যি কোনো কাৰণতেই মানুহ গলে পোনতে এই হোটেলতেই আশ্ৰয় লৈছিল। ৰাভাদেৱেও সময়ে সময়ে এই হোটেলত আছিল আৰু আন আন স্থানতো তেওঁ ৰৈ গৈ আছিল, কলিকতাত তেওঁৰ থকা ঠাইৰ অভাৱ নাছিল। কলিকতাৰ গায়ক বাদকসকলেও তেওঁৰ সংগৰ বাবে অতিশয় হাবিলাস কৰিছিল।

হিজ্ মাষ্টাৰ্স ভয়েচ (His Master Voice) নামৰ এটি বিখ্যাত গ্ৰামোফ'ন কোম্পানীৰ তেতিয়া তাত কাৰ্যালয় আছিল। এই কোম্পানীতে অসমীয়া গান বা নাটৰ ৰেকৰ্ড হৈছিল। হাঁহি কৌতুকৰ ওজা বাৰন নাথেও ইয়াত হাস্যৰসৰ গীত-মাত ৰেকৰ্ড কৰিছিল। বিষ্ণুপ্ৰসাদ ৰাভাদেৱে 'চেনোলা' নামৰ আন এটি গ্ৰামোফ'ন কোম্পানীৰ মালিক কাৰ্তিক চক্ৰৱৰ্তীৰ লগত বন্ধুত্ব পাতিছিল। আমাৰ কলাকাৰৰ বহুমুখী প্ৰতিভাৰ সন্ধান পাই মালিকজন তেওঁৰ প্ৰতি শ্ৰদ্ধাশীল হৈ পৰিছিল। ইয়াতেই আকৌ সোণত সুৱগা চৰোৱাৰ দৰে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰও আৱিৰ্ভাৱ হৈ পৰিল। জ্যোতি-বিষ্ণুৰ যুগ্ম সাধনাত গীতে-মাতে বচনে অতি মনোৰম "জয়মতী" আৰু "শোণিতকোঁৱৰ" নাট দুখন ৰেকৰ্ড হৈ উঠিল। এই দুই নাটকে কবলৈ গলে তেতিয়াৰ অসমৰ

সংগীতৰ আকাশত ধ্বনি-প্ৰতিধ্বনিৰে সবাকো মোহিত কৰি তুলিলে। লগে লগে, দুয়োৰো সংগীত-যশস্যা সকলো পিনে ব্যাপি পৰিল।

পিছলৈ ৰাভাদেৱে অলপ সময়ৰ ভিতৰতে বাৰখন নাট ৰেকৰ্ড কৰিলে। সেইবোৰ ঃ—

১। নৰকাসুৰ ২। বেউলা ৩। বিহুৱতী ৪। জন্মাষ্টমী ৫। ৰতনী ৬। বৰদৈচিলা ৭। সোমাৰৰ ফিৰিঙতি ৮। শংকৰদেৱ ৯। মাধৱদেৱ ১০। অজগড়ৰ বিয়া ১১। চেনাই-চেনেহী আৰু ১২। দুৰ্যোধনৰ উৰুভঙ্গ।

এইবিলাকৰ ভিতৰত 'মাধৱদেৱ' খন কিবা কাৰণত অপ্ৰকাশিত অৱস্থাতেই নষ্ট হৈ যোৱা বুলি জানিব পাৰিছিলো।

তেজপুৰৰ সাধনা বৰুৱা আৰু প্ৰবোধ বৰুৱাৰ ভনীয়েক প্ৰিয়লতা দত্ত নামৰ দুজনী ছোৱালীয়েও সেই সময়ত গীত ৰেকৰ্ডৰ বাবে কলিকতালৈ গৈছিল। ৰাভাদেৱক য'তে-ত'তে পোৱা নাযায়, কেতিয়া ক'ত বৈ যায়, ঠিক নাই। তেওঁলোকে বিচাৰি নাপায়। হঠাতেই এদিন আহি দুয়োৰে আথৰা চায়, শুনে। দিহা পৰামৰ্শ শুধৰণি আগবঢ়ায়। প্ৰিয়লতাৰ লগত হোৱা তেওঁৰ প্ৰথম দৰ্শনতেই দুয়োৰো হৃদয় ৰাজ্যত যেন নিতাল মাৰি থকা তাঁৰ এডালত 'সা-ৰে-গা' 'সা-ৰে গা' কৈ জিংকাৰ মাৰি উঠিল। ব্যস্ত বিষ্ণু কোনোবা পিনে গুচি যায়। প্ৰিয়লতাৰ মনটো থোকি-বাথো লাগে। ষোল্ল বছৰীয়া কেঁচাসোণ যেন শৰীৰটো কিঞ্চিতভাৱে ঘামি উঠে, সেই ঘামৰ মিঠাখিনি বতাহত উৰি তাইৰ নিজৰ নাকতেই লাগে, অনাগত জনৰ আগমনৰ বতবাত যেন তাই চক্ খাই উঠে।

পুনৰ ৰেকৰ্ডৰ বাবে আথৰা হয়। প্ৰিয়লতাই গায়—মিঠা কণ্ঠস্বৰ তিৰু-বিৰ্ কৈ থকা নীলা চকু যুৰি, গীতৰ স্বৰত ওঁঠ দুটি বাৰে বাৰে খোল খায়, জাপ খায়, ডালিম গুটীয়া দাঁত কেইটা হাঁহিৰ বোল লাগি উজলি উঠে। গায়ক বিষ্ণুপ্ৰসাদৰ হৃদয় ৰাজ্যত গীতৰ খলকনি লাগে। তেওঁৰ ভাৱ হয়—এয়া আন কোনো নহয়, সৰগৰ অপেশ্চৰীও নহয়, মৰতৰ ৰঙীন তেজৰ গাল ৰঙা পৰা গাভৰুও নহয়, এয়া যেন কোনোবা সপোন-সংগীত ৰাজ্যৰ শ্ৰীকলাৱতী।

গায়িকা প্ৰিয়লতায়ো তেওঁৰ গুণ-গৰিমা দেখি, তেওঁৰ সুন্দৰ সুঠাম দেহ,অৰ্ধ উন্মিলিত চকু, গাল-ভৰা মুখমণ্ডল, কোকাঁবা জপ্‌জপীয়া কলা চুলি, হাৰমনিয়মৰ পৰ্দাত বাৰে বাৰে নাচি উঠা তেজী আঙুলী কেইটা দেখি বিমুগ্ধ হয়।

১৯৩৫ খৃষ্টাব্দৰ কোনোবা এটি শুভ দিনৰ শুভ নিশা দুয়ো প্ৰণয় পাশত আৱদ্ধ হ'ল। কলাৰ সাধনাৰ দুয়ো সপোন দেখিলে। ভৱিষ্যতৰ অনেক কল্পনা আৰু অনেক হাবিলাসে দুয়োৰো অন্তৰ ৰাজ্যত সপ্ত স্বৰৰ যেন সৃষ্টি কৰিলে। দুয়োৰো সান্নিধ্যত দুয়ো এক মধুৰ মানৱী-জীৱনৰ সুখ অনুভৱ কৰি আনন্দিত হ'ল। ৰেকৰ্ডৰ গীতৰ উপৰিও দুয়ো আৰু গালে, নৃত্যৰ পৰিকল্পনাও চলিল।

এনেকৈয়ে কেইদিনমান পাৰ হ'ল। কলিকতাৰ গুণী-গায়ন-বায়ন সকলে তেওঁৰ শুভ-বিবাহৰ বাতৰিত অভিনন্দন জনালে। দুই এক ডেকাই মিঠাই খুৱাব লাগিব বুলিও তেওঁৰ লগত ধেমালি কৰিলে। বিষ্ণুপ্ৰসাদে স্বাভাৱিক ভাবেই তেওঁৰ দৈনন্দিন সংগীত চৰ্চাত মনোনিবেশ কৰিলে। লোক হিতৰ বাবেই মানুহে সংসাৰ পথৰ যাত্ৰী হয়—এয়েই গণ-তীৰ্থ যাত্ৰা।

"হিতায় লোকস্য তব প্ৰিয়াৰ্থং
সংসাৰ যাত্ৰা-মনুবৰ্ত্তয়িস্যে।"

এই গণ তীৰ্থ যাত্ৰাৰেই প্ৰীতি-প্ৰণয়ৰ ই এটি অভিনৱ দৃশ্য! এই দৃশ্যতেই সংগীতৰ অৱতৰণা হয়। "গীতম্ বাদ্যম্ তথা নৃত্যম্ ত্ৰয়ম্ সংগীত মুচ্যতে" (সংগীত ৰত্নাকৰ)। এই ত্ৰয়মৰ ভিতৰত গীতেই প্ৰধান। ভৰত মুনিয়ে 'নাট্যশাস্ত্ৰ' ৰচনা কৰিছিল আৰু নন্দিকেশ্বৰদেৱে 'অভিনয় দৰ্পণ' লিখি যুগমীয় কীৰ্তি ৰাখি থৈ গ'ল। প্ৰাচীন ভাৰতত অভিনয়ৰ মূল ধাৰা ত্ৰয়ম্—ভৰত সম্প্ৰদায়, নন্দিকেশ্বৰ সম্প্ৰদায় আৰু মাতাঙ্গ মুনিৰ কোহল মাতাঙ্গ সম্প্ৰদায়। 'নাট্য শাস্ত্ৰ'তেই শিৱ তাণ্ডৱ নৃত্যৰ বিস্তৃত বিৱৰণ আছে। তণ্ডুৰ পৰা ভৰতে আৰু ভৰতৰ পৰা নৰ-মানুহে নৃত্যৰ শিক্ষা লাভ কৰে। স্বয়ং নৃত্য পটু পাৰ্বতীয়ে বানাসুৰৰ কন্যা উষাদেৱীক লাস্য নৃত্যৰ শিক্ষা প্ৰদান কৰি আনন্দিত হয়। এই গৰাকী শোণিতপুৰীয়া ৰূপৱতী গুণৱতী কন্যাই দ্বাৰকা ৰাজ্যৰ গোপিনীসকলক লাস্য নৃত্যৰ শিক্ষাৰে ভাৰত ভূমি ধন্য কৰে।

প্ৰিয়লতাই অনিমেষ নয়নে স্বামী গুৰুৰ মুখলৈ চাই আছিল। কথাখিনি কোনে এনে গৰু-গম্ভীৰভাৱে কৈ গৈছিল—প্ৰিয়লতাই ধৰিব নোৱাৰিলে। টোপনীয়ে তেওঁৰ চকু দুটি জপাই নিছিল। বিষ্ণুপ্ৰাসাদে তেওঁৰ প্ৰিয়া পত্নীৰ মুখলৈ চাই চাই থাকোতে এখনি সুন্দৰ সুবিশাল মণ্ডত তেওঁ প্ৰবেশ কৰা যেন পাইছিল।

"নিৰীক্ষ্য ৰাত্ৰিং স্বৰবিন্দ সুন্দৰীং
অদ্ৰোচিষা চাৰুৱনং বিকাশিতম্।
গীতং জগো গোকুল কামিনানাং
মোহং বিতন্বন্ নিতৰাং মুৰাৰিঃ।

(শ্ৰীশংকৰদেৱ : কেলি গোপাল)

নিশা লাহে লাহে নিতাল মাৰি আহে। ব্যস্ত বৰনগৰ খনৰো কোলাহল মাৰ যায়। বিষ্ণুপ্ৰিয়া ৰাভা ঠাকুৰাণী কলা-ভুৱনৰ অৰূপ ৰূপত নিজকে বিলাই বিলম্বিত লয়ত নিদ্ৰাত বিভোল হয়।......

কলিকতাৰ এটি সন্ধিয়া। 'গানৰ আসৰ'। এনে আসৰত কলিকতাৰ বাহিৰ ভিতৰৰ দুই চাৰি নামজৱলা গায়কে ইয়াত যোগ-দান কৰে। এনে আসৰলৈ বিষ্ণুপ্ৰসাদ ৰাভাদেৱ প্ৰায় নিমন্ত্ৰিত হৈছিল। আজি তেওঁৰ

লগত প্ৰিয়লতাও গৈছে। দুয়োকো একেলগে দেখি সকলোৱে আনন্দত উল্লাসিত হৈ উঠিল। দুজনমান নতুন গায়কৰ লগতো চিনাজনা হ'ল। গান আৰম্ভ হ'ল। সুৰৰ মণি-মুকুতাবোৰে যেন ৰূপ ধৰি শিল্পীৰ প্ৰাণৰ মণিকুটত উজ্বল হৈ উঠিল।

ঠাকুৰ পৰিয়ালত গানৰ-আসৰত সংগীতজ্ঞ দীনেন্দ্ৰ ঠাকুৰৰ মুখত শুনা কবি গুৰুৰ ৰচিত গীত এটি ৰবীন্দ্ৰ সংগীতৰ সুৰৰ বিশেষত্বেৰে গুৰু-গম্ভীৰ স্বৰেৰে বিষ্ণুপ্ৰসাদে গাবলৈ ধৰিলে :—

"আজি মৰ্মৰ ধ্বনি কেন জাগিল ৰে
মন পল্লবে পল্লবে
হিল্লোলে হিল্লোলে
থৰথৰ কম্পন লাগিল ৰে।
কোন ভিখাৰী—
হায়ৰে এলো
আমাৰি এ অঙ্গন-দ্বাৰে
বুজি সব মন ধন মম মাগিল ৰে
হৃদয় বুজি তাৰে জানে,
কুসুম ফুটায় তাৰি গানে।
আজি মম অন্তৰ মাঝে
সেই পথিকেৰেই পদধ্বনি বাজে,
তাই চকিতে চকিতে
ঘুম ভাঙ্গিল ৰে॥"

গোৱা শেষ হোৱাৰ লগে লগেই চাৰিওপিনে হাত চাপৰিৰে 'সুন্দৰ' চমৎকাৰ' ধ্বনি উঠিল। কবিগুৰু ৰবীন্দ্ৰ নাথৰ অমৰ কবিতাই যেন প্ৰাণ লাভ কৰি ইমান সময় শ্ৰোতাসকলক বিভোৰ কৰি ৰাখিছিল। কোনোবা গন্ধৰ্ব যেন মৰ্ত্য-জগতলৈ নামি আহিছিল!! 'কাল,' 'ক্ৰিয়া', 'কলা' আৰু 'লয়' ৰ প্ৰেমময় আলিঙ্গনে বায়ু-মণ্ডলত ভাব আৰু চেতনাৰ সঞ্চাৰ কৰিছিল। শ্ৰোতাসকলৰ প্ৰাণৰ মাজতে জাগৰিত হৈছিল সৌন্দৰ্যবোধ !!!

সবাহ ভাঙিল। সকলোৱে নিজৰ নিজৰ ঘৰ, আশ্ৰয় আৰু অস্থায়ী শিবিৰলৈ উভতি গৈছিল। কলাকাৰ আৰু কলাৰতী বিষ্ণু-প্ৰিয়াও থকা ঠাইলৈ গৈ সংসাৰ যাত্ৰাৰ গুৰু-ঘাট থন বজাবলৈ প্ৰস্তুতি কৰিছিল। নিশাৰ বতাহ খিনি ৰিব্ৰ-ৰিব্ৰকৈ সাগৰৰ বুকুৰ পৰা বৈ আহিছিল। নিশাৰ নিৰবতাৰ মাজত দুয়ো শিল্পী এক চিত্ত, একমন, এক স্মৃতি, এক স্বৰত বিলীন হৈ পৰিল, জীৱনৰ আকাশলৈ যেন দুয়ো উৰি উৰি গ'ল।

বোলে প্ৰিয়া তুমিও এটি গীত গোৱা

"কৃষ্ণে নাৰদক বীণা দি বোলে এটি গীত গোৱা। তেহে নাৰদে মহাপ্ৰেম ৰসে পঞ্চ তত্ত্বে পঞ্চ সুৰ তুলি তাৰ মন্ত্ৰ ঘোষকৈ গীত গালে। শিলা স্ৰবি কৃষ্ণৰ ধৰ্ম বলে।" পাছে কৃষ্ণে আজ্ঞা কৰিলে সৰস্বতী ভক্তি মাতৃক, বোলে প্ৰিয়া তুমিও গীত গোৱা। পাচে আইএ শাৰঙ্গদাব চৰ্চি গীত ধৰিলে — সাত বস্তুৰ সপ্ত স্বৰ তুলি। পাচে শিলা স্ৰবি, বৃক্ষ দ্ৰবি, মঞ্জৰি পত্ৰ সবি, কৃষ্ণৰ শৰীৰ দ্ৰৱ হৈ টলবলাব ধৰিলে। মাতৃ দেখে স্বামী হৰাইছে। তেহে গীত এৰি অস্বাসি ধৰিলে।·· সেই প্ৰেমানন্দ জলৰে ঈশ্বৰ ইচ্ছাত একটি শিশু, সকল শিশুৰ শিৰোমণি দুয়োজনৰ মধ্যতে উদ্ভৱ হ'ল।···নাম থলে কৃষ্ণ প্ৰেমে পূৰ্ণানন্দ। গীত-ৰাগ গান-বান, তাল-সুৰ-নাট সৰ্বগুণাকৰ, সুলক্ষণ, সুশোভিত সুন্দৰ দিব্য পুৰুষ হ'ল।" ·· (কথা গুৰু-চৰিত)

এয়েই সংগীত, ইয়াৰ ক্ষমতা অদভুত। সংগীত কলা অতি প্ৰাচীন, প্ৰাচীনৰো প্ৰাচীন। তেতিয়াৰ সংগীত-বিষাবদ ঋষি-মুনিসকলে মুক্তি-দায়ক 'ওঁম' নাদৰ উপাসনাৰে ৰঞ্জকতা প্ৰৱৰ্তন কৰি পোনতে সংগীতৰ সৃষ্টি কৰিছিল। কালক্ৰমত ত্ৰি-স্বৰৰ পৰাই সপ্ত-স্বৰৰ সৃষ্টি হৈছে। বিষ্ণুপ্ৰসাদ ৰাভাদেৱে অসমৰ এটি অতি প্ৰাচীনতম যুগত দ্বি-স্বৰক গীতৰ সৃষ্টি হৈছিল বুলি কৈছিল। তেওঁ এই যুগটিক কুৰি শতিকাৰ আগৰ পোন্ধৰ হেজাৰ বছৰৰ পূৰ্বৰ জুম-খেতিৰ শ্ৰেণীহীন সমাজ বুলি স্থিৰ কৰিছিল। সংগীতজ্ঞ ৰাভাদেৱে তেওঁৰ প্ৰবন্ধ "সংগীত আৰু শ্ৰীশ্ৰীশংকৰদেৱৰ গায়ন"ত নিজেই লিখি থৈ গৈছে ঃ—

"ভাৰতীয় সঙ্গীত শাস্ত্ৰ যে কিমান জটিল তাক সংগীত শাস্ত্ৰজ্ঞ নহলে বুজা টান। যি জন ঋষিয়ে এই সংগীত শাস্ত্ৰত ব্যুৎপত্তি লাভ কৰিব পাৰিব, যি জনে ব্ৰহ্মচৰ্য ব্ৰত অৱলম্বন কৰিব পাৰিব, যিজনে নিয়মিতভাবে সাধনা কৰিব পাৰিব, যি জন মহাপুৰুষ সংগীত-বিশাৰদ হব, তেওঁৱেই সংগীতৰ আদি

নাদ-ৰূপী ব্ৰহ্মাক লাভ কৰিব পাৰিব। এনে জটিল বিজ্ঞানত এজন মহাপুৰুষে দক্ষতা লাভ কৰিছিল। তেওঁ মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱ গায়ন।”

ইয়াৰ দ্বাৰাই বুজিব পৰা যায় যে গভীৰ মনোনিবেশ আৰু সাধনাৰ দ্বাৰাহে সংগীত-জ্ঞান লাভ কৰিব পাৰি। ভাৰতীয় প্ৰাচীন মহাকাব্যৰ পৰাও আমি জানিব পাৰো—ইন্দ্ৰ আদি দেৱতাসকলেও দিনে ৰাতিয়ে দেৱস্থানবোৰ গায়ন-বায়ন, নাট-নৃত্যৰে মুখৰিত কৰি ৰাখিছিল।

বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ মতানুসাৰে ভাৰতীয় সংগীতক তিনিটা ভাগত ভাগ কৰা যায়,—

১। হিন্দুস্থানী সংগীত পদ্ধতি,
২। কৰ্ণাটকী সংগীত পদ্ধতি,
আৰু ৩। কামৰূপীয়া সংগীত পদ্ধতি।

এই তৃতীয় বিধেই থান-সত্ৰীয়া সংগীত। ইয়াৰ নিজস্ব তাল আছে, ৰাগ আৰু নৃত্য আছে। ৰাগবিলাকৰ কেনেকৈ সৃষ্টি হ'ল, তাৰো অনেক মালিতা পোৱা যায়। সংগীতজ্ঞ ৰাভাদেৱে বৰপেটাত থকা কালছোৱাত অনেক মালিতা সংগ্ৰহ কৰিছিল। অসমৰ উজনীখণ্ডতো থান-সত্ৰত মালিতাৰ চৰ্চা আছে। অকল দেৱলোকতেই নহয়, বৈকুণ্ঠলোকতো সংগীতৰ মূৰ্ছনাৰে সদায় ধ্বনিত প্ৰতিধ্বনিত হৈ আছিল। অহিৰ ৰাগৰ উৎপত্তিৰ মালিতা এটিৰ পৰা এই কথা স্পষ্ট হৈ পৰে ঃ

“বৈকুণ্ঠ ভুৱনে আছা পুৰুষোত্তম হৰি।
সৰস্বতী দেৱী সমে মহাৰঙ্গ কৰি॥
দেৱী বোলে এক ৰাগ দিয়োক ঈশ্বৰ।
মই ৰাগ দিলে যোনো মিলে অথন্তৰ॥
শুনিয়া আনন্দে হৰি চিত্ত কৰি স্থিৰ।
ব্ৰহ্মাণ্ড ভেদিয়া ৰাগ ডাকিল ও হৰি॥”

যি স্বৰসমূহ শুনামাত্ৰকে মানৱৰ মনপ্ৰাণ ৰঞ্জন হৈ উঠে সেয়ে ‘ৰাগ’।

“যস্য শ্ৰৱণ মাত্ৰেন ৰঞ্জতে সকলাঃ প্ৰজাঃ।
সৰ্বেষাং ৰঞ্জনাদ্ধেতোস্তেন ৰাগ ইতি স্মৃতঃ॥”

পাঁচোটি ‘স্বৰ’ৰ কমত ‘ৰাগ’ নহয়। মাতঙ্গ মুনিৰ কালৰ পৰা শাৰ্ঙ্গদেৱৰ “সঙ্গীত ৰত্নাকৰ” গ্ৰন্থৰ ৰচনাৰ যুগলৈ ৰাগসমূহ সম্পূৰ্ণভাৱে সুসংগঠিত আৰু সুশৃংখলিত হৈ উঠিছিল বুলি আমাৰ সংগীতজ্ঞসকলে বিশ্বাস কৰে। অসম-কামৰূপ-বেহাৰ ৰাজ্যত শ্ৰীমন্তশঙ্কৰদেৱ (১৪৪৯-১৫৬৯ খৃঃ) আৰু শ্ৰীমাধৱদেৱে (১৪৮৯-১৫৯৬ খৃঃ) জন-সমাজত উচ্চ শাস্ত্ৰীয় সংগীতৰ প্ৰবৰ্তন আৰু প্ৰচাৰ কৰি থৈ গৈছে। সেই কালৰ শতধা বিভক্ত লোক সমাজসমূহক একতা আৰু আনন্দৰ প্ৰেম-জৰিৰে বান্ধি অলৌকিক শকতি ভকতি প্ৰদান কৰিছিল। থিক

তেনেকৈয়ে, কলাকাৰ ৰাভাদেৱেও বৰ অসমৰ বিভিন্ন জন-গোষ্ঠি, খেল, মেল, জাতি-উপজাতিক একত্ৰিত কৰি মনোৰম অসম গঢ়াৰ তেওঁ পৰিকল্পনা কৰি সংগীতৰ মহাসাধনাত ব্ৰতী হৈছিল। লক্ষ্মীনাথ বেজবৰুৱাদেৱে উৰিষ্যাৰ সুদূৰ সম্বলপুৰৰ পৰাই চিৰ চেনেহী চিকুনী অসমৰ মুখলৈ চাই থকাৰ দৰেই বিষ্ণুপ্ৰসাদেও কলিকতাৰ পৰা সুন্দৰী সুষমা অসমলৈ খিয়াই জনগণৰ কল্যাণৰ বাবে, অনাদৃত অৱহেলিত শোষিত বাইজক মানুহৰ আসনত প্ৰতিষ্ঠাৰ বাবে দৃঢ় মনেৰে চিন্তাচৰ্চাত লাগি পৰিছিল। তেওঁৰ এনে সাধনাৰ বৰনামঘৰটিত প্ৰিয়লতাৰ দৰে সংগী লাভ কৰি তেওঁ উৎসাহিত আৰু অনুপ্ৰাণিত হ'ল। কলিকতাৰ নামজ্বলা সংগীতজ্ঞসকলৰ লগত তেওঁৰ সুহৃদয়তা দিনে দিনে বাঢ়ি গ'ল।

এদিন উদং দুপৰীয়া। তেওঁ ক'ৰবাৰ পৰা আহি থকা কোঠাটোত সোমাল, কাৰো সাৰ-শব্দ নাই। তেওঁ গৈয়েই দেখিলে—প্ৰিয়া পত্নী প্ৰিয়লতা দীঘল দি শুই আছে। তেওঁৰ 'নিতম্ব চুম্বিত চুলি টাৰি' মেল খাই আছে। বিষ্ণুপ্ৰসাদৰ মন-প্ৰাণলৈ মৰমৰ ঢৌ আহিল। আথেবেথে আগ বাঢ়ি গৈ সহধৰ্মিণীৰ চুলি খিনি লিৰিকি-বিদাৰি পিঠিখন পিহি দিলে। উস্, কি কথা, গা দেখো গৰম।

প্ৰিয় ?

মাতবোল নাই।

হাত দুখনেৰে পতিয়ে পত্নীৰ গাটো আলতোলকৈ ঘূৰাই দিলে।

মুখ খন ৰঙা পৰি উঠিছে।

তোমাৰ কিবা অসুখ ?

মোৰ মূৰটো বিষাইছে।

তোমাৰ জ্বৰ উঠিছে, এতিয়াতো লগত থাৰ্মমিটাৰো নাই। কিন্তু জ্বৰ বেচ যেন পাইছো।

নাই, অলপহে।

এনে বিপদ ভুৱন-ভোলা বিষ্ণুপ্ৰসাদৰ এয়ে প্ৰথম। কি কৰিব, নকৰিব তেওঁ ভাৱিবলৈ ধৰিলে।

সেই নাৰিয়াৰ ৰঙা মুখ খনত হাঁহিৰ ৰেখা এটি বিৰিঙি উঠিল। চিত্ৰশিল্পী জনে পলকহীন হৈ চাই থাকিল।

কালি সুৰ দিয়া গানটো আজি আপুনি নোহোৱাত গাইছিলো।

কোনটো ?

কিয় সেই "মোৰ কবিতাৰ"...

উত্তৰ দিয়া সেই চেনেহ লগা মুখখন তেওঁৰ আঁকি ৰাখিবলৈ মন গৈছিল। গীতটোৰ প্ৰতিধ্বনি কোঠাটোত ৰৈ থকা যেন পাইছিল। বতাহৰ ঢৌবিলাকে মিঠা মাতখিনি তেওঁৰ যেন কাণত ৰিনিকি বাজি উঠিছিল।.....

…ডাক্তৰ আহি ওলাল। তেওঁৰ কলিকতীয়া বন্ধুসকল বৰ তৎপৰ হৈ উঠিল। ঔষধ আনোতাই ঔষধ আনিলে, পথ্য আনোতাই পথ্যৰ ব্যৱস্থা কৰিলে।

ডাক্তৰে মলিন মুখখনেৰে কলে টাইফয়েড।

তেতিয়াৰ দিনত এই বেমাৰ বৰ মাৰাত্মক। উপযুক্ত প্ৰতিষেধক দৰৱ তেতিয়া ওলোৱা নাই। কিন্তু সোনকালে ৰোগী শেষ হৈ নাযায়। দুই কুৰি দেড় কুৰি দিন ৰোগ-শয্যাত পৰি থাকিও বহু সময়ত আৰোগ্য হয়। দিনে-ৰাতিয়ে বেমাৰীৰ মূৰত পানী ঢালিব লাগে। আয়ুৰ্বেদ মতেও তেতিয়াৰ দিনত এই ৰোগৰ চিকিৎসা হৈছিল। প্ৰিয়লতাৰ চিকিৎসা ডাক্তৰী মতেই হ'ল। দৰবৰ পৰিমাণতকৈ, প্ৰণয়ৰ পৰিমাণেৰেই তেওঁ প্ৰিয়লতাক পুনৰ সুস্থ-সবল নিৰোগী কৰি তুলিবলৈ ক্ষণে ক্ষণে হাবিলাস কৰি উঠিল।

চিত্ৰকৰ ৰাভাদেৱে অকলশৰে প্ৰিয়লতাক পৰ দি থাকোতে, তেওঁ থকা কোঠাটোত অৱসৰৰ সময়ত বেৰত আঁকি থোৱা আলেক্ষ্য কেইখনলৈ চকু পৰিল;—সেয়া এটা বৃত্তৰ ভিতৰত সোৱা কালিয় দমন':

"কাল কালিক মাথে চৰি ভৰি
পীড়িক্ৰীড়ি কানু নাচেৰে॥
মৃদঙ্গ দিমি দিমি নাদ দুন্দুভি
সিন্ধসৰ বায় কছেৰে॥"

(কালিদমন নাট, শ্ৰীশংকৰদেৱ)

সোৱা, আন এটি বৃত্তৰ মাজত 'অঘাসুৰ বধ', সোৱা 'বকাসুৰ বধ'। সকলো ক্ষেত্ৰতে সুন্দৰ চিদানন্দ সদানন্দ নিত্যানন্দ শ্ৰীকৃষ্ণৰ হাস্য বদন। এনে হাস্য বদনতেই ফুংকত হয় পাঞ্চজন্য শংখৰ ঝঞ্জা-বিজয়ৰ ধ্বনি-প্ৰতিধ্বনি। চিত্ৰকৰ জনৰ মনটো চিন্তা-অগনিৰ মাজতেই শান্ত হৈ আছে।

এসপ্তাহ নৌ হয় এথোন। খবৰ লওতা বন্ধু-বান্ধৱ, শিল্পী-সাহিত্যিক, চিকিৎসক, পৰামৰ্শক সকলোবিলাকেই সন্ধিয়াৰ পিছতেই উভতি উভতি গৈছে। কোনোৱে কলে,—আজি বহুত বাৰু, ভাললৈ আহিব, চিন্তা নাই।……

নিশাৰ ক্লান্ত জগত শান্ত হৈছিল। বাহিৰৰ মহাকাশৰ তৰাৰ পুঞ্জে পুঞ্জে আলোক-বৰ্ত্তি জ্বলি উঠিছিল। বতাহৰ মৃদু ঢৌবোৰে নাচি-বাগি সাৰটা-সাৰটি কৰি লাজতেই দূৰলৈ গুচি গৈছিল।……

প্ৰিয়লতাৰ প্ৰিয়তম জনৰ তন্দ্ৰা অহা যেন হৈছিল, চিলমিলকৈ কিবা সপোনো দেখা যেনো পাইছিল। তেতিয়া শেষ নিশা। তেওঁ প্ৰিয়লতাৰ মুখৰ পিনে ৰ লাগি চাই আছে। কাৰুণ্য কেদাৰ ৰাগৰ গীত এটিত কোনোবা বায়নে যেন মাঠ-জ্যোতি বজাবলৈ সাজু হবলৈ ধৰিছে।

এনেতেই প্ৰিয়লতাই চকু দুটি মেলিলে, উদাস দৃষ্টিৰে চাই থাকিল আৰু পুনৰ চকু দুটি জাপ খালে।……

ভালদৈ আহিছে, ৰাভাদেৱে মনতেই ভাবিলে। এনে অভিজ্ঞতা তেওঁৰ আগতে নাছিল। সুন্দৰ মানৱী দেহৰ মাজৰ পৰা, সৎ-চিৎ-চৈতন্য কেনেকৈ উৰা মাৰে, তেনে তেওঁৰ অভিজ্ঞতা নাই। মৰম চেনেহৰ সীমাহীন আদৰেৰে তেওঁ প্ৰিয়লতাক সাৱটি ধৰিলে। বাহিৰত কিবা এটা শব্দ হৈছিল, কিহৰ শব্দ তেওঁ মন নকৰিলে। কিছু সময়ৰ পিছত তেওঁ তেওঁৰ কলাৱতীৰ দেহটো চেঁচা যেন পালে, সঁচাকৈয়ে তেন্তে তেওঁৰ জীৱন-যৌৱনৰ প্ৰণয়ৰ বৰ-ভঁৰাল উদং হৈ পৰিল! তেওঁৰ আৰু বুজিবলৈ বাকী নাথাকিল যে প্ৰিয়লতাৰ অতি চমু জীৱন-নাটৰ কল্যাণ-খৰমান শেষ হ'ল!

ৰাতি পুৱাল। বন্ধুবান্ধৱসকল আহিল। চাৰিওপিনে হাহাকাৰৰ সৃষ্টি হ'ল। সতীৰ দেহ ত্যাগত ভোলানাথ শিৱৰ দৰে যোগী জনেও উন্মাদ হৈছিল। বিষ্ণুপ্ৰসাদৰ দেহ-মন-প্ৰাণ ভাঙি চিঙি যেন চুচুমৈ হৈ পৰিছিল। তেওঁৰ মন বৈৰাগ্যই অন্ধকাৰ কৰি তুলিলে, পৃথিৱীত যেন কেনিও পোহৰ নাই; তেন্তে কলাৰ সাধনা, গীত-বাদ্য-নৃত্যৰ সাধনা, চিত্ৰ আলেক্ষ্যৰ পৰিকল্পনা, নিপীড়িত জনৰ মুক্তিৰ গৰ্জনাৰ ধ্বনি! ইয়াৰ অৰ্থ!!

ধৈৰ্যশীল কলাকাৰ জন লাহে লাহে শান্ত হৈ পৰিছিল। বন্ধুৱ-বান্ধৱৰ বুজনিত সুস্থিৰ হৈছিল। সংসাৰ পৰিত্যাগ কৰি বৈৰাগী হৈ যোৱা মনোভাৱে লাহে লাহে তেওঁৰ কৰ্তব্য সোঁৱৰাই দিছিল।

প্ৰিয়লতাৰ ৰূপে-গুণে, ৰসে-ছন্দে ভৰা দেহলতা গংগাৰ ঘাটত ছাইভস্মত পৰিণত হ'ল। অসমৰ ৰুক্মিনী, উষা, চিত্ৰলেখা, জয়মতীৰ গৌৰৱৰ অংশীদাৰ প্ৰিয়লতাৰ শেষ নিশ্বাসে কলিকতা চহৰক থান-সত্ৰৰ পৱিত্ৰতাৰে পৱিত্ৰ কৰি থৈ গ'ল। ...

"অজো নিত্যঃ শাশ্বতোহয়ং পুৰাণো
ন হন্যতে হন্যমানে শৰীৰে॥
(শ্ৰীমদ্ভাগৱদ্ গীতাঃ ২-২৩)

ইয়াৰ মাজতো, বৰগায়ন বিষ্ণুপ্ৰসাদৰ তেওঁৰ ক্ষন্তেকীয়া জীৱন-সংগী প্ৰিয়লতাৰ সুকণ্ঠৰ পৰা এটি যেন শেষ গীত শুনিবলৈ হাবিলাস থাকিল, এনেভাৱে তেওঁক মাজে সময়ে মনত ব্যথাৰ সঞ্চাৰ কৰিছিল। কিন্তু বুজিছিল যে শব্দ ব্ৰহ্মা, এই শব্দৰ শেষ নাই, গতিকেই প্ৰিয়লতাৰ কণ্ঠৰ সুৰ মহা আকাশতেই প্ৰতিধ্বনি তুলি কোনোবা অনন্তৰ সীমাত অন্তহীন ৰূপে হয়তো ৰাগত পৰিণত হৈ থাকিল।

"মদ্ভক্তা যত্ৰ গায়ন্তি ·····।"

মহাসাগৰ সিঁচি আনিম

"মহাসাগৰ সিঁচি আনিম
সাত মাণিকৰ ধন
মেঘৰ বুকু ফালি ছিঙিম
বিজুলী ফুল শুৱন ; ....."

(নাহৰ ফুলেনুওৱাই গীত)

কলিকতা মহানগৰী। ওঠৰ শতিকাৰ পৰাই নগৰৰ পাতনি মেলা এই স্থান খনিতেই পশ্চিম জগতৰ জ্ঞান-বিজ্ঞান, শিক্ষা সাহস, ব্যৱসায়-বাণিজ্য, কৃষি কলাৰ প্ৰথম বেঙনি পৰিছিল। বঙ্গৰ প্ৰগতিৰ সাহিত্য-সংস্কৃতি, নাট-কলাৰ পুৰি কথা এই নগৰ খনেই বহন কৰি আছে। এই নগৰ খনেই পূৰ্ববঙ্গ আৰু পশ্চিমবঙ্গক ভৱিষ্যতৰ উনৈশ শতিকাৰ জাগৰণ আৰু কুৰি শতিকাৰ প্ৰগতিৰ বাবে ইন্ধন জোগাইছিল।

১৭৫৩ খৃষ্টাব্দত ইযাত, এই কলিকতাত প্ৰথমেই থিয়েটাৰৰ মঞ্চ আৰু এটি নৃত্য গৃহ ইংৰাজেই স্থাপন কৰিছিল। এই সৰু অনুষ্ঠান দুটি ৮, লালবাজাৰ ষ্ট্ৰীটৰ আৰক্ষী ঘাই চ'কীৰ কাষতে কোনোবা ঠাইনত আছিল বুলি আজিৰ কোনো কোনোৱে অনুমান কৰে। তেতিয়াৰ নামজ্বলা অভিনেতা আছিল ডেভিদ গেৰিক। ১৭৫৬ খৃষ্টাব্দত ২০ জুনৰ দিনা নবাব চিৰাজউদ্দৌলাই ইংৰাজক চাৰি দিনীয়া যুদ্ধত পৰাজয় কৰি কলিকতা দখল কৰিলে আৰু 'চেণ্ট্ আয়ন্স্' নামৰ সৰু শুৱনী গীৰ্জাঘৰটো ভাঙি পেলাই তাত এটি মচজিদ সজালে। কিন্তু অলপ দিনৰ ভিতৰতে ইংৰাজে তেওঁলোকৰ হেৰোৱা অঞ্চল পুনৰ দখল কৰিবলৈ সক্ষম হ'ল। পলাচীৰ যুদ্ধৰ পিছতেই ১৭৬০ খৃষ্টাব্দ পিনলৈ ইংৰাজৰ অৱস্থা টনকিয়াল হ'ল আৰু কলিকতা নগৰখন নতুনকৈ গঢ়িবলৈ মন মেলিলে। পূৰ্বে অভিনয়-মঞ্চ আৰু নৃত্যগৃহৰ তেতিয়া একো

চিনচাব নাছিল। ১৭৭৫ খৃষ্টাব্দত গভৰ্ণৰ ওৱাৰেন হেষ্টিংচনৰ দিনত "কলিকতা থিয়েটাৰ" স্থাপন কৰা হয়। তেতিয়া তাত অসমৰ থান-সত্ৰৰ অংকনাটৰ দৰেই জুইৰ মহতাৰহে যুগ আছিল। ব্যৱসায়ীক অভিনেতাও নাছিল। সম্ভ্ৰান্ত আৰু মান-পদ খোৱা বা-বিষয়াই আছিল ভাওৰীয়া। কেপ্টেন কল্ নামৰ বিষয়া এজনে পৈণত অভিনেতা স্বৰূপে নাম কৰিছিল; এওঁকেই দৰ্শকমণ্ডলীয়ে দ্বিতীয় ডেভিদ গেৰিক নাম দিছিল। আমাৰ থান-সত্ৰৰ দৰে তাত তেতিয়া পুৰুষেই স্ত্ৰী ভাও লৈছিল. কিন্তু ভাও নিখুঁট হৈছিল। এই বিদেশী ৰঙ্গমঞ্চত বিশ্ব-বিখ্যাত কোনো কোনো নাটকো অভিনয় হৈছিল, কিন্তু পিছলৈ উদ্যোক্তাসকলে ঋণগ্ৰস্ত হৈ পৰিল আৰু সকলো সম্পত্তি বিক্ৰি হৈ গ'ল। পিছলৈ ইয়াতেই নিউ চীনা বজাৰ বহিল।

লাহে লাহে কলিকতাৰ পৰিধি বাঢ়ি যাবলৈ ধৰিলে। গোবিন্দপুৰ আৰু ইয়াৰ আশে-পাশে থকা হাবি-বননিৰে পৰিপূৰ্ণ হৈ থকা ঠাইবোৰো নগৰৰ ভিতৰুৱা হ'ল। মানুহ আৰু বেহা-বেপাৰ উভয়ে বাঢ়িবলৈ ধৰিলে।

সেই কালছোৱাত অসমত গৌৰৱময় আহোম ৰাজত্ব চলি আছে। ১৭১৪ খৃষ্টাব্দৰ আগষ্ট মাহত স্বৰ্গদেউ ৰুদ্ৰসিংহৰ পৰলোক হৈছিল। সেই বছৰতেই শিৱসিংহ ৰাজপাটত বহিছে। এওঁৰ ৰাজত্ব কালতেই শক্তিশালী ৰাজতন্ত্ৰৰ কঁকাল ভাগিছে। ১৭৪৪ খৃষ্টাব্দত প্ৰমত্তসিংহই ৰাজপাট লাভ কৰে আৰু ১৭৫১ত ৰাজেশ্বৰ সিংহই তেওঁৰ মৃত্যুৰ পাছত পাটত বহিছে। আৰু ১৭৬৯ত ৰাজেশ্বৰ সিংহৰো মৃত্যু হৈছে। ওঠৰ শতিকাৰ শেষ আৰু উনৈশ শতিকাৰ আৰম্ভণিৰ সময়-ভাগতেই অসমৰ দুৰ্যোগ আৰু বিপৰ্যয় মিলিছিল। মোৱামৰীয়া বিপ্লৱ আৰু মানৰ আক্ৰমণে দেশৰ শকতি-সংহতি-আৰু সভ্যতাৰ ভেটি কঁপাই তুলিছিল। এই কালছোৱাতেই নাট্য আৰু সংগীতৰ কেন্দ্ৰস্বৰূপ থানসত্ৰতো মহা পয়মাল ঘটিল।

১৭৮১ খৃষ্টাব্দত ইংলণ্ডৰ নৃত্য পটীয়সী নাৰী ইমমা ৰেংহাম (Emma Wrangham) নৃত্য প্ৰদৰ্শনৰ বাবে কলিকতালৈ আহিছিল। তেওঁ চুঁচুড়া চন্দননগৰ আদিতো নৃত্যৰ আসৰ পাতিছিল। পিছৰ কালৰ ছোভিয়েতৰ নৃত্যপটিয়সী এনা পাভ্‌লোভাৰ দৰেই, সেই সময়ৰ তেওঁ অনেক কলাবিদক অনুপ্ৰাণিত কৰিছিল বুলি জনা যায়। এওঁক ধনাঢ্য নৱকৃষ্ণ মহাৰজাই মহা পয়োভৰেৰে সংবৰ্দ্ধনা জ্ঞাপন কৰিছিল। এনেবোৰ সুবিধা আৰু সুযোগৰ বাবেই নাট্য আৰু সংগীতৰ উন্নতি-সাধনৰ বাবে কলিকতাৰ বাঙ্গালী শিল্পী-বৃন্দয়ো অনেক সুবিধা পাইছিল।

ইংৰাজৰ ৰাজত্ব কালত যেতিয়া গোলকগঞ্জৰ পৰা গীতালদহেদি কলিকতালৈ পোনে পোনে ৰেলগাড়ী চলিছিল, তেতিয়া বৰপেটাৰ বেপাৰীসকলে কলিকতাৰ লগত অতি সহজে বেহা-ব্যৱসায় চলাইছিল আৰু তাত এৰাতি যেনেতেনেই

থিয়েটাৰৰ দৰ্শক হৈছিল বুলি সমুকালত আমি শুনিছিলো। দেশ বিভাজন হোৱাৰ পিছত এনে ধৰণৰ সকলো সুবিধা নোহোৱা হৈছিল।

কলিকতাতেই বিষ্ণুপ্ৰসাদ ৰাভাদেৱে তেওঁৰ পত্নী-প্ৰিয়া প্ৰিয়লতাক হেৰুৱালেও, তেওঁ নিজৰ কৰ্তব্য, আদৰ্শ আৰু তেওঁৰ ভৱিষ্যত সংগীত আৰু সংস্কৃতিৰ আঁচনিবোৰ পাহৰি যোৱা নাছিল। কলিকতাৰ বিভিন্ন সংগীতৰ অনুষ্ঠান প্ৰতিষ্ঠানৰ শিল্পী সংগীতজ্ঞসকলেও তেওঁক সদায় তেওঁলোকৰ মাজত বিচাৰিছিল, কাৰণ তেওঁলোকে বুজিছিল যে এই গুণীজনাৰ পৰা তেওঁলোকেও শিকিব লগা আছে তেওঁৰ বৈৰাগ্যৰ ভাব আহিছিল সঁচা আৰু তেওঁ বাউল-গায়কৰ দৰে গীতো ৰচিছিল সঁচা, কিন্তু অলপ সময়ৰ ভিতৰতে তেওঁৰ মন-প্ৰাণ স্বাভাবিক অৱস্থালৈ আহিছিল আৰু পুনৰ কলাৰ সাধনাৰ বাবে সাজু হৈছিল। তেওঁৰ এই বিবাহৰ বাতৰি অনেকেই নাপালেই, ইয়াৰ বহু বছৰ পিছলৈও তেওঁৰ হাঁহিভৰা মুখ দেখি তেওঁক অবিবাহিত বুলিয়েই ভাবি লৈছিল। তেওঁ নিজেও সংসাৰৰ সকলো আলে-আহুকাল এফলীয়া কৰি একাগ্ৰচিত্তে কলাৰ সাধনাত ব্ৰতী হৈ পৰিছিল। ৰেকৰ্ডিংৰ অসমাপ্ত কামবোৰ তেও সমাপ্ত কৰিলে ; ইয়াৰ ভিতৰতে কিছু সংখ্যক গীত ৰচনা কৰি সুৰ সংযোজন কৰিলে আৰু দুই একৰ স্বৰলিপি কৰিও থলে, কিন্তু দুঃখৰ কথা যে এই সময় হোৱাত ৰচিত অনেক গীত আৰু স্বৰ-লিপি হেৰাই গৈছে। দুই একে হাৰমনিয়মত অভ্যাস কৰাৰ বাবেও নিলে আৰু দুই একে নি থলে পিছত চৰ্চা কৰিম বুলিও। তেওঁ অনেক কেইখন 'সংগীত-আসৰ'ত যোগ দি গোৱা-বোৱাৰ উপৰিও, সংগীতৰ অনেক তত্ত্বৰ বিষদ আলোচনাও কৰিলে। বঙ্গৰ 'ব্ৰতাচাৰী নৃত্যৰ প্ৰৱৰ্তক গুৰু সদয় দত্তৰ তেওঁ অতি আস্থাভাজন হৈ পৰিছিল আৰু বিষ্ণুপ্ৰসাদক তেওঁ অতি স্নেহ কৰিছিল আৰু অনেক সময়ত তেওঁৰ গীত আৰু নৃত্যৰ প্ৰতিভা বুজি পাই "ওহে চোক্ৰা" বুলি বুকুৰ মাজত সাৱটি ধৰিছিল।

প্ৰকৃতপক্ষে প্ৰত্যেক জাতি বা দেশৰেই কৃষ্টিৰ সাৰাংশ একে, এয়েই হৈছে মানুহ জাতিৰ মৌলিক মানৱত্ব। একেখনি দেশত বিভিন্ন জাতি উপজাতি থেল আদি বহুকাল মিলি-জুলি বাস কৰাৰ ফলত জীৱনধাৰাৰ কৃষ্টি, কলা, স্থাপত্য, আলেখ্য আদিত পৰস্পৰে প্ৰভাৱ বিস্তাৰ কৰে।

ইংৰাজ ৰাজত্বৰ সময়ত গভৰ্ণৰ লৰ্ড কাৰ্জনেই পোন প্ৰথমতে ভাৰতীয় কৃষ্টিৰ গৱেষণাৰ সূচনা কৰি ভাৰতীয় প্ৰত্নতাত্বিক কমিটি গঠন কৰিছিল। চাৰ জন মাৰ্শ্বেলৰ উৎসাহ আৰু পৰামৰ্শতেই সাঁচি, সাৰনাথ, তক্ষশীলা আদিত খনন কাৰ্য আৰম্ভ কৰি বুৰঞ্জীৰ নতুন তথ্য আৱিষ্কাৰ কৰিছিল। ইয়াৰ পিছতেই, ৰাবী নৈৰ পাৰৰ হৰপ্পা আৰু সিন্ধু নৈৰ পাৰৰ মাহেঞ্জোদাৰো খনন গৱেষণা কাৰ্যই ইতিহাসৰ পূৰ্ব বিশ্বাসৰ আমূল পৰিৱৰ্তন সাধন কৰিছিল। বিষ্ণুপ্ৰসাদৰ পিতৃদেৱ চৰদাৰ বাহাদুৰ গোপাল চন্দ্ৰ ৰাভাৰ বুৰঞ্জীত বৰ ৰাপ আছিল, তেনেকৈয়ে সেই গুণটো উত্তৰাধিকাৰী সূত্ৰে তেওঁৰ সুযোগ্য কলাবিদ্ পুত্ৰেয়ো লাভ কৰিছিল। বুৰঞ্জীৰ সত্য উদ্ঘাটনৰ বাবে বিষ্ণু প্ৰসাদ সদায়

তৎপৰ আছিল। তেওঁ কলিকতাত থাকোঁতেই সংগীত শাস্ত্ৰ "হৰিস্মৃতি সুধাংকৰ", "গন্ধৰ্ব শাস্ত্ৰ", "সঙ্গীত ৰত্নাকৰ" আদি মনোযোগেৰে অধ্যয়ন কৰিছিল। চতুৰ্থ শতিকাৰ পৰা বৰ অসমৰ মঠ মন্দিৰত বিবিলাক মূৰ্তি সজা হৈছিল, সেইবিলাক "মান-সাৰ" শাস্ত্ৰৰ দিহা মতেই গঢ়া হৈছিল বুলি তেওঁ মত প্ৰকাশ কৰিছিল, এই কঠিন সংস্কৃত শাস্ত্ৰখনো তেওঁ কলিকতাতেই অধ্যয়ন কৰিছিল বুলি অনুমান কৰা হয়। তেওঁ য'তেই যি সাধনা নকৰক বিচিত্ৰময় বৰঅসমৰ গীত-বাদ্য-নৃত্য-নাট, শিল্প-আলেক্ষ্য কলা-ভাস্কৰ্য্যৰ মাজ কেন্দ্ৰত সৰ্বগুণাকৰ সুন্দৰ বৰবায়ন, বৰগায়ন, বৰনটুৱা মহাশিল্পী শ্ৰীমন্ত শংকৰদেৱকেই তেওঁৰ ত্ৰিনয়নেৰে সদায় মানস-জগতত দৰ্শন লাভ কৰি আছিল। ইয়াৰ মাজেদিয়েই তেওঁ সদায় দেখা পাইছিল চৌষষ্ঠী কলাৰ ৰম্যভূমি ভাৰতবৰ্ষক আৰু মহামানৱৰ বিৰাট পৃথিৱীখনক।

ইয়াৰ পৰাই বিষ্ণুপ্ৰসাদ ৰাভাদেৱে এবাৰ ঢাকালৈও গৈ তেওঁৰ ককায়েকৰ সামৰিক চাউনীত দুদিনমান আছিল। ককায়েকে পুনৰ আশা কৰিছিল যে বিষ্ণুৱে পুলিচ বিভাগৰ উচ্চ পদবী লৈ পিতৃ চবদাৰ বাহাদুৰৰ মান ৰক্ষা কৰিব। ইয়ালৈ আহি তেওঁ তেওঁ শিশুকালৰ স্মৃতি ৰোমন্থন কৰি অভিভূত হৈছিল। " সোঁৱৰণীৰ পাহ বথলিয়াই ল'ৰালি কালৰ নানা তৰহৰ বহু কথা মন কোঁহলৈ ভুমুকি মাৰে;—ছঁয়ামৱা দোকমোকালীৰ দৰে ধুঁৱলী-কুঁৱলী।'... (বোৱতী সুঁতি ঃ ৰাভা)

কলিকতালৈ উভতি আহি পুনৰ 'গানৰ আসৰ'ত দুদিনমান থাকি তেওঁৰ ভাল নালাগিল। পত্নীৰ বেদনাই তেওঁক পীড়িবলৈ প্ৰচেষ্টা চলায়। তেজপুৰলৈকেই যাওঁ বুলি তেওঁ এদিন সন্ধিয়াৰ ৰেল-গাড়ীত অসমলৈ যাত্ৰা কৰিলে। পিছ দিনা সন্ধিয়া পৰত ৰঙ্গিয়া পালে তাৰ তাতে গাড়ী বদলাই তেজপুৰ যাব পৰা ৰেল গাড়ীৰে পিছদিনা উষা নগৰীত প্ৰৱেশ কৰিলে।

তেতিয়া জ্যোতিপ্ৰসাদ আগৰৱালা দেৱ তেজপুৰত। চিত্ৰ নাট্যৰ অনেক কথা লৈ আ-আলোচনা চলিছে। সংগীত আৰু সংস্কৃতিৰ বিভিন্ন বিষয়ে বিষদ আলোচনা হৈছে। ৰূপ-কোঁৱৰৰ ৰচিত বিভিন্ন সুৰৰ তেজাল গীতবোৰ তেওঁৰ সুৰ-লিপিৰ পৰাই বিষ্ণু প্ৰসাদে গাই যায়। ৰূপকোঁৱৰে নিজেই অৰগেনটোত যেতিয়া তেওঁৰ আঙুলী কেইটিৰে বীড়বোৰত বুলাই যায়, তেতিয়া কেনে একোটি যে মূৰ্চ্চনা উঠিছিল তাকেই শুনি আৰু ভাবি বিষ্ণুপ্ৰসাদ ৰাভা যেন স্তব্ধ হৈ যায়। ৰাভাদেৱে নিজেই লিখি থৈ গৈছে ঃ

"...জ্যোতিৰ গানে অসমীয়াৰ মন ভুলায়, জনা সুৰ ন ন সাজেৰে ন ন কাচেৰে, বিধ বিধ ৰেহ-ৰূপেৰে ওলায়। অসমীয়াৰ হিয়া আমঠু বুলি গুণি গুঠিয়েই জ্যোতিৰ গান সাৰটি লবলৈ অসমীয়া ইমান হেঁপেহুৱা। সেই কাৰণে তেওঁৰ গান ইমান জনপ্ৰিয়।... (জ্যোতিৰ জেউতি)

দুয়োজনা কলাকাৰৰ ভিতৰৰ আত্মিক সুহৃদয়তা আৰু একাত্মবোধ গঢ় লৈ উঠিছিল। দুয়োৰো আদৰ্শ সপোন, পৰিকল্পনা আদি আচাৰিতভাৱে একক

আছিল। পাৰ্থক্য কিঞ্চিৎ হে ক'ৰবাত দেখা গৈছিল,—জ্যোতি প্ৰসাদে হয়তো য'ত শ্ৰীঅৰবিন্দৰ কথা কয়, বিষ্ণুপ্ৰসাদে হয়তো শ্ৰীৰামআতাৰ কথাহে কব। জ্যোতি প্ৰসাদৰ আকাংক্ষিত 'জনগণ' আৰু বিষ্ণু প্ৰসাদৰ 'ৰাইজ'ৰ তাৎপৰ্য্য একেই। জ্যোতিৰ ৰচিত গীতৰ সুৰ-সঞ্চ আৰু সুৰৰ বিশেষত্ববোৰ পোনতে বিষ্ণু প্ৰসাদেহে আৱিস্কাৰ কৰিব পাৰিছিল।

তেজপুৰতেই এদিন কথা আলোচনা চলি থাকোঁতে বিষ্ণু প্ৰসাদে আগৰৱালা দেৱক ক'লে, "ককাইদেউ, মন কৰিছেনে নাই, আপোনাৰ গানৰ এটি অপৰূপ বৈশিষ্ট্য ?"

"আপোনাৰ গানৰ সুৰ য'ত শেষ হয়, তাতেই আকৌ দ্বিতীয় শাৰীৰ সুৰ আৰম্ভ হয়।"

"কেনেকৈ বিষ্ণু, তুমি কথাটো কেতিয়াবা আগতেওঁ কৈছিলা।"

বিষ্ণুপ্ৰসাদে "চাওকচোন" বুলি কৈ অৰ্গেনৰ আগত বহি ৰীডত আঙুলী চলাই বজাই গ'ল, গাই গ'ল আৰু মাজে মাজে বৈ বৈ কৈ গ'ল ঃ

"বনৰীয়া আমি বনৰ চৰাই
বনে বনে ফুৰো অনাই বনাই"···

" ·····গান্ধাৰৰ পৰা পাতনি মেলি সুৰ বগাই পহিলা শাৰীৰ সামৰণি পৰে ধৈৱতত 'চৰাই'ৰ 'ই' চৌত, সেই ধৈৱতৰ পৰাই দুচৰা শাৰীৰ 'বনে বনে'ৰ 'ব' টো গান্ধাৰত থোপনি পোতে। সেই গান্ধাৰেদি জখলা বগাই 'অনাই বনাই'ৰ ব 'ৰটো পঞ্চমৰ পৰা দোপ লয়। তিসৰা শাৰীৰ 'অনাই বনাই'ৰ 'অ' টো পঞ্চমৰ পৰা খোজ লৈ মুদাৰাৰ 'সা'ত উশাহ লয়। সেই সৰজৰ পৰাই 'উ উ' মাতোতে ঋষভৰ পৰা মধ্যম, মধ্যমৰ পৰা পঞ্চম, পঞ্চমৰ পৰা ধৈৱত, ধৈৱতৰ পৰা একেবাৰে দেওদি তাৰাৰ গান্ধাৰলৈ জাঁপ মাৰি তাৰাৰ ঋষভ, ষড়জেদি পিচুৱাই একে চিপে পঞ্চমলৈ আহি পুনৰ জঁপিয়াই তাৰাৰ ষড়জলৈ, আৰু তাতে জিৰণি লয়।"

ৰূপকোঁৱৰে তন্ময় হৈ যায়, বিষ্ণু প্ৰসাদৰ সুকণ্ঠৰ সুৰ-লয় তাল-মান আৰু কথাখিনি তন্ময়তাৰে শুনি শুনি আপোন পাহৰা যেন হৈ পৰে।

"ককাইদেউ, পুনৰ শুনিবচোন।"

"জননী পূজাৰ মন্দিৰ সদা
নজৰুলোৱা কিয় বন্তি"······

"জননী'ৰ 'জ'ৰে উদাৰাৰ ধৈৱতৰ পৰা পাতনি মেলি সাৰেগা-ৰ ওপৰত অলপ খেলা কৰি 'পূজাৰ' ৰ 'ৰে-ৰে' আকৌ উদাৰাৰ ধৈৱতলৈ আহি জিৰণি লয়। সেই উদাৰাৰ ধৈৱতৰ পৰা পুনৰ বগাই গৈ 'সদা'ৰ 'দা'-ৰে মুদাৰাৰ গান্ধাৰত জিৰণি লৈ, তাতে থোপনি পুতি আকৌ আগুৱাই সেই গান্ধাৰতে 'বন্তি'ত 'ৰে' থিতাপি পাতি আগবাঢ়ি পিছুৱাই উদাৰাৰ ধৈৱতত জিৰায়। এইদৰে লানি নিছিগাকৈ আগুৱাই পিছুৱাই থাকে—যেন এধাৰি মালাহে।"

জন্ময়তা ভগাৰ পিছতেই লাহে ধীৰে আগৰৱালা দেৱে কয়, “এৰা, হয়তো,…জনা নাছিলো।”

সংগীতৰ এনে মনোৰম আৰু মূল্যবান কথোপকথনৰ কেইদিনমান পিছতেই আগৰৱালাদেৱ নিজৰ চাহবাগান ভোলাবাৰীলৈ গুচি যায়। দুজনাৰ এই সংগীত কথোপকথনতেই উভয়ৰে সংগীত জ্ঞানৰ গভীৰতাৰ কথাই আমি উপলব্ধি কৰিব পাৰো।

“বজ্জানৰ বিলুপ্ত কাহিনী”, “মানৱ জাতি”, “অতীত অসম” আদি বিভিন্ন প্ৰবন্ধসমূহে বিষ্ণুপ্ৰসাদ ৰাভা দেৱৰ গভীৰ অধ্যয়ন, গৱেষণা আৰু জীৱনজোৰা অভিজ্ঞতাৰে তেওঁ সঁচাকৈ—“মহাসাগৰ সিঁচি” ‘সাত মাণিকৰ ধন’ আহৰণ কৰি ৰাইজৰ সমুখৰ বৰশৰাইত থাপনা কৰি থৈ গৈছে। “বজ্জানৰ বিলুপ্ত কাহিনী”ৰ প্ৰবন্ধটো যদিও চমু, তথাপিও ইয়াৰ মাজতেই আমি পাওঁ তেওঁৰ বিশাল বুৰঞ্জী জ্ঞান আৰু বহল অধ্যয়ন। এই প্ৰবন্ধতেই তেওঁ ইংগিত দিছে যে সকলো জাতি-সত্বাৰেই একতা আৰু সংহতিয়েহে প্ৰধান শক্তি আৰু সংঘবদ্ধতাই হৈছে দীৰ্ঘ আয়ুস। বুদ্ধদেৱৰ মহান আৰু সত্য বাক্য এষাৰি তেওঁ তাত প্ৰকাশ কৰি সকলোকে সকিয়াই দিছে এক দন্তী গণপতি গণেশ-ৰূপী ৰাইজৰ শকতিৰ কথা:

“জানা আনন্দ, যেতিয়ালৈকে বজ্জানসকল তেওঁলোকৰ মাজত পাৰস্পৰিক বুজাপৰাৰ মাজেদি ৰাজহুৱা সভা পাতি এক হৈ থাকে, তেতিয়ালৈকে তেওঁলোকে উন্নতিৰ জখলাত আগবাঢ় গৈ থাকিব, কোনো শক্তিয়ে তেওঁলোকক ধ্বংস কৰিব নোৱাৰে।…আৰু আনন্দ, যেতিয়ালৈকে বজ্জানসকলে ঐক্যভাৱে সংঘবদ্ধ হৈ থাকে আৰু সংঘবদ্ধভাৱেই হাতত লোৱা কাম কৰি যায়—যেতিয়ালৈকে নতুন একো অসৎ কাম নকৰে,—যেতিয়াকৈ তেওঁলোকৰ অৱস্থিত কোনো জাতীয় অনুষ্ঠান বিলুপ নহয়—তেওঁলোকে তেওঁলোকৰ বয়োজেষ্ঠসকলৰ বহুমূলীয়া উপদেশ আৰু নীতি নিয়মবোৰ কৰ্তব্য নিষ্ঠাৰে পালন কৰে, তেওঁলোকৰ কুলবধু আৰু দুহিতাসকলক যথাবিধি সন্মান দেখুৱায়, তেতিয়ালৈকে বজ্জানসকলৰ অৱনতি অসম্ভৱ।

যেতিয়ালৈকে বজ্জানসকলৰ পুৰুষানুক্ৰমে চলি অহা গ্ৰাম্য আৰু নাগৰিক জীৱনৰ সামাজিক আৰু ধৰ্মসম্বন্ধীয় আনুষ্ঠানিক পুজাপাতালবোৰৰ সন্মানপূৰ্বক মূল্যাংকন কৰে আৰু এই ঐতিহ্যপূৰ্ণ মঙ্গলাচৰণবোৰৰ কোনো অপব্যৱহাৰ যেতিয়ালৈকে নকৰে;……তেতিয়ালৈকে বজ্জানসকলে কোনো বাধা বা অমঙ্গল নোহোৱাকৈ উন্নতিৰ পথত আগবাঢ়ি যাব পাৰিব—ই ধ্ৰুৱ সত্য।”

সকলো জাতিৰ ক্ষেত্ৰতে এই সত্য নিশ্চয় প্ৰযোজ্য হব পাৰে।

“হিয়া ফালি উলিয়াই পিন্ধাম
তেজাল পোৱাল-মণি মোৰ।”

জীৱন জুৰি তোমাৰে গান গালো

মহা ভাৰতবৰ্ষৰ মহাসুন্দৰ সংস্কৃতিৰ মধ্যত 'সঙ্গীত' মূল্যবান আৰু কালজয়ী সম্পদ। "গীতং বাদ্যং তথা নৃত্যং এৱং সংগীতম্ উচ্যতে"— গীত, বাদ্য আৰু নৃত্যৰ সমাবেশেই এই সুন্দৰ সংগীত। সুমধুৰ গীতি-ধ্বনিৰেই প্ৰাচীনতম্ কালত দেৱৰ আৰাধনা কৰা নিয়ম প্ৰচলিত হৈছিল। শব্দ-তৰংগৰ নানা ধ্বনি শ্ৰুতি-মধুৰতাৰ দ্বাৰা সংগীতৰ সৃষ্টি হয়। আকৌ 'নট্' ধাতুৰ পৰা ওলাইছে 'নাট'। কৃত্ৰিমতা অৱলম্বন কৰি অভিনয়ৰ দ্বাৰা প্ৰদৰ্শন কৰা ভাওবেই নাটক বোলে। সৃষ্টিৰ কোনোবা অজানা আদি কালতেই 'কলা'ৰ উৎপত্তি। গ্ৰীচৰ বিশ্ব-বিখ্যাত দাৰ্শনিক পণ্ডিত প্লেটোৱে কৈছিল যে প্ৰকৃতিৰ অনুকৰণৰ পৰা 'কলা'ৰ সৃষ্টি হৈছে। সংগীতৰ উৎপত্তিৰ বিষয়েও নানা মত পোৱা যায়।

কোনো কোনোৰ মতে প্ৰজাপতি ব্ৰহ্মাই এই কলা শিৱক শিকালে, শিৱৰ পৰা লাভ কৰিলে দেৱী সৰস্বতীয়ে, দেৱীয়ে এই বিজ্ঞান মহামুনি নাৰদক দিলে, আৰু নাৰদে গন্ধৰ্ব, অপেস্বৰাসকলক শিকাই দিয়াত ভৰত আদিয়ে এই বিদ্যা লাভ কৰি নানা শাস্ত্ৰৰে পৃথিবীত মানৱজাতিৰ মাজত প্ৰচাৰ হোৱাত মুকুতি-দায়ক মাৰ্গসংগীত ৰূপে জনাজাত হৈ পৰিল। প্ৰাচীন গ্ৰন্থসমূহৰ নাৰদী-শিক্ষা, মাণ্ডুকী-শিক্ষা, ভৰতৰ 'নাট্য শাস্ত্ৰ', 'সঙ্গীত মকৰণ্ড' আদিয়ে ইয়াৰ বহল প্ৰচাৰ সাধন কৰিলে। ইয়াৰ কিছু পৰবৰ্তী কালতেই আৰু কেবাখনো সংগীত শাস্ত্ৰ ৰচিত হল, ইয়াৰ ভিতৰত সাৰঙ্গদেৱৰ 'সঙ্গীত ৰত্নাকৰ,' লোচনৰ 'ৰাগ-তৰঙ্গীনি', ৰামামাত্যৰ 'স্বৰমেল কলানিধি', পুণ্ডৰীক ভিঠলৰ 'সদ্ৰাগচন্দ্ৰোদয়,' সোমনাথৰ 'ৰাগ বিৰোধ', দামোদৰ পণ্ডিতৰ 'সঙ্গীত দৰ্পণ', ব্যংকটমুখীৰ 'চতুৰ্দণ্ডি প্ৰকাশিকা', আহাবলৰ 'সঙ্গীত পাৰিজাত', পণ্ডিত ভাবভট্টৰ 'অনুপবিলাস', শ্ৰীনিবাসৰ 'ৰাগতত্ত্ব বোধ', মহাৰাজা তুলসী ৰাওৰ 'সঙ্গীত সাৰামৃত' আদিয়েই প্ৰধান।

ইয়াৰ অনেক পিছৰ কালত সুৰদাস, তুলসী দাস, কবীৰ দাস, মীৰবাঈ আদিয়ে সঙ্গীতজগতত আলোড়ণ তুলিছিল। তৎসমত সুন্দৰ শ্ৰীমন্তশংকৰ দেৱৰ সংগীত ক্ষেত্ৰত গীত-বাদ্য-নৃত্যৰ ক্ষেত্ৰত, নাট-অভিনয়ৰ ক্ষেত্ৰত, কলা-জগতলৈ এক অনন্য অৱদান আগবঢ়াই গৈছে আৰু কলাৰ মাজেদিয়েই তেওঁ এখনি পাতনি মেলিছে নতুন সমাজৰ। এইজনা 'সৰ্বগুণাকৰ' 'দৰশিত সুন্দৰ গোৰ কলেৱৰ' শ্ৰীমন্তশংকৰদেৱেই আছিল বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ সৰ্ব-কলাৰ উৎস, মহান অনুপ্ৰেৰক আৰু মহাগুৰু। তেওঁ নিজেই লিখিছিল—

"……আমাৰ তৎসমৰে মহাপুৰুষ শ্ৰীশ্ৰীশংকৰদেৱ যাক আজি অসমে গুৰু বুলি পূজা কৰি থাকে। সঁচাকৈয়ে আজি শংকৰদেৱ অসমৰ গুৰু তৎসমীয়াৰ প্ৰাণ।" (তৎসমীয়া কৃষ্টি : ৰাভা)

সংগীত শাস্ত্ৰৰ পাৰ-অপাৰ পোৱা অতি কষ্ট সাধ্য, অতি কঠিন, তথাপিও সাধনাৰ দ্বাৰা বিষ্ণুপ্ৰসাদ ৰাভাদেৱে এই শাস্ত্ৰ মথি, চৰ্চি মচি, কায়-মন-বাক্যে আয়ত্ব কৰি কৃতকাৰ্যতা লাভ কৰিছিল। তেওঁ কবি, গায়ন-বায়ন-নৰ্তক, তেওঁ সাহিত্যিক—সাহিত্যৰ সাধক, তেওঁ নৃতাত্তিক, তেওঁ গৱেষক আৰু ঐতিহাসিক পণ্ডিত, তেওঁ নট-অভিনেতা, তেওঁ চিত্ৰকৰ, সুৰস্ৰষ্টা আৰু নৃত্যৰে প্ৰাণ-সঞ্চাৰ কৰোঁতা তেওঁ মানৱ-প্ৰেমিক, তেওঁ নিপীড়িত অৱহেলিত অনাদৃতৰ বন্ধু—সেয়েহে তেওঁ বিপ্লৱী—সাম্যৰ নতুন সমাজৰ প্ৰতিষ্ঠাৰ দীৰ্ঘ ৰণৰ ৰণুৱা।

শৰীৰৰ অঙ্গ সমূহেৰেই গীত-বাদ্য-নৃত্যৰ তথা সংগীতৰ সৃষ্টি কৰা হয়। 'দেৱৰো বাঞ্ছনি মনুষ্য তনু'ৰ একোটা অঙ্গত একোজন দেৱলোকৰ নিবাস বুলি সংগীত শাস্ত্ৰত কয়। নাট্য-শাস্ত্ৰ মতে এই অঙ্গসমূহক তিনি ভাগ কৰা হয়, যেনে অঙ্গ, প্ৰত্যঙ্গ আৰু উপাঙ্গ। ইয়াৰ দ্বাৰাই নৱ-ৰসৰ বাহিৰেও—মাধুৰ্য্য, শোভা, দীপ্তি আদি আত্মজ 'ভাৱ' আৰু ন বিধ 'স্বাভাৱিক ভাৱ'ৰ সৃষ্টি কৰা হয়। দেহ অঙ্গৰ মহিমা আছে আৰু শকতি ভকতিও আছে। কলাকাৰ ৰাভাদেৱে সকলো কঠিন সাধনাৰ সমুখীন হৈছিল।

বিষ্ণু প্ৰসাদৰ বৰপেটা-আগমন তেওঁৰ জীৱনৰ এটি বিশিষ্ট আৰু তাৎপৰ্য্যৰে পৰিপূৰ্ণ বিচিত্ৰ পৰিচ্ছেদ।

সেই সময়ৰ বৰপেটা সঁচাকৈয়ে ৰূপে-ৰসে, গীতে-মাতে, নাচে-বাজনায়, ৰাগে-সঞ্চৰে, তালে-খোলে, ধানে-পাণে, মাছে গাখীৰে পৰিপূৰ্ণ বৈকুণ্ঠ সদৃশ শ্ৰীমন্তশংকৰ-মাধৱৰ মহামণ্ড। ওজাবংশৰ বিয়াসৰ পিতাম্বৰ ওজা; পাঠক বংশৰ সুকণ্ঠী দিগম্বৰ পাঠক, বিষ্ণু পাঠক; গন্ধীয়া গায়ন বংশৰ ৰমাৰাম বায়ন, ন বায়ন বংশৰ বলৰাম বায়ন; সূত্ৰধাৰ বংশৰ বিক্ৰিৰাম পাঠক সূত্ৰধাৰ, হৰমোহন বায়ন, দয়ালচন্দ্ৰ সূত্ৰধাৰ, দীনবন্ধু দাস (হুদু ওস্তাদ), গিৰীশ বায়ন; এই সকলৰ বাহিৰেও, সংগীতৰ বিশিষ্ট সেৱক চন্দ্ৰমোহন গায়ন, ওস্তাদ

স্বৰ্গেশ্বৰ বায়ন, হেমৰথ দত্ত চৌধুৰী, অম্বিকা মজুমদাৰ (দমৰ্য্য ওস্তাদ) আদিয়েই সংগীতৰ নামজ্বলা লোক।

"……দিহিঙে-দিপাঙে অনাই বনাই ঘূৰোঁ।……ৰূপতাম্বিকৰ অসীম ক্ষুধাৰে ভৰা ৰূপ-তন্ত্ৰৰ সাধনা। …. ৰূপ তীৰ্থ-যাত্ৰা।….. বৰপেটা ধাম।"……,
(বোৰতী সংগীত ঃ ৰাভা)

তেতিয়া ৰাভাদেৱৰ ভিনিহিয়েক ডাঃ ধাৰাৰাম মেচ বৰপেটাৰ চৰকাৰী হচ্‌পিটালৰ ডাক্তৰ হৈ তাতেই আছে। বাইদেৱেকো থাকে, ভাগিনীয়েক অজয়, জয়, বিজয় এই সকলেৰে ভিনিহিয়েকৰ ঘৰ উদুলি-মুদুলি। মোমায়েক আহি পোৱাত ভাগিনীয়েকহঁতৰ আনন্দ আৰু এখোপ চৰে, হাৰমনিয়ম তবলা লৈ সংগীত চৰ্চা বাঢ়ে।

নীলকান্ত দাস নামৰ এজন মানুহক অসুখৰ বাবে হচ্‌পিটালত থৈছিল। ৰাতি ৰখিবলৈ যায় গিৰীশ বায়নে। এদিন খুব পুৱাতেই উঠি এইজনা বায়নে ৰোগীৰ ওৱাৰ্ড এটিত শ্যাম ৰাগ টানি" "তেজৰে কমলা পতি পৰভাত নিন্দ" বৰগীতটো স্বাভাৱিক স্বৰত গাইছিল। সংগীত সাধক বিষ্ণু প্ৰসাদৰ কাণত পৰিল, তেওঁ স্তব্ধ হৈ শুনিলে আৰু সেইপিনেই আগবাঢ়ি গৈ ক্ষীণ-মীন ডেকা গায়কৰ লগত দেখাদেখি হ'ল—গাৰ বৰণ কলা, চকু দুটা ডাঙৰ, মুখত এটি হাঁহি, পিন্ধনত এখনি মলিয়ন ধুতি আৰু হাত চুটি পিৰণচোলা। গায়কে বতৰা দিলে তেওঁৰ পিতৃ খ্যাতনামা হৰমোহন বায়নৰ। সংগীত আকলুৱা বিষ্ণু প্ৰসাদ তেওঁৰ ভগাঘৰত উপস্থিত হ'ল। কেঁচা মজিয়াত বৰপীৰা এখন পাৰি দি নিজেও কাষতেই বহিল। দুয়োৰো দেখাদেখি হ'ল চকুৰে, মিল হ'ল প্ৰাণেৰে। গাই শুনালে—নাট ৰাগ একতালীৰ—

ধ্ৰুং ॥ "আৰত গোবিন্দ গোপিনীক পিউ।
সঙ্গে চলল গোপী ভুলল জীউ ॥
পদ ॥ শ্যাম মুৰুতি পীত অম্বৰু লাসা।
নয়ন পঙ্কজ জ্যোতি ঈসত হাসা ॥
কৃষ্ণ কিঙ্কৰ এহু শঙ্কৰ ভান ॥

প্ৰথম চাৰিশাৰী নাট একতালীৰে, পঞ্চম শাৰী ভাঙি গাই শেষৰ শাৰী জ্যোতি তালত পেলাই কেবাবাৰো গাই, শেষত ভঙ্গী বাজনাৰে সমাপ্ত কৰিলে। বজালে গিৰীশ বায়নে।

সাধক সঙ্গীতজ্ঞ বিষ্ণু প্ৰসাদ ৰাভাৰ হৃদয়ৰ সুন্দৰ ৰূপ সাধনাৰ মহাতীৰ্থৰ ৰঙা ৰাজআলি এটি তেওঁৰ চকুৰ আগত যেন তিৰ্‌বিৰাই উঠিল।

পুনৰ দেখা-দেখি, জনা-শুনা, চিনা-পৰিচয় হ'ল গায়কপুঞ্জৰ লগত। তেতিয়া বৰপেটাতো কলিকতাৰ দৰে সন্ধিয়া পৰত অ'ত ত'ত গানৰ-আসৰ বা 'বৈঠকী' বহিছিল। চন্দ্ৰমোহন গায়নৰ ঘৰত বহা বৈঠকীখনেই আছিল

নামজ্বলা। গণককুছিৰ হেমৰথ দত্ত চৌধুৰীৰ ঘৰতো বৈঠকী বহিছিল যদিও, খুব কম, কাৰণ বৰপেটা বজাৰৰ পৰা দুমাইল। চন্দ্ৰমোহন গায়নৰ ঘৰ বৰপেটাৰ মাজ মজিয়া যেন গায়নহাটীত। স্বৰ্গেশ্বৰ বায়নৰ ঘৰতো তেনে আসৰ বহিছিল, কিন্তু গায়নৰ ঘৰতেই সৰহ। তেতিয়া এই আসৰবিলাকত হিন্দী ধ্ৰুপদী-সংগীত আৰু বাংলা পল্লীগান, আধুনিক আৰু কীৰ্তনীয়া গানবোৰ বেছিকৈ গোৱা হৈছিল। আধুনিক অসমীয়া ভাষাতো যে ৰাগ-সম্বলিত গীত হব পাৰে, তেতিয়া এই গায়কসকলৰ মাজত তেনে ভাৱধাৰা নাছিল বুলিলেই হয়। বিষ্ণুপ্ৰসাদ ৰাভাদেৱে তেনে গীত তেওঁলোকক গাই শুনালে। তেওঁলোক আচৰিত আৰু অভিভূত হ'ল। দত্ত চৌধুৰীয়ে তেওঁক সাৱটি ধৰি ক'লে, "ধন্য ধন্য দেৱদূত বিষ্ণুপ্ৰসাদ ৰাভা, গন্ধৰ্ব শ্ৰীশঙ্কৰ-মাধৱৰ ৰাজলৈ আহিছে সংগীতবৈকুণ্ঠৰ আপুনিও এজন গন্ধৰ্ব !"

এই আহিঁতেই অনুপ্ৰাণিত হৈ এইজনা দত্তচৌধুৰীয়ে আধুনিক অসমীয়া ভাষাত বহুত গীত ৰচনা কৰিছিল। এই গীতসমূহৰ প্ৰায় দুকুৰিমান গীতেৰে "এনুৱা মধুৰ হৃদয় মন্দিৰ" নামকৰণেৰে ১৯৫৫ খৃষ্টাব্দত হোৱা তেওঁৰ পৰলোকৰ তেইশ বছৰ পিছত তেওঁৰ তিনি কন্যা জুনি, ৰুণি আৰু অৰুণিয়ে প্ৰকাশ কৰিছে।

বৰপেটাত থাকোঁতে পুনৰ নন্দলাল ৰাভাৰ পৰা চিঠি আহিল। সেই চিঠিত ভায়েকক তৎক্ষণাৎ চিলঙলৈ গৈ টি. পি. এম্., ও কালামান চাহাবক দেখা কৰাৰ বাবে পৰামৰ্শ দি পঠিয়াইছে। ভিনিহিয়েকৰ কথাত বাধ্য হৈ বিষ্ণুপ্ৰসাদ তেতিয়াৰ অসমৰ ৰাজধানী প্ৰকৃতিৰ ৰম্যপুৰী চিলঙলৈ গ'ল আৰু চাহাবক দেখা কৰিলে। বন্ধুৰ উপযুক্ত ল'ৰা দেখি তেওঁ বৰ আনন্দিত হ'ল আৰু সুহৃদ-পুত্ৰক পুলিচৰ ডেপুটী চুপাৰিনটেনডেণ্টৰ পদত নিয়োগ কৰাৰ স্থিৰ কৰিলে। ইংৰাজৰ ৰাজত্ব, আই-জি-পিৰ তেতিয়া যথেষ্ট ক্ষমতা। বিষ্ণুপ্ৰসাদ ৰাভা বৰপেটালৈ ঘূৰি আহি বায়েক-ভিনিহিয়েকক সকলো কথা বিবৰি ক'লে, তেওঁলোক বৰ আনন্দিত হ'ল—চৰদাৰ বাহাদুৰৰ পুত্ৰৰ এয়েহে আচল স্থান।

বৰপেটাৰ গায়ন-বায়নৰ সঙ্গপাই সংগীত-সাধক ৰাভাদেৱে চাকৰিৰ কথা একেবাৰে পাহৰি গ'ল, গীত-বাদ্য-নৃত্যৰ চৰ্চাত সম্পূৰ্ণভাৱে মনোনিবেশ কৰিলে। তেতিয়া বৰপেটা থানৰ বুঢ়া সত্ৰীয়াৰ গাদীত বহি আছে—শ্ৰীচতুৰ্ভুজদেৱ মিশ্ৰ প্ৰভু, সুশ্ৰী-সুন্দৰ, ৰূপ যেন শকুন্তলা শৰীৰ। মূৰত হাত থৈ ভকত বিষ্ণুপ্ৰসাদক তেওঁ হিয়া ঢালি আশীৰ্বাদ কৰিলে। বুঢ়াসত্ৰীয়াদেৱৰ গুণগ্ৰাহী বলৰাম পাঠক দেৱো সত্ৰীয়াৰ পবিত্ৰ গৃহটিতেই কলাৰ সেৱক বিষ্ণুপ্ৰসাদক লগ পাই বুকুত সাৱটি লয়। দীঘলীয়াভাৱে 'গুৰু-চৰিত' চৰ্চ্চা কৰে, কিমান নন কথা ওলায়, লুকাই থকা কিমান অধ্যায় মুকলি হৈ পৰে, দুজনা গুৰুৰূপ যেন জীৱন্ত হৈ পৰে।

বিষ্ণুপ্ৰসাদৰ নিজৰ ৰচনাৰ পৰাই কব পাৰি—

" ভাৰতৰ মুকলি বলিয়া তেজাল ডেকা মই চাকৰি পাইও পেলাই থৈ চিলঙৰ পৰা উভটি মোৰ ভিনিহীদেউ (বৰপেটাৰ ডাক্তৰৰ) ঘৰত গৈ খোপনী পোতো।…কলিকতাত বি-এচ-চি পঢ়োতে পৃথিবীৰ শ্ৰেষ্ঠ নৃত্যপটীয়সী ৰুছীয়াৰ উৰ্বশী আনা পাভলোভাৰ উপদেশ সুঁৱৰি বৰপেটাৰ সত্ৰীয়া নাচবোৰ চাই আচৰিত হওঁ আৰু অসমীয়া বহুমূলীয়া শংকৰী কলাৰ সৈতে চিনাকি লভো। মাজতে আকৌ বৰপেটাৰ পৰা কলিকতাত নিজে অঁকা পাটবাউসীত ৺শ্ৰীশ্ৰীশংকৰদেৱৰ ছবি তিনি হেজাৰ ছপাই বৰপেটালৈ আহো।'…

এই চিত্ৰখনিত "অনুপ্ৰেৰক' বুলি বলৰাম পাঠকদেৱৰ নামটো আছে। ছবিখন ওলোৱাত কোনো কোনোৰ মাজত বিৰূপ সমালোচনা হলেও, বৰপেটাৰ বুঢ়াসত্ৰীয়া প্ৰভুই বিশেষভাৱে প্ৰশংসা কৰি খবৰৰ কাকতত লিখাত এই ছবি সকলোৰে আদৰনীষ হৈ পৰে। এই ছবিখন এতিয়াও বৰপেটাৰ অনেক মানুহৰ ঘৰত সাদৰ শ্ৰদ্ধাৰে ৰক্ষিত হৈ আছে। এইখনক সৰ্বগুণাকৰ ডেকাগিৰী সুন্দৰ শ্ৰীমন্তশংকৰ বুলি কব পাৰি। অৱশ্যে ৰাভাদেৱে পৰবৰ্তীকালত আৰু এখন শ্ৰীমন্তশংকৰৰ ছবি আঁকিছিল। এই অনুপম ছবিখন তেওঁৰ পৰলোকৰ কেবাবছৰো পিছত ছপা হৈ ওলাইছে। অৱশ্যে আগৰ খনতকৈ এইখন 'আৰু Improved' (উন্নত) বুলি তেওঁ নিজে কৈছিল।

"দৰশিত সুন্দৰ গৌৰ কলেবৰ
যৈছন সুৰ পৰকাশ।
সকল সভাসদ ৰঞ্জন যাকেৰি
দৰশনে পাপ বিনাশ ॥' (গুৰু ভটিমা : মাধৱদেৱ)

এনে ৰূপ সঁচাকৈয়ে ছবি দুখনিতেই প্ৰকাশিত হৈছে।

ইয়াৰ বাহিৰেও, কিছুবছৰ পিছত আত্ম-গোপন কালত মাজবাটত তেওঁ মাধৱদেৱৰ ছবি এখন অংকিত কৰিছিল। পিছত খুব সম্ভৱ তেজপুৰত আন এখনি শ্ৰীমন্তশংকৰ-মাধৱদেৱ 'একবস্তু' স্বৰূপে চিত্ৰিত কৰা বিস্ময়কৰ ছবি তেওঁ ১৯৬৮ ইং চনৰ আগতেই আঁকিছিল। সেই চনৰে ২৭, আৰু ২৮ জানুৱাৰীত বহা 'অসম সাহিত্য সভা'ৰ অধিবেশনৰ সময়ত এই মহিমামণ্ডিত ছবিখন দেখিবলৈ পাই, বিস্ময় আৰু ভকতি ভাৱেৰে ছবিখনিলৈ প্ৰণিপাত জনাইছিলো। সাতখলপীয়া কীৰ্ত্তনমৰীয়া সিংহাসনৰ ওপৰত প্ৰতিষ্ঠিত কৰি তেওঁ সাহিত্যৰথী বেজবৰুৱাৰো ছবি এখন আঁকিছিল আৰু মাধৱচন্দ্ৰ বেজবৰুৱাৰ সম্পাদনাৰ কালত "বাঁহী' ত ছপা হৈছিল। এইবিলাকৰ বাহিৰেও, চিত্ৰকৰ ৰাভাদেৱে আৰু অনেক ছবি আঁকিছিল।

চন্দ্ৰমোহন গায়নৰ ঘৰত বহা 'আসৰ' খনেই বেছি প্ৰাণোদ্দীপক আছিল। গানৰ মাজত কিবা ৰকমে বিৰতি পৰিলেই তেওঁ নৃত্যৰ নানা মুদ্ৰা প্ৰদৰ্শন কৰি

অৰ্থবোৰ কৈ যায় আৰু পুনৰ গাবলৈ আৰম্ভ কৰে। দীনবন্ধু দাস ওৰফে হুদু ওস্তাদৰ ঘৰ বৰহাটীৰ আমাৰ পুৰণি স্থানৰ কাষতেই আছিল। এই ওস্তাদৰ লগত স্ৰষ্টা ৰাভাদেৱৰ বন্ধুত্ব আৰু গভীৰ হৈছিল। এওঁৰ বাপেক বিক্ৰিৰাম পাঠক সূত্ৰধাৰ এজন নিপুণ সত্ৰীয়া গায়ন-বায়ন আছিল। ওস্তাদো এনে সঙ্গীতত পৈণত, এই কাৰণেই বোধহয় ইয়ালৈ কোঁতয়াবা ৰাভাদেৱে গান গাইছিল, সেই গলুগলীয়া গীতৰ শব্দ আমাৰ কাণত পৰিছিল।

পুনৰ পুলিচী পদৰ বাবে ইননি-বিননি লাগে। তেওঁ তেজপুৰলৈ ৰাতিৰ বেল-গাড়ীত ৰাওনা হয়। তেওঁ গৈ পোৱাত "বাণ ৰঙ্গমঞ্চ" পুনৰ ৰজনুজনাই উঠে। অভিনেতা ফণী শৰ্মা, চন্দ্ৰধৰ গোস্বামী, ললিত চৌধুৰী আদি নাট-পিপাষুসকল একত্ৰিত হৈ পৰে। । জ্যোতিপ্ৰসাদ আগৰৱালাদেৱ বাগানৰ পৰা কোঁতয়াবা আহি পালে, তেওঁও তালৈ গৈ আথবা আলোচনা-বিলোচনা আদিত যোগ দিয়ে।

"তেজপুৰ।"

শুৱনী, ধুনীয়া, সুন্দৰী, তেজপুৰী—ল'ৰালি ডেকালি কালৰ মোৰ চেনেহী, সাদৰী তুলনীয়া আই ; ৰেহ-ৰূপত অতুলনীয় ; তিলোত্তমা গোসানীহে যেন।...ইয়াৰ তিলেপতি সুন্দৰৰ সুন্দৰী বিৰিঙণি।

তেজপুৰৰ চেনেহৰ সফুৰাৰ ঢাকোন খোলা। খোলা চেনেহী কোলালৈ আকৌ উভতি আহোঁ। সাধ্যবস্তুৰ কিছু পৰসাদ লভি ঘৰৰ ল'ৰা ঘৰলৈ উভটো।...

হৈ-চৈ লাগে। ল'ৰালি কালৰ পৰা ওমলা জীৱনৰ লা-লগৰীয়া সকলৰ লগত আকৌ পুৰণি বং ন ৰঙেৰে ৰঙচঙীয়া হয়।"... (বোৰতী সংতি ঃ ৰাভা)

এনে দৰেই উষা চিত্ৰলেখাৰ ৰূপহী তেজপুৰখনক তেওঁ সোৱঁৰণ কৰিছিল পৰবৰ্তী সময়ত বোৰতী সংতিত নাও মেলি মেলি।

বিষ্ণুপ্ৰসাদ ৰাভাদেৱে পাহৰি গলেও, চৰকাৰৰ ঘৰে তেওঁৰ পিতৃ চৰদাৰ বাহাদুৰৰ খাটিৰত তেওঁলোকৰ ফাইলত থকা চিঠি-টোকা আদি পেলাই নথ'লে। এটি হুকুম হ'ল—বিষ্ণুপ্ৰসাদ ৰাভাই দৰং জিলাৰ এচ-পি মিঃ বাৰ্বিজৰ লগত সাক্ষাত কৰিব লাগে। তেওঁ গ'ল। চাহাবে হাঁহি মাৰি কৰমৰ্দনেৰে তেওঁক বহিবলৈ দি চাকৰি সম্বন্ধে চৰকাৰী নিয়মটো কৈ গ'ল—"তেওঁৰ ডি-এচ্-পিৰ পদ হব, কিন্তু কোনো ৰাজনৈতিক আন্দোলনত তেওঁ লিপ্ত নহয় বুলি লিখি দিলেই হৈ গ'ল।" ককায়েক নন্দ ৰাভাৰ আশাত পানী ঢালি ভায়েকে স্পষ্টভাবে তেনেকৈ লিখি দিবলৈ অস্বীকাৰ কৰি বিদায় ললে। ইমানতে ৰজাঘৰৰ পদবী-অধ্যায়ৰ সামৰণি পৰিল।

পুনৰ বৰপাট ধামৰ বৰধেমালিত 'ওপৰ-চোকেলী' খন বাজি উঠিল। ক্ৰমান্বয়ে নট-ধেমালি ঘোৰা-ধেমালি আদিও বাজিব, নান্দী সুহাইত নাট আৰম্ভ

হব। বিষ্ণুপ্ৰসাদ ৰাভাদেৱে গায়ন-বায়নসকলৰ লগত মিলি গ'ল। অঙ্গ-সঞ্চালন, পদ-চালন, গুৱা, গতি আদিৰে বায়নসকলৰ সৌন্দৰ্য্য প্ৰকাশিত হবলৈ ধৰিলে। বিলম্বিত, মধ্য, দ্ৰুত, এই তিনিও লয়তেই বাজনা বাজে। বটদ্ৰৱাৰ জগন্নাথ কুমাৰৰ হতুৱাই কাঁপলী (লাংক্লাং) নৈৰ বুকুৰ এঠালেটীয়া মাটিৰে ববৰায়ন শ্ৰীমন্তশংকৰে 'চিহ্ন-যাত্ৰা'ৰ পূৰ্বতে খোল গঢ়াইছিল। তেতিয়া দাইনাৰ ন আঙুল আৰু-বে'ৱাৰ তেৰ আঙুল মাফ আছিল।

"বলৰাম আতৈ আসিয়া তেখনে
খোলৰ জোখাক দিলা।
ত্ৰয়োদশ আঙ্গুল বাম ভাগে জানা
দাহিনে ন আঙ্গুল কৈলা॥"

(গুৰু-চৰিত: ৰামচৰণ)

'ৰুপহী', 'ঘেৰ', 'বৰীতি' আৰু 'ঘুণে'ৰে চাৰি বস্তু স্বৰুপেই দেৱ-বাদ্য খোল। বহি, আঁঠুকাঢ়ি, পদ-চালনা আৰু নৃত্য কৰিও খোল বজোৱা হয়। খোলৰ বোলত 'ছন্দ' আছে আৰু 'জাতি' আছে, 'খোলাবোল' আৰু 'বন্ধাবোল' আছে। তবলা আৰু পাখোৱাজৰ 'ঠেকা', 'গৎ', 'টুক্ৰা' আদিৰ দৰে খোলতো "গা-মান," "ঘাট্", "ভাঙণি", "চোক" আদি বিদ্যমান।

'অংকৰ-গীত' সমূহত 'ৰাগ' আৰু 'তাল' বন্ধা থাকে। 'বৰগীত'ত 'ৰাগটোহে' বন্ধা থাকে। যি গীত গোৱা হয়, সেই গীতটোত লগা ৰাগস্বৰুপে নানেনা, তানেনা, ঋ ঋ ঋ, ৰিথ্থে তানেনা, হৰি, ৰাম আদি শব্দ ব্যৱহাৰ কৰি ৰাগ-টনা হয়। ৰাগটানোতে তাল বা গীতটোৰ শব্দ ব্যৱহাৰ কৰা নহয়। বিষ্ণুপ্ৰসাদ ৰাভাদেৱে এই ৰাগ চৰ্চা, সাধনা আৰু গবেষণা কৰোঁতে, বেছিভাগ সময়তেই দীনবন্ধু দাসৰ পৰা বিশেষ সহায় পাইছিল। নাম-প্ৰসঙ্গৰ সুৰ-সঙ্গও তেওঁ ৰাগৰ লগতেই সম্বন্ধ থকা বুলি কৈছিল। তেওঁৰ সংগীত-জীৱনৰ লগত বৰপেটাৰ সম্বন্ধে তেওঁৰ স্মৃতিৰ বোৱতী সুঁতিত এনেকৈ লিখিছে—

"বৰপেটা ধাম। অসমীয়াৰ পূণ্যভুমি। শ্ৰীমন্তশংকৰ শেষলীলা নিকেতন। ৺মাধৱদেৱ মহাপুৰুষে জ্বলোৱা অক্ষয়বন্তিৰ পোহৰত উজ্জ্বল।...অসমখনৰ বিধ বিধ অসমীয়া কৃষ্টিৰ মৌ-কোঁহৰ বহঘৰৰ সৰহীয়া বস্তু ইয়াতেই।...অসমীয়া বিতচকুৰে চালে ইয়াতে দৰশন লভে অসমৰ এটি বহুমূলীয়া ধন—অসমীয়া ঘাই ধৰমৰ গহীন সংস্কৃতিৰ সোণৰ সচা। হিয়াৰ গভীৰ তলিত গুপুতে থকা চাবি কাঠিৰেহে ইয়াক খোলা যায়। তাৰ বাবে লাগে সাধনা,...মোৰ এনে সাধনাৰ থল এই 'বৰপাট' বৰপেটা।" (বোৱতী সুঁতি: ৰাভা)

অকল গীত-বাদ্য-নৃত্য নাটৰ সাধনাই নহয়, মানুহৰ কল্যাণৰ বাবে লগা পীড়িত বঞ্চিতৰ মুকুতিৰ বাবে লগা—জীৱনৰ বিবিধ সাধনাৰ বাবে আৱশ্যক

হোৱা গণ-তীৰ্থযাত্ৰাৰ—ৰূপ-তীৰ্থৰ যাত্ৰীস্বৰূপে পৰিপূৰ্ণ হোৱাৰ হাবিলাসেৰেই তেওঁ সুৰে লগাই গালে—

"জীৱন জুৰি তোমাৰে গান গালো
দেহ বীণৰ তাঁৰ জোকাৰি
কিমান সুৰ বজালো
তেও যে প্ৰভু তোমাক নাপালোঁ।
সেই ৰাগিনীৰ তালে তালে
নাচনী জোনায়ে—
নীল আকাশৰ চোতালতে
নাচে ছেৱে ছেৱে
মোৰেই সুৰত নাচে নে তাই
তোমাৰ সুৰত নাচে
তোমাৰ অসীম লীলা নুবুজিলোঁ
তেও যে প্ৰভু তোমাক নাপালোঁ।"

নাচে তৰা ছন্দে ছন্দে

"নাচে তৰা ছন্দে ছন্দে
বিশ্বভৰা মহানন্দে,
সেই উলাহত হৰ্ষ লাগি
হিয়াত নাচোন উঠেনে ?"

বিশ্ব-জগত সৃষ্টিৰ লগে লগে নৃত্যৰো সৃষ্টি হৈছিল বুলি কোৱা হয়। সৃষ্টিৰ আদিতেই হেনো নটৰাজ শিৱই নৃত্য কৰিছিল আৰু প্ৰলয় কালতো তেওঁ তাণ্ডব নৃত্যৰ প্ৰচণ্ডতাৰে দশোদিশ কম্পমান কৰি তুলিছিল। দেৱতা, গন্ধৰ্ব অপেশ্বৰা, কিন্নৰ সকলোৱে নৃত্য কৰে। নৃত্য নৰ-মনিচৰো প্ৰিয়, তেওঁলোকো নৃত্যৰত। অসম-কামৰূপ কিম্বা ভাৰততেই নহয়, নৃত্য জগতৰেই প্ৰিয়।

কবি শুভংকৰে জগতৰ কল্যাণৰ বাবে আনন্দ আৰু ৰসৰ বাবে "শ্ৰীহস্ত মুক্তাৱলী" নামৰ জগৎবিখ্যাত নৃত্য-গ্ৰন্থ লিখি থৈ গ'ল। ৰস-মুক্ত সংস্কৃত ভাষা, লিখনৰ উপস্থাপন, কথাৰ গতি, নৃত্যৰ লয় নিপুণতা আদি, বিবিধ গুণে গ্ৰন্থখন মোহনীয় আৰু চিৰন্তন হৈ বৈ গৈছে। আৰম্ভণিৰ হৰগৌৰীৰ কথোপ-কথন স'চাকৈয়ে অতি মনোৰম আৰু হৃদয় আঁকুহি নিয়া:

"গৌৰী, তুমি হস্ত ৰস জানানে ?
মইয়ে যদি নাজানো, তেন্তে কোন স্ত্ৰীয়ে জানে ?
যদি জানা, কোৱাচোন, হৃদয়ত দুই অলপদ্ম হস্ত ৰাখিলে কি বুজায় ?
দুই স্তনক বুজায় লাজতে তললৈ চাই গৌৰীয়ে ক'লে।
হৰে পুনৰ প্ৰশ্ন কৰিলে,—কৰ্তৰী মুখ হস্ত হৃদয়ত থলে, কিহক বুজায় ?
লাজতেই গৌৰীয়ে তলমূৰ কৰিলে, কাৰণ নৃত্য-নিপুণা গৌৰীয়ে বুজিছিল সেয়া ৰতি সূচক হস্ত বুলি।"

এনে কলা-নৈপুণ্যতাৰে, অসীমজ্ঞানেৰে ৰসপূৰ্ণতাৰে শ্ৰীহস্ত মুক্তাৱলীয়ে ৰসৰ আকৰ স্বৰূপে পৰিপূৰ্ণতা লাভ কৰিছিল।

খৃষ্টপূৰ্ব দ্বিতীয় শতিকাৰ আগভাগত ৰচিত ভৰত মুনিৰ 'নাট্যশাস্ত্ৰ'

খনকেই নৃত্যৰ আদি শাস্ত্ৰ বুলি কোৱা হয়। কোনো কোনো পণ্ডিতে এই গ্ৰন্থ আৰু আগৰ কালৰ বুলি কয়।

এই অতি কঠিন কিন্তু ৰসপূৰ্ণ শাস্ত্ৰখনি বিষ্ণুপ্ৰসাদ ৰাভাই তেওঁৰ ছাত্ৰ-জীৱনৰ ওৰ পৰাৰ পিছতেই কলিকতাত গভীৰভাৱে অধ্যয়ন কৰি আয়ত্ত কৰিছিল।

ভাৰত নৃত্যৰেই দেশ। কামৰূপ অসম এই বিদ্যাত প্ৰাচীনকালৰ পৰাই খ্যাতিসম্পন্ন। অসুৰ বংশৰ শেষ নৃপতি ভাস্কৰ বৰ্মাৰ ৰাজত্ব কালত গীত-বাদ্য নৃত্যৰ চূড়ান্ত উন্নতিৰ কথা বুৰঞ্জীৰ পৰাই জানিব পৰা যায়। এই সময়তেই চীন দেশৰ পৰিব্ৰাজক য়ুৱান চাঙ্ কামৰূপ ৰাজ্যলৈ আহি প্ৰাগ্‌জ্যোতিষপুৰৰ ৰাজধানীতেই ৰাজ-আলহী স্বৰূপে কিছুদিন আছিল। তেতিয়া তেওঁক গীত-বাদ্য-নৃত্যৰে আদৰণি জনোৱা হৈছিল। বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ মতে, কামৰূপক তেতিয়া চীনদেশৰ মানুহে 'কাম-লুপো' বুলিছিল। য়ুৱান চাঙে এই বিশাল দেশখনৰ বিষয়ে মূল্যবান বিৱৰণী লিখি থৈ গৈছে।

নৱম শতিকাতো বনমাল বৰ্মনৰ ৰাজত্বকালত প্ৰাগজ্যোতিষপুৰ, শোণিতপুৰ আদি ৰাজধানীসমূহ সুন্দৰ-মুখ-মণ্ডল, পদ্মিনী চকু, সুৱলদেহ, তাল-লয়-ছন্দত নিপুণা নটীসকলৰ নৃত্যত মুখৰিত হৈ আছিল। দ্বাদশ শতিকাতো 'কালিকা পুৰাণ'ৰ পৰা কামৰূপত ৰজা আৰু সৈন্য-বাহিনীক গীত-বাদ্য-নৃত্যৰ দ্বাৰা 'অৰ্চন'ৰ বিধান পোৱা যায়।

ডুবিৰ পৰিহৰেশ্বৰ শিৱ দেৱালয় হাজোৰ হয়গ্ৰীৱ মাধৱ আৰু কেদাৰ, শোণিতপুৰৰ বিশ্বনাথ, উজনী মুলুকৰ নেঘেৰিটিংত নটীসকলে নৃত্য কৰা কথা সৰ্বজন বিদিত। কালৰ গতিত এই নৃত্য পটিয়সী নটীসকল অনাদৃত, অৱহেলিত আৰু অপমানিত হবলৈ ধৰিলে, তাৰেই ফলত প্ৰাণ-সঞ্চাৰ কৰা, আত্মাক জগাই তোলা, চিৰসুন্দৰ, চিৰনতুন নৃত্যবোৰ হেৰাই গ'ল। পৰিহৰেশ্বৰ শিৱ-দেৱালয়ৰ পৰা এই হেৰাই যোৱা নৃত্য বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ অনুপ্ৰেৰণাত বায়ন ৰত্ন তালুকদাৰৰ প্ৰচেষ্টাত সেই নৃত্যৰ কিঞ্চিৎখণ্ড উদ্ধাৰ কৰি প্ৰাণ প্ৰতিষ্ঠা কৰা হৈছে।

সৰ্বগুণাকৰ শ্ৰীমন্ত শংকৰদেৱে অসম কামৰূপত বিবিধ নৃত্যৰ প্ৰচলন আৰু প্ৰচাৰ কৰি গৈছে। তেওঁৰ নাটসমূহ অভিনয় কৰোঁতে বহুলভাৱে নৃত্য প্ৰদৰ্শন কৰা হয়। "চিহ্ন-যাত্ৰাই" গুৰুজনাৰ প্ৰথম নাট। বটদ্ৰৱা-আলিপুখুৰীত এই নাট হেজাৰ হেজাৰ জনগণৰ আগত মঞ্চস্থ হৈছিল। মিচিগান বিশ্ব-বিদ্যালয়ৰ অধ্যাপক ফেৱালী ৰিচমণ্ড (Phewali Richmond) চাহাবে কৈছে যে সমগ্ৰ পৃথিৱীৰ মুকলি মঞ্চৰ প্ৰথম স্ৰষ্টা—অসমৰ শ্ৰীশংকৰদেৱ।

কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ অন্যতম শিষ্য শান্তিনিকেতনৰ শান্তিদেৱ ঘোষ

মহাশয়ে ১৯৬৪ ইং চনত 'অসম সাহিত্য সভা'ৰ একত্রিংশতম্ বাৰ্ষিক অধিবেশনৰ সংগীত শাখাৰ সভাত ডিগবৈত ভাষণ-প্ৰসঙ্গত কৈছিল ঃ

"উনৈশ বছৰ বয়সীয়া শংকৰদেৱৰ গাত নৃত্য, গীত, অভিনয় আৰু নাটক ৰচনাৰ যি শক্তিৰ বিকাশ দেখা গৈছিল, সি অতি বিস্ময়কৰ। সৃষ্টি-কৰ্ত্তাই যেন তেওঁৰ এটি সৃষ্টি স্বৰূপেই শংকৰদেৱক পৃথিৱীলৈ পঠিয়াইছিল। তেওঁৰ এই গুণৰ কথা যেতিয়াই ভাবো, তেতিয়া তেওঁৰ জন্মকাল পৰিৱেশৰ কথা মনলৈ আহে। তেওঁৰ লেখিয়া প্ৰতিভাৱান পুৰুষক তৈয়াৰ কৰিছিল যি সমাজে, সি যে যথেষ্ট উন্নত আছিল, তাক সহজে অনুমান কৰিব পাৰি।"

বৰগায়ন বৰবায়ন নটবৰ শ্ৰীমন্তশংকৰদেৱে সংস্কৃত নাটৰ আৰ্হিতেই পোনতে নাট ৰচনা কৰিলেও, তেওঁৰ নিজস্ব প্ৰতিভাৰ স্বাক্ষৰ জ্বলন্-জ্বলন্ পট্-পট। সেই কালৰ দেৱ-দাসী-নটী, বিয়াসৰ ওজাপালি, বৰঢুলীয়া, জয়ঢুলীয়া আদিৰ সম্বলসমূহ আৰু এইসকলৰ বাহিৰেও, লোক-নৃত্য, বটদ্ৰৱাৰ কাষৰে-পাজৰে থকা বিভিন্ন জন-জাতীয় নৃত্য আদিয়ে হে সোণত সুৱগা চৰাইছিল, তাক সহজেই অনুমান কৰিব পাৰি। বিষ্ণুপ্ৰসাদ ৰাভাদেৱে অধ্যয়ন, সত্ৰভ্ৰমণ আৰু সাধনাৰে এনে নৃত্যতো নিপুণ নৰ্তক হব পাৰিছিল।

নৃত্যৰ তাল, বোল, বাজনা বিভিন্ন থানসত্ৰত অসংখ্য আছে। সমস্তকে একত্ৰিত কৰি সেইবোৰৰ লেখ আৰু বিচাৰ এতিয়াও নৌ হয় এথোন। প্ৰতিভাশালী বিষ্ণুপ্ৰসাদ ৰাভাদেৱে অনেক থান-সত্ৰ ঘূৰি ঘূৰি এনে তাল-বোল-বাজনা সংগ্ৰহ কৰি এখন বৃহৎ পুথি সংকলনৰ বাবে অশেষ শ্ৰম কৰিছিল। (ফুলিচকেপ কাগজত লিখা সেই পুথি এই গ্ৰন্থকাৰে নিজ চকুৰেই দেখিছিল।) পিছে পুথিখন হেৰাল।

নটৰাজ শিৱৰ পৰা তণ্ডু মুনিয়ে আৰু তেওঁৰ পৰা ভৰত মুনিয়ে নৃত্যশিক্ষা লাভ কৰি পৃথিৱীত প্ৰৱৰ্তন কৰিছিল। পাৰ্বতীৰ পৰা লাস্য নৃত্য শিকিছিল উষাদেৱীয়ে আৰু উষাদেৱীয়ে সেই নৃত্যৰ শিক্ষা দিছিল দ্বাৰকাৰ সুলক্ষণা স্ত্ৰী-সকলক।

নৃত্য!

'নৃত্য' শব্দটিতেই পৰম সম্পদ, পৰম পদ থকা যেন লাগে। দেৱ-দেৱী, নৰ-নাৰী, গন্ধৰ্ব, অপেস্বৰা, কিন্নৰ সবেও নৃত্য দৰশনৰ বাবে আকুল—আহ্লাদিত !!

হাতৰ ভঙ্গীবোৰেই 'হস্ত'।

হস্তৰ দুই বিভাগ—'সংযুক্ত হস্ত' আৰু 'অসংযুক্ত হস্ত'।

নৃত্যৰো দুই বিভাগ—'নৃত্য' আৰু 'নৃত্ত'। নৃত্য সংগীত শাস্ত্ৰৰ ৰূপৰ প্ৰকাশ। নৃত্ত 'দেশী', লোক সম্পদ। শাস্ত্ৰৰ ৰূপৰ প্ৰকাশ শাস্ত্ৰীয় বা 'মাৰ্গ'; ইয়াৰ দুটি ভাগ—'তাণ্ডৱ' আৰু 'লাস্য'।

তাল, মান, লয়, যুক্ত উদ্দাম গতি আৰু ভঙ্গীৰ নৃত্যই 'তাণ্ডৱ'।
মৃদু, মধু, তাল, লয়, ছন্দ যুক্ত নৃত্যকেই বোলা হয় 'লাস্য'।
নৃত্যৰ হস্ত-কৰ্মই—'মুদ্ৰা', কিন্তু প্ৰকৃততে ই 'হস্ত', বা 'হস্ত-কৰ্ম' হে।
ভৰত মুনিৰ নাট্য-শাস্ত্ৰ অনুসাৰে হস্ত-কৰ্ম ৬৭ বিধৰ। থান-সত্ৰত 'হাত' শব্দ ব্যৱহাৰ হয়।

এখন পদেৰে কৰা 'চালনা'ক 'চাৰী' আৰু দুখন পদেৰে কৰিলে 'কৰণ'। নৰ্ত্তক বা অভিনেতাৰ পদ চালনাক 'গতি' বোলে।

এটি 'নৃত্য'ৰ সম্পূৰ্ণ ৰূপদানৰ বাবে কঠোৰ শ্ৰম, আবেগ, অনুভূতি প্ৰকাশৰ ক্ষমতা, হাস্য-মধুৰ-মুখমণ্ডল, হস্ত প্ৰকাশৰ সাধনা, স্মৃতি শক্তি, খাদ্যৰ সংযম আদি অতি লাগতিয়াল। ইয়াৰ বাহিৰেও শাস্ত্ৰীয় বসন-ভূষণ, মুকুট-মণি-মালা, প্ৰসাধন আদিৰ নিখুঁট ব্যৱহাৰৰ পূৰ্ণজ্ঞান থাকিব লাগিব। বিভিন্ন বাদ্য, তাল আৰু লয় নৃত্যৰ পূৰ্ণ সহচৰ। বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ এই জ্ঞান সম্পূৰ্ণ ভাবেই আছিল। কোনো গুৰুৰ পৰা শিক্ষা লাভ নকৰাকৈয়ে কলাকাৰ শ্ৰীমন্ত শংকৰদেৱে তেওঁৰ নিজৰ সৃজনী শকতিৰ দ্বাৰা গীত, বাদ্য, নৃত্য, নাট, চিত্ৰ, আলেক্ষ্য আদি বিবিধ কলাত পূৰ্ণতা লাভ কৰিছিল। গুৰুজনাৰ অৱদানৰ কথা অসমীয়া সাহিত্য, সংস্কৃতি, সংগীত শিল্প আদি কলাৰ জগতত সদায় সোঁৱৰণ কৰিবই লাগিব। এনে ক্ষেত্ৰত সৰ্বগুণাকৰ সুন্দৰ শ্ৰীমন্ত শংকৰদেৱৰ কথা স্বাভাৱিকতেই আহি পৰে।

অতি পুৰণি কালতেই কামৰূপ অসমত যৌথ সংঘৰ প্ৰাচীন নৃত্যৰো সৃষ্টি হৈছিল। এই নৃত্যৰ ক্ৰমবিকাশৰ ফলতেই অসমীয়াৰ ৰঙালী বহাগী বিহুৰ গীত নৃত্যই ঠন ধৰি উঠিছিল। এই গীত-নৃত্যৰ আদৰ আজি অসমীয়া সমাজত বাৰুকৈয়ে বৃদ্ধি হৈছে। আনকি, এই গীত-নৃত্যই ৰাজনীতিৰ বৰ-মজিয়াতো নিজৰ ঠাই এখন পাবিবলৈ সক্ষম হোৱা যেন লাগে।

ৰঙৰ ৰঙালী বহাগী-বিহুৰ জনম-কথা ৰাভাদেৱে তেওঁৰ "কৈনো থাকো মানে ওৰকে নপৰে" প্ৰবন্ধটিত এনে দৰে লিখিছে—

"...অসমীয়াৰ ৰঙালী বিহু—বহাগ বিহু। চুতীয়াসকলে এই বহাগক "বিচ" আৰু ডিমাচাসকলে "বিষু" (সৰহকৈ খোজা, দান ললেও হেঁপাহ নপলোৱা) আৰু বড়ো সকলে বিহু বোলে। বড়োসকলৰ মতে 'বি' মানে মগা, 'হু' মানে দিয়া। গুৰুজনক ভকতি মাগিলে তেওঁলোকে আশীষ দিয়ে। মাক দেউতাকক শ্ৰদ্ধা যাচিলে তেওঁলোকে ল'ৰাছোৱালীলৈ চেনেহ দিয়ে। এইদৰে এই বিহুৰ দিনাই হিয়াৰ ভাৱৰ আদান-প্ৰদান হয়। এই দিনাই সূৰ্য্যই বিষুৱৰেখা পাৰ হৈ উত্তৰায়নলৈ চাপলি মেলে। জ্যোতিষৰ মতে এয়াই বিষুৱ ক্ৰান্তি। কামৰূপৰ কিছুমান ঠাইত দান দিওঁতে এজোৰ তামোলপাণ আৰু চাউল, নতুন কাপোৰত ঢালি দিয়ে। মানুহবিলাকে আঁজলি ভৰাই লয়।

কিছুমান ঠাইত দোনতো দিয়ে। এই দৰে মগাক এড়োসকলে 'হুনায়' বুলি কয়। তাৰ পৰাও 'বিহু' শব্দ হোৱা বুলি অনুমান কৰিব পাৰি। অসমৰ পশ্চিমখণ্ডত বড়োসকলে ইয়াক 'বৈছাগা' (বৈছা মানে বছৰ, গা মানে জনম) বোলে। গতিকে এই দিনাই বছৰৰ জনম হয়। বৈছাগৰ পৰা অসমীয়াৰ 'বহাগ' নহৈ বৈশাগৰ পৰা 'বহাগ' হোৱা বুলি অনুমান কৰো।"...

প্ৰাচীন অসম কামৰূপৰ বিশেষ দেৱালয় কিছুমানত পূজা বা অৰ্চনৰ অংগ স্বৰূপে বিশেষ খেল বা গোষ্ঠীৰ কুমাৰীসকলেহে, তেওঁলোকৰ সেই নিজৰ গায়ন-বায়নৰ বাজনা গীতৰ সংগতহে নৃত্য কৰিছিল; কিন্তু বা-বাইজৰ গুৰু শ্ৰীমন্তশংকৰদেৱে সেই প্ৰাচীন বিশ্বাস জনগণৰ-মাজৰ পৰা আঁতৰ কৰি নৃত্যৰ মনোহৰ মন্দিৰৰ সোণৰ সিংহ-দুৱাৰ সৰ্বলোকৰ বাবে মুকলি কৰি দিলে। তেনেকৈয়ে জনজাতীয় আৰু কোনো বিশেষ খেলৰ বাহিৰে বয়নশিল্প আনত নাছিল। সুন্দৰ শ্ৰীমন্তশংকৰে বৰঢোৱা-আতৈকুছিত হকুৰি হাত দীঘল আৰু তিনি কুৰি হাত বহল 'বৃন্দাৱনী-বস্ত্ৰ' বৈ এই বয়ন-শিল্পত সৰ্বলোকৰ অধিকাৰ সাব্যস্ত কৰিলে। বেহাৰৰ ৰজা নৰনাৰায়ণলৈ উপহাৰ স্বৰূপে দিয়া এই মূল্যবান বস্ত্ৰখনিৰ সজ্জে লৰলৈ ৰাভাদেৱে কেবাবাৰো যত্ন কৰিছিল, কিন্তু কোনেও একো কৰ নোৱাৰিলে। ইয়াৰ কিঞ্চিৎ দোহি মধুপুৰ ধামত 'সেৱাৰ-বস্তু' স্বৰূপে সংৰক্ষিত হৈ আছে।

তেজপুৰৰ কাষৰ ডেকাৰগাঁওত অনুষ্ঠিত হোৱা "কেলি-গোপাল" নাটৰ আখৰা ৰূপকোঁৱৰ আগৰৱালাদেৱ আৰু বিষ্ণুপ্ৰসাদে মাজে মাজে চাবলৈ গৈছিল। পিছলৈ অসুৰ প্ৰৱেশৰ দৃশ্যটো এই দুজনা কলাকাৰৰ দিহা-পৰামৰ্শত এটি সুন্দৰ তাণ্ডৱ নৃত্যত পৰিণত হৈছিল, এয়েই এতিয়াৰ 'অসুৰ নৃত্য'।

নটবৰ ৰাভাদেৱৰ শিৱ-তাণ্ডৱ নৃত্যৰ বাবে সমগ্ৰ ভাৰততেই জনাজাত হৈছিল। সাধাৰণতে এই নৃত্যত শিৱ-পাৰ্বতীৰ কোনো এটি ঘটনাৰ আলম লৈহে আৰম্ভ কৰা হয়, যেনে তপস্যাভংগৰ বাবে কামদেৱৰ আগমন, নাইবা গজাসুৰ বধৰ পিছত শিৱৰ তাণ্ডৱ নৃত্য, ইত্যাদি। কিন্তু ৰাভাদেৱে তেনে ঘটনাৰ আলম নোলোৱাকৈয়ে শিৱ-তাণ্ডৱ নাচিছিল।

১৯৩৯ ইং চনত কাশী হিন্দু বিশ্ববিদ্যালয়ৰ পৰা নটবৰ বিষ্ণুপ্ৰসাদলৈ তাত নৃত্য প্ৰদৰ্শনৰ বাবে আদৰে সাদৰে এটি নিমন্ত্ৰণ আহিছিল। এই নিমন্ত্ৰণ তেওঁ ৰক্ষা কৰিছিল আৰু শিৱ-তাণ্ডৱ নৃত্য প্ৰদৰ্শন বাবে কেইদিনমান দিনে ৰাতিয়ে আখৰাৰ দ্বাৰা নৃত্যপূৰ্ণ আৰু নিখুঁট কৰাৰ বাবে সাধনাৰে লাগি পৰিছিল।

তেওঁ লগত সংগতকাৰী কোনো গায়ন-বায়নক নিয়া নাছিল। সাধাৰণতে তেনে দল মণ্ডসমূহত থাকেই। তেওঁ তেই সকলকেই অলপ সময়ৰ ভিতৰতে শিকাই বুজাই প্ৰস্তুত কৰি লৈছিল। কি কি বাদ্যযন্ত্ৰ ব্যৱহাৰ হব, ক'ত কেনেকৈ মান পৰিব, দ্ৰুত-বিলম্বিত আদি বুজাই দি সেই নিপুণ বায়নসকলক প্ৰস্তুত কৰি তেওঁ শিৱৰ তাণ্ডৱ প্ৰদৰ্শনে দৰ্শকবৃন্দক বিমুগ্ধ কৰি পেলাইছিল।

বাজনা আৰু নাচ একেহে পৰাত নৰ্তকৰ বিভিন্ন কৰণ, দৃষ্টি, ৰস-প্ৰকৰণ আদি এনে ভাবে প্ৰস্ফুটিত হৈছিল যে সাধাৰণ দৰ্শকৰ বাহিৰেও নৃত্য-জ্ঞানৰ গুণীসকল অভিভূত হৈ পৰিছিল আৰু শৰীৰ ৰোমাঞ্চিত হৈছিল। নৃত্যৰ শেষত, জাউৰিয়ে জাউৰিয়ে হাত চাপৰিত মঞ্চ ৰজন-জনাই উঠিছিল। এই নৃত্যৰ বাবে তেওঁ বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ দ্বাৰা অভিনন্দিত আৰু পুৰস্কৃত হৈছিল।

এই মধুৰ গৌৰৱময় দৃশ্যটোৰ পট পৰাত সাধক কলাকাৰজন ট্ৰেইন যোগে উষা-চিত্ৰলেখাৰ বৰঘৰলৈ উভতি আহিল বাণৰঙ্গমঞ্চৰ আলধৰা সম্ভু ৰামৰ পৰা অভিনেতা ফণিশৰ্মা, সুৰকাৰ কমলা আগৰৱালা, শুৱনী শিল্পী চন্দ্ৰ গোস্বামী আদিয়ে তেওঁক আগুৰি ধৰিলে। কবিতাৰ আবৃত্তিৰ দৰে নটৰাজে সকলো কথা বিবৰি যায়। শোণিতপুৰৰ নিশাৰ নিৰ্মল আকাশখনিৰ কোনোবাখিনিত যেন উষা চিত্ৰলেখাৰ নূপুৰৰ ৰুণ-জুনু শব্দ বাজি উঠে।

সভা ভাঙে, সকলোৱে ঘৰাঘৰি যায়। বিষ্ণুপ্ৰসাদে চেঁচা ভাত দুটি মুখত দি শুই পৰে। বিবিধ কল্পনাই তেওঁক আগুৰি ধৰে। জীৱনৰ শুভ আৰু সুন্দৰ মুহূৰ্তবোৰত মানুহে স্বাভাৱিকতেই প্ৰিয়জনক বিচাৰে, সময়ত গুৰুজনকো বিচাৰে, বিগত পিতৃ-মাতৃও সোৱৰণৰ সোণৰ মন্দিৰৰ সিংহাসনত জিলিকি উঠে। অকালতে মৰাহি যোৱা সুৱাদী সুকণ্ঠী শুৱনী প্ৰিয়লতাৰ স্মৃতিৰ-ছন্দই হয়তো ঝঞ্চা বিজয়ী শিল্পী জনাৰ আত্মাতো কবিতাৰ সৃষ্টি কৰিছিল।

"মোৰ কবিতাৰ ছন্দ লাগি
স্পন্দন তোৰ জাগেনে?
কথা মালিকাৰ গন্ধ লাগি
সোণৰ সপোন ভাগে নে?"

বুলি তেওঁৰ হেৰাই যোৱা প্ৰিয়তমালৈ প্ৰশ্ন ভৰা সোণালি বথৰ সৃষ্টি কৰা একো অস্বাভাৱিক নহয়। প্ৰেমৰ মাজেদিয়েই বিশ্বাত্মবোধ হোৱা কথাটোও কবি জনাৰ ক্ষেত্ৰত নিশ্চয় সত্য যেনেই লাগে।

"নাচে তৰা ছন্দে ছন্দে
বিশ্বভৰা মহানন্দে
সেই উল্লাহত হৰ্ষ লাগি
হিয়াত নাচোন উঠেনে?"...

"এই নিশা আকাশত তৰাবোৰে কেনেকৈ তিৰ্বিৰাই আছে,...কিমান তৰা,... সীমা নাই।...অসংখ্য; গণিব নোৱাৰি। সৌ যে দেখিছা এটা বগা ধোঁৱাৰ দৰে দীঘলীয়া ৰেখা, আকাশৰ মাজেদি গৈছে, যাক আমি অসমীয়া ভাষাত হাতীপঁটি বুলি কওঁ, যাক বড়ো-কছাৰীসকলে 'ৰাজা লামা' বোলে, সেইয়া জানো হাতীয়ে বুলা বাট নে ৰজাই খোজ কঢ়া ৰাস্তা? পঁটিও নহয়, বাট ৰাস্তাও নহয়, সেইয়া হৈছে নীহাৰিকা (Nebula)-ৰ ৰেখা। তৰাবোৰ এনে নীহাৰিকা বা বাষ্প পিণ্ডৰ পৰাই জনম পাইছে।"...

('মানব জাতি' প্ৰবন্ধৰ—ৰাভাদেৱৰ সূৰ্য তাৰু তাৰ মণিকময় সংসাৰ)

টোপনিত লালকাল দি থকা নিশাৰ মহাকাশৰ এনে সৌন্দৰ্য, স্ৰষ্টা শিল্পীয়ে উপলব্ধি কৰে, সৌন্দৰ্যৰ বকুত সাতোৰ মাৰে আৰু সত্য, শিৱ সুন্দৰৰ সন্ধানত গণ-তীৰ্থযাত্ৰী ৰূপে আগবাঢ়ি যায়। আৰু মৰিও অমৰ হৈ পৃথিৱীত থাকে।

"ৰন্ধ্ৰে ৰন্ধ্ৰে তুলি সুৰ
বাজে—
মন-বাঁহী মোৰ
সেই সুৰতেই শাত কৰি লই
পৰিবনে হিয়া জুৰ ?"...

প্ৰিয়তমাৰ পৰশতহে ফুল ফুলে, চৰায়ে গীত গায়, আকাশ তৰাৰে জকমকাই উঠে ? "গণদেৱতাৰ বিবেক ৰখীয়া হিচাপে দেশ আৰু জাতিৰ কল্যাণৰ কাৰণে"ই কলাকাৰৰ কলাৰ সৃষ্টি ॥

"ছেৱে ছেৱে ফুলে ফুল
গোন্ধতে আমোল-মোল
সেই ছেৱতে—
পুলক জগাই —
এবাৰ হিয়াই নাচেনে ?"...

গীত, বাদ্য, নৃত্য, নাট, আলেক্ষ্য, ভাস্কৰ্য সৰ্ব সম্পদেই ৰাইজমুখী। বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰো সকলো কৰ্ম-শিল্পই ৰাইজমুখী আছিল। শ্ৰীমন্তশংকৰ দেৱেও এই ৰাইজকেই গীতে-মাতে, নাচে-বাজনাই, সুৰে-সঙে, সকলোকেই ৰাইজকেই প্ৰদান কৰি ৰাইজকেই শিল্পীৰ আসনত বহুৱাই থৈ গৈছে।

ৰাভাদেৱেও লিখিছে ঃ

"ৰাইজৰ মন-কৌহৰ পৰা অকন অকন সুন্দৰৰ কণা বুটলি আনি ৰূপতান্ত্ৰিক শিল্পীয়ে হিয়া-কোঁহত ভৰাই লৈ সেই সুন্দৰৰ কণাবোৰ ৰাইজকেই বিলাই দিয়ে। ৰাইজেই গঢ়ে শিল্পীক সুন্দৰৰ পুজাৰী হিচাপে, আৰু শিল্পীয়ে এখন দেশ এটা জাতি আৰু ৰাইজক সুন্দৰ সাজেৰে জীৱন্ত কৰি তোলে। সেই সুন্দৰেই বাস্তৱময় সত্য আৰু শান্তিময় শিৱ।

ৰাইজৰ মাজৰ অশান্তি শিল্পীয়ে সহিব নোৱাৰে, তাৰ কোমল হিয়াত হেন্দোলনি তোলে।" ..

(আদিম সাম্যবাদী সমাজ
অথবা
গোষ্ঠী সমাজ ঃ ৰাভা)

সুৰৰে দেউলৰে ৰূপৰে শিকলি

"সুৰৰে দেউলৰে
ৰূপৰে শিকলি
ভাঙি দিলি খুলি
দুৱাৰ সোণালী,
অ' পূজাৰী !
অ' পূজাৰী !!
সুন্দৰ পূজাৰী !!!
বৰগীত অমিয়া
বনগীত সুৰীয়া
গোৱা তন্ময়ীয়া
প্ৰাণ মন ভৰি ।"......

(মুক্তি দেউল : ৰাভা)

বিষ্ণুপ্ৰসাদ ৰাভাদেৱ সুৰ-দেউলৰ সাধক গীত-বাদ্যৰ গায়ন-বায়ন, নৃত্য-নাট-আদিৰ গভীৰ তত্ত্বজ্ঞ স্বৰূপেই বৰপাটৰ 'অক্ষয়বন্তি'ৰ পোহৰত নিজকেই প্ৰস্তুত কৰি তুলিছিল। তেওঁৰ মনটো আছিল চৰাইৰ দৰেই মুকলি। মন গলেই বা দৰকাৰ হে পৰিলেই তেওঁ বৰপেটাৰ পৰা তেজপুৰলৈ, তেজপুৰৰ পৰা গুৱাহাটীলৈ, তাৰেই পৰা ছিলঙলৈ গুচি গৈছিল। ছিলঙৰ পৰা ঘূৰি গুৱাহাটীত বৈ ঢাপলি মেলে নগাওঁ, যোৰহাট, শিৱসাগৰ, ডিবৰু, তিনচুকীয়ালৈ। তেওঁৰ এই যাত্ৰাবোৰ উদ্দেশ্যবিহীন নহয়। নৃতত্ত্ব, সমাজতত্ত্ব, প্ৰাচীন বুৰঞ্জী, পুৰণি সংগীত, পুৰণি কৃষ্টি আদিৰ গৱেষণা, তত্ত্ববিচাৰ, সংগ্ৰহ, লোক-সংগ আদিয়েই আছিল তেওঁৰ উদ্দেশ্য। থান-সত্ৰৰ হয়তো কিবা এখনি বোল বাজনাৰ আৱশ্যক হ'ল, তেওঁ বৈ নাথাকে। গোলাপ, বৰপেটাৰ পৰা বটদ্ৰৱাই দি গৈ কমলাবাৰীত সোমাল, আউনিআটী, দক্ষিণপাটো পালে,

ভোগপুৰতো গৈ সোমাল। 'তাল' 'বোল' সংগ্ৰহ কৰিলে, গুৰু-চৰিতো উদাসীনৰ লগন চৰ্চনা কৰিলে। গুৰুচৰিতৰ অভিনৱ ব্যাখ্যা কৰি সবাকো ৰোমাঞ্চ কৰি তুলিলে। এনে নানা কাৰণতেই শ্ৰীমন্তশংকৰদেৱৰ সুন্দৰ জীৱনটো, ঘাট-প্ৰতিঘাটৰ জীৱনটো বহুমুখী গৌৰৱময় জীৱনটোৰ তেওঁ পূৰ্ণ জ্ঞান লাভ কৰিব পাৰিছিল।

এখন দেশৰ সংস্কৃতিৰ পূৰ্ণ ইতিহাস ভাল দৰে আৰু সম্পূৰ্ণভাৱে জানিবলৈ হলে, প্ৰতিখন গাঁওৰেই আচাৰ-বিচাৰ বিশ্বাস-অবিশ্বাস, জন্ম-মৃত্যু আৰু বিবাহৰ হৰ্ষ-বিষাদ, ধৰ্মীয় নিত্য আৰু নৈমিত্তিক কাৰ্যসূচী, অৰ্থনৈতিক বিচাৰ, পূৰ্বপুৰুষ সকলৰ বিবিধ কাহিনী, প্ৰেম-প্ৰণয় আৰু চেনেহ-ভকতিৰ দৈনন্দিন ধাৰা আদি বাৰকুৰি কথাৰ লগত গভীৰ সংযোগ থাকিব লাগিব। ইয়াৰউপৰি, লাগিব প্ৰত্ন-তত্ত্ব, নৃতত্ত্ব, অৰ্থ-তত্ত্ব, সমাজতত্ত্ব, বুৰঞ্জী আদিৰ বিশ্লেষণৰ ক্ষমতা। বৰ্তমান যুগত জন-জীৱনৰ লগত এনে প্ৰত্যক্ষ সংযোগ বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ হে সম্ভৱ হৈছিল।

"কামৰূপী নৃত্য সংঘ'ৰ আবিৰ্ভাৱ অসমৰ মৰ্হি যাবলৈ খোজা গীত-বাদ্য-নৃত্যৰ ইতিহাসৰ পুনৰ জন্ম লাভৰ এটি গৌৰৱময় জাগৰণ। ১৯৩৭ ইং চনত তেতিয়াৰ অসমৰ ৰাজধানী প্ৰকৃতিৰ ৰম্য-কানন থাছীয়া 'কছেই' (ছোৱালী) অপেশ্বৰী সকলৰ ৰঙ্গমঞ্চ ছিলং চহৰত ইয়াৰ প্ৰথম প্ৰবেশ। জীৱেশ্বৰ গোস্বামী আৰু সুৰেশ গোস্বামীৰ অশেষ শ্ৰম আৰু যত্নৰ ফলত এই নৃত্য সংঘই এটি জীৱন্ত ৰূপ লয়। কলানৃত্য বিশাৰদ ৰাভাদেৱৰ আগমনত এই সংঘ আৰু পূৰ্ণতা লাভ কৰিলে। পয়োভৰেৰে শাস্ত্ৰীয় মত আৰু শ্ৰীমন্তশংকৰদেৱৰ আদৰ্শত এই নৃত্যসমূহ সংগঠন কৰি কমলাবাৰীৰ পৰা কলিকতালৈ ৰস আৰু সৌন্দৰ্যৰ এটি মৌ-মিঠা ঢল বোৱাই দিলে। এই সংঘৰ এটি বিশেষত্ব আছিল —ইয়াত কোনো স্ত্ৰী নটীৰ নৃত্য নাছিল, সকলোৱেই পুৰুষ নট, কিন্তু প্ৰত্যেক জনেই আছিল নিপুন নৰ্তক। বিষ্ণুপ্ৰসাদ ৰাভাৰ শিৱ-তাণ্ডৱ আৰু বৰপেটাৰ গুৰু প্ৰসাদ ওজাৰ (খ্যাতনাম পিতাম্বৰ ওজাৰ শিষ্য) দশঅৱতাৰ নৃত্যই কলিকতাত থকা প্ৰখ্যাত নৰ্তকসকলকো বিস্ময়ান্বিত কৰি তুলিছিল। বিখ্যাত গুৰু সদয় দত্ত আৰু উদয়শংকৰ মহোদয় দুয়োজনেই অসমৰ নটৰাজক সাৰটি ধৰি অভিনন্দন জনাইছিল।

অলপ দিন পিছতেই 'কামৰূপী নৃত্য সংঘ' টো জনপ্ৰিয় কৰি তুলিবলৈ কোনো কোনো শিল্পীয়ে আগ বঢ়োৱা পৰামৰ্শৰ পৰাই মত-দ্বৈধতা, আৰু অমিল আহি পৰে; এনে গুৰু-গম্ভীৰ অনুষ্ঠানক পাতল আৰু সস্তীয়া কৰিবলৈ গোস্বামীদ্বয় আৰু নৃত্য-বিষাৰদ ৰাভাদেৱ মান্তি নহ'ল। গুৰুপ্ৰসাদ ওজাই নিশাৰ ৰেল-গাড়ীত বৰপেটা মুৱা হ'ল, প্ৰদীপ চলিহা (পৰবৰ্তি কাললৈ এওঁ নৃত্য-জগতত সুখ্যাতি লাভ কৰে) দেৱেও উজনীলৈ ঢাপলি মেলিলে

আৰু আন সকলেও সুবিধা অনুসাৰে গভীৰ বেদনাৰে ঘৰৰ ল'ৰা ঘৰলৈ উভতিল।

অধ্যাপক সাহিত্যিক তীৰ্থনাথ শৰ্মা, "আৱাহন" মাহেকীয়া আলোচনীৰ সম্পাদক দীননাথ শৰ্মা, গল্প-লিখক হলিৰাম ডেকা আদি লোকসকল কলিকতাতেই আছিল। এওঁলোকৰ অনুৰোধত বিষ্ণুপ্ৰসাদ কিছুদিন কলিকতাত থাকিল। 'এ-এচ-এল-ক্লাব' (Assamese Students' Literary Club)ৰ জৰিয়তে গান-বাজনাৰ আসৰ বহিল। গীত-বাদ্য আৰু নৃত্যৰ চৰ্চা আৰম্ভ হ'ল। কেতিয়াবা বি-এ, এম্-এ পঢ়ি থকা ছাত্ৰছাত্ৰীও সেই আখৰালৈ আহে, সকলোৰে মাজত সংগীত সম্বন্ধে এটি জাগৰণ যেন দেখা দিলে। কেইদিনমান সংগীত চৰ্চা ভাল দৰেই জমি উঠিছিল। এনেতে এজন বিশিষ্ট লোকে তেওঁক এদিন দুপৰীয়া ভোজনৰ বাবে নিমন্ত্ৰণ কৰিলে। তেওঁ গ'ল, খাবলৈ বহিছেহে নিমন্ত্ৰণ কৰোতাৰ পুত্ৰেকৰ লগত। গৃহস্থ জনে এনেতে বাহিৰৰ পৰা আহি পাই খাবলৈ বহা আলহিক দেখি লাহেকৈ কৈ উঠিল, "ৰাভাদেৱ, আপুনি গান গাই শুনাব লাগিবদেই।"

"গান এটাৰ বিনিময়তহে এই ভাত সাজনে ?" বুলি কাঁহিখনতেই হাত ধুই থিয় হ'ল আৰু চকু পচাৰতে ঘৰৰ পৰা গুচি গৈ ট্ৰামত উঠিল। গৃহস্থজনৰ পুত্ৰেকে দৌৰি গৈও অভিমানী শিল্পী জনাক আৰু লগ নাপালে। সুৰদেউলৰ সুন্দৰ পূজাৰী এসপ্তাহৰ ভিতৰতে উষা-নগৰীলৈ ঢাপলি মেলিলে।

পুনৰ বাণ-ৰঙ্গমঞ্চ ৰজনজনাই উঠিল। নাটৰ প্ৰথম পুৰুষ স্বৰূপ ফণীশৰ্মা, চন্দ্ৰগোস্বামী, পিয়াৰীমোহন চৌধুৰী, দেবেন্দ্ৰনাথ চলিহা আদি গীত আৰু নাট পিপাসুসকল ভৰি পৰিল। কোনোৱে অৰগণ, কোনোৱে তবলা আৰু কোনোৱে বেহালা বজায়, তেতিয়া এই তিনি বাদ্য-যন্ত্ৰৰেই বেছি প্ৰচলন। ফণীশৰ্মাই গহীন গম্ভীৰভাৱে অভিনয়ৰ বোল-বচন কয় আৰু পদ পেলায়। ৰাভাদেৱে শ্লোকে সৈতে "অভিনয় দৰ্পণ'ৰ কথা দাঙি ধৰে। শৰ্মাদেৱ আচৰিত হৈ গুণী বন্ধুৰ মুখলৈ চাই থাকে। নন উদ্ভাৱনী শক্তিৰে ৰাভাদেৱে গীত ৰচে, সুৰ দিয়ে, লগে লগে স্বৰ-লিপিও কৰে, ছবিও আঁকে আৰু গভীৰভাৱে অধ্যয়নো কৰে, কেতিয়াবা অ'লৈ-ত'লৈ ওলায়ো যায়, ক'ৰবাত কেতিয়াবা নিশাও খপে।

আদৰ্শৰ ক্ষেত্ৰত তেওঁৰ মানসিক বল কোনো দিনাই হ্ৰাস হোৱা নাছিল। ধন-দৌলতৰ হাবিলাস, বৈষয়িক লালসা, পদ মৰ্যাদাৰ কামনাই তেওঁক কোনো দিনাই লৰাব নোৱাৰিলে। কঠোৰ অৰ্থনৈতিক বিপৰ্যয়ৰ মাজতো তেওঁ নিজস্ব আদৰ্শ ৰক্ষা কৰি ঝাঞ্জাবিজয়ী সুৰৰ সাধক স্বৰূপে নিজকে অচল-অতল কৰি ৰাখিছিল। খেলিবলৈ বক্তৃতা দিবলৈ বা কোনো মঞ্চত অভিনয় কৰিবলৈ গলেও তেওঁ কোনো দিনা টকা-পইচাৰ কথা নুলিয়াইছিল। এনেবোৰ দৃঢ়তাৰ বাবেই তেওঁ সদায় দেহ-বলৰ দৰেই, আত্মবলতো বলীয়ান আছিল।

ইংৰাজৰ ৰাজত্বকালত ত্ৰিপুৰা ৰাজ্য স্থানীয় ত্ৰিপুৰা জাতীয় ৰজাৰ দ্বাৰা শাসিত, ত্ৰিপুৰাৰ ৰাজ-ভৱনৰ পয়োভৰ আছিল সৰগৰ ইন্দ্ৰৰ দৰেই। ৰজা সকলে গীত-বাদ্য-নৃত্য ভাল পায়, সময়ে সময়ে সংগীতৰ সমাৰোহ পাতে। তেনে এটি সমাৰোহলৈ এবাৰ বিষ্ণুপ্ৰসাদ ৰাভাদেৱলৈ কলিকতাত থাকোতে এটি ৰাজ-নিমন্ত্ৰণ আহিল। থিক সেই সময়তেই জামুগুৰি-হাটৰ শোণিত-কোঁৱৰ গজেন বৰুৱাই নৃত্য প্ৰদৰ্শন কৰি ব্ৰহ্মদেশ, যাভা, বালি আদি স্থান ঘূৰি কলিকতা পাইছে। তেওঁ সত্ৰীয়া নৃত্য আৰু বাৰেচহৰীয়া ভাওনাৰ বিবিধ শিল্পকলা প্ৰদৰ্শন কৰি সুখ্যাতি লাভ কৰিছে। নৰ্তক বৰুৱালৈও ৰজাৰ আহ্বান আহিল। সেই সময়ৰ কলিকতাৰ সুবিখ্যাত গায়ক-সংগীতজ্ঞ তিমিৰ বৰুণ, পাহাড়ী সান্যাল, পংকজ মল্লিক, বীণাপানী মুখোপাধ্যায়, নবদ্বীপ হালদাৰ আদিকো মহাৰজাই নিমন্ত্ৰণ কৰিছিল। কিন্তু এনে নিমন্ত্ৰণকো বিষ্ণুপ্ৰসাদে প্ৰত্যাখ্যাণ কৰিলে, কাৰণ তেওঁ জানিছিল যে জন-গণৰ সংস্কৃতিৰ মূল্য এই শাসকসকলে বুজিব নোৱাৰে, গণদেৱতাৰ আদৰ ৰজাৰ ৰাজ-কাৰেঙত নাই, জনগণৰ গীত-বাদ্য-নৃত্যৰ পবিত্ৰতাও বুজিব নোৱাৰে ; এইবোৰ ৰাজ-ৰাজেশ্বৰসকলৰ অৱসৰ বিনোদনৰ হে বস্তু, প্ৰাণৰ নহয়, হৃদয়ৰো নহয়। সেয়েহে ৰাজ-অনুগ্ৰহ প্ৰত্যাখ্যান কৰিলে। বৰুৱাকো বাধা দিয়াত, বৰুৱাৰো যোৱা নহ'ল।

ত্ৰিপুৰা এখনি পুৰণি ৰাজ্য। অসমৰ লগত এই ৰাজ্যখনৰ সদায় বন্ধুত্বপূৰ্ণ সম্পৰ্ক আদি কালৰ পৰাই আছিল। ১৮৯৬ খৃষ্টাব্দত কৈলাসচন্দ্ৰ সিংহই ত্ৰিপুৰাৰ ইতিহাস—"ৰাজমালা" গ্ৰন্থ লিখিছিল। 'ককবৰক' ভাষাৰ "তুই" (পানী) আৰু 'প্ৰা' (কাষ), এই দুটি শব্দৰ পৰাই ত্ৰিপুৰা নামৰ উৎপত্তি হোৱা বুলি কোনো কোনোৱে কয়, অৰ্থাৎ এই ৰাজ্য সাগৰৰ কাষলৈ আছিল। তিপেৰা জাতি আৰু এই ৰাজ্যৰ এসময়ৰ উপাস্য দেৱী—'ত্ৰিপুৰা সুন্দৰীৰ পৰাও 'ত্ৰিপুৰা' নাম হোৱা বুলিও কোনো কোনোৱে ভাবে। মণিপুৰৰ লোকসকলে এইখন ৰাজ্যক—'তকুলেঙ,' বুলিছিল। আকৌ ইয়াৰ অন্য নাম—'জাজনগৰ' বা 'জাজিনগৰ' বুলিও কয়। কোনো কোনো বুৰঞ্জীবিদে ১৪ শতিকাৰ আদি ভাগতহে ত্ৰিপুৰা ৰাজ্যৰ ভেঁটি স্থাপন হৈছিল বুলি কয় আৰু এই ৰাজ্যৰ প্ৰথম ৰজাৰ নাম—ছেংথুমফা। মতান্তৰে এওঁৰ আগতেই দ্ৰুহ্য, ত্ৰিপুৰ আৰু ত্ৰিলোচন নামৰ তিনি জন ৰজাই 'পাট'ত বহিছিল। 'মাণিক্য' উপাধি পৰবৰ্তি কালতহে ৰজা সকলে লৈছিল। পোন্ধৰ শতিকাৰ বৰাহী ৰজা মহামাণিক্যৰ (মাধৱকন্দলীৰ দ্বাৰা 'ৰামায়ণ' ৰচনা কৰোৱাইছিল) লগত কেনে সম্পৰ্ক আছিল, সেই কথা 'ৰাজমালা' গ্ৰন্থই একো সম্ভেদ নিদিয়ে। ৰজা ৰাধাকিশোৰ মাণিক্যৰ (১৮৯৬-১৯০৯) দিনৰ পৰা এই ৰাজ্যখনৰ পশ্চিমবঙ্গৰ গভীৰ ঘনিষ্ঠতা আৰম্ভ হয়, আৰু বঙ্গ-সাহিত্য সভ্যতাই প্ৰচাৰ লাভ কৰে। বীৰবিক্ৰম কিশোৰ মাণিক্য ৰজাৰ লগত ৰবীন্দ্ৰনাথ ঠাকুৰদেৱৰ বন্ধুত্ব স্থাপন হয়। বীৰবিক্ৰমৰ ৰাজত্ব কাল ১৯২০ ৰ পৰা ১৯৪৭ খৃষ্টাব্দলৈ আছিল।

১৯৪২ ইং চনত ভাৰতব্যাপি হোৱা স্বাধীনতাৰ বিদ্রোহৰ দ্বাৰা অনুপ্ৰাণিত হৈ ইয়াৰ ৰিয়াংসকলে বিদ্রোহ কৰিছিল। ১৯৪৯ ইং চনত পুনৰ অশান্তিয়ে দেখা দিয়ে।

১৯৫০ ইং চনত ৰাজ্য জুৰি জনজাতীয় লোকৰ প্ৰবল বিদ্রোহৰ জুই দপ্দপকৈ জ্বলি উঠিছিল। ইয়াৰ এবছৰ আগতেই ৰাজ্যখনত সামৰিক শাসন আৰম্ভ হৈছিল; এই কঠোৰ শাসনে বিদ্রোহৰ জুই ব্যাপক কৰি তোলাত সহায়-কহে হ'ল। জনজাতীয় গৰিলাৰ চেগ বুজি কৰা আক্ৰমণে সামৰিক বাহিনীকো অতিষ্ঠ কৰি তুলিছিল। জনজাতীয় নাৰী বাহিনীৰ মধুতী, ৰূপসী আদি যুৱতী কেবাজনীও সামৰিক বাহিনীৰ গুলিৰ আগত প্ৰাণ হেৰুৱায়। ১৯৫২ ইং চনত ৰাজ্যখনত প্ৰথম নিৰ্বাচন পাতি গণতন্ত্ৰ প্ৰতিষ্ঠা কৰে। আজিৰ ত্ৰিপুৰাৰ লগতো অসমৰ সম্পৰ্ক বন্ধুত্বপূৰ্ণ।

শাসক-শোষক, অভিজাত জমিদাৰ ৰজা-মহাৰজা, পুঁজিপতি-ধনকুবেৰসকলৰ আৰ্থ-সামাজিক দৰ্শনত, জনপ্ৰিয়তা লাভৰ বাবে পতা তেওঁলোকৰ পয়োভৰ আৰু প্ৰদৰ্শনসমূহত, তেওঁলোকৰ ৰাইজ সম্মোহনি বক্তৃতাবোৰত সুন্দৰৰ পূজাৰী বিষ্ণুপ্ৰসাদৰ মুঠেই আস্থা নাছিল। যুগৰ প্ৰগতিৰ লগত জনগণক শিক্ষা প্ৰদান কৰি উদ্বুদ্ধ কৰিবলৈ চিনেমাৰ নিতান্ত উজু মাধ্যম বুলি তেওঁ কলেও, এই শিল্পটো অত্যন্ত ব্যয়-বহুল হোৱাত ধনকুবেৰসকলে কলা বা আৰ্টৰ নামত আৰ্টক ভেঙুচালি কৰি জনগণক বিভ্ৰান্ত কৰা বুলিহে তেওঁ অভিযোগ কৰিছিল। তেওঁ লিখিছিল:—

"......এই দুখীয়াৰ পক্ষে এয়া সহজ উপায় বুলি ভাবি হেতা ওপৰাকৈ অসমীয়া 'ৰেকড' দি দি আজি ইমান অসমীয়া 'ৰেকড' হৈছে যে, বিদেশী ৰেকৰ্ডে আৰু ইমান অধিকাৰ অসমত কৰিব নোৱাৰিব। কিন্তু অসমত যদি অসমীয়া 'ফিল্ম-কোম্পানী' নহয় আৰু অসমীয়া ফিল্ম নোলায় তেন্তে এই বিদেশী ফিল্ম বিলাকেই অসমীয়াৰ সুকীয়া কৃষ্টি, সুকীয়া সভ্যতা নষ্ট কৰি পেলাব। শেহত অসমীয়াৰ অস্তিত্বই নাথাকিব। অসমীয়া তেনেই মৰিব আৰু আমাৰ চেনেহী অসমী আইৰ ৰূপ পৃথিৱীৰ মানচিত্ৰৰ পৰা চিৰকাললৈ বিলুপ্ত হব।......

......"অসমীয়া কৃষ্টি, সংস্কৃতি আৰু সভতা নিৰ্যাতিত নিষ্পেষিত দুখীয়া গাঁৱলীয়া কৃষক বনুৱা অসমীয়াইহে আজিও অৱহেলিতভাৱে জীয়াই ৰাখিব পাৰিছে. সিবিলাকোৰ আজিও আমি গৌৰৱ অনুভৱ কৰিব পাৰো, অসমীয়া বুলি জগতত চিনাকি দিব পাৰো। গতিকে অসমীয়া জাতিৰ মৃত্যুবাণ এই হোজা দুখীয়া গাঁৱলীয়া অসমীয়াৰ হাততহে। কিন্তু যিবিলাক ধনী জমিদাৰ, হাকিম, পুঁজিপতি, চাহ-বাগিচাৰ মালিক, তেওঁলোকে অসমৰ এই বাপতি সাহোনীয়া সম্পত্তি—অসমৰ কৃষ্টি সংস্কৃতি মস্কৰা আৰু আমোদৰ উপকৰণ বুলি ইতিকিং কৰি আৰু নিষ্ঠুৰ আনন্দ লভে।......তেওঁলোক অসমীয়া নহয়, ভাৰতৰ নাগৰিকও নহয়। পৃথিৱীৰ আন আন দেশৰ সেই একে শোষক সম্প্ৰদায়ৰ তেওঁলোক যাৰ জাতি নাই, দেশ নাই, কেৱল সুবিধাবাদী মুনাফাখোৰ,

চোৰাবাজাৰী। তেওঁলোকৰ ৰচনা, তেওঁলোকৰ বক্তৃতা, তেওঁলোকৰ সৃষ্টি কেৱল ভুৱা আৰু ফাঁকি।

·· তেতিয়াহে প্ৰকৃত শিল্পৰ উৎকৰ্ষ সাধন হব যেতিয়া এই অত্যাচাৰিত দলৰ প্ৰকৃত-স্বৰূপ উদ্‌ঘাটিত হব, অৱনত দুৰাৱস্থা উন্নীত হব আৰু তেওঁলোক এই আহল-বহল পৃথিৱীৰ বুকুত চিৰমুক্ত, চিৰস্বাধীন হৈ উমলি ফুৰিব পাৰিব। অসমৰ যি কৃষ্টি-সংস্কৃতি আছে তাক সংস্কৃত কৰিব লাগিব, যি নতুন আহিছে তাকে অসমীয়া ঠাঁচত ভালকৈ সজাই পৰাই গঢ়িব লাগিব। তেতিয়াহে আমাৰ অসমীয়া কৃষ্টি সংস্কৃতি আৰু সভ্যতা পূৰ্ণ বিকাশ পাব আৰু অসমীয়া জাতি বাচিব।"··· (অসমীয়া কৃষ্টিৰ চমু আভাষ : ৰাভা)

শ্ৰীমন্তশংকৰ দেৱক কেন্দ্ৰ কৰি শিল্পীৰ পৃথিৱী গঢ়াৰ সপোন দেখোঁতা ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা দেৱেও কৈছিল : —

"······সংস্কৃতিৰ পূৰ্ণ ৰূপ দিব লাগিব আজি মানুহে তাৰ শিল্পী ৰূপৰ পূৰ্ণ উপলব্ধি কৰি। আজি অসমৰ শিল্পীয়ে প্ৰথমতে দুৰৈলৈ নগৈ ঘৰতেই এনে সংস্কৃতিৰ পূৰ্ণ ৰূপ দিওঁতা,—বা দিবলৈ চেষ্টা কৰোঁতা, আৰু যি ঐতিহ্যৰ আদৰ্শক মানৱ সংস্কৃতিৰ পূৰ্ণ ৰূপ বুলি আমাক কৈ থৈ গৈছে, আৰু নিজৰ জীৱনকেই সেই আদৰ্শৰ বাস্তৱিক উদাহৰণ স্বৰূপে দেখুৱাই যাবলৈ চেষ্টা কৰি গৈছে—নিজৰ সকলো মনীষা প্ৰতিভা নিয়োজিত কৰি—সেই জনা অসমীয়া সংস্কৃতিৰ মন্ত্ৰ দিওঁতা, ৰূপ দিওঁতা আমাৰ চিৰ নমস্য সংস্কৃতি স্ৰষ্টা শ্ৰীমন্ত শংকৰদেৱক আমি বুজিবলৈ, তেওঁৰ জীৱনৰ অৰ্থ উলিয়াবলৈ, তেওঁৰ বাণী উপলব্ধি কৰিবলৈ চাব লাগিব। প্ৰগতিৰ বৰ ভেটি হৈছে ঐতিহ্যৰ সত্য। আজি আমাৰ সংস্কৃতিক প্ৰগতি, আমি অসমীয়াৰ—ভাৰতীয়ৰ ঐতিহ্যৰ ওপৰত অৱশ্যেই প্ৰতিষ্ঠিত হবই লাগিব।"······ (ৰূপকোঁৱৰৰ শিল্পীৰ পৃথিৱী)

সুন্দৰ শ্ৰীমন্ত শংকৰৰ পূৰ্ণ-কলা-জীৱনৰ মাজেদিয়েই জগতৰ নিপীড়িত, অৱহেলিত, অনাদৃতসকলৰেই হৃদয়ৰ বিননি কলাকাৰ বিষ্ণুপ্ৰসাদে শুনিবলৈ পাইছিল। ১৯৪৭ ইং চনত ছিলঙত অনুষ্ঠিত হোৱা ভাদ মহীয়া শুকুলা দ্বিতীয়া তিথিৰ শ্ৰীশ্ৰীশংকৰদেৱ সোৱঁৰণ সভাত বিষ্ণুপ্ৰসাদ ৰচিত গীতটো গোৱা হৈছিল, তেওঁ কেইটামান ল'ৰা-ছোৱালীক শিকোৱাই এই গীতটো গোৱাইছিল, সভাৰ সভাপতিও তেওঁৰেই আছিল।

"অ' পূজাৰী আদৰি
দিলো এই বৰণ-শৰাই
(পূজাৰ) দিলো এই বৰণ-শৰাই।
বিয়পি ধৰণী—
শুনো ৰিণি-ৰিণি
জগতৰ নানা বিলাই।

হৰি নাম ভকতি—
হৰি নাম ৰকতি
হৰি নাম মুকুতি পায়
ধন্য ভকতৰ—
কৃষ্ণৰ কিংকৰ
সুন্দৰ শংকৰ কিয় নাই
(পূজাৰী) দিলো এই বৰণ শৰাই
ভকতি ফুলেৰে—
মালা আদৰেৰে
দিলো যতনে পিন্ধাই।
শংখ কাহ মুৰুলি
জোকাৰি উৰুলি
তোমাৰেই মহিমা গায়।
নামঘৰৰ চোতালে
নিতৌ খোলে-তালে
গোবিন্দৰ নাম গুণ গায়।[১]

বৰংগায়ন শ্ৰীমন্তশংকৰদেৱৰ ৰাগৰ প্ৰভাৱত পাতিসোণ্ডা গছৰ পাত জিৰু-জিৰুকৈ সৰি পৰি পুনৰ কঁহিপাত মেলা ; "বুঢ়ীলুইতৰ সুঁতিত পোহাৰীয়ে গেলা মাছ ধুৱলৈ নিওতে গেলি-পচি যোৱা মাছে সাঁতোৰ (মৰা কাহিনীৰ অৰ্থ) আৰু তাৎপৰ্য ৰৱবায়ন ৰাভাদেৱে এনে দৰেই কৈছিল,—'শ্ৰীমন্তশংকৰদেৱৰ বহুমুখী বিৰাট প্ৰতিভাৰ বলত কোটি কোটি স্থবিৰ হৈ থকা জনতাৰ প্ৰাণত নতুন জীৱনৰ সঞ্চাৰ হৈছিল,—গেলি-পচি যোৱা পুৰণি সমাজখনত নতুন সমাজৰ পাতনি মেলিছিল।' এই দুয়োটি কথাই বুৰঞ্জীৰ সত্য।

এই সত্যৰ ওপৰতেই প্ৰতিষ্ঠিত কৰিবলৈ তেওঁ বিচাৰিছিল সাম্য শান্তি আৰু প্ৰগতিৰ নতুন সমাজে আৰু তেওঁৰ প্ৰাণত অহৰহ বাজিছিল :—

"দুৰ্গম নদ পাহাৰ গিৰি
লংঘিছিলে ডেকাগিৰি
সুন্দৰ শংকৰে লৰি কৰিছিলে তল,
দেখুৱাইছিল জগত জুৰি—
অসীম বাহুৰ বল ;
অসীম বাহুৰ বল।"...

১. গুৱাহাটী নিবাসী শিল্পী-লিখক শ্ৰীধীৰেন্দ্ৰ চন্দ্ৰ দাসৰ নোট-বুকত গীতটো ৰক্ষিত হৈছিল।

চৰে ভিতৰে গুৰুজন বহিছে

সুন্দৰ মানৱ জীৱন আৰু মানৱীয় সমাজক সুস্থ সৱল আৰু নিখুঁত কৰি সাম্যৰ শোষণবিহীন সমাজলৈ ৰূপান্তৰিত কৰিবলৈ হ'লেই বিপ্লৱৰ প্ৰয়োজন। অৰ্থ-নীতিৰ সুপৰিকল্পিত পৰিচালনাই সমাজৰ পৰা মানুহে মানুহৰ ওপৰত কৰা নিৰ্মম শোষণ, কুৎসিত অনাদৰ-অৱহেলা, হৃদয়হীন নিপীড়ন আদিৰ অন্ত পেলাব পাৰে। শ্ৰেণী বিভক্ত সমাজত শ্ৰেণী সংগ্ৰাম থাকিবই আৰু এই সংগ্ৰাম ক্ৰমাৎ তীব্ৰতৰৰ পৰা তীব্ৰতম স্তৰলৈ গতি কৰিলেই বিপ্লৱ অৱশ্যম্ভাৱী হৈ উঠে। এনে দৰেই আশা কৰা হয় এখনি সুন্দৰ নতুন সমাজৰ। সমাজ পৰস্পৰ বিৰোধী শ্ৰেণীত বিভক্ত হোৱাৰ বাবেই ৰাষ্ট্ৰৰ উৎপত্তি হৈছে। মানৱৰ আদি যুগবিলাকত কোনো ৰাষ্ট্ৰ নাছিল। শ্ৰেণীসমূহৰ মাজত অনবৰত হোৱা সংঘৰ্ষবোৰৰ মীমাংসাৰ বাবেই ৰাষ্ট্ৰৰ উৎপত্তি হৈছিল।

ফ্ৰান্সৰ প্ৰজা-বিপ্লৱকে ধৰি এই বিশাল মানুহৰ পৃথিৱীখনত সময়ে সময়ে ঠায়ে ঠায়ে বিপ্লৱৰ বৰঢোল বাজি উঠিছিল আৰু ভৱিষ্যতেও ইয়াৰ কাণ তাল মৰা গুদুম গুদুম শব্দ বাজিব। ১৯১৭ খৃষ্টাব্দত ক্ষমতাশালী 'জাৰ'ৰ শাসনকালত অক্টোবৰ মাহত হোৱা বিপ্লৱে, পৃথিৱীৰ বুৰঞ্জীত নতুন অধ্যায় ৰচনা কৰি পৃথিৱীৰ শোষিত, নিপীড়িত, নিৰ্যাতিত, পদদলিত সকলক আজিও অনুপ্ৰেৰণা দি আছে।

ভাৰতত মোগলৰ তিনিশ বছৰীয়া শাসন আৰু অসমত প্ৰবল পৰাক্ৰমী আহোমৰ ছয় শ বছৰীয়া শাসনৰ অন্তত, ইংৰাজে কেনে চল-চক্ৰান্ত, ভেদ-নীতি, কুট-নীতি আৰু সামৰিক বলেৰে ভাৰত তথা অসমক পৰাধীন কৰি ইংৰাজ-শাসন প্ৰতিষ্ঠা কৰে, ইয়াৰ দীঘলীয়া আৰু কৰুণ ইতিহাস আছে। এই বিদেশী শাসনৰ বিৰুদ্ধে ১৮৫৭ খৃষ্টাব্দত ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক কাৰণত দেশীয় বনুৱাসকলে বিদ্ৰোহ আচৰণ কৰি ইংৰাজ শাসকক কঁপাই তুলিছিল। এই বিদ্ৰোহৰ কঁপনি ভূমিকম্পৰ দৰেই সৰ্বলোকক টোপনিৰ দৰে জগাই দিছিল।

নিদ্রিত ভাৰত স্বাধীনতাৰ বাবে সজাগ হৈ উঠিল। অসমৰ উজনীৰ 'কলিতা-ৰজা' মণিৰাম দেৱানৰ এখন সন্দেহপূৰ্ণ পত্ৰৰ বিচাৰতেই যোৰহাট নগৰত ইংৰাজে ফাঁচি দিলে। কাছাৰৰ গম্ভীৰ সমদন কাছাৰীয়ে নিজ সৈন্যসামন্ত লৈ পলিটিকেল অফিচাৰক আক্ৰমণ কৰাত ইংৰাজৰ সৈন্যৰ বন্দুকৰ গুলিত প্ৰাণ হেৰুৱায়। এনে দৰে দেশৰ বিভিন্ন অংশত স্বাভাৱিকভাৱেই বিদ্ৰোহে দেখা দিলে। কিন্তু শেষত ইংৰাজৰ দমন-নীতিৰ তীব্ৰ হেঁচাত বিদ্ৰোহ ক্ৰমে ক্ৰমে সাম কাটে। এনে পৰিস্থিতিবোৰেই কঢ়িয়াই আনে ৰাইজৰ অশান্তি, অনিদ্ৰা, অভাৱ-অনাটন, দুঃখ-কষ্ট আৰু অনাহাৰ। "ৰাইজৰ মাজত অশান্তি শিল্পীয়ে সহিব নোৱাৰে তাৰ কোমল হিয়াত হেন্দোলনি তোলে।"...

"...ৰাইজৰ বিবেক ৰথীয়া হিচাপে ৰাজ্যৰ কল্যাণৰ কাৰণে ঝঞ্জা-বিজয়ী আত্মাৰ গৰাকী সুন্দৰৰ পূজাৰী শিল্পীসকলে যুগৰ পতাকাবাহী হিচাপে আগবাঢ়ি আহিব লাগিব, ৰাজ্যত যাতে সত্য, শিৱ সুন্দৰে বিৰাজ কৰে।"

(মানৱজাতি : প্ৰবন্ধ : ৰাভা)

মোহনদাস কৰমচাঁদ গান্ধী বা সৰ্বজনভাৱে জনাজাত মহাত্মা গান্ধীৰ আগমন ভাৰতৰে স্বাধীনতাৰ বুৰঞ্জী আৰু বহুধা বিভক্ত ভাৰতৰ জাতিসমূহৰ একত্ৰি-কৰণেৰে সংহতি স্থাপনৰ ইতিহাসৰ এটি সোণালী অধ্যায়। আগতে ভাৰতীয় কংগ্ৰেছ স্থাপিত হৈছিল—ইংৰাজৰ লগত মোকাবিলা কৰি পিছ পৰি থকা ভাৰতক জ্ঞান-বিজ্ঞান আদিৰ বিভিন্ন ক্ষেত্ৰত দ্ৰুতভাৱে আগবঢ়াই নিবলৈ। মহাত্মা গান্ধীৰ নেতৃত্বত এই অনুষ্ঠানে ক্ৰমান্বয়ে এটি বৈপ্লৱিক ৰূপ লয়। অহিংসভাৱে ইংৰাজ চৰকাৰৰ শাসনৰ কাৰ্যৰীতি অসহযোগ কৰি স্বাধীনতা লাভ কৰাৰ নতুন পদ্ধতি এটি তেওঁ দাঙি ধৰে। ১৯২১ খৃষ্টাব্দত সমগ্ৰ ভাৰত জুৰি এনে আন্দোলন এটিয়ে শাসনৰ বাবে অনেক সংস্কাৰমূলক কাৰ্য কৰিবলৈ ইংৰাজ-শাসক বাধ্য হয়। ১৯২৭ খৃষ্টাব্দত কংগ্ৰেছে 'ডমিনিয়ন' পৰ্যায়ৰ দাবি উত্থাপন কৰে। ইংৰাজ চৰকাৰৰ পৰা বিশেষ সহাঁৰি নোপোৱাত ভাৰতীয় কংগ্ৰেছে (All India Congress Committee) ১৯২৯ খৃষ্টাব্দত ভাৰতক পূৰ্ণ স্বাধীনতাকেই লাগিব বুলি লাহোৰৰ অধিবেশনত ঘোষণা কৰিলে। আইন ভঙ্গ, খাজনা বন্ধ, বিদেশী দ্ৰব্য বৰ্জন আদি কাৰ্যসূচীৰে সমগ্ৰ ভাৰতেই তোলপাৰ লাগিল। হেজাৰ হেজাৰ লোকেৰে শাসকৰ কাৰাগাৰ উপচি পৰিল। ভাৰতৰ একতা ভাঙি পেলাবলৈ কুটনৈতিক ইংৰাজৰ মহম্মদ আলি জিন্না চাহাবক আৱিষ্কাৰ কৰি পেলাবলৈ বেচি সময় নালাগিল। ১৯৩৫ খৃষ্টাব্দত ভাৰতীয় সকলৰ লগত এটি আপোচৰ ভাৰত 'গৱৰ্ণমেণ্ট অব ইণ্ডিয়া এক্ট' গ্ৰহণ কৰিলে। এই এক্ট মতেই সকলো প্ৰদেশতেই 'নিৰ্বাচন' অনুষ্ঠিত হ'ল। ইয়াৰ ফলতেই সাতখন প্ৰদেশত কংগ্ৰেছ মন্ত্ৰীসভা গঠন হৈ গ'ল। অসম আৰু সিন্ধু প্ৰদেশত হিন্দু মুছলমানৰ যুটীয়া মন্ত্ৰীসভা গঠিত হ'ল।

কংগ্ৰেছৰ মন্ত্ৰীসভাবিলাকে সুন্দৰ নিৰপেক্ষভাৱে শাসনকাৰ্য চলালেও মহম্মদ আলি জিন্নাই কংগ্ৰেছৰ গৌৰৱ সহ্য কৰিব নোৱাৰা হৈ পৰিল আৰু মুছলিমৰ ওপৰত অন্যায় অত্যাচাৰ উৎপীড়ন হোৱা বুলি চাৰিওপিনে হৈ-চৈ লগাই মুছলিম সম্প্ৰদায়ৰ মাজত সাম্প্ৰদায়িক বিষ-বাষ্প বিয়পাই দিলে।

১৯৩৯ খৃষ্টাব্দৰ চেপ্টেম্বৰ মাহৰ পৰা বিশ্বযুদ্ধ মহাৰণৰ ভীম-পৌণ্ড্ৰ-শংখ বাজি উঠিল। পোলেণ্ডৰ প্ৰশ্ন লৈয়ে জাৰ্মানৰ বিৰুদ্ধে ইংলেণ্ড, ফ্ৰান্স, মাৰ্কিন-আমেৰিকা আদিৰ একত্ৰিত বিৰাট সমৰ-সম্ভাৰেৰে বিশ্ব-মহাসমৰ আৰম্ভ হ'ল। পৃথিৱী জুৰি হোৱা এনে বিপদজনক কালত কেন্দ্ৰত জাতীয় চৰকাৰ এখন স্থাপন কৰিবলৈ ভাৰতীয় কংগ্ৰেছে ভাইচৰয়ক অনুৰোধ কৰিলে। ইয়াৰ উত্তৰ আছিল যে যিহেতু কংগ্ৰেছে ভাৰতৰ সৰহভাগ মানুহৰেই প্ৰতিনিধিত্ব নকৰে, সেই কাৰণেই গৱৰ্ণমেণ্টে তেনে ব্যৱস্থা লব নোৱাৰে; যুদ্ধৰ সামৰণি পৰিলেহে শাসন সংস্কাৰৰ বাবে ব্যৱস্থা লোৱা হ্ব।

প্ৰদেশত প্ৰতিষ্ঠিত হোৱা কংগ্ৰেছী মন্ত্ৰীসভাবোৰে ইস্তফা দিলে, পাঞ্জাব, সিন্ধু আৰু বঙ্গ (Bengal)ত মাথোঁ মুছলিম লীগ মন্ত্ৰীসভা চলি থাকিল। 'মুছলিম লীগ'ৰ সভাপতি মহম্মদ আলি জিন্না চাহাবে কোনো ক্ষেত্ৰতেই কংগ্ৰেছৰ লগত সহযোগ নকৰে বুলি ঘোষণা কৰিলে আৰু হিন্দু আৰু মুছলিম দুটা বিভিন্ন জাতি বুলি অভিহিত কৰি মুছলিমৰ বাবে পৃথক ৰাজ্যৰ দাবি উত্তোলন কৰি ভাৰতীয় হিন্দু মুছলিমৰ একতা আৰু সংহতিত কুঠাৰাঘাট কৰি পেলালে। মহাত্মা গান্ধীৰ নেতৃত্বত স্বায়ত্ব শাসনৰ আন্দোলন আৰম্ভ হোৱাৰ লগে লগেই মহাত্মা গান্ধী প্ৰমুখ্যে কংগ্ৰেছী নেতা আৰু হেজাৰ হেজাৰ আন্দোলনকাৰী লোকসকলক গ্ৰেপ্তাৰ কৰি কাৰাগাৰত বন্দী কৰি থলে।

১৯৪৪ খৃষ্টাব্দত পূৰ্বতে হৈ যোৱা ইউথোপিয়াৰ যুদ্ধত সুনাম থকা লৰ্ড ওৱাভেল ভাৰতলৈ যুদ্ধ পৰিচালনাৰ বাবে মুখ্য অধিনায়ক হৈ আহিল আৰু লিনলিথগোৰ পিছতেই ভাৰতৰ ভাইচৰয় পদবীত অধিষ্ঠিত হয়। দূৰদৰ্শী ওৱাভেলে আন্দোলনকাৰী কংগ্ৰেছ নেতৃবৃন্দ আৰু আন কৰ্মী সকলকো জেলৰ পৰা মোকোলাই দি এটি শান্তিপূৰ্ণ ৰাজনৈতিক পৰিবেশ সৃষ্টি কৰিবলৈ যত্ন কৰিছিল। বিশ্বৰণে তেতিয়া পৃথিৱীখনক কম্পিত কৰি তুলিছে। চাৰিওপিনে বোমা-বাৰুদৰ গুঞ্জৰণি। হেজাৰে হেজাৰে শিশু বৃদ্ধ-নাৰীৰ মাৰণাস্ত্ৰৰ আক্ৰমণত মৃত্যু ঘটিছে, হেজাৰ হেজাৰ ঘৰবাৰী অট্টালিকা ধূলিসাৎ হৈ গৈছে। বিয়াল্লিচ চনৰ সংঘাটপূৰ্ণ ভাৰতব্যাপি হোৱা ৰাইজৰ স্বতঃস্ফূৰ্ত বিদ্ৰোহ আৰু বিপ্লৱত ইংৰাজৰ শাসনৰ বৰথুটাবোৰ থৰক্‌বৰক্ কৈ কঁপি কঁপি আছে। বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ বিপ্লৱী মনটো মানৱৰ মুক্তিৰ বাবে অস্থিৰ হৈ উঠিছে। অসম তথা ভাৰতৰ মুক্তিৰ বাবেও ক্ষণ গণিছে, ৰচনা কৰিছে দেশ-প্ৰেমৰ গীত ঃ

"আই মোৰ ভাৰতী জননী,
লখিমী দুখুনী,
ভাৰতবাসীৰ হৃদয়ৰে ৰাণী,
মোৰ পৰাণৰ
মোৰ জীৱনৰ
চেনেহী গোঁসানী।
সোণামুৱা সঁফুৰা সুখৰে কোলাত তোৰ
উমলি পাওঁ সৰগৰ অমিয়া যেন মোৰ
তেওঁ কিয় নপৰে শতশত দুখৰ ওৰ ?
পৰাণৰ আই
জীৱনৰ আই
কিয়নো বন্দিনী ?
নিচলা আই অ' দেৱী স্বৰূপিনী
চেনেহী চিকুনী দেৱী !
অসমী জননী
লখিমী দুখুনী মোৰ চেনেহী গোঁসানী।
পিশাচে নি সুহি
ৰক্ত পিয়েঁহি ;
হিয়া তোৰ যায় জহি
ওৰে নিশা দিন ;
সউ ধনৰে থকুৱা
জননীৰে তেজপিয়া
ৰক্তেৰে ৰঙচুৱা
কৰে তোক আই ক্ষীণ।
পাৰিনো মুকুতি অসমী !
কাহানি ?"

(ন পৃথিৱীৰ নতুন যুগ : ৰাভা)

তেওঁ দিনে ৰাতিয়ে ভাৱিছিল চিন্তিছিল মুকুতিৰ পথ কোনটো ? কোন পথেদি আগবাঢ়িলে নিপীড়িত, নিৰ্যাতিত, পদদলিত, হালোৱা, হজুৱা, বনুৱাৰ মুকুতিৰ দুন্দুভি বাজি উঠিব ? কোন খন মণ্ডত প্ৰকৃততেই খোলে ঢোলে, তালে চিফুঙে খামে-মাদলে বৰঢোলে, বৰডবা, বাঁহী কালীয়ে একে লগে সাম্য শান্তি সমৃদ্ধি সুখৰ ঐক্যতান বাজি উঠিব ?

"আগষ্ট বিপ্লৱ বিপ্লৱ নহয়, এটা সমূহীয়া বিদ্ৰোহ—বৃটিচ সিংহৰ বিৰুদ্ধে বিদ্ৰোহ। বিপ্লৱ হলে আমূল পৰিবৰ্তন হয়। আগষ্ট বিপ্লৱে আমূল পৰিবৰ্তন

নঘটালে। সেই দুখ, সেই অসুখ, সেই অশান্তি থাকিয়েই গ'ল, ৰৰং চাৰি কাঠি চৰিল হে। বিপ্লৱ লাগে, আমূল পৰিবৰ্তন লাগে।"......

(মিচিং কনেঙ্ : ৰাভা)

তথাপিও, বিয়াল্লিচৰ এই বিদ্ৰোহে যে ভাৰতক স্বাধীনতা লাভত যথেষ্ট শক্তি প্ৰদান কৰিছিল, এইটো থিকেই। ঠায়ে ঠায়ে আকৌ প্ৰকৃত বিপ্লৱীয়ে ভৱিষ্যতত পূৰ্ণ বিপ্লৱৰ বাবে নিজকে প্ৰস্তুত কৰিবলৈ সুযোগ লাভ কৰিছিল। কলিকতাৰ নিজ ঘৰত চৰকাৰৰ দ্বাৰা 'অন্তৰীণ' হৈ থকা সশস্ত্ৰ বিপ্লৱী সুভাষচন্দ্ৰ বসুয়ে গোপনে ভাৰতৰ পৰা অতি বুদ্ধিৰে নাটকীয়ভাৱে আঁতৰি গৈ জাৰ্মানৰ ৰাজধানী বাৰ্লিনত প্ৰবেশ কৰে আৰু জাপানৰ সহায়ত ভাৰতক বিদেশী শাসনৰ পৰা মুক্ত কৰিবলৈ প্ৰস্তুতি চলায়। জাপানৰ যুদ্ধৰ অগ্ৰগতিৰ সময়ত নেতাজী বসু চিঙাপুৰত উপস্থিত হয় আৰু "আজাদ হিন্দ ফৌজ" গঠন কৰি পৃথিৱীৰ ইতিহাসত এটি অভিলেষ সৃষ্টি কৰে। "চলো চলো দিল্লী চলো, লাল কেল্লা দখল কৰো" ধ্বনিৰে গোজৰণি মাৰি মাতৃভূমিক দাসত্বৰ পৰা মুক্ত কৰিবলৈ সশস্ত্ৰ ৰণুৱাসকল পবিত্ৰ অসম ভূমিৰ পিনে আগ বাঢ়ি আহিল। কিন্তু বৃটেইন-আমেৰিকা আদি শক্তিমন্ত বোমা-বাৰুদৰ বৰভঁৰালেৰে জাপানে অকলশৰে যুঁজি পিচ হুহকিব লগা হৈ পৰিল। আজাদ হিন্দ ফৌজৰ দেশ-প্ৰেমিক ৰণুৱাসকল যদিও কোহিমালৈ অগ্ৰগতি কৰিলে, তথাপিও মিত্ৰ পক্ষৰ বিশাল ফৌজৰ লগত তেওঁলোকে ফেৰ মাৰিব নোৱাৰিলে আৰু শেষত বন্দী হৈ পৰিল। লগে লগেই নেতাজী বসুৰ অন্তৰ্ধানৰ হোৱা কাহিনী মনোৰম কাব্য সদৃশ এই সশস্ত্ৰ দেশ-প্ৰেমিক যুদ্ধৰ সাঁথৰ হৈ থাকিল।

ছোভিয়েত ৰুচীয়াই জাৰ্মানৰ প্ৰচণ্ড আক্ৰমণ প্ৰতিহত কৰি দেশৰ স্বাধীনতা আৰু জনসাধাৰণৰ গৌৰৱ ৰক্ষা কৰিলে। মিত্ৰপক্ষৰ জয়ত হেৰ হিটলাৰে গোপনে আত্মহত্যা কৰি পেলালে, তেওঁৰ অনেক সেনাপতি, ৰৰসেনাপতি বন্দী হৈ পৰিল, জাৰ্মান ৰাজ্য চেদেলি-ভেদেলি হ'ল, বিশ্ব-মহাসমৰৰো সামৰণি পৰিল। ফলত বহুত লাখ লোকৰ প্ৰাণহানি হ'ল, ক'ত নগৰ, ক'ত গাঁও, ক'ত অট্টালিকা ধূলিসাৎ হৈ পৰিল; অভাৱ অনাতন, অশান্তি, বেমাৰ-আজাৰে জনসাধাৰণক চেপি খুন্দি মৃত্যুমুখী কৰি তুলিলে। এনে ৰণৰ পৰিণতিত—

"......হ'ল ধৰা চাৰখাৰ
চুৰ্মাই চুৰমাৰ ;
উঠিল পৃথিৱী জুৰি ৰোল,
হাহাকাৰ
বুকু ভগা হিয়া-ছিগা—
'হায়' হুতাশাৰ।......
এই ৰণ অতি ভয়ঙ্কৰ,
ভীষণ কৰালময় দ্বিতীয় সমৰ।......

(মুক্তি-দেউল : ৰাভা)

১৯৩৩ খৃষ্টাব্দতেই পাঞ্জাবৰ চৌধুৰী ৰহমত আলি নামৰ এজন লোকে 'পাকিস্তান' (পবিত্র মানুহৰ বসতি স্থান) নামটো উদ্ভাৱন কৰিছিল। ১৯৪০ খৃষ্টাব্দত মহম্মদ আলি জিন্না চাহাবৰ সভাপতিত্বত লাহোৰত বহা 'মুছলিম লিগ'ৰ বাৰ্ষিক অধিবেশনত ইছলাম ধৰ্মী-সকলৰ বাবে সুকীয়া ৰাষ্ট্র পাকিস্তানৰ দাবি কৰি প্ৰস্তাৱ গ্ৰহণ কৰিলে। ভাৰতীয় কংগ্ৰেছে বৃটিচ-ৰাজক ভাৰত ত্যাগ (Quit India) কৰিবলৈ দাবি জনালে, ফলত কংগ্ৰেছক অবৈধ দল বুলি ঘোষণা কৰিলে। দেশত সাম্প্ৰদায়িক সংঘৰ্ষৰ অগনি জ্বলি উঠিল। পাকিস্তানৰ সমৰ্থক সকলে জিন্নাক ৰৰনেতা পাতি 'কায়েদে আজম' উপাধি প্ৰদানেৰে প্ৰত্যক্ষ সংগ্ৰামত লাগি গ'ল। এনে সংকটপূৰ্ণ কালতেই ১৯৪৭ খৃষ্টাব্দৰ মাৰ্চ মাহত লৰ্ড ওৱাভেল চাহাবে অৱসৰ লৈ ইংলণ্ডলৈ যোৱাত লৰ্ড মাউণ্টবেটেন গভৰ্নৰ জেনেৰেল ৰূপে দিল্লীত উপস্থিত হ'ল। কুট ৰাজনীতিত বিশাৰদ মাউণ্টবেটেনে চাৰিমাহৰ ভিতৰতে ভাৰত বিভাজনৰ মৰ্মান্তিক সিদ্ধান্ত ঘোষণা কৰিলে, ধৰ্মান্ধ মুছলিম লিগৰ উৎকট কামনা সিদ্ধি হ'ল—ভাৰত খণ্ডিত হৈ পৰিল।

বৃটিচ পাৰ্লিয়ামেণ্টত ১৯৪৭ খৃষ্টাব্দৰ জুলাই মাহত 'ভাৰতৰ স্বাধীনতা আইন' (Indian Independence Act, 1947) গৃহীত হোৱাত ভাৰত-ভূমিতেই দুখন পাকিস্তান আৰু এখন সংকুচিত ভাৰত সৃষ্টি হৈ পৰিল।

ভাৰত-সাগৰ এৰি গ'ল,—
ত্যাজি শাসনৰ থল
গঢ়ি শোষণৰ কল
বৃটেনৰ সাউদৰ দল।......
গ'ল বগা বঙাল ইংৰাজ,
পাতি ধন-ৰাজ
কৰি ৰৰবাদ
ভাৰতৰ জাতীয়তাবাদ।......

সিদিনাই পোৱা হ'ল স্বাধীনতা ভাৰতবাসীৰ কাম্য ইষ্ট। দুভাগে খণ্ডিতা আই ভাৰতী স্বাধীনা হ'ল,—মুক্তা অসমী।

ৰাইজৰ জন্ম-ভূমি—
প্ৰেয়সী-প্ৰেয়সী
স্বৰ্গাদপী গৰিয়সী।......
এমুঠি ধনীৰ হ'ল সুখ
কোটি কোটি ৰাইজৰ হ'ল বিধে বিধে
নানা দুখ।"......

(ন পৃথিৱীৰ নতুন যুগ : ৰাভা)

বিষ্ণুপ্ৰসাদ ৰাভাদেৱ সংস্কৃতিৰ সেৱক, মহাসুন্দৰৰ আৰাহনী গায়ন, সত্যৰ পূজাৰী, অন্যায় অধৰ্মৰ ওপৰত সদায় তাণ্ডৱ-নৰ্তক। ধনী, পুঁজিপতি, অভিজাত, বৰলোকৰ শিক্ষা-দীক্ষা, মন্ত্ৰ-তন্ত্ৰ, দৰ্শন-কৰ্ষনৰ হিতোপদেশৰ প্ৰতি তেওঁৰ কোনো দিনাই আস্থা নিষ্ঠা নাই। সেই সকলক তেওঁ কোনো সংস্কৃতিৰো বাহক নহয় বুলিহে কৈছে, কোনো দেশৰেই নাগৰিকো নহয় বুলিহে অভিহিত কৰিছে। তেওঁ কৈছিল :

"পৃথিৱীৰ আন আন দেশৰ সেই একে শোষক সম্প্ৰদায়ৰ তেওঁলোক, যাৰ জাতি নাই, দেশ নাই কেৱল সুবিধাবাদী মুনাফাখোৰ, চোৰা-বজাৰী। তেওঁলোকৰ ৰচনা, তেওঁলোকৰ বক্তৃতা, তেওঁলোকৰ সৃষ্টি কেৱল ভুৱা আৰু ফাঁকি।"...... (অসমীয়া কৃষ্টিৰ চমু আভাষ : ৰাভা)

ভাৰত খণ্ডিতকৰণ আৰু বিদেশী শাসকে দি যোৱা স্বাধীনতাৰ ফলত ৰাইজৰ সকলো পিনেদি নিকাৰ আৰম্ভ হ'ল। আন পিনে ভাৰতৰ পুঁজিপতি, ধনিক, ৰজা-মহাৰজা, জাব জমিদাৰ সকলে ক্ষমতা হস্তগত কৰাৰ বাবে সকলো কৌশল গ্ৰহণ কৰিলে। ভাৰতীয় কংগ্ৰেছৰ ওপৰমহলৰ অভিজাত শ্ৰেণীৰ নেতৃবৃন্দ ক্ষমতালাভৰ বাবে নিম্ন জনগণ, বা-ৰাইজৰ দুঃখ কষ্ট, অভাৱ-অনাটন শোষণ-পীড়নৰ বাস্তৱ কথাবোৰ পাহৰি গ'ল। স্বাধীনতাৰ পিছতেই দেশৰ সকলো সমস্যা সমাধান হৈ যাব বুলি ক্ষমতা খকুৱা নেতা সকলে ঘোষণা দিলে, বা-ৰাইজ শেষত প্ৰৱঞ্চিত হৈ পৰিল। দেশ-প্ৰেমিক মানৱ-দৰদী ৰাভাদেৱে এই বাস্তৱ চিত্ৰখন দেখি দুঃখিত আৰু ক্ষোভিত হৈছিল।

স্বাধীন ভাৰতৰ মন্ত্ৰীসভাই জৱহৰলাল নেহেৰুৰ সৰবৰহী বন্ধু লৰ্ড মাউণ্টবেটেনক ভাৰত ৰাষ্ট্ৰৰ প্ৰথম গভৰ্ণৰ-জেনেৰেল পাতিলে। সিপিনে পাকিস্তান ৰাষ্ট্ৰৰ মন্ত্ৰীসভাই মহম্মদ আলি জিন্নাক পাকিস্তানৰ প্ৰথম গভৰ্ণৰ জেনেৰেল পাতি ধন্য হ'ল। স্বাধীনতাৰ যোদ্ধা ভাৰতৰ প্ৰধান নেতা জৱহৰলাল নেহেৰু প্ৰথম প্ৰধানমন্ত্ৰী হৈ সংবিধানৰ ৰচনাৰ বাবে আগবাঢ়ি আহিল। ১৯৩০ খৃষ্টাব্দত ২৬ জানুৱাৰীৰ দিনটো কংগ্ৰেছে স্বাধীনতাৰ দিন স্বৰূপে পালন কৰিছিল, সেই স্মৃতিতেই সেই বিশেষ তাৰিখৰ পৰাই সংবিধান কাৰ্যকৰী কৰিবলৈ স্থিৰ কৰিলে।

ভাৰত বিভাজনৰ হিন্দু মহাসভা প্ৰমুখ্যে কেবাটাও ৰাজনৈতিক দলে বিৰোধীতা কৰিছিল, ইয়াৰ ভিতৰত ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ (Revolutionary Communist Party of India বা চমুকৈ R.C.P.I.) বিৰোধীতা অতি তীব্ৰ আছিল। ৰাজনৈতিক ক্ষমতা লাভৰ বাবে অতি আকুল হৈ থকা কংগ্ৰেছৰ নেতাসকলে ভাৰত বিভাজনৰ দৰে আত্মহত্যাকাৰী আঁচনিৰ গ্ৰহণৰ কথাটো মহাত্মা গান্ধীৰ পৰাও লুকুৱাইহে প্ৰথমতে ৰাখিছিল। পিছত মহাত্মা গান্ধীয়েও দুঃখে-বেজাৰে নিমাত হৈ পৰিছিল।

১৯৩৪ খৃষ্টাব্দত বঙ্গৰ বিখ্যাত ঠাকুৰ পৰিয়ালৰ যুৱক সৌমেন্দ্ৰনাথ ঠাকুৰে কলিকতা মহানগৰীত "কমিউনিষ্ট লীগ" নামৰ এটি ৰাজনৈতিক দল সংগঠন কৰিছিল। এই জনা বিপ্লৱী ঠাকুৰৰ লগত বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ আগৰ পৰাই বন্ধুত্ব স্থাপন হৈছিল। ১৯৩৮ খৃষ্টাব্দত ঠাকুৰ গুৱাহাটীলৈ অহাত 'ৰেডিকেল ইন্‌ষ্টিটিউট' নামৰ এটি প্ৰগতিবাদী অনুষ্ঠান গঢ়লৈ উঠে। পিছলৈ ইয়াৰ পৰাই কমিউনিষ্ট লীগৰ অসম শাখা আৰু "কৃষক বনুৱা পঞ্চায়ত" সংগঠিত হয়। ইয়াৰ সংগঠন, প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে ৰাভাদেৱে অনেকটি গীত-কবিতা ৰচনা কৰি সুৰ প্ৰদান কৰিছিল।

"ৰাইজেই ৰজা মোৰ
প্ৰজায়েই ৰজা মোৰ
সুখৰে পঞ্চায়েৎ ৰাজ। ..
সাজ মুক্তি-সেনা সাজ
হওঁ সমদল আজি বাজ—
নাই ভয় নাই ডৰ
নাই একো ভিন-পৰ
হ'ল শেষ যত ফাকিৰাজ।
সুখৰে পঞ্চায়ৎ ৰাজ
জৰ্জৰ কণ্ঠৰ
হৃদয়ৰ মৰ্মৰ
শত বেদনাৰ সোঁত ব'ল।—
শতঘাৰ বক্ষৰ
বন্যাৰে বক্তৰ
বক্তিম কলিজাৰ ঢল।
দূৰ হ'ল দুঃখিতৰ দুখ
আজি হ'ল শোষিতৰ সুখ;
কত শ শত যুগৰ
কত কোটি শ্বহীদৰ
মৃত্যুৰ স্মৃতি এই তাজ।
সুখৰে পঞ্চায়ৎ ৰাজ।
উঠিছে নবীন সূৰ্য্য
বাজিছে বিজয়-তূৰ্য্য
জাগে দীন-হীন-শৌৰ্য্য
উজ্জীবিত নৱ বীৰ্য্য
শাসি নৱ জন-গণ ৰাজা—
সুখৰে পঞ্চায়ৎ ৰাজ।" (মুক্তি-দেউল : ৰাভা)

পিছত সকলো প্ৰগতিশীল আৰু সাম্য-শান্তিৰ পূজাৰী একত্ৰিত হৈ বিপুল উৎসাহেৰে—"ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টি" (R. C. P. I.) সংগঠিত কৰে। বঙ্গ, অসম, নগা পৰ্বত আদি বিশাল অঞ্চলটিৰ আৰ্থিক, সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক পৰিবেশৰ লগত ৰজিতা থুৰাই ইয়াৰ কাৰ্যসূচী আৰম্ভ কৰা হৈছিল। দ্বিতীয় বিশ্ব মহাসমাৰত ছোভিয়েত ৰুচিয়া জড়িত হৈ পৰাত ৰাষ্ট্ৰ নেতা ষ্টেলিনে এই যুদ্ধক "গণযুদ্ধ" বুলি ঘোষণ-কৰাত "ভাৰতৰ—কমিউনিষ্ট্ পাৰ্টি"য়ে (C. P. I.) ডাঙ্গে ডাঙৰীয়াৰ নেতৃত্বত ভাৰততো এই যুদ্ধক "গণ-ৰণ" (Peoples' War) আখ্যা দি ভাৰতীয় কংগ্ৰেছৰ অসহযোগ সত্যাগ্ৰহক প্ৰৱলভাৱে বাধা দিলে।

১৯৪৮ খৃষ্টাব্দত বিপ্লৱী কমিউনিষ্ট (R. C. P. I.) পাৰ্টিয়ে বীৰভুমত বহা ঐতিহাসিক বিশেষ অধিবেশনত নতুন ৰীতিনীতি আৰু কাৰ্যসূচী গ্ৰহণ কৰে —এয়েই 'বীৰভুম সংহিতা' বা 'Birbhum Thesis', আৰু দেশীয় পুঁজিবাদৰ ওপৰত প্ৰচণ্ডভাৱে আক্ৰমণ কৰি তাক নিঃশেষ কৰি দিবলৈ কৰ্মসূচী লয়। লগে লগে স্বাধীন ভাৰতৰ বুকুত সমাজতান্ত্ৰিক বিপ্লৱৰ জংগী আন্দোলনৰ সূচনা হয়। বিষ্ণুপ্ৰসাদ ৰাভাদেৱে সংস্কৃতিৰ বাহক নিম্ন জনগণ, পদদলিত, অৱহেলিত, নিৰ্যাতিত, শোষিত, সৰ্বহাৰাৰ মুকুতিৰ বাবে প্ৰচণ্ড তাণ্ডব হৈ উঠে। এক হাতত বন্দুক আৰু আন হাতত কলম তুলিকা লৈ তেওঁ এক অভিনৱ জীৱন নাট শৈলত 'বৰ-ভঙ্গী' বজাবলৈ ধৰিলে। কলিকাতাৰ দমদম্ বচিহৰাতৰ পৰা বৰপেটাৰ চাপাগুৰি-কক্‌লাবাৰী, নলবাৰীৰ চোধুৰীটুপ চামতা-বেলশৰ আদিৰ পৰা শিৱসাগৰ ডিবৰুলৈ ই ব্যাপক হৈ উঠে। লগে লগেই কৰ্মীসকলৰ ওপৰত গ্ৰেপ্তাৰী পৰোৱানা বাহিৰ হয় আৰু এই সকলক বিচাৰি চিপাহী চন্তৰীয়ে গাৱেঁভুঞে, আহুতলী বিহুতলীয়ে পিট্-পিট্‌কৈ বিচাৰি চলান কৰিবলৈ ধৰিলে। দুয়োটা কমিউনিষ্ট পাৰ্টিকেই চৰকাৰে বে-আইনী বুলি ঘোষণা কৰিলে। বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ তৰুণসেন ডেকা, হৰিদাস ডেকা, উপেন্দ্ৰ দাস, অৰবিন্দ ঘোষ, মোহনলাল মুখাৰ্জী, উপেন্দ্ৰ শৰ্মা, নীৰেন লাহিড়ি আদিক গুৱাহাটীতেই গ্ৰেপ্তাৰ কৰি যোৰহাট জেললৈ প্ৰেৰণ কৰে। ৰঙ্গীয়াৰ কামিনী শৰ্মাকো পুলিছে গ্ৰেপ্তাৰ কৰি গুৱাহাটীলৈ লৈ যায়। ইতিমধ্যে অনেক বিপ্লৱীয়ে আত্মগোপন কৰি দুৰ্গম গাঁওবোৰত সংগঠনৰ বাবে সোমাই পৰিল।

"চৈৰে ভিতৰে গুৰুজন বহিছে
ছকুৰি ভকতক লৈ।"···

ইয়াৰ অৰ্থ আৰু একো নহয়—ৰা-ৰাইজৰ মাজত নিজকে বিলাই দি আত্মগোপন কৰাহে। বিপ্লৱী কবি-চিত্ৰকৰ বিষ্ণুপ্ৰসাদ ৰাভাদেৱো জনগণৰ সাগৰত সাতুৰি-নাদুৰি অজ্ঞাতবাস আৰম্ভ কৰিলে। তেওঁৰ লগত ব্যক্তিগত সচিবৰ দৰে লাগি

থকা গুৱাহাটীৰ (টকৌবাৰী) গোপাল দাসেও আত্মগোপন কৰিবলৈ বাধ্য হ'ল।

"জীৱন :—আজি ভাৰতৰ ধনিক শ্ৰেণীয়ে সিহঁতৰ নিৰ্দেশ মতে সিহঁতৰে দলৰ অনুষ্ঠানৰ নেতৃত্বত জনতাৰ মতামত অৱহেলিত ভাৰতৰ ৰাষ্ট্ৰ ক্ষমতা হস্তান্তৰৰ নামত উত্তৰাধিকাৰ সূত্ৰত নিজ হাতত লৈ ভাৰতৰ কলিজা দুই স্থানত খণ্ডিত কৰি ইংৰাজৰ সলনি ধনৰাজ থাপিলে। সেই বিশ্বাসঘাটক ৰাইজদ্ৰোহী নেতাসকলে ৰাইজৰ কিবা কৰিব—কিবা অভাব গুচাব বুলি এতিয়াও ভাবেনে? নাভাবিব। কাৰণ স্বাধীনতাই যেন সিহঁতৰ কাম্য—সিহঁতৰ লভ্য—সিহঁতৰ লোভ—সিহঁতৰ সম্পদ, সিহঁতৰ ঐশ্বৰ্য, সিহঁতৰ শেষ আকাংখা, অথচ সিহঁতৰ চকুৰ আগতে গৰীব জনতাই মৰে, মানুহ হৈ আৰু নুঠে। এই ক্লান্ত, দৰিদ্ৰ, শিক্ষাহীন, স্বাস্থ্যহীন, সৰ্বহাৰা শ্ৰেণীয়ে পলে পলে ক্ষণে ক্ষণে, ধীৰে ধীৰে, দিনে দিনে, তিলে তিলে ক্ষয় হৈ যাব ধৰিছে, তাৰ বাবে এই ভেমপুৰীয়া নেতাহঁতৰ কোনো বিচাৰ নাই, দায়িত্ব নাই, অনুসন্ধান নাই, আছে মাথো নিষ্ঠুৰ নিৰ্মম স্বাৰ্থপৰতাৰ ভীষণ ভয়াল কৰাল মূৰ্তি।"

"...এফালে দেশপ্ৰেমৰ নামত ধনীৰ নেতৃত্বত আইনসংগত হত্যালীলাৰ ব্যাপক অভিযান, আনফালে ধনীহঁতৰ অনুকৰণ কৰি নিঃস্ব গৰীব সৰ্বহাৰাৰ নিৰ্লজ্জ লুঠ, দাঙ্গা আৰু নাৰী নিৰ্যাতন। অথচ একে জাতীয় প্ৰেৰণা—ব্যক্তিগত দখলৰ প্ৰেৰণা ধনী নিধনীসকললোৰে মাৰাত্মক লোভ জঘন্য মানসিক সম্পদ, সমাজসেৱাৰ নামত ব্যক্তিগত লোভৰ চৰিতাৰ্থতাৰ অবিৰাম অন্তৰ্দাহ। এনে মানসিক সম্পদেৰে জানো দেশ গঠন সম্ভৱ?"

(গেওনি ৰেওনি : নাট : ৰাভা)

অগনি যুগৰ ৰঙা ফিৰিঙতি শিখা

"১৯৪০ চনত দ্বিতীয় মহাসমৰৰ সময়ত কোহিমাত জাপানীসকলে বোমা পেলাইছিল। তেতিয়া মোৰ অন্তৰত এটি আশংকা জাগি উঠিছিল। যদি জাপানী শত্ৰু সকলে অসমখন ধ্বংস কৰে তেন্তে অসমীয়া জাতিও মৰিব। গতিকে অসমীয়া কৃষ্টি সংস্কৃতিবোৰ যদি সংগ্ৰহ কৰি থওঁ তেন্তে অসম তথা অসমীয়া জাতি ধ্বংস হলেও মোৰ সংগ্ৰহেৰে আকৌ এদিন অসমীয়া জাতি পুনৰ জীৱিত হৈ উঠিব।

মনৰ এই তীব্ৰ আশংকা লৈ ওলাই যাওঁ অসমখন পৰিভ্ৰমণ কৰিবলৈ। অসম ভূমিৰ ইণ্ডিয়ে ইণ্ডিয়ে ঘূৰি ফুৰি প্ৰতিজন অসমীয়া, সি জনজাতিয়েই হওঁক, নাইবা অ-জনজাতিয়েই হওঁক, তেওঁৰ লগত চা-চিনাকি হৈ তেওঁৰ লগত হিয়াৰ আমঠু কলিজাৰ এডুখৰি আৰু বুকুৰ এফাল হৈ একন একন কৃষ্টিৰ কণা মোৰ মনৰ কোঁহৰ জোলোঙাত ভৰাই লওঁ। এই দৰে লৰি লৰি পাওঁগৈ শদিয়া অঞ্চল। সেই সুদূৰ শদিয়াৰ পটীয়া গাৰঁৰ লুইতৰ পাৰৰ বালি-চাপৰিত লগ পাওঁ এটা মিচিমিৰ দল। তেওঁলোকৰ লগত চা-চিনাকি হৈ মিতিৰ পাতো আৰু তেওঁলোকৰ বিষয়ে বহু কথা জানোঁ।

....মিচিমি সকলৰ বহুলা দেৱতা। প্ৰলয়ৰ দেৱতা 'মুজেদাগ্ৰাহ' চিকাৰ আৰু কামৰ দেৱতা 'জমিপাসেয়া', সম্পত্তি আৰু ৰোগৰ দেৱতা 'তাৱা' আদি। নাম নোহোৱা দেও ভূতো বহুতো আছে।".... (বান' ক'বাং ৩য় খণ্ড : ৰাভা)

এই বহল মনোৰম অসমখন আৰু ইয়াত যুগে যুগে বাস কৰি থকা লোকসকলক তেওঁ তেওঁৰ প্ৰাণতকৈও ভাল পাইছিল, বুকুৰ কলিজা যেন চেনেহ কৰিছিল। এই পবিত্ৰ আৰু সুন্দৰ ভূমিখণ্ডৰ ইণ্ডিয়ে ইণ্ডিয়ে ঘূৰি ঘূৰি তেওঁ ৰাইজৰ হৃদয়ৰ মণি-মুকুতাবোৰ হৃদয়ত উম দি পুনৰ ৰাইজকেই বিলাই দিয়াই আছিল তেওঁৰ জীৱনৰ লক্ষ্য। অকল অজ্ঞাতবাসৰ সময়তহে যে তেওঁ ঘূৰি

ফুৰিছিল, তেনে নহয়, তাৰ বহু পূৰ্বৰ পৰাই জনগণৰ সান্নিধ্য লভি, তেওঁলোকৰ দুখ-বেদনা, অভাৱ-অভিযোগৰ সদায় বা-বাৰ্তালৈ তেওঁ সদায়েই সাত আকাশ সাত পাতাল মাৰি ফুৰিছিল, সেয়েহে নৃতাত্ত্বিক তেওঁৰ সকলো লিখাই আছিল বাস্তৱ অভিজ্ঞতাৰ স্বাক্ষৰ।

তেওঁৰ এই অজ্ঞাতবাস প্ৰায় পাঁচ বছৰ চলিছিল। এই অজ্ঞাতবাসেই তেওঁৰ জীৱনৰ 'চিহ্ন-যাত্ৰা' আৰু 'দেউল যাত্ৰা'ৰ দৰেই মনোৰম, মংগলজনক আৰু মহিমাময়ী। এই যাত্ৰাকেই 'জন-যাত্ৰা' আৰু 'জয়-যাত্ৰা' বুলি কব পাৰি। অসমৰ এনে এখন গাঁও নাই, য'ত তেওঁৰ চৰণৰ চাব পৰা নাই, এনে এখন নৈ নাই য'ত তেওঁ সাতোৰ মৰা নাই, এনে এটি টিং নাই য'ত তেওঁ উঠা নাই, এনে এখন হাবি নাই য'ত তেওঁ এৰাতি থপা নাই। তেওঁ নিজেই লিখিছে ঃ—

"...অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ফুৰোঁ, ঘূৰোঁ, টহলোঁ। পূবে বৰ্মা-সীমান্ত, পচিমে নেপালৰ পূৰ্বান্ত, আনকি তিব্বতৰ সীমান্তলৈকে যাওঁ। কিমান ধৰণৰ মানুহৰ সৈতে যে নিবিড় সম্পৰ্ক হয়, মই জানো ;—আবৰ, খামতি, ফাকিয়াল, চুটীয়া, আহোম, ৰাভা, কছাৰী, লালুং, মিকিৰ, গাৰো, ডিমাছা, কোচ, কলিতা, বামুণ, গোসাই, গৰীয়া, মৰীয়া, লেপ্চা, ভুটীয়া, নেপালী আৰু যে কিমান! বৰণ বেলেগ, ধৰ্ম বেলেগ ; কিন্তু স্বাৰ্থ একেই। মুণ্ডা, উড়িয়া, কুৰ্মী, চাওতাল আদি আদিবাসী সকলৰো হালোৱা, হজুৱা, বনুৱা আৰু তলমজলীয়া খলপৰ দুখীয়া ৰাইজৰ ভিতৰত বিৰিঙি উঠা দুঃখ-দুৰ্গতিৰ কোনো বিভিন্নতা নাই। সেই একেই অৰ্থনৈতিক হেঁচা।"...

(পাতনি—সোণপাহি ঃ ৰাভা)

ইতিমধ্যে অসম চৰকাৰৰ দহহেজাৰ টকাৰ পুৰস্কাৰ এটি ঘোষণা হৈ গৈছিল—বিষ্ণুপ্ৰসাদ ৰাভা ওৰফে বিষ্ণু ৰাভাক মৃত কিম্বা জীৱন্ত অৱস্থাত নাইবা শিৰচ্ছেদ কৰি হলেও পুলিচৰ হাতত যি দিব পাৰিব, সেইজনকেই দহ হেজাৰ টকাৰে পুৰস্কৃত কৰা হব। এই ঘোষণাই চিপাহী চন্তৰীৰহে হৃদয় কম্পমান কৰিছিল, কিন্তু ৰাইজৰ বুকুৰ এডুখৰি যেন প্ৰিয়পাত্ৰ বিষ্ণু ৰাভা অকণো বিচলিত হোৱা নাছিল। চিপাহী-চন্তৰীয়ে চলোৱা ৰাইজ-নিৰ্যাতন, ৰাইজে অকাতৰে সহ্য কৰিছিল।

"প্ৰতিক্ৰিয়াশীল চৰকাৰী পুলিচী জুলুম অবাধে চলে। তাৰ বাবে ৰাইজ আতংকিত নহয়, শংকিত হয় বৈপ্লবিক নিষ্ফলতাৰ আশংকাত আৰু কমৰেড্‌সকলৰ ধৰা পৰাৰ ভয়ত।

ৰাইজৰ বিশাল সাগৰ—অসীম অপাৰ।

ৰাইজৰ চেনেহৰ মৰমৰ অসীম অপাৰ বিশাল সাগৰত আমি মাছ হৈ ঢেল ওপঙাদি সাঁতুৰি সাঁতুৰি খেলোঁ, মেলোঁ, ওমলোঁ। ...ওপৰত মাছৰুকা উৰে জাকে জাকে, ঠাপ মাৰি নিব খোজে। ...আমি হেন মাছৰ দলে ৰাইজৰ মৰম

চেনেহ ভৰা হিয়া-সাগৰৰ গভীৰ তলত ডুব দিওঁ। মাছুলুকাৰ জাকে আমাক নাপাই ভাগৰি পৰে। উবি গুচি যায়। আকৌ আমি হেলাৰঙে পানীত খেল মেলি ওমলো ৰঙেৰে উলাহেৰে। মাছলুকাৰ জাক যেন—পুলিচ-মিলিটাৰী-চোৰাংচোৱাৰ দল।

ৰাইজৰ মৰম-চেনেহেই আমাৰ ৰক্ষাকবচ, ৰাইজৰ আশীষেই আমাৰ পাশুপাত অস্ত্ৰ। এই ৰক্ষাকৱচ আৰু পাশপাত-অস্ত্ৰৰ বলতেই আমি সুস্থ, বলিষ্ঠ, নিভীৰ্ক সৈনিক।”… (পাৰ্তনি—সোণপাহি ঃ ৰাভা)

এই অজ্ঞাতবাসৰ সময় ছোৱাতেই বিষ্ণুপ্ৰসাদ ৰাভাদেৱে অনেক গীত, গল্প, নাটক, প্ৰৱন্ধ, উপন্যাস আৰু অসমৰ বুৰঞ্জী লিখে। চোৰাংচোৱা বা চিপাহী-চন্তৰীৰ আগমনৰ ৰিংৰ ক্ষুদ্ৰ শৰদ পালেই লিখাবোৰ ক'ৰবাট লুকুৱাই যে আঁতৰি যায়, লুকাই পৰে বা ভেশচন কৰি তাতেই টুলুঙা মাৰে। অসমৰ চাৰি হেজাৰ বছৰৰ বুৰঞ্জীথনৰ লিখা কাম চলি থাকোতে অনেক দিন তেওঁ সেইখন বুকুৰ মাজতেই লৈ ফুৰিছিল।

অসম চৰকাৰৰ বিজ্ঞপ্তিয়ে ৰাইজক কেবা বাৰো সাৱধান কৰি দিছিল আৰু বিষ্ণু ৰাভাৰ আশ্ৰয় দিওঁতা লোকৰ সন্ধান পালে কঠোৰ শাস্তিমূলক ব্যৱস্থা লোৱা হব বুলিও ঘোষণা কৰিছিল। চৰকাৰৰ চিপাহী-চন্তৰী আৰু চোৰাং চোৱাসকল এই বিষয়টোত বেচি তৎপৰ হৈছিল আৰু বিষ্ণু ৰাভাক উলিয়াই নিজৰ নাম কৰিবলৈ অতিপাত যত্ন কৰিছিল। ইয়াৰ মাজতেই বিপ্লৱীসকলে অতি আওহতীয়া আৰু দুৰ্গম গাওঁ চৌধুৰী টুপত ৩টি স্থায়ী শিবিৰ পাতি যুৱক-যুৱতীসকলক প্ৰশিক্ষণ দিছিল। নলবাৰী জিলাৰ মেদাঘাটৰ ওচৰৰ এই গাওঁ খনলৈ কোনো পিনেদি তেতিয়া একো বাট-পথ নাছিল। ইয়াৰ বড়োকছাৰী বাসীন্দাসকলে শ্ৰীৰঙাৰাম চিয়াৰীৰ নেতৃত্বত এই স্থানতেই এক গোট হৈ পৰিছিল, পিছলৈ ইয়াত ভয়ানকভাবে পুলিচ-মিলিটাৰীয়ে নিৰ্যাতন চলাইছিল, কিন্তু গাঁওৰাইজ কোনো দিনাই ভাঙি' নপৰিল আৰু বিচলিতো নহল।

প্ৰশিক্ষণ কাৰ্যকৰী কৰিবলৈ বিপ্লৱী ৰাভাদেৱে “ৰণ নীতি আৰু ৰণ-কৌশল” নামৰ পুস্তিকা এখন লিখি উলিয়ায়। ‘মুক্তি-ফৌজ’, ‘নাৰী-মুক্তি-সংঘ’ আৰু কৃষকবনুৱা-পঞ্চায়ত গঠন কৰি আত্মগোপনকাৰী বিপ্লৱীসকলে এখনি ‘মুক্ত-অঞ্চল’ গঢ়িবলৈ যত্ন কৰিলে। পিছত ভাৰতৰ সকলো বিপ্লৱীৰ মাজত প্ৰশিক্ষণ আৰু সংগঠনৰ বাবে ৰাভাদেৱে এই পুস্তিকাখনি আৰু কিছু বিস্তৃত কৰি “Tactics & ,Strategy of Revolution” নাম দি চিত্ৰ আদিৰে আঁকি লিখি উলিয়ায়।

শিৱসাগৰ অঞ্চলত খগেন্দ্ৰ বৰবৰুৱাৰ যোগ্য নেতৃত্বত প্ৰবল সংগ্ৰাম চলিছে। দীঘল ওখ বগা স্বাস্থ্যৱান শুৱনী বৰুবৰুৱাই নিজৰ চৰিত্ৰ আৰু পৰিচালনাৰ বলত সংগ্ৰাম জংগী কৰি তুলিছে। তাতে আকৌ বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ

অগ্নিবৰ্ষী আৰু আবেগময় বক্তৃতা শুনি যুৱকবৃন্দ বৰটোপৰ দৰেই শক্তিশালী হৈ উঠে।

হেৰ' হেৰ' অগনি যুগৰ ৰঙা
ফিৰিঙতি শিখা
জ্বল্ জ্বল্ উঠ্ উঠ্ আন কাঢ়ি ৰুদ্ৰ
কপালৰ ৰক্ত চন্দ্ৰকলা ৰেখা —
তুলি লৱ তুলি লৱ তই কৰালী কালীৰ—
ভীম ভয়ংকৰ খড়্গ
ভাঙ্ ভাঙ্ ভাঙ্ ভাঙ্
কাৰাৰ কপাট অভিশাপ—
পূৰ্ণ এই দুঃখময় দুৰ্গ
তই নিজে অনন্ত বিশাল।
...... মুক্ত কাৰাবাসী গণ
ওলায় দলিত জন
ভাঙি মেলি কাৰাৰ দুৱাৰ—
গাই মুকুতিৰ গান
তুলি অগ্নিবাণ।"......

(মুক্তি-দেউল : ৰাভা)

তেওঁ দৃঢ়াই দৃঢ়াই কৈছিল যে যিমান দিনলৈ পুঁজিপতি ধনিক, শোষক প্ৰতাৰকসকলৰ হাতত ৰাষ্ট্ৰক্ষমতা থাকিব, সিমান দিনলৈ নিপীড়িত, শোষিত, অৱহেলিত হালোৱা, হজুৱা বনুৱাৰ দুঃখ-দুৰ্গতি, অভাৱ-অনাটন, অনাদৰ, অৱহেলাৰ অন্ত নপৰিব আৰু সিমান দিনলৈ জনগণৰ সুন্দৰ সংস্কৃতিও বিকশিত হৈ উঠিব নোৱাৰিব। জনগণৰ দুঃখ-দৈন্যই তেওঁক বেদনাক্লিষ্ট কৰি তুলিছিল আৰু ইয়াৰ প্ৰতিকাৰ কৰিবলৈ তেওঁ বদ্ধপৰিকৰ হৈছিল, সেয়েহে সংগ্ৰাম শক্তিশালী কৰি তুলিবলৈ তেওঁ দেহ-মন প্ৰাণ ঢালি দিছিল।

পুনৰ যাত্ৰা আৰম্ভ হয় অসমৰ উজনীৰ পৰা নামনিলৈ আৰু নামনিৰ পৰা উজনীলৈ। এনে দৰে অঘৰীৰ দৰে ঘূৰি ফুৰোঁতে তেওঁৰ অনেক লিখন আৰু অংকন যে হেৰাই গৈছিল তাত কোনো সন্দেহ নাই। ডিবৰুৰ পৰা বিশ্বনাথ, চটিয়া, নাগশংকৰ, জামুগুৰি, চিৰাজুলী, হুগ্ৰাজুলি, মাজবাট, ওদালগুৰিয়েদি সোমাই ৰৌতা, হৰিশিঙাৰে টংলা পাৰহৈ ৰঙ্গীয়াত বৈ নলবাৰী-বেলশৰেদি বৰমা দীঘেলী ওলায়। দীঘেলীত তেওঁৰ অন্তৰংগ সংগী হৈ পৰে সতীশ ৰামচিয়াৰী নামৰ বিপ্লৱী যুৱক এজন। এওঁ জনসাধাৰণৰ মাজত "চটো গাওঁবুঢ়া" নামে জনাজাত আছিল। বেলগুৰি গাওঁৰ বিমল ব্ৰহ্মচৌধুৰী নামৰ আন এজন যুৱক তেওঁৰ অনুগামী হৈ বিপ্লৱ-সংগঠনৰ কামত বিশেষভাৱে জাঁপিয়াই

পৰিছিল। হেলমাৰ পামৰ উমেশ বড়ো নামৰ আন এজন যুৱকে তেওঁৰ সংগী হৈ অসংখ্য গাঁও, বন-বননি ঘূৰি ফুৰিছিল।

বৰপেটা জিলাৰ উত্তৰ অঞ্চলটোত সেই সময়ত বিপ্লৱৰ ঘম ঘণ্টাই চৰকাৰৰ কলিজা কঁপাই তোলে। বাঘমাৰা, খুণ্টামাৰী, বৈষ্ণৱপাৰা, শিলবাৰী, অণ্ডলি, শিমলা, হজুৱা, বকুলাবাৰী, ৰাঙাপানী, আৰকৰা, চকাদল, মানিকপুৰ, চৈবাৰী ডেবলা আদি গাওঁসমূহ ঘূৰি ঘূৰি অ'ত-ত'ত থাকি, গীত গাই, গান গাই, শিকাই বুজাই ছবি আঁকি, নাচি-বাগি জনগণৰ মাজত চেতনা, প্ৰেৰণা আৰু সংঘাটেৰে বিপ্লৱৰ অগনি জ্বলাই দিয়ে। আৰকৰাৰ গাগেব ভৰালীৰ ঘৰত থেতিয়কসকলক বিপ্লৱৰ পদ্ধতি বুজাই থাকোতে চিপাহী গাঁওৰ ওচৰ পাইছে বুলি খবৰ পোৱাত সকলোখিনি আঁতৰি পলাল কিন্তু তেওঁ ৰান্ধনি ঘৰত সোমাই মেথনি মাৰী দুজনী বুঢ়ীৰ লগত বুঢ়ী হৈ বড়ো ভাষাৰে কথা পাতি থাকিল। চিপাহী কেইজনমান আহি ভৰালীৰ ঘৰ পিট্‌পিট্‌কৈ চাই ৰান্ধনি ঘৰত থিৰোতা বুঢ়ী কেইজনীক কিবাকিবি সুধি ওলাই তাহিল, বিষ্ণু ৰাভাক উলিয়াব নোৱাৰিলে।

চৌধুৰীটুপৰ বভা বাৰ্মাচিয়াৰী বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ এজন অতি বিশ্বাসী সৎ কৰ্মী। তেওঁ বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ গোপনীয় চিঠি-পত্ৰৰে পশ্চিমবঙ্গৰ অন্যতম নেতা পান্নালাল দাসগুপ্তৰ লগত যোগাযোগ চলাইছিল। এই দাসগুপ্তৰ বিপ্লৱী তত্বৰ "চেতনা প্ৰেড়না ও সংঘাট" নামৰ বাংলাভাষাৰ বিখ্যাত পুথিখনি পিছত গোপাল দাসে অসমীয়া ভাষালৈ অনুবাদ কৰি প্ৰকাশ কৰিছিল।

শিলবাৰী গাঁওলৈ বিষ্ণুপ্ৰসাদ ৰাভাদেৱে ঘনাই তাহিছিল, আনকি এদিন তেওঁ তাত ফুটবল খেলি উঠি কোন গৈছিল, কোনেও কব পৰা নাছিল। শিলবাৰীৰ মানুহৰ মৰম-চেনেহৰ কথাৰে শিলবাৰীৰ গীত এটিও ৰচনা কৰি সুৰ দি গাই শুনাইছিল। ইয়াৰ পৰাই ঘনকান্ত বড়ো আৰু নবীন বসুমতাৰী তেওঁৰ সংগী হৈ দিহিঙে-দিপাঙে ঘূৰি সংগঠনৰ কামত লাগি পৰিছিল। মাজৰাবাৰীৰ লক্ষ্মীকান্ত বড়োৰ লগত ৰাভাদেৱে মাজে সময়ে নিশা ঘূৰিছিল আৰু কেতিয়াবা তেওঁৰ ঘৰতেই ৰৈছিল। তেওঁৰ পৰিবাৰ ৰাজনীবালা বড়ো অতি উদাৰমনা সবলা নাৰী। মহান ৰাভাদেৱৰ বিভিন্ন গুণৰ বাবে তেওঁ কলাকাৰ জনক গুৰু ৰূপে মান্য কৰিছিল আৰু জানিছিল যে চিপাহীয়ে লগ পালেই তেওঁক মৃত্যু-দণ্ড দিব, এই কথাটো যুৱতী মহিলা জনীয়ে ভাল দৰে বুজি পাইছিল।

চাওঁতে চাওঁতেই এদিন বৰপেটা জিলাৰ উত্তৰ বিজনী মৌজাত চিপাহী চন্তৰীৰ দল এটিয়ে গাওঁ-ভুঁই তহলং কৰি ৰাজদ্ৰোহী বিষ্ণু ৰাভা আৰু আন কেইজনমানক বিচাৰিবলৈ ধৰিলে। চোৰাং চোৱাই জানিব পাৰিলে যে বিপ্লৱী

ৰাভা ৰাজনীবালা বড়োৰ ঘৰত কেতিয়াবা থাকে। গতিকেই সেই গাওঁখনত চিপাহী-চন্তৰীয়ে দেড়কুৰিমান মুনিহ-তিৰোতা আৰু ডেকা-গাভৰুৰ সৈতে এই ৰাজনীকো হাত-কেৰেয়া লগাই বৰপেটা-থানালৈ লৈ আহিল। থানাত এইসকলৰ ওপৰত অত্যাচাৰ চলোৱা হ'ল। সেইদলটোৰ ভিতৰত ৰাজনীয়েই আছিল শুৱনী, তেজে ফুটো ফুটো কৰা ভৰা মুখ, তাতে আকৌ তাই সগৰ্ভা সুন্দৰী। তাইৰ ওপৰতেই দাঙৰ কোব আৰু বুট-জোতাৰ খচকু বেচিকৈ পৰিবলৈ ধৰিলে। বিষ্ণু ৰাভাৰ বিষয়ে একো নকয় বুলি তাই দৃঢ়-প্ৰতিজ্ঞ হৈছিল, কোবৰ পিছত কোব তাইৰ গাত পৰিছিল আৰু শেষলৈ ৰাজনী অচেতন হৈ গৈছিল। ল'ৰাৰজাৰ চাওডাংৰ অমানুষিক অত্যাচাৰৰ বিৰুদ্ধে জয়মতী কুৱৰীয়ে দৃঢ়ভাৱে নিমাত হৈ থকাৰ দৰে ৰাজনী জনীয়েও নিমতে-নিতাল হৈ প্ৰতিৰোধ কৰিলে; হজ্ঞাতবাসী বিষ্ণু ৰাভাৰ বিষয়ে এটি আখৰৰো সন্ধান নাপালে। দৃঢ়-প্ৰতিজ্ঞ, দেশ প্ৰেমিকা, সমাজ-সেৱিকা, নিপীড়িত কৃষক ৰাইজৰ বন্ধুৰ এফালে, বিদ্ৰোহী ৰাজনীবালা বড়োৰ বৰপেটা হচ্পিটালত মৃত্যু হোৱা বুলি চৰকাৰৰ তৰফৰ পৰা জনোৱা হ'ল!

"কৃষকে বিনায়
 শ্ৰমিকে কান্দে
  অস্পৃশ্য অসহায়;
সেই অসহায়তাৰ
 সৃষ্টি আজি
  বিদ্ৰোহ মহানল
বোৱা শোণিতৰ ঢল
 জলমল্ জলমল্
  শুনা।" (মুক্তি দেউল : ৰাভা)

গুৱাহাটীৰ কাষৰৰ বোন্দা পৰ্বতৰ হাবিৰ মাজত ৰঙা নিচান তিৰ্‌বিৰাই মুৰ দাঙি উঠিছে। ইয়াতেই বিপ্লৱীসকলৰ সশস্ত্ৰ-বিপ্লৱৰ প্ৰশিক্ষণ আৰম্ভ হৈছে। এই অঞ্চলটোৱেই এৰ্থনি অৱহেলিত, অনাদৃত আৰু শিক্ষাহীন স্থান। কোনো মানুহ তালৈ নাযায়, ৰজাঘৰৰ বা-বিষয়ায়ো কৰ নোৱাৰে, তাত কেনে ধৰণৰ প্ৰজা থাকে। কিন্তু স্থানীয় মানুহে খেতি কৰি দুমুঠি উলিয়ায়, সেয়েহে অতিথি-আলহিৰ বাবেও এইখন 'ভাতগাঁও', অতিথি আলহিও সেই অৱহেলিত শোষিত কৃষক-বন্ধুৱা হালোৱা হজুৱাসকলেই। বীৰকুছি গাঁওখনৰ নিম্ন খেতিয়ক সকলো ধনহীন হলেও মনহীন বা প্ৰাণহীন নহয়, তেওঁলোক আত্মবলত বলীয়ান বীৰ। প্ৰশিক্ষণ লোৱা জংগী যুৱকসকলক তেওঁলোকেই খুৱাইছে, চাইছে আৰু শত্ৰুৰ পৰা ৰক্ষা কৰিবলৈ ৰাতিৰ প্ৰহৰী হৈছে। এই প্ৰশিক্ষণ চলি থাকোঁতেই বিষ্ণুপ্ৰসাদ ৰাভা আৰু দুজনে জৰুৰী গোপন কাৰ্যত উত্তৰ কামৰূপৰ ভিতৰুৱা

গাঁওলৈ গৈছিল। ৰাভাদেৱে তেওঁৰ লিখা কাগজ-পত্ৰ কিছুমান গাঁওৰেই জানকী তৈৰণ নামৰ এজনী গাভৰুৰ হাতত অতি গোপনে ৰাখিবলৈ দি গৈছিল। এই প্ৰশিক্ষণ শিবিৰৰ হয়তো চোৰাং-চোৰাই কিবা শুং-সূত্ৰ পালে। ৰাইজ-আন্দোলন, ৰাইজ-বিদ্ৰোহ বা ৰাইজ-বিপ্লৱ দমনত নাম থকা হাইদৰাবাদৰ উমায়ুন ৰেজিমেণ্টৰ হেজাৰ-বিজাৰ চিপাহীয়ে মুহূৰ্ততেই ঘেৰাও কৰিলে বন্দুক বায়োনেটেৰে মাছ মৰাৰ নিচিনা চেঁপি লৈ আহিল। অনেক মানুহ চিপাহীৰ হাতত বন্দি হ'ল, দুই এজনহে কিবাকৈ পলাল।

চিপাহী--চন্তৰীৰ হুমুথেকতে হোৱা আক্ৰমণত জানকী বিবুধিত পৰিল। ৰাভাদেৱৰ লিখা কাগজ-সোপা খেৰৰ চাং এখনৰ খেৰৰ মাজত লুকুৱাই থলে। এনেতে চিপাহী কেইজনমান সেমোই জানকীৰ মাক বাপেকক লগ পাই বিষ্ণু ৰাভাৰ কথা সুধি কোবাবলৈ ধৰিলে। জীয়েক জানকীয়ে নিৰুপায় হৈ ৰান্ধনি কোঠাটোত সোমাই থাকিল। ৰেজিমেণ্টৰ লগত অসম পুলিচৰ অনেক সৰু বৰ বা-বিষয়া আছিল। বিষ্ণুপ্ৰসাদক হাতে হাতে ধৰা পেলাই প্ৰমোচন লোৱাৰ হাবিলাস তেওঁলোকৰ কোনো কোনোৰ নিশ্চয় হৈছিল।

চিপাহীয়ে ঘৰটো লণ্ড-ভণ্ড কৰি দিয়াত খেৰৰ মাজত থকা লিখাবোৰ ওলাই পৰিল। বিষয়া এজনে জানকীক জুপুকা মাৰি বহি থকা দেখি— ইয়েই আচল আচামী বুলি হোৰ্-হোৰাই বাহিৰলৈ টানি আনি বিষ্ণু ৰাভাৰ বিষয়ে প্ৰশ্ন কৰি উত্তৰ নোপোৱাত কোবাই বগৰাই দি জোতাৰে গচকি দিলে। তাই মনত বল বান্ধি লৈ একো নকওঁ বুলি দৃঢ় প্ৰতিজ্ঞ হ'ল।

সমগ্ৰ অঞ্চলটোৱেই অত্যাচাৰ উৎপীড়নত ভয়াবহ ৰূপ লৈ উঠিল। ইয়াৰ মাজতেই 'ইনকিউলাব জিন্দাবাদ' ধ্বনি শুনা গৈছিল। কিছুমান লোকক পুলিচে বান্ধি বান্ধি পুলিচ থানালৈ লৈ গ'ল আৰু জানকী টৈৰণৰ লগত পাঁচজনমানক মিলিটাৰী কনচেনট্ৰেচন কেম্পলৈ পঠিয়াই দিলে।

শুৱনী সুন্দৰী কেতেকী ফুলৰ সুবাসৰ দৰেই পৱিত্ৰ ষোল বছৰীয়া জানকী টৈৰণৰ উমায়ুন ৰেজিমেণ্টৰ কৰুণ নিপীড়ন আৰু অমানুষিক উদণ্ড অত্যাচাৰত দুদিন দুনিশাৰ পিছতেই প্ৰাণ পক্ষী উৰি গ'ল, কিন্তু বিপ্লৱৰ ইতিহাসত জানকী টৈৰণ হৈ ৰ'ল চিৰ অমৰা, চিৰ সুন্দৰী, চিৰ জ্যোতিৰ্ময়ী।

সময় বৈ নাথাকে, কালে কাকো দয়া-মায়া নকৰে, দুৰ্বাৰ গতিৰে কালৰ গতিৰে কালৰ চকৰী আগ বাঢ়ে। এনে দৰেই কালৰ গতিয়ে কাঢ়িয়াই আনে এটি অ-সহনীয় দিন! ১৯৫১ খৃষ্টাব্দৰ সোতৰ জানুয়াৰী !! জ্যোতিপ্ৰসাদ ৰূপকোঁৱৰ !! মহাশিল্পী জ্যোতিপ্ৰসাদ আগৰৱালাৰ অনন্ত যাত্ৰা মহাসুন্দৰৰ সীমাহীন ৰাজ্যলৈ !!!

বাতৰিটি পাবলৈ অজ্ঞাতবাসী সুৰসাধক, সুন্দৰৰ পূজাৰী, কবি-গীতিকাৰ, গায়ন-বায়ন-নটবৰ, বিপ্লৱী-বিদ্ৰোহী বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ বেছি সময় নালাগিল।

তেওঁ বেদনাত অস্থিৰ হ'ল, কোনো বিপদ বিঘিনি ধুমুহা বা'-মাৰলিও লৰাব নোৱাৰা এই ধৈৰ্যশীল সহনশীল মহান পুৰুষ জনৰ হৃদয় যেন ভাগি চুচুমৈ হৈ পৰিল—তেওঁ গুপ্ত-শিবিৰ এৰি গুচি যাব, তেওঁ জ্যোতিৰ দাহনৰ ৰঙা ৰঙা শিখাৰ মাজত নিজকে বিলীন কৰি দিব!

বন্ধু-বান্ধৱ সকলে তেওঁক বুজালে—নিপীড়িতৰ মুকুতিৰ বাবেই তেওঁৰ এই অজ্ঞাত-বাস, জ্যোতিদেৱৰে সেই একেই উদ্দেশ্য আছিল, নিজ কৰ্তব্য সাধনতহে জ্যোতিৰ অমৰ আত্মাই আনন্দ পাব, ধৈৰ্য্য ধৰক। সঁচাকৈয়ে-স্থিত-প্ৰজ্ঞ বিষ্ণু লাহে লাহে সুস্থিৰ হৈ পৰিছিল, তেওঁৰ কৰ্তব্য-বোধ উজ্বল হৈ উঠিছিল, শোষিত পীড়িত দলিতৰ মুকুতিৰ বৰঢোল যেন তেওঁৰ হৃদয়ত বাজিছিল।

"......লোহিতৰ পাৰৰ অগ্নিসুৰ
শুনি শুনি অসমৰ তাপিত
হিয়াত লাগে জুৰ,
আৰু আৰু যে কিমান—
ৰচিলা শুঁথিলা গীতাবলী তৰাবলী
দীপাৱলী জ্বালি
আপোন উজলা হই হলা—
দীপ্তিমান।
আজি নাই তুমি—
অসমৰ
চেনেহৰ
মৰমৰ
জ্যোতি
আজিতো পাতো তোমাৰেই স্মৃতি
স্মৰো তোমাৰেই কৃতি
মেলো তোমাৰেই জ্যোতি
গাই তোমাৰেই গান
হে জ্যোতি সিদ্ধ তাপস কুমাৰ—
ৰূপ সাধক দধীচি
জ্যোতিষ্মান।"......

(জ্যোতিপ্ৰসাদ : ৰাভা)

জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতি বিষ্ণুপ্ৰসাদৰ আছিল গভীৰ শ্ৰদ্ধা আৰু আস্থা। ৰাভাদেৱে লিখা "জ্যোতিৰ জেউতি" নামৰ প্ৰবন্ধত তেওঁ এনে দৰে প্ৰৱন্ধটোৰ সামৰণি-মাৰিছিল :

"তেওঁ (জ্যোতিপ্ৰসাদ) কেৱল কবি, গায়ক, নাট্যকাৰ, সাহিত্যিকেই নাছিল—আছিল দূৰ দ্ৰষ্টা ঋষি।

ভাৰতত আন মানুহে ভবাৰ আগতে, জ্যোতিয়ে অনুভৱ কৰিছিল ভাৰতীয় নৃত্যৰ উৎকৰ্ষ সাধন, দেশত আজি ন-জোৱান শব্দ প্ৰচাৰিত হোৱাৰ বহু বছৰ আগতে স্বাধীনতা সংগ্ৰামী ন-জোৱানৰ কল্পনা কৰিছিল। "ঝাণ্ডা উচা ৰহে হামাৰা," পতাকা উত্তোলিত সংগীতৰ বহু বছৰ পূৰ্বতে সপোন সনা মহীৰে লিখিছিল—

"......আলোকি বিমান
অ'মোৰ ভাৰতৰে বিজয়ী নিচান।"......

বিষ্ণুপ্ৰসাদ ৰাভা শান্ত হৈছিল আৰু নতুনকৈ গঢ় লৈ উঠা 'অগনি যুগৰ ৰঙা ফিৰিঙতি শিখা'ৰ মাজৰে তেওঁৰ অজ্ঞাবাসী যাত্ৰা পুনৰ আৰম্ভ হ'ল। পুনৰ তেওঁ ৰাইজৰ-সাগৰত সাতোৰ মাৰি মাৰি অ'ত উঠিছে, ত'ত বৈছে, ৰাইজক বুজাইছে, হাঁহিছে, মাতিছে আৰু অনুপ্ৰেৰণাও দিছে। তেওঁৰ কষ্ট, সহিষ্ণুতা, উদাৰতা, দয়া, মৰম, শ্ৰদ্ধা, চেনেহ আদি গুণসমূহে জনতাৰ সমুদ্ৰত নাদুৰি-সাতুৰি, ওপঙি ফুৰিবলৈ তেওঁৰ পক্ষে সহজ কৰি তুলিছিল। চোধুৰীটুপ কাবে-মুৰালৈ পুনৰ আহি দীঘেলীয়েদি পুনৰ নলবাৰীৰ পিনে যাত্ৰা কৰিলে—খোজৰ পিছত খোজ, খোজৰ পিছত খোজ !

ৰন্ধ্ৰে ৰন্ধ্ৰে তুলি সুৰ

বিষ্ণুপ্ৰসাদ ৰাভাদেৱে আত্মগোপন কৰি থকা কালত ৰাতিপুৱাই আগদিনাৰ বাতৰি কাকত এখন যথাসম্ভৱভাবে পঢ়িবলৈ যত্ন কৰিছিল। অত্যন্ত ভিতৰুৱা ঠাইত এইটো সম্ভৱপৰ নহলেও, অনেক স্থানত কৰ্মীসকলে যিকোনো প্ৰকাৰেই বাতৰি কাকত দুই এখন লৈ আহিছিল। সাধাৰণতে আলোচনা চক্ৰ ৰাতিপুৱা আৰু গধূলী বহিছিল। একোখন গাঁওত তেওঁ কেতিয়াবা এমাহলৈও আছিল। পাৰ্টিৰ সদস্যৰ বাহিৰে আন চিনাকি লোকৰ লগত তেওঁ হঠাৎ দেখাদেখি হলে, সেই মুহূৰ্ততেই তেওঁ সেই ঠাইখন এৰি আনফালে গুচি গৈছিল। কোনো কোনো লোকৰ ঘৰত তেওঁ ঘনাই নিশা কটাইছিল।

এনে দৰে নিৰ্বিঘ্নে নিশ্চিন্ত হৈ থাকিব পৰা তেওঁৰ এটি পৰিয়াল হৈছে বেলশৰৰ নবীনচন্দ্ৰ মেধি। মেধিৰ অতি মৰমৰ ছোৱালী পোন্ধৰ-ষোল বছৰীয়া কনকলতাই তেওঁৰ সদায় আলপৈচান ধৰে। কনকলতা মিঠাবৰণৰ, গা লাহী, চকুদুটি তিৰবিৰোৱা, চুলিকোচা দীঘল, হাতৰ আঙুলীবোৰ জোঙা, মুখখন মৰম লগা। বিষ্ণুৰাভা আহিলে কনকেই সদায় তেওঁক ভাত-পানী আগবঢ়াই দিয়ে, ধুতি-চোলাও ধুই দিয়ে, যেতিয়া যিটো দৰকাৰ তাকেই কৰা যেন কনকলতাৰ কৰ্তব্য।

এদিন কনকলতাই দেখো হঠাতেই তেওঁৰ বাইদেৱেক শ্ৰীমতীকমলা বৰ্মন আৰু ভিনিহীয়েক শ্ৰীউপেন্দ্ৰ বৰ্মনৰ আগত কবলৈ ধৰিলে, "মই বিষ্ণুৰাভাৰ লগত বিয়া সোমাম, তেওঁক মই মনেদি স্বামীবৰণ কৰিছো।"

তেওঁলোক দুয়ো বৰ আচৰিত হৈ উঠিল, কাৰণ ৰাভাদেৱতকৈ তাইৰ বয়স দুকুৰিবো কম। তেওঁলোকে ভাবিলে কনকৰ কিবা মূৰৰ বিকৃতি ঘটিল। ভিনিহীয়েকে কৈ পেলালে—"তই পাগলী হৈছ, বুঢ়া মানুহ এজনৰ লগত বিয়া সোমাব খোজ!"

কনকে মন প্ৰকাশ কৰাৰ পিছত দুদিনমান বৰ বিমৰ্ষভাৱে কটালে, খাবলৈও নোখোজে, শুবলৈও মন নাই, ঘৰৰ কাম বনতো অনাগ্ৰহ। মাক-বাপেকৰো

চিন্তা হৈ পৰিল—সঁচাকৈয়ে তাই বলীয়া হবনে? এনে ভাবে সদা-সৰ্বদা হাঁহি-মাতি থকা বঙ্গীয়াল ছোৱালীজনী কিয় এনে হৈ উঠিল? কথাটো যদি সঁচাহে হয়, তেনেহলে তেওঁলোকে অতি আনন্দ মনেৰে ছোৱালী তেওঁলৈ দিব।

এদিন সন্ধিয়া লাগি ভগাৰ পিছত পলাতক বিষ্ণুবাভা মেধিৰ ঘৰ পালেহি। তেওঁ ভিতৰৰ কোঠা এটাত গৈ বহিছে। মাকে তেওঁক চাহ দিবলৈ কোৱাত লৰালৰিকৈ চাহ কাপ কৰি কনকলতাই বাভাদেৱ বহি থকা কোঠাটোলৈ গৈ চাহ কাপ দি ক'লে, "খাওঁক"। কনকলতাৰ বিষন্ন মুখ, চকুযুৰি চলচলীয়া। সীমাহীন প্ৰেমৰ মাজত বুৰ গৈ থকা বিষ্ণুপ্ৰসাদ সেই মুখ খনলৈ ৰ লাগি চাই থাকিল। কিমান দিনৰ পৰাই কিশোৰী কনকক তেওঁ লগ পাই আহিছে, কিমান দিন এই আজলী ছোৱালী জনীয়ে তেওঁৰ আল ধৰিছে, কিন্তু আজিৰ এইজনী কনকলতা যেন কোনোবা অজান প্ৰেমৰ ৰাজ্যৰপৰা অহা এজনী যেন দেৱীহে।

ভৰ যৌৱনতেই প্ৰিয়তমা প্ৰিয়লতাক বিদায় দি তেওঁ আজি প্ৰায় দুকুৰী বছৰে এক পত্নী ব্ৰত ধাৰণ কৰি কলাৰ সেৱা কৰি, গীত-বাদ্য-নৃত্যৰ চৰ্চা কৰি, ৰাইজৰ মাজৰ এজন হৈ, বনুৱাৰ লগত বনুৱা, [illegible]ৰাৰ লগত হজুৰা, হালোৱাৰ লগত হালোৱাহৈ নাট কৰি, হাট কৰি, বাট কৰি—ঝঞ্ঝা বিজয়ৰ বাবে বৈৰাগী হ'ল। বিবাহ, সংসাৰ, ধন সোণ, সুখ-সম্পদ সকলোকে অকাতৰে বিসৰ্জন দি তেওঁ সুৰ দেউলৰ সুন্দৰ-পূজাৰী হোৱাৰ হাবিলাসেৰেই এই জঙ্গী বিপ্লৱৰ অগনি পলেৰে পীড়িত দলিতৰ মুকুতিৰ বাবে কৰা এই যাত্ৰা! তথাপিও যেন আজি কনকলতাৰ চলচলীয়া দুচকুৰ মাজত তেওঁ কি দেখিলে? তেওঁৰ পমি যোৱা প্ৰাণটোৰ মাজত যেন কনককান্তিৰে পৰিপূৰ্ণ কনকলতাই সাতোৰ মাৰিলে!···

লাহে লাহে নিশা হৈ আহিল। নিস্তব্ধতাই চাৰিওপিনে আগুৰি ধৰিলে। অজ্ঞাতবাসী লোকৰ বাবে এই নিস্তব্ধতা আৰু নিবিড়। গছৰ পাত এটি পৰিলেও, চিপাহীৰ জোতাৰ শব্দ বুলি ভুল হব খোজে। বাভাদেৱ শুই পৰিল। অন্য সময়ত তেওঁৰ পাটিত পৰিলেই টোপনি আহে, আজি তেওঁৰ টোপনী অহা নাই। প্ৰিয়াপত্নী প্ৰিয়লতাৰ সেই মৰমসনা মুখখন তেওঁৰ বাৰে বাৰে মনৰ মাজত ভাহি উঠিছে। বেদনাত মনটো তেওঁৰ ৰাই-জাই কৰি উঠে। জনগণৰ বাবে উৎসৰ্গিত জীৱনত তেওঁৰ আকৌ কি ঘৰ-সংসাৰ আছে, বিয়া-বিবাহ আছে? ···তেওঁৰ টোপনী আহিছিল।··

সপোন সপোন যেন কথা।···টোপনীয়ে কলাকাৰ জনৰ চকুদুটি জোৰেৰে জপাই ৰাখিছে। জাপ খোৱা চকুৰেই দেখা যেন পায়, শুনা যেন লাগে—তেওঁক মই মনেদি স্বামী বৰণ কৰিছো···মই তেওঁৰ···মই সৰগৰ পৰা ঘূৰি অহা—প্ৰিয়লতা—মই প্ৰিয়লতা।··

পুৰত বগা দাৰ দিছিল আৰু ক্ষণ ক্ষণকৈ ৰাতিপুৱাই আহিছিল। পুৰৱ আকাশখন হেঙুলী ৰঙে ৰঙীন হৈ উঠিছিল। ৰজাৰ দণ্ডিত ৰাইজসাগৰত হেলাৰঙে সাতুঁৰি ফুৰা সুন্দৰ নটবৰ বিষ্ণু টোপনীৰ পৰা জাগি উঠি খিৰিকীৰ ফাঁকেৰে পুৰৱ আকাশ খনিলৈ চাই স্তব্ধ হ'ল। উস্, ইমান সুন্দৰ আজি আকাশখন, হেঙুল বহনেৰে হেঙুলীয়া, জীৱনৰ যেন আৰু এটি ন অধ্যায়ৰ পাতনি, নে পূৰ্বাণ পৰিচ্ছেদৰ ন ৰূপ! ভাবিছে, শিল্পী কবি জনাই।

এনেতে কনকলতাই কোঠাটোৰ ভিতৰলৈ সোমাই গৈ ক'লে "অ উঠিছে, মই গা-পা ধুলোয়েই। আজি বোলে শুক্লা ত্ৰয়োদশী তিথি, মাহ যিয়েই নহওক, শুভকাৰ্যৰ বাবে বৰ ভাল। আই আৰু পিতাই কালি মাজৰাতিলৈ আলোচনা কৰি আজিৰ ৰাতিটোকেই বাচিছে।"

বিষ্ণুপ্ৰসাদ ৰাভাদেৱে চাই থাকে কনকলতাৰ মুখলৈ—মুখখন হাঁহিৰে ভৰা, কনকলতাৰো আজি সেই সদায় মুখত বৈ থকা স্বাভাৱিক হাঁহিটোৰে চাই ৰ'ল। দুয়োৰো অন্তৰ গভীৰ প্ৰণয়েৰে উপচি পৰিল।

ঘৰৰ ভিতৰতেই ৰঙা পতাকাৰ তলত মাজনিশা কনকলতাদেৱীয়ে সুন্দৰ পুৰুষ বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ ডিঙিত এধাৰি ফুলৰ মালাদি চৰণত সেৱা কৰি স্বামী বৰণ কৰিলে। কোনো বিয়া নাম নাই, কোনো ঢুলীয়া-কালিয়াৰো শব্দ নহল, হোমৰ অগনিও জ্বলি নুঠিল, মাথো হৃদয়ত জ্বলি থকা বিপ্লৱৰ বহ্নিকেই সাথী কৰি দুয়ো দুয়োকো বৰণ কৰিলে।

ৰন্ধ্ৰে ৰন্ধ্ৰে তুলি সুৰ
বাজে মন বাঁহী মোৰ .....
ছেৱে ছেৱে ফুলে ফুল
গোন্ধতে আমোল-মোল"...

(ৰাভাদেৱৰ গীত)

সুন্দৰী সৰলা কনকলতাৰ প্ৰেম-প্ৰীতি, সেৱা-আলত বিপ্লৱী ৰাভাদেৱ তাতেই বন্দি হৈ নাথাকিল। কথমপি এসপ্তাহ থাকি তেওঁ পুনৰ বিশাল পৃথিৱীৰ নিপীড়িত, নিৰ্যাতিত, দলিত, অৱহেলিত নৰ-নাৰায়ণৰ মাজত নিজকে বিলাই দিলে। বেলশৰৰ পৰা নলবাৰীয়েদি তেওঁ বৰমাত সোমাল। বৰমাৰ পৰা দীঘেলী পোৱাত দীঘেলীৰ সমূহ ৰাইজে তেওঁক আদৰ অভ্যৰ্থনা জনায়। কেবাজনো বিশিষ্ট বিপ্লৱী-কৰ্মীৰ ঘৰ এই সুন্দৰ গাঁও খনতেই।

দুই তিনি দিন পাৰহৈ যাওঁতেই কনকলতাই দুই তিনি যুগ যেন পালে। ঘৰত তেওঁৰ মন নবহিল। দীঘেলীতেই তেওঁৰ প্ৰিয়জনক লগ পোৱাৰ আশাত তেওঁ এদিন দীঘেলীলৈ গোপনে যাত্ৰা কৰিলে। ৰাতি আলোচনা চলি থাকোঁতেই কনকলতা গৈ ওলাল। বড়ো-কছাৰীৰ অতীত যুগৰ দীঘল ইতিহাসৰ কথা তেওঁ কৈ আছিল, তাৰ পিছতেই তেওঁ বিশ্ব-শিল্পী ডেকাগিৰী শ্ৰীমন্তশঙ্কৰ

দেৱৰ জীৱনৰ বিবিধ ছন্দোময় কথাৰে গঞ্জা-ৰাইজক মোহিত কৰি তুলিছিল, পিছতেই সকলোৰে কনকলতাৰ পৰিচয় দাঙি ধৰি—"মোৰ কবিতাৰ ছন্দ লাগি স্পন্দন তোৰ জাগেনে?" গীতটো মধুৰ আৰু কৰুণ সুৰত গাই সকলোকে মুগ্ধ কৰি পেলালে। কনকলতাই গীতৰ প্ৰশ্নবোৰৰ উত্তৰবোৰ হৃদয়ৰ ভিতৰতে পাঙি, ভাঙি, মেলি স্তব্ধ হৈ ৰ'ল।

চৰকাৰী চোৰাংচোৱা চাৰিওপিনে পিয়াপি দি ফুৰিলেও, তাৰ মাজতেই প্ৰশিক্ষণপ্ৰাপ্ত সাহসী যুৱক কেইজনমানে বিষ্ণুপ্ৰসাদ ৰাভাদেৱক ডাঁৱৰ বাতৰি ডাঁৱে ডাৱে দি আছিল। কনকলতাক লগতেই লৈ তেওঁ দীঘেলীৰ পৰা তেওঁৰ মনৰ ব্যক্তিগত গভীৰতাৰ অনুভূতি, আবেগ, প্ৰেৰণা, বেদনাৰ এক ৰোমাঞ্চক যাত্ৰা আৰম্ভ কৰিলে। দীঘেলীৰ পৰা দুয়ো আনন্দপুৰ, গৰেমাৰী, খাৰাধৰা, বৰমচাৰী, ভেবলা, জালহে, খাগ্ৰাবাৰী, অঞ্চলী, শিলবাৰী, বাঘমাৰা, খুন্তামাৰী, বৰগাঁও, ৰূপহী আদি গাঁওৰ অ'ত ত'ত বৈ গোপন মেল পাতি খোজৰ পিছত খোজ পেলাই বাঙালডোবা-চামথাইবাৰীত গৈ কেইদিনমান জিৰণী লৈ কৰ্মী আৰু ৰাইজক ৰাজনীতি, অৰ্থনীতি আৰু সমাজনীতিৰ ভৱিষ্যত অধ্যায়বোৰৰ কথা খুব সহজ-সৰলভাৱে বুজাই দিলে। ইয়াৰ আইসকলে বাজহুৱাভাৱে "আতা-আবু"ৰ বিয়া পাতিবলৈ বৰকৈ হাবিলাস কৰাত এদিন নিশা বিষ্ণুপ্ৰসাদ ৰাভা আৰু কনকলতাৰ বিয়া পাতা হ'ল,—চিফুং-মাদল একো বজোৱা নহ'ল, 'দামগ্ৰা' (বায়ন), 'খনগ্ৰা' (গায়ন) ও নাই। মাথো আই-সকলে উৰুলি দি চাউল চটিয়ালে আৰু 'জামবায়গ্ৰা' চাদৰ এখন আৰু কনকলতাক উপহাৰ দিলে।

বিষ্ণুপ্ৰসাদ আৰু কনকলতাৰ বিবাহৰ বাতৰি আত্মগোপনকাৰী কৰ্মীসকলৰ মাজত ব্যাপি পৰিল। কোনো কোনোৱে ইয়াৰ বাবে তেওঁক তীব্ৰ সমালোচনাও কৰিলে। জেলত থকা বন্দী বিপ্লৱী সকলেও কথাটোত বিষম পালে, তেওঁলোকে মন্তব্য দিলে যে এনে তয়াময়া ৰণৰ সময়ত প্ৰেম-প্ৰীতি-বিবাহৰ ক'ত স্থান আছে? কোনো কোনোৱে ৰাভাদেৱক হত্যা কৰাৰো গোপন ষড়যন্ত্ৰ কৰিলে, কাৰণ নেতাৰ প্ৰণয় কাৰ্যই বিপ্লৱক দুৰ্বল কৰি শক্তিহীন কৰি তুলিব।

হাউলীৰ দেশ-প্ৰেমিক বিপ্লৱী উমেশ দাসো তেতিয়া বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ সক্ৰীয় কৰ্মী হৈ ঘূৰি ফুৰোঁতে পুলিচৰ হাতত ধৰা পৰি বন্দীশালতেই আছিল। এওঁ কিবাকৈ কনকলতাৰ প্ৰকৃত কাহিনীটো জানিব পাৰিছিল আৰু ৰাভাদেৱৰ স্বভাৱ-চৰিত্ৰৰ প্ৰতি তেওঁৰ গভীৰ আস্থা আছিল। তেওঁ সেই উদন্দ হৈ উঠা কমৰেদ কয়েদীকেইজনক বুজাই দিয়াত সকলো শান্ত হৈ পৰিল।

ইটালীৰ বিশ্ব-বিখ্যাত শিল্পী মাইকেল এঞ্জেলোৰ লগত শিল্পী বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ কোনো কোনো কথাত মিল দেখা যায়। এইজনা ইটালীয় শিল্পীয়ে কলাৰ সাধনা কৰিও ৰাজ অন্যায়-অনীতিৰ বিৰুদ্ধে মহা বিপ্লৱী হৈ উঠিছিল, ৰাজৰোষত পৰি আত্ম-গোপন কৰিছিল, কিন্তু অতি কষ্টকৰ কণ্টকময় অজ্ঞাতবাসত তেওঁ এবছৰহে থাকিব পাৰিছিল। ইটালী দেশৰ টার্নেস্কিত তেওঁ ১৪৭৫ খৃষ্টাব্দত জন্মগ্ৰহণ কৰিছিল। কবি-চিত্ৰকৰ ৰাভা দেৱৰ অংকন, লিখন যেনেকৈ অসংখ্য হেৰাই গৈছিল, তেনেকৈ এই জনা কলাকাৰৰো অনেক চিত্ৰ, আলেক্ষ্য ভাস্কৰ্য লুপ্ত হৈ পৰিছিল। কিন্তু এঞ্জেলো, কবি-শিল্পী-নাট্যকাৰ, সুৰকাৰ, সংগীতজ্ঞ, নাট্যকাৰ, অভিনেতা, আৰু জনগণতান্ত্ৰিক সংস্কৃতিৰ সূত্ৰ ধৰোঁতা মাধৱদেৱৰ দৰেই চিৰকুমাৰ আছিল। মাধৱদেৱৰ জন্ম হৈছিল ১৪৮৯ খৃষ্টাব্দত উজনী অসমৰ লেটেকুপুখুৰী গাঁওত আৰু তেওঁৰ বৈকুণ্ঠ প্ৰয়াণ ঘটিছিল ১৫৯৬ খৃষ্টাব্দত। মাইকেল এঞ্জেলোৰ ১৫৬৪ খৃষ্টাব্দত পৰলোক হৈছিল। বাসৰ দূৰত্ব থাকিলেও পৃথিৱীৰ এই কলাকাৰ সকলৰ আদৰ্শ আৰু কাৰ্যৰ একত্ব আছিল।......

বাঙালডোবা-চামথাইবাৰীৰ পৰা সহধৰ্মিনী কনকলতাক লগত লৈ বিষ্ণু প্ৰসাদ ৰাভাদেৱে খোজ কাঢ়ি কাঢ়ি গৈ মুছলপুৰলৈ আগ বাঢ়ে। ইয়াৰ পৰা তেওঁলোক বিভিন্ন গাৰে-ভুঞে বৈ লামিদাৰা নামৰ সৰু গাঁও এখনৰ কালীকুমাৰ ব্ৰহ্মৰ ঘৰত আশ্ৰয় ললে। ইয়াতেই কনকলতাই 'নাৰী মুক্তি সংঘ' পাতি গাঁওলীয়া চিখ্‌লা (যুৱতী) সকলৰ সংগঠন কৰে। এই কাৰ্যত শ্ৰীমতী মোহিনীবালা ৰাভাই তেওঁক বিশেষভাৱে সহায় কৰাত তেওঁলোকৰ ভিতৰত বন্ধুত্ব গঢ়ি উঠিল। এই গাওঁতেই সাহিত্যিক ৰাভাদেৱে অনেকটি গল্প, গীত, কবিতা, উপন্যাস আদি লিখিলে। জেক্ বেলডুইনৰ "China Shakes the World" (চীনে জগতখন জোকাৰি কঁপায) গ্ৰন্থৰ "The Golden Flower" নামৰ (সোণপাহি) গল্পটো তেওঁৰ মুখৰ পৰা কনকলতাই শুনি অত্যন্ত মোহিত হৈছিল, সেয়েই "সোণপাহি" নামৰ সুন্দৰ গল্পৰ পুথিয়ে ৰাভাদেৱৰ অমৰ কলমত জনম লভিছিল।

কালীকুমাৰ ব্ৰহ্মৰ ঘৰখনৰ চেনেহ ভৰা মৰমৰ বান্ধ আঁতৰাই দুয়ো পুনৰ বিপ্লৱপথৰ যাত্ৰা আৰম্ভ কৰিলে। লামিদাৰাৰ পৰা সংৰক্ষিত বনাঞ্চলৰ দক্ষিণ পিনেদি গৈ অকযা, চৈবাৰী, গেৰগেৰীয়া, চেউনী আদি অতিক্ৰম কৰি শিলবাৰী পালে। ইয়াতেই ঘনকান্ত বড়ো, ধৰ্মকান্ত বড়ো পুষ্প বসুমতাৰী, নবীন বসুমতাৰী আদিৰ লগ হৈ—কোক্‌ৰাঝাৰ জিলাৰ উত্তৰ অঞ্চললৈ আগ বাঢ়ে। ৰাইজক বুজায়, কৃষক শ্ৰমিকক বুজায়, নিম্ন-মধ্যবিত্তসকলক বুজায়— ভাৰতৰ এই স্বাধীনতাই তেওঁলোকৰ কিঞ্চিতো মংগল সাধন কৰিব নোৱাৰে বৰং

তিলে-তিলে, দিনে-দিনে তেওঁলোকক সৰ্বহাৰা কৰিছে তুলিবলৈ ধৰিছে, মুকুতিৰ ঠাইত লৌহ-জিঞ্জিৰৰে তেওঁলোকক দিনে-ৰাতিয়ে কেৱল বন্ধনহে কৰিছে, পীড়িছে, চেপিছে।

ৰাভাদেৱে এই বিষয়ে নিজেই লিখিছে ঃ—

"মুক্তি-ফৌজ, নাৰী-মুক্তি-সংঘ, কৃষক-বনুৱা-পঞ্চায়তৰ অগণন সংগঠন অবিৰামভাৱে চলে। গাৱেঁ-পতি নিতৌ দুঘণ্টা তিনি ঘণ্টা বকোঁ ;—বুজাওঁ, —বৰাওঁ।

ভাগৰ নাই, জিগৰ নাই। একেৰাহে খাটোঁ।...

এই চাৰি-আঙুলীয়া কপালত, ৰেল নাই, জাহাজ নাই, এৰোপ্লেন নাই। কেৱল ভাৰি আৰু ভাৰি। খোজ কাঢ়ি ফুৰোঁ। ব'দ নাই, বৰষুণ নাই ;— দিন নাই, নিশা নাই।"... (পাৰ্তনি ঃ সোণপাহি—ৰাভা)

"সন্ধিয়া।—

ভব বাৰিষা। আধা ছাঁ আধা পোহৰত এখন নাও কুমংহঁতৰ 'অকুম' চাংঘৰৰ 'টুংগং'-চাঙৰ "কাবাং" জখলাত লাগে। টিঙৰ ৰচাদাল বান্ধি থয় জখলাত।

সোৱণশিৰীৰ ঢল আহি গাঁওখন ভবাই দিয়ে। বানপানীৰ ফলত চাৰিও পিনে পানী পানী পানী।

নাওখনৰ পৰা তিনিজন মানুহ জখলায়েদি চাঙত উঠে। কুঙে দেখি আগ বাঢ়ি আহে।...

"কুমং"...চিনা চিনা মাত। কাষ চাপে কুমঙে, ভালকৈ চায়,—চিনে, আহিনা-দলে।...

একে লগে কাম কৰিছিল কুমঙৰ লগত স্বাধীনতা আন্দোলনৰ সময়ত,— সি আছিল তাৰ সোঁহাত নিস্বাৰ্থ কৰ্মী কৰ্মযোগী। তাৰ ঘৰ দিচাংমুখৰ মিৰি গাঁওত।

"অ' আহিনা" বুলি কুমঙে তাক আকোৱালি লয়।...

"এই ভব বাৰিষা ইয়াত।" কুমঙে আচৰিত হয়।

"চোৰাংচোৱাই পিচ লৈছে, পুলিচ মিলিটাৰীদলে খেদি ফুৰিছে।"...

আহিনাৰ কথা শুনি কুমং আচৰিত হয় আৰু কয়, "ভাৰত স্বাধীন! কোনে কয়? আজিও ভাৰত স্বাধীন হোৱা নাই। ইংৰাজ গ'ল, ধনৰাজ হ'ল। আজি কলাধনী আৰু বগাধনীয়ে ভাৰতৰ জনসাধাৰণৰ বুকুত বহি টুপি টুপি তেজ পিছে, বুকি বুকি মঙহ খাইছে, কুৰুকি কুৰুকি হাড় কেইডালো চোবাইছে। আমি খাটিলোঁ, বিয়াল্লিচ চনৰ আন্দোলনত স্বাধীনতা যুঁজত আমি হালোৱা-হজুৱা, বনুৱা আৰু তল মজলীয়া খলপৰ দুখীয়া শ্ৰেণীৰ ৰাইজে মিলি কিমান যুঁজিলোঁ,—অথচ আমাৰ অঙহী বঙহী গৰীব ৰাইজে আজি

এমুঠি খাবলৈ পায়,—এমুঠি খাবলৈ নাপায়। অথচ যিসকল দ্বিতীয় মহাসমৰৰ সময়ত বিয়াল্লিচ চনৰ হুজাৰুসকলক চোৰাং হিচাপে ধৰাই দিবলৈ সহায় কৰিছিল, ঠিকাদাৰী কৰি ডাঙৰ ধনী মানুহ হৈ কাবেং হেন ঘৰ সাজি লাখ লাখ টকা বেংকত জমাইছিল, স্বাধীনতা পোৱাৰ লগে লগে সজা সলাই খদ্দৰৰ ধুতি পাঞ্জাবী আৰু গান্ধী টুপী পিন্ধি আজি তেওঁলোক হৈছে আচল নেতা, আচল দেশসেৱক টকাৰ জোৰত। আৰু আমি প্ৰকৃত ত্যাগী, কৰ্মী, দেশ-সেৱক হলোঁ—বিশ্বাসঘাতক, দেশ-দ্ৰোহী, সমাজ-দ্ৰোহী।"...

"আহিনা! তুমি এইবোৰ কি কথা কৈছা?" কুমণে সোধে।

"ঠিক কথা কৈছো,—সঁচা কথা। এনে ঠিক কথা কোৱাৰ কাৰণে সিহঁতে আমাক কয়—কমিউনিষ্ট। কুকুৰ মেকুৰীৰ দৰে আমাক খেদি ফুৰে ভাৰতৰ স্বাধীন চৰকাৰৰ পুলিচ-মিলিটাৰীহঁতে।"...

(মিচিং কনেঙ্ : উপন্যাস : ৰাভা)

১৯৪৭ চনৰ ১৫ আগষ্টৰ পিছৰ পৰাই বুৰ্জোৱা নেতাসকলৰ সহযোগত ধনিক আৰু পুঁজিপতিয়ে ক্ষমতা হস্তগত কৰি নিম্ন জনগণক শোষণ শাসনেৰে কেনেদৰে দিনক দিনে জৰ্জৰিত কৰি তানিলে 'মিচিংকনেঙ্' উপন্যাসখনিয়ে বাৰুকৈয়ে চিত্ৰৰ দৰে দাঙি ধৰিছে।

বিদ্ৰোহ আৰু বিপ্লৱৰ বুৰঞ্জী সদাসৰ্বদা বক্তেৰে ৰাঙলী। ৰাজশক্তিৰ প্ৰিয়পাত্ৰ হবলৈ গৈ কোনো বোনো ৰাজনীতিবিদ্ দাৰ্শনিক আৰু সাহিত্যিকে পৰামৰ্শ আগ বঢ়ায় আপোচ-আলোচনাৰে সকলো বিবাদ-বিসম্বাদৰ অন্ত পেলাবলৈ। কিন্তু পৃথিৱীৰ—মুক্তি-বিপ্লৱৰ বুৰঞ্জীত এনে এটি উদাহৰণ নাই যে ধন কুবেৰ পুঁজিপতি ৰাষ্ট্ৰপতি শোষক শাসকে আপোচতেই নিজৰ সৰ্ববৃহৎ সম্পদৰ বৰ-ভঁৰাল খন সহজতে এৰি দিছিল বা এৰি দিয়াব।

কাৰ্ল মাৰ্ক্সৰ ৰীতি-নীতি, তত্ত্ব-তথ্য আৰু কলা-কৌশল কেনেকৈ সৰ্বহাৰা নিপীড়িত, শোষিত জনগণৰ কল্যাণৰ বাবে প্ৰয়োগ কৰিব পাৰি তাৰেই পৰীক্ষা, পৰ্যবেক্ষণ, প্ৰয়োগ আদিৰ পথ উলিওৱাৰ বাবে তেওঁৰ সহযোগী আৰু সহকৰ্মী ফ্ৰেডাৰিক এনজেলচে কঠোৰ শ্ৰম আৰু সাধনাৰে খোজৰ পিছত খোজ পেলাই দিনৰ পিছত দিন কটাই, নিশাৰ পিছত নিশা অতিবাহিত কৰি চুৰান্ত সিদ্ধান্তলৈ আহি মুক্ত কণ্ঠে আৰু নিৰ্ভয়ে কৈছিল,—"চুৰান্ত বিচাৰত সশস্ত্ৰ বিপ্লৱৰ বাহিৰে দলিত পীড়িত শোষিতৰ মুক্তিৰ অন্য পথ নাই।" তেতিয়া ১৮৪৮ খৃষ্টাব্দ।

১৮৮৩ খৃষ্টাব্দত মাৰ্ক্সৰ মৃত্যু হৈছিল। তেওঁৰ অনুগামী বাৰ্ণষ্টাইন, কাউট্স্কি, প্লেখানভ্ আদি পণ্ডিত লোকেও মাৰ্ক্সৰ ৰচনাৱলীৰ প্ৰকৃত তাৎপৰ্য বুজিব পৰা নাছিল। ১৯০২ খৃষ্টাব্দত মাৰ্ক্সৰ সমৰ্থক জাৰ্মানী দেশৰ ফ্ৰাঞ্জমেহৰিঙ্ নামৰ পণ্ডিতে তেওঁৰ কিছু লিখনি "Ans dem

Literarischen Nachlass" নামে গ্ৰন্থত প্ৰকাশ কৰে। ইয়াৰ ছয়ষষ্ঠি বছৰ পিছত ১৯৬৮ খৃষ্টাব্দত জাৰ্মান ডেমোক্ৰেটিক ৰিপাবলিকে দুকুৰি এটা খণ্ডত সম্পাদনা কৰি উলিয়াইছিল—"Marx-Angels Werke" নামৰ গ্ৰন্থসমূহ।

পূৰ্ণ মানৱ-প্ৰেমী বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ আদৰ্শ, দৰ্শন, সাহিত্য, চিত্ৰ, অভিনয় আৰু অন্যান্য কাৰ্যাৱলী আৰু চিন্তাধাৰা পুংখানুপুংখৰূপে বিচাৰ, বিশ্লেষণ আৰু অনুধাৱন কৰিব পাৰিলে অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক জনজীৱনৰ নতুন প্ৰতিষ্ঠাৰ বাবে অনেক সম্বল পোৱা যাব বুলি আমাৰ দৃঢ় বিশ্বাস। নিপীড়িত জনগণৰ লগত প্ৰত্যক্ষভাবে নিজকে বিলাই দি এক গভীৰ আত্মীয়তা গঢ়ি তোলা গণ-কলাকাৰ বিষ্ণুপ্ৰসাদ ৰাভাৰ জীৱনীও পদদলিত, অনাদৃত, অৱহেলিত, হালোৱা, হজুৱা, বনুৱাৰেই এক ব্যপক জীৱনী বুলি কব পাৰি।

"···সমাজতন্ত্ৰবাদ। সেয়ে হৈছে বিপ্লৱ।· সমাজতন্ত্ৰবাদ গঢ়িবলৈ ৰাইজে,·· হালোৱা হজুৱা বনুৱাই নিজেই এশৰ ভিতৰত পাঁচজন ধনীৰ হাতত চৰকাৰ, কলকাৰখানা আৰু বিজ্ঞান কাঢ়ি আনি নিজৰ হাতলৈ আনিবই লাগিব। নহলে ধনিক শ্ৰেণীয়ে এৰি নিদিয়ে।···

·· আজি ধনতন্ত্ৰবাদ মৃত্যুৰ কৱলত।···

·· সেই দিন আহিছে, তেজৰঙা তেজাল দিন আহিছে, সোনকালে আহিবলৈ ধৰিছে। সেই দিন—সেইদিনাখন হব আজিৰ হিচাপ-নিকাশ, শোধ-প্ৰতিশোধ।"··· (পুং ঃ গল্প ঃ ৰাভা)

নিপীড়ন নিৰ্য্যাতন হব আজি শেষ

"……দহন, দলন ক্লেশ
নিপীড়ন নিৰ্য্যাতন হব আজি শেষ
নিষ্পেষণ, হেজাৰ যন্ত্ৰণা
সকলোৰে হব অৱসান।
দুখীয়াৰ একতা বন্ধন
সাম্য-মন্ত্ৰ-জৰীৰে গাঁথন
একটি ডোলেৰে গুথা
সুৰাবে পৰাণ,
হব এক সুৰৰ 'জাহন'।
শ্ৰেণী-হীন
জাতি-দল-বিভেদ বিহীন
হব এক অভিনৱ নতুন সমাজ-তন্ত্ৰ
উচ্চাৰিব মহামন্ত্ৰ
চলাই সাম্যৰ যন্ত্ৰ
বিশ্ব-সংঘ মিলি সুৰে কৰিব শাসন
ৰজা হব হীন জন-গণ
গঢ়ি পাতি সুখৰ সমাজ
'পঞ্চায়ত ৰাজ্য'।"

(মুক্তি-দেউল : ৰাভা)

পৃথিৱীত বুৰঞ্জীৰ আদিৰ পৰা অন্তলৈ যিমান বিপ্লৱ হৈছে, ইয়াৰ ভিতৰত ৰুচ-বিপ্লৱেই জগত বিখ্যাত আৰু অতি তাৎপৰ্য্যপূৰ্ণ। ১৯১৭ খৃষ্টাব্দৰ ৭ নৱেম্বৰৰ দিনাই এই বিপ্লৱৰ 'পাঞ্চজন্য' বাজি উঠে আৰু সেই বছৰৰেই ২৫ অক্টোবৰ দিনা স্বেচ্ছাচাৰী অত্যাচাৰী, জনগণৰ তেজ চুহি খোৱা দ্বিতীয়

নিকোলাচৰ পতনৰ লগে লগে শক্তিশালী 'জাৰ'ৰ কঠোৰ আৰু নিৰ্মম শাসনৰো অন্ত পৰে। এই মহাবিপ্লৱেই পৃথিৱীৰ বুৰঞ্জীত এক নতুন সূৰ্যৰে জ্যোতিষ্মান কৰি নিপীড়িত, নিৰ্যাতিত, শোষিত, অৱহেলিতসকলৰ বাবে মুক্তিৰ এক নতুন পথৰ সিংহ দুৱাৰ খুলি দিয়ে। ইয়াৰ প্ৰভাৱ তেতিয়াৰ ইংৰাজ শাসিত ভাৰততো পৰিছিল আৰু মুক্তিকামী যুৱক-যুৱতীসকল অনুপ্ৰাণিত হৈ ইংৰাজৰ বিৰুদ্ধে সশস্ত্ৰ বিপ্লৱৰ বাবে গোপন প্ৰস্তুতি চলাবলৈ সাজু হৈছিল। চীনদেশত মাও-চি-টুঙৰ নেতৃত্বত বিপ্লৱৰ মাজেদিয়েই নতুন চীনৰ জন্ম হৈছিল। পৃথিৱীৰ কেবাখনো দেশত পৰাধীনতা আৰু স্বেচ্ছাচাৰী ৰাজতন্ত্ৰৰ বিৰুদ্ধে জনগণৰ বিদ্ৰোহে বিপ্লৱৰ ৰূপ লৈছিল।

বিপ্লৱী কলাকাৰ বিষ্ণুপ্ৰসাদ ৰাভাৰ অজ্ঞাতবাসৰ ন-জ্ঞাত কাহিনীবিলাক জনসাধাৰণৰ মাজত ন-ন অলৌকিক ৰূপ লৈ প্ৰচাৰ হৈ গৈছিল। আনকি কবি শিল্পী-সাহিত্যিক কিছুমানৰ মাজত ই এটি আলোড়ন সৃষ্টি কৰিছিল। দুই চাৰিয়ে তেওঁক শ্ৰদ্ধা জনাই কবিতা আদিও ৰচনা কৰি তেওঁক কিংবদন্তিৰ পুৰুষ যেন কৰি তুলিছিল।

গাৰ্ৰ মাজেদি, পথাৰৰ মাজেদি, গৈ গৈ ৰাভাদেৱ ৎস্তীক পশ্চিমৰ ফালে আগবাঢ়ি দিং দিঙা ওলায় আৰু তাৰ পৰা উত্তৰ মুৱাহৈ গোসাইগাঁও শ্ৰীৰামপুৰ আদিত বৈ বিপুল উৎসাহেৰে দতমাৰ মাজেদি ঘিলাগুৰি গাঁও পায়। ইয়াত তেওঁলোকৰ অতি বিশ্বাসী পৰমানন্দ ব্ৰহ্মাৰ ঘৰত জিৰণি ললে। সেই জিৰণিৰ সময়ত তেওঁ কি কি লিখিছিল, এই বিষয়ে বিস্তৃতভাৱে জনা নগলেও, গীত আৰু চুটি গল্পৰে তেওঁ লিখিছিল, তাত কোনো সন্দেহ নাই। অনেক সময়ত গীতটো প্ৰথমতে মুখে মুখে ৰচি সুৰ দি লিখি উলিয়াই আৰু তাৰ পিছত যি কোনো কাগজতেই স্বৰলিপি লিখি থয়। এনেকৈ তেওঁৰ নিজৰ গীতৰ অনেক স্বৰলিপি তেওঁ লিখি থৈছিল যদিও, সেইবিলাক যেনি তেনি হেৰাই গ'ল, কিন্তু সেই হেৰোৱা সম্পদৰেই যে দুপদ এপদ কাৰো হাতত নাই তেনেকুৱাও নহয়। তেওঁৰ সেই কালৰ অনেক ৰচনা তেওঁৰ গুণগ্ৰাহী কোনো কোনো কৃষক ৰাইজেই পুলিচ-মিলিটাৰীৰ ভয়ত মাটিৰ টেকেলীত সুমুৱাই বাঁহনিৰ মাজতো পুতি থৈছিল।

এই অজ্ঞাতবাসৰ বৈপ্লৱিক কালছোৱাৰ মহান বিশেষত্ব তেওঁ এনেদৰে প্ৰকাশ কৰিছে :—

"...মোৰ অজ্ঞাতবাস-জীৱনত বিৰাট পৰ্ব সৃষ্টি কৰি বিৰাট শকতিৰ সাধনা কৰোঁ। সেই শকতি ৰাইজৰ ৰাজহুৱা শকতি যি শকতিয়ে বিধাতাকো টলাব পাৰে। তদুপৰি মোৰ শিল্পসাধনা আছেই। অজ্ঞাতবাসত মোৰ শিল্পী জীৱনত এটি অজ্ঞাত অধ্যায় অৰ্জন কৰো, যাক অধ্যয়ন নকৰিলে মোৰ শিল্পী-জীৱন অপূৰ্ণ থাকিলহেঁতেন।...

জনতা অফুৰন্ত কলা শিল্পৰ ভঁৰাল। ..

সেই জনতা,—সেই ৰাইজৰ সান্নিধ্য লভি, তেওঁলোকৰ হিয়াৰ এফাল বুকুৰ জীউ, কলিজাৰ আমঠু হৈ—তেওঁলোকৰ চেনেহৰ মৰমৰ হিয়া-সাগৰত বুৰ মাৰি মই এই শিল্প-সৰস্বতীক লাভ কৰিছোঁ। আজি মোৰ সাৰস্বত আত্মাই সৰস্বতী বোৱঁতী সংগীতক কোৱাব খোজে।"... (পাতনি : সোণপাহি : ৰাভা)

শোণিতপুৰৰ শিল্পী তুমি
বিপ্লৱৰ গুৰি ধৰা,
নিষ্পেষিতক জগাই তুলি
বিপ্লৱ সূচনা কৰা।
নিষ্পেষিত নিৰ্যাতিত উঠে
সাতপুৰুষৰ অন্ধকাৰ গুছে—
অনাদৃত বননি-গাঁওত
মহা জাগৰণ জাগে,
অত্যাচাৰী শোষক দলৰ—
সোণৰ সপোন ভাগে।

শোণিতপুৰ শিল্পী তুমি
সংস্কৃতিৰ গুৰি ধৰা
নব্য যুগৰ নতুন বাৰ্তাৰ
সন্ধান সূচনা কৰা।
বিপ্লৱৰ গুৰি ধৰা ॥

(ৰচনাকাল : ১৯৫২ : গ্ৰন্থকাৰৰ স্থান : শিমলা-হজুৱা)

বুৰঞ্জীবিদ্ শিল্পী-সাহিত্যিক ৰাভাদেৱৰ অজ্ঞাতবাসৰ কীৰ্তি-স্তম্ভ স্বৰূপ আছিল—তেওঁ লিখা (ফুঃ কে ই কাগজ) দুহেজাৰ পৃষ্ঠাৰ পূৰ্ণ চাৰিহেজাৰ বছৰৰ বৰ-অসমৰ সম্পূৰ্ণ বুৰঞ্জী খন। গীট, নাট, আৰু গল্পৰ লেখ জোখ নাছিল; বিপ্লৱ আৰু বুৰঞ্জীৰ ওপৰতো কিছু প্ৰবন্ধ লিখিছিল। তেওঁৰ ১৮০ খন মূল্যবান ডায়েৰীও আছিল। কিবাকিবি লিখা (কাব্যও আছিল) অ-সম্পূৰ্ণ হৈও ৰৈছিল—লিখি থাকোতে হযতো ইংগিত পালে যে চিপাহী-চন্তৰী আগবাঢ়ি আহিছে—তেনে সন্ধিক্ষণত সেইবোৰ কাৰোবাক গটাই দি সেই স্থান তুৰন্তে পৰিত্যাগ কৰিছে। এপিঠিত ছপা থকা কোনো জাননী-পত্ৰতো তেওঁ লিখিছিল. তেনেকৈ লোকৰ অজ্ঞাততো কোনো কোনো লিখা হেৰাই গৈছিল।

পম খেদি ফুৰা চোৰাং-চোৱাই হয়তো কিবা গোপন কথাৰ শুং পাইছিল যে বিষ্ণুৰাভা তেওঁৰ সহ-ধৰ্মিনীৰ সৈতেই গোৱালপাৰা জিলাৰ (তেতিয়া অবিভক্ত) ফকিৰাগ্ৰাম আৰু দতমাৰ মাজতেই আত্মগোপন কৰি আছে। ধীবৰ

সকলে চেঁপা-জালেৰে চেঁপি চেঁপি নি এটাও মাছ সৰকি যাবলৈ নিদি বিলৰ তিয়নী ৰোৱা পানীত মাছ মৰাৰ দৰে—চিপাহী-চন্তৰীসকলেও সন্দেহজনক অঞ্চলখিনি ঘেৰাও কৰি ক্ৰমে ক্ৰমে তালাচিৰে, শেষত ঘিলাগুৰি গাঁওৰ পৰমানন্দ ব্ৰহ্মাৰ ঘৰত পলাতক ৰাজদ্ৰোহী বিষ্ণুপ্ৰসাদ ৰাভা আৰু বিদ্ৰোহিনী কনকলতাক বন্দী কৰিলে। তেনেকৈ হঠাতেই বিনামেঘে বজ্ৰপাতৰ দৰে দুয়ো আৰু কেনিও সৰকি যাব নোৱাৰিলে। বুটজোটাৰ গম্-গম্ শব্দ আৰু বন্দুক-বায়েনেটৰ ৰজন্-জনিত সমগ্ৰ অঞ্চলটোৰেই যেন কাঁহ পৰি জীন্ গ'ল। দুয়োকো হাত-কেৰেয়া লগাই ধুবুৰীৰ থানালৈ নি দুদিন হাজোতত ৰাখি ১৯৫২ খৃষ্টাব্দৰ ১৯ জুলাই তাৰিখে ধুবুৰী জেলত আবদ্ধ কৰি থলে। ইয়াতেই তেওঁৰ জীৱনৰ অভিজ্ঞতাৰ এটি নতুন অধ্যায়ৰ পাতনি মেল খাই পৰে।

"বন্দী-জীৱনৰ তিক্ত অভিজ্ঞতাই পাতনি মেলে"।…

কয়েদীৰ জীৱনী লিখিবলৈ কাপ হাতত লওঁ।…

গোৰাং বস্তিৱালা চাহ-বাগানৰ বনুৱা। কোনো বিশেষ মাৰাত্মক দোষ নাই, —অথচ যাজ্জীৱন কাৰাবাস। তেওঁৰ জীৱনকে কেন্দ্ৰ কৰি লিখা "কুৰি বছৰ জেইল।"…

হৰেন বিলাসীপাৰা অঞ্চলৰ হোজা, চহা গাঁৱলীয়া। তেওঁৰ সৰলতাৰ কাৰণে তেওঁ কাৰাদণ্ড ভুগে। তেওঁক লৈয়েই "মামীৰ হাৰ"।

এই দৰে আজি আইনৰ কুটিল মেৰ-পাকত পৰি কিমান নিৰ্দোষীয়ে যে বিনা দোষে কাৰাগাৰৰ নৰক যন্ত্ৰণা ভোগ কৰে? জেলৰ অভ্যন্তৰলৈ নগলে বাহিৰৰ পৰা কোনেও গম নাপায়।"…

(পাতনি : সোণপাহি : ৰাভা)

বিপ্লৱী বৰবায়ন বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ বিৰুদ্ধে নানা অভিযোগত গ্ৰেপ্তাৰৰ পৰোৱানা কেবাবাৰো জাৰি কৰা হৈছিল। ডকাইটি, গৃহদাহ, নৰ-হত্যা, চৰকাৰ উফৰোৱা ষড়যন্ত্ৰ (Treason), লুটপাত, অস্ত্ৰ-শস্ত্ৰ ৰখা আদি বিভিন্ন দোষত তেওঁক অভিযুক্ত কৰা হৈছিল। শেষলৈ, পুলিচৰ বৰবিষয়াৰ বৰ-কাৰ্যালয়ত তেওঁৰ মূৰটোৰ ঘোষিত দাম দহ হেজাৰ টকালৈ উধাইছিল।

প্ৰত্যক্ষভাৱে নিজৰ জীৱনটোক অৱহেলিত, অনাদৃত, শোষিত, পীড়িত, হালোৱা, হজুৱা, বনুৱাৰ লগত বিলাই দি তেওঁলোকৰ মন-প্ৰাণৰ সৈতে এক নিবিড় আত্মীয়তা গঢ়ি তুলিব পৰা শিল্পী পৃথিৱীৰ বুৰঞ্জীতেই এক অনন্য উদাহৰণ বিষ্ণুপ্ৰসাদ ৰাভা। সুন্দৰ বিশ্ব-শিল্পী শ্ৰীমন্তশংকৰদেৱ ডেকাগিৰীৰ পৰা সামাজিক জীৱনবোধ আৰু মানৱীয় মূল্যবোধৰ গভীৰ উত্তৰণৰ মহামন্ত্ৰৰ অনুপ্ৰেৰনা লাভ কৰি গায়ন-বায়ন-নৰ্তক-ৰচক-চিত্ৰকৰ-দাৰ্শনিক-বৈজ্ঞানিক বিষ্ণুপ্ৰসাদে জন-জীৱনৰ সৰ্বদিশৰ লগত এক সুগভীৰ আত্মীয়তা স্থাপন কৰিব

পাৰিছিল। তেওঁ মনে মনে অনুভৱ কৰিছিল—এক শ্ৰেণীৰ ক্ষমতাৱন্ত ধনিক বনিক প্ৰসাশনিকে কেনেকৈ সেই পদদলিত সকলক কেনেকৈ ৰক্ত-মাংস হীন কৰি ধ্বংস কৰি পেলাইছে। তেওঁলোকৰ মুখৰ পৰা সুদা অন্ন মুঠিকো কাঢ়ি লৈ গৈছে, তেওঁলোকৰ পো-নাতিহঁত খাদ্যৰ অভাৱ, বস্ত্ৰৰ অভাৱত যমৰ ভক্ষণ হৈছে, কাপোৰৰ অভাৱত শীতকালত ঠক্-ঠক্‌কৈ কঁপিছে, বাৰিষা সৰগ দেখা মুধচেৰে পিৰ্ পিৰাই বৰষুণ পৰিছে, সিহঁতৰ দুখ-দুৰ্গতিৰ অন্ত নাই! দৰদী বিষ্ণুপ্ৰসাদ ৰাভাৰ প্ৰাণ কান্দি উঠিছিল আৰু প্ৰতিকাৰৰ বাবে তেওঁ আকুলি-বিকুলি উঠিছিল !!

শিল্পী তুমি,
আহা আগ বাঢ়ি—
হাতত তুলিকা লোৱা,
নিষ্পেষিতক ছবিত তুলি
সঁচাৰ বাতৰি কোৱা।

শিল্পী তুমি,
নোবাবা থাকিব
করুণ ক্ৰন্দন শুনি—
বিশ্ব জগাই বজোৱা তোমাৰ—
অগনি সংগীন ধ্বনি।

শিল্পী তুমি,
আহা আগ বাঢ়ি—
হাতত কলম লোৱা—
সোণৰ সংগীত ৰচনা কৰি—
নিৰ্য্যাতিতক কোৱা।

হে নিপীড়িত,
তিক্ত জনতা
শিল্পীৰ লগতে বলা,—
সৰ্বহাৰাৰ—
মুক্তি যুঁজত—
তুমিও ৰণুৱা হলা।
তুমিও ৰণুৱা হলা॥

(গ্ৰন্থকাৰৰঃ লিখা স্থান—পাঠশালা : ১৯৫১)

মানৱ-জাতিৰ চিন্তা-জগতৰ এটি আমূল পৰিবৰ্তনৰ বা'-মাৰলি তুলি ১৮৮৩ খৃষ্টাব্দত কাৰ্ল মাৰ্ক্সৰ পৰলোক হৈছিল। তাকো বাৰ বছৰৰ পিছত ১৮৯৫

খৃষ্টাব্দত তেওঁৰ একান্ত সংগী ফ্রেডাৰিক এনজেলচবো নৱ-জীৱনৰ সমাপ্তি ঘটে। এই দুজনাৰ নৱ-নাটৰ যবনিকা পৰিলেও, তেওঁলোকৰ দৰ্শন, জ্ঞান বিজ্ঞান, অৰ্থ-নীতি, সমাজ-নীতি আদিয়ে পৃথিৱীৰ বহুত চেতনা আৰু প্ৰেৰণাৰ সঞ্চাৰ কৰিলে। ভ্লাডিমিৰ লেনিনৰ দ্বাৰা বিশাল বহল দেশ ছোভিয়েত ৰুচিয়াত এই কাৰ্য-সূচীসমূহ ৰূপায়িত হবলৈ ধৰিলে। ১৯২৪ খৃষ্টাব্দত মহান লেনিনৰ জীৱনৰ অৱসান হৈছিল যদিও, তেওঁৰ প্ৰতিভা পূৰ্ণ অৱদানৰ দ্বাৰা ৰুচ দেশত নতুন সমাজৰ সৃষ্টি হৈ জগতক চমক্‌কৃত কৰিলে।

চেক্ সংশোধনবাদী 'পজিটিভিষ্ট' দাৰ্শনিক 'গোৰিগ্ মোচৰিক্'-এ "The phliosophical & Sociological Foundation of Materialism" (বস্তুবাদৰ দাৰ্শনিক আৰু সামাজিক বুনিয়াদ) নামৰ গ্ৰন্থ এখন ১৯০০ খৃষ্টাব্দত লিখি এনজেলচে মাৰ্ক্সৰ তত্ত্ব ভালদৰে বুজি পোৱা নাছিল বুলি ঘোষণা কৰি—সেই তত্ত্বৰ বিকৃত ব্যাখ্যা এটি দিবলৈ এটি প্ৰচেষ্টা চলাইছিল। আন এজন বোভল্‌ফোৰ নামৰ গ্ৰন্থকাৰেও "Historical Materialism in Angels" লিখিও তেওঁক তেনে দোষত দোষী কৰিবলৈ অহো-পুৰুষাৰ্থ কৰিছিল। পুনৰ ১৯৪০ খৃষ্টাব্দত এই গ্ৰন্থবোৰৰ নতুন নতুন তাঙৰণ উলিয়াই প্ৰচাৰ কৰিছিল যদিও, প্ৰগতিমূলক সাম্যবাদী চিন্তাধাৰাৰ প্ৰৱল সোঁতক কোনোমতেই ভেটিব নোৱাৰিলে। বাস্তৱ জগতৰ গতিধাৰাৰ প্ৰতিফলনতেই মানুহৰ মাজত নতুন নতুন চিন্তাৰ সৃষ্টি হৈ থাকে, এয়েই বৰ লুইতৰ বহতী প্ৰৱল পানী-ধাৰাৰ দৰেই সদায় বৈ যায়। ইয়াক ৰোধ কৰিবলৈ শকতি কাৰো নাই।

ভাৰতত সাম্ৰাজ্যবাদী বিদেশী ইংৰাজ শাসনৰ অন্তত বুৰ্জোৱা-দা-ডাঙৰীয়াৰ নেতৃত্বত, পুঁজিপতি ধনিক শোষকৰ সহযোগত আৰু চক্ৰান্তত, আইনৰ—সংবিধানৰ পেৰা-মন্ত্ৰটো ৰজা-জমিদাৰ, আমীৰ-ভূপাল আদি শাসক-শোষকশ্ৰেণীৰ লোহ-হাতেতেই বৈ গ'ল সংবিধান-আইনৰ পেৰামন্ত্ৰটোৰ সাঁচাৰ-কাঠি।

> "ভাৰতৰ চৰকাৰ।......
> ধনী মহাজন ৰজা মহাৰাজ জমিদাৰ—
> সিহঁতৰ শোষণৰ নিৰ্মম্ হাতিয়াৰ,—
> তিলে তিলে মৰা টুপি টুপি তেজ পিয়া দুখীয়াৰ ;—
> স্বাধীন দেশৰ মহাভাৰতৰ এনে চৰকাৰ।"
>
> (মুক্তি-দেউল : ৰাভা)

পৃথিৱীৰ প্ৰথম মহা-সমৰৰ সময়লৈ পৃথিৱীৰ মুঠ জন-সংখ্যাৰ শতকৰা সত্তৰ জন লোকেই গ্ৰেট-বৃটেইন, ফ্ৰান্স, ওলোন্দাজ, পৰ্টুগীজ, আমেৰিকা আদি

সাম্ৰাজ্যবাদী আৰু শক্তিশালী জাতিসমূহৰ অধীনত আছিল। পৃথিৱীৰ সৰ্বব্যাপক দ্বিতীয় মহা-সমৰৰ শেষ কাললৈ প্ৰায় পঞ্চাশটা জাতি আৰু দেশক "ৰাষ্ট্ৰসংঘ"ই স্বাধীন বুলি স্বীকৃতি দিছিল। ইয়াৰ পিছলৈ ছয় কুৰিৰো অধিক জাতি আৰু দেশে স্বাধীন ৰাষ্ট্ৰ স্বৰূপে ৰাষ্ট্ৰসংঘত স্থান লাভ কৰিছে। কিন্তু স্বাধীন ৰাষ্ট্ৰ স্বৰূপে স্বীকৃতি লাভ কৰিলেই, এখন ৰাষ্ট্ৰৰ সকলো সমস্যা সমাধান নহয় ইয়াৰ বাবে ৰাষ্ট্ৰ আৰু ৰাইজৰ কঠোৰ শ্ৰম, ত্যাগ, সুপৰিকল্পিত জ্ঞান-বিজ্ঞানৰ আৰ্চান আদিৰ অতি আৱশ্যক। সাম্ৰাজ্যবাদী আৰু পুঁজিবাদী ধন-ঐশ্বৰ্যকে পৰিপূৰ্ণ ৰাষ্ট্ৰতো শোষিত, নিপীড়িত, অৱহেলিত কৃষক-বনুৱাৰ অসন্তুষ্টি আৰু আন্দোলন মূৰ দাঙি উঠা দেখা গৈছে। দলিত, পীড়িত, অনাদৃত সকলৰ মুকুতিৰ নামত তেওঁলোকক চেপি খুন্দি পিহি নিঃশেষ কৰা দানবীয় চৌমুখাবোৰ আজি সুলকি পৰিছে। সংস্কাৰবাদ আৰু ধনিক নিৰ্বাচনী নীতিয়ে যে কোনো কালেই পীড়িত, দলিত, শোষিত, হালোৱা, হজুৱা, বনুৱাক মুকুতি প্ৰদান কৰি প্ৰকৃত মানুহৰ আসনত প্ৰতিষ্ঠিত কৰিব নোৱাৰে, এই সত্যটো আজি বুৰঞ্জীয়ে বিচাৰ কৰি দেখুৱাইছে।

বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ পৰিকল্পনা, দৰ্শন, জ্ঞান-বিজ্ঞান, কৰ্মসূচী সকলোখিনিয়েই এই বিৰাট নৰনাৰায়ণৰ মুকুতিৰ বাবেই ৰচিত হৈছিল। পূৰ্ণ মানৱ প্ৰেমী ৰাভাদেৱৰ জীৱন-নাট সম্পূৰ্ণভাৱে বিচাৰ-বিশ্লেষণ, পৰীক্ষ-নিৰীক্ষা, আৰু গভীৰ গৱেষণাৰে চাব পাৰিলে, নতুন সমাজ গঠনৰ অনেক মূল্যৱান আহিলা নিশ্চয় পোৱা যাব। তেওঁৰ জীৱনত লুইত পৰীয়া ডেকাগিৰী সুন্দৰ শ্ৰীমন্ত শংকৰদেৱৰ গুৰুস্থানীয় প্ৰভাৱ পৰিলক্ষিত হয়। ৰাজ-নিগ্ৰহয় আতুৰত শ্ৰীমন্ত শংকৰদেৱেও কেবাবাৰো আত্মগোপন কৰি অজ্ঞাতবাস খাটিব লগা হৈছিল। সামাজিক, দৈহিক আধ্যাত্মিক, সংস্কৃতিক আদি সৰ্ব দিশতে থান বান হৈ থকা সমাজ-ব্যৱস্থাক তেওঁ গভীৰ উপলব্ধি, আত্ম-প্ৰত্যয় আৰু দুৰন্ত সাহসেৰে এক নতুনত্বৰ অভিনৱ ৰূপত ৰূপ দিবলৈ আগ বাঢ়ি আহিছিল। জন-গণৰ চেতনাক উৎজীৱিত আৰু জীৱন-বোধক জাগৃত কৰি নিপীড়িত অৱহেলিত, নিম্ন জনগণক ব্যক্তি জীৱন-বোধৰ পৰা সমাজ জীৱন বোধলৈ উত্তৰণ কৰি লৈ গৈছিল। তেওঁৰ সংস্কৃতি তথা ধৰ্ম ৰাইজৰ ধৰ্ম আছিল আৰু সেয়েহে ৰাজশক্তিক তেওঁৰ প্ৰতিস্থাপিত সংস্কৃতিৰ বাহক হবলৈ অনুপযুক্ত বুলি তেওঁ ধৰি লৈছিল।

বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰো সকলো কলা—গীত, বাদ্য, নৃত্য, নাট, সাহিত্য, অভিনয়, অংকন, ৰাজনীতি, সমাজ-নীতি, অৰ্থ-নীতি আদি নিম্ন জনগণ, নিপীড়িত, হালোৱা, হজুৱা, বনুৱা, নিম্ন-মধ্যবিত্তৰ মুকুতিৰ বাবেহে ৰচিত,

অংকিত, অভিনীত হৈছিল। স্বাধীনতা প্ৰাপ্তিৰ পিছত এই নিম্ন সমাজখনৰ অৰ্থনীতি দিনক দিনে ভাঙি পৰিছিল, বস্ত্ৰ-বস্তুৰ দাম দিনক দিনে বাঢ়িছিল, পুঁজিপতিৰ মুনাফাৰ বৃদ্ধিয়ে তেওঁলোকৰ লোভৰ মাত্ৰা বঢ়াই তুলিছিল, শান্তি ৰক্ষাৰ নামত চিপাহী চন্তৰীৰ সংখ্যাই নহয়, বেতন আৰু ক্ষমতাকো বঢ়াই দিয়া হৈছিল, ৰেলৰ ভাড়া, বাচৰ ভাড়া অত্যাধিকভাৱে বঢ়াই তুলিছিল, নতুন নতুন কৰ কাটলৰ হেঁচাই জন-সাধাৰণক কাবু কৰি পেলাইছিল আৰু নতুন নতুন আইন প্ৰনয়ণেৰে বাক-স্বাধীনতা আৰু কাপ কলমৰ স্বাধীনতাক খৰ্ব কৰা হৈছিল।

"হিয়াৰ পুং" গল্পটিত দৰদী লিখক ৰাভাদেৱে লেখাৰ দ্বাৰা কোৱাইছে :—

"আজি মানুহে কান্দিব নোৱাৰে। থকা, খোৱা, পিন্ধাৰ কাৰণে কান্দিলে চৰকাৰৰ পুলিচ মিলিটাৰীহঁতে আহি কন্দা মানুহজনক ধৰি নিয়ে, কোবায়, ফাটেকত ভৰায়। আজি মানুহে কান্দিব নোৱাৰে। কিয় এনেকুৱা হয়? আইনে, আইনৰ কাৰণে। এই আইন হৈছে ধনীক ৰক্ষা কৰা আৰু দুখীয়াক মৰা আইন। এনে আইনৰ পৰাই ধনতন্ত্ৰবাদী সমাজ-ব্যৱস্থা চলি আছে। এই আইনেই হৈছে ধনিক শ্ৰেণীৰ চলনাৰ কৌশল। এনেকৈয়ে ধনতন্ত্ৰবাদে আইনৰ কায়দা কৌশলৰ দাবে কাটি-কুটি ৰাইজৰ সমাজৰ দেহা ডোখোৰা ডুখুৰী কৰে। আমাৰ অৱস্থা বেয়া হলে আমি এবাৰ কপালক, এবাৰ ঈশ্বৰক দোষ দিওঁ। দৰাচলতে কপালৰো দোষ নহয়। দেৱতাৰো দোষ নহয়, আচলতে ধনতন্ত্ৰবাদী সমাজ ব্যৱস্থাৰ দোষ। বিধাতাই মানুহকহে স্ৰজিছে, ধনী, দুখীয়া স্ৰজন কৰা নাই।……ৰাইজৰ অসুখ অশান্তিৰ গুৰি হৈছে ধনতন্ত্ৰবাদ।

……ৰাইজসকল, হৰ্তাচৰীয়া দুৰ্কপলীয়া হালোৱা হজুৱা বনুৱা ভাইসকল, যেতিয়ালৈকে ধনীৰ আইনৰ পেৰা যন্ত্ৰটো আপোনালোকে ভাঙি নেপেলায়, তেতিয়ালৈকে সুখ শান্তি আৰু মুক্তি নহয়। সেই পেৰাযন্ত্ৰটো নাশ কৰিবৰ বাবেই বিপ্লৱ লাগে। সেই বিপ্লৱেই ধনতন্ত্ৰবাদ ধ্বংস কৰিব, আইনৰ পেৰা-যন্ত্ৰটো নষ্ট কৰি পেলাব, সমাজতন্ত্ৰবাদ থাপিব। ৰাইজেই ৰজা, জ্ঞাতিয়েই গঙ্গাৰ সোঁত বোৱাব, সেই নৈৰ কাষত কৃষক-বনুৱা-পঞ্চায়তৰাজৰ সৰগ পাতিব। সেয়ে হৈছে—সমাজতান্ত্ৰিক বিপ্লৱ।"……

…… বিপ্লৱ হবই।"……

নিপীড়ন নিৰ্যাতন শেষ হবই আৰু জনগণৰ হিয়াই হিয়াই আনি দিব মুকুতি, শকতি আৰু ভকতি। কবিৰ সপোনে,—শিল্পীৰ সপোন এদিন দিক হবই।

······ জনতাৰে ভৰপূৰ মুকুতিৰ দ'ল
আজি হ'ল মুকুতি জীৱন্ত,—
পৰাণত আবেগ উচ্ছ্বাস অফুৰন্ত
দুৰ্বাণত জ্বলে সূৰ্য্য,
লোহিত আদৰ্শ জ্বলন্ত,
দেউলৰ অন্তৰ বাহিৰ মুখৰিত—
উচ্ছ্বাৰিত, প্ৰকম্পিত,
ক'লৰোল ঝংকৃত।
মুকুতি ছন্দিতা,
বন্দিত স্পন্দিতা;
বিনন্দিতা ভনিতা,—ধ্বনিতা,
পিষ্ট ক্লিষ্ট—পলিত পীড়িত—
নিৰ্যাতিত, নিপীড়িত
মুক্ত বন্দী-তানে।"······

(মুক্তি-দেউল : ৰাভা)

আহ অ' ন জিলিকনি

বিৰাট প্ৰতিভা. অতুলনীয় শক্তি আৰু বিপুল ভক্তিৰে গঢ় লৈ উঠা মহান পুৰুষ বিষ্ণু প্ৰসাদ ৰাভাদেৱে দৃঢ়ভাৱে বিশ্বাস কৰিছিল যে শোষণকাৰী দমনকাৰী ৰাষ্ট্ৰই নিম্ন ৰাইজৰ, পদদলিত ৰাইজৰ, উন্নতিৰ বাবে যিমানেই আঁচনি নকৰক, সেই আঁচনিয়ে কেতিয়াও সেই পীড়িত দলিত অৰ্দ্ধাহাৰী অনাহাৰী সকলৰ উন্নতি সাধন কৰিব নোৱাৰে। পুঁজিপতি আৰু ধনিক শ্ৰেণীৰ অনুগ্ৰহ বিচৰা ৰাষ্ট্ৰই গৰীব জনগণক, নিৰ্যাতিত জন-গণক, বুভুক্ষিত জনগণক আঁচনিৰ নামাৱলী পিন্ধি দিনে দিনে পিহি পিহি, ৰতি ৰতি নিঃশেষ কৰিবই। নিপীড়িত জাতিৰ বুৰঞ্জীৰ অধ্যয়নে তেওঁক জনমুকুতি ৰণৰ অশেষ শিক্ষা প্ৰদান কৰিছিল।

১৭৭৫ খৃষ্টাব্দত আমেৰিকাত স্বাধীনতাৰ যুদ্ধ চলিছিল, ১৭৭৭ খৃষ্টাব্দত চেৰাটোগাৰ ৰণত ইংৰাজ জেনেৰেল বাৰগোনে (Burgoyne) আত্ম-সমৰ্পণ কৰিবলৈ বাধ্য হৈছিল, কিন্তু যুদ্ধ সম্পূৰ্ণভাৱে শেষ হোৱা নাছিল। পিছলৈ যুদ্ধ ক্লান্ত বৃটিচ সৈন্যবাহিনীয়ে ১৭৮১ খৃষ্টাব্দত ইয়ৰ্ক টাউনত সমবেত হৈ সম্পূৰ্ণভাৱেই যুদ্ধত পৰিছিল আৰু ১৭৮৩ খৃষ্টাব্দত ভাৰ্চাইল সন্ধি মতে আমেৰিকাৰ পূৰ্ণ স্বাধীনতা ঘোষণা হৈছিল। কিন্তু সেই পদদলিত নিগ্ৰোসকলৰ অৱস্থা, নিম্নলোকসকলৰ অৱস্থা আজিও পানীত হাঁহ নচৰা অৱস্থাতেই থাকিল। ওঠৰ শতিকাৰ শেষৰ পিনে সংঘটিত হোৱা শিল্প-বিপ্লৱে কৃষি-জীৱি বৰ্দ্ধমান ইংলণ্ডক শিল্প-জীৱি কৰি তুলিলে, দোপত্-দোপে দেশখনক উন্নতিৰ পিনেও অগ্ৰসৰ কৰিলে, কিন্তু বনুৱা শ্ৰেণী তেতিয়াও নিপীড়িত হৈয়ে থাকিল। ৰাষ্ট্ৰৰ গৰাকীৰ পৰিবৰ্ত্তনে নিম্ন জনগণৰ কোনো মতেই উন্নতি সাধন কৰিব নোৱাৰে, কাৰণ ৰাভাদেৱৰ মতে মানুহৰ জীৱনটো জনম লভোতেই পৰিপাটি সুস্থ-সবল সুষমাৰে

পৰিপূৰ্ণ এটি জড় পদাৰ্থ নহয়, ই হৈছে—এটি জীৱন্ত ক্ৰীড়াশীল কৰ্মশীল অগ্নি-শিখাৰ দৰে জ্বলন্ত উদ্ভাষিত প্ৰাণময় আৰু প্ৰেমময় প্ৰগতিৰ ধাৰা। এই জীৱনৰ শক্তি অদ্ভুত, এই দুৰন্ত শক্তি নিদ্ৰিত হৈ থাকে ৰাইজৰ মাজত, ৰাইজ জাগিলে, ৰাইজ সংঘটিত লাগিলে, কোনো ৰাজ-শক্তিৰেই ক্ষমতা নাই তাক ৰোধ কৰিবলৈ।

"আগষ্ট বিপ্লৱ বিপ্লৱ নহয়, এটা সমূহীয়া বিদ্ৰোহ—বৃটিচ সিংহৰ বিৰুদ্ধে বিদ্ৰোহ বিপ্লৱ হলে আমূল পৰিবৰ্তন হয়। আগষ্ট বিপ্লৱে আমূল পৰিবৰ্তন নঘটালে। সেই দুঃখ, সেই অসুখ, সেই অশান্তি থাকিয়েই গ'ল বৰং চাৰি কাঠি চৰিল হে। বিপ্লৱ লাগে, আমূল পৰিবৰ্তন লাগে।"...

(মিচিংকনেঙ্ : উপন্যাস : ৰাভা)

বিপ্লৱৰ বৰ ওজা বিষ্ণুপ্ৰসাদ ৰাভাদেৱ তেওঁৰ সহধৰ্মিণী কনকলতাৰে সৈতে ধুবুৰীৰ কাৰাগাৰত আৱদ্ধ হৈ থকা কালত পোন প্ৰথমতে ভিতৰুৱা বাট-পথ নোহোৱা কোনো অঞ্চলত ভূমিকম্পৰ দৰে আলোড়ন উঠিছিল। অ'ৰ ত'ৰ গাওঁৰ পৰা পুলিচে কোনো কোনো কৃষকলোকক হাতকেৰেয়া লগাই থানাত সোমাই ৰাখি নানা প্ৰশ্ন কৰি কৰি শেষত জেলত সুমুৱাই থৈছিল। বিপ্লৱী কিমিউনিষ্ট পাৰ্টিৰ ঘাটি বুলি পুলিচ ৰিপোৰ্ট থকা কোনো কোনো গাঁওত পুলিচি নিৰ্যাতনো চলিল। দুই চাৰি সক্ৰীয় কৰ্মীয়ে আন্দোলনৰ কাৰ্য-সূচী এৰি কৃষি কৰ্মত মন দিলে ইতিমধ্যেই এনে ধৰণৰ কৃষকলোকৰ অৰ্থ-নীতিৰ মেৰু-দণ্ড দুঃখজনকভাৱেই ভাঙি পৰিছে।

ধুবুৰী টাউনত বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ মুক্তিৰ দাবি কৰি এটি সমদল-যাত্ৰা ওলাইছিল। আনপিনে কি কি ধাৰাত তেওঁক অভিযুক্ত কৰি তেওঁৰ ওপৰত মোকৰ্দমা ৰুজু কৰিব, সেইবোৰৰো আ-আলোচনা পুলিচ-বিভাগত বিশেষ ভাৱে আৰম্ভ হ'ল। কেইটাও ধাৰাত তেওঁৰ ওপৰত মোকৰ্দমা চলিল যদিও সাক্ষী আৰু আন আন প্ৰমাণৰ ইমান অভাৱ হ'ল যে চৰকাৰে নিজেই ইয়াক আদালতত চলাই থকাৰ শক্তি হেৰুৱালে। মাথো তেওঁৰ বৈপ্লৱিক নাটক "ন যুগৰ নতুন পৃথিৱী"খন ৰাভাদেৱে আত্ম-গোপন কৰি থকা কালতেই বে-আইনী বুলি ধৰি লৈ বাজেয়াপ্ত কৰি থৈছিল। শাসনত থকা কংগ্ৰেছী নেতা কিছুমানেও বিষ্ণুৰাভাদেৱক মোকোলাই দি তেওঁলোকৰ প্ৰতি সহানুভূতিশীল কৰি তুলিবলৈ হাবিলাস কৰিছিল। অনেক কেইজনেও তেওঁৰ বহুমুখী প্ৰতিভাৰ কথা জানিছিল, এই প্ৰতিভা সমাজৰ সেৱাত নিয়োগ কৰিব পাৰিলে দেশৰেই কল্যাণ হব বুলি ভাবি তেওঁৰ মুক্তিৰ ক্ষীণ সমৰ্থক আছিল। কিন্তু মানৱ দৰদী বিষ্ণুপ্ৰসাদ ৰাভাই জেল-জীৱন অভিনৱ অভিজ্ঞতাত নিজৰ শক্তিশালী পাত-কাপ-মহি-মৈলামৰ পৰা নতুন সাহিত্যৰ সৃষ্টি কৰি আনন্দ লাভ

কৰিছিল। তেওঁৰ জেল-জীৱনৰ গল্প কেইটি সঁচাকৈয়ে অতি মনোৰম, তাতে আকৌ স্থানীয় মাত-কথাৰ ব্যৱহাৰে আৰু যেন সোণতহে মণি কৰাইছে। অসমৰ বিভিন্ন অঞ্চলত ব্যৱহাৰ হোৱা অসমীয়া মাত কথাবোৰ কিমান যে মিঠা, কেনে যে অন্তৰ চুই যোৱা—ভাবিব নোৱাৰি। সৌন্দৰ্য-স্ৰষ্টা শিল্পীকৰে মানুহৰ ৰূপ-ৰং-ৰসৰ পৰাই এক সুগভীৰ সুন্দৰ সমন্বয়ৰ সৃষ্টি কৰে, সুন্দৰৰ উপলব্ধিয়ে তেওঁৰ অন্তৰত বোধ-শকতিৰ উপৰিও মানৱ-কল্যাণৰ প্ৰেৰণা সদায় সজাগ কৰি তোলে।

"বাজেৰে গৰজি বাজেৰে—
দগ্ধ মেঘৰ ৰন্ধ্ৰে ৰন্ধ্ৰে
দীপ্ত গগন মাঝেৰে···
মৰণ নৃত্য ছন্দ মিলায়ে
হৃদয় ডমৰু বাজেৰে"···

(বিশ্ব-কবি ঃ বৰ্ষশেষ)

স্নেহপ্ৰৱণ বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ সংবেদনশীল প্ৰাণটোৱে সদায় নিপীড়িতৰ বাবেই এক অতীন্দ্ৰিয় সত্যৰ সন্ধান লাভ কৰিছিল। পুথিগত দুঃখ-বেদনাৰ ঠাইত অভিজ্ঞতাৰ দুঃখ-বেদনাইহে তেওঁক পীড়ন কৰিছিল। কংগ্ৰেছ-ৰাজৰ দুঃসহ কাৰাগাৰত তেওঁ কোনো দিনা নিজৰ বাবে বা তেওঁৰ প্ৰিয়তমা পত্নীৰ বাবে অকণো দুঃখিত হোৱা নাছিল ; কিন্তু সেই দুখীয়া অজলা আখৰ চিনি নোপোৱা সহজ সৰল কয়েদীসকলৰ হৃদয় বিদাৰক কাহিনীবোৰে তেওঁৰ অন্তৰ ভাঙি চুচুৰ্মে কৰি পেলাইছিল ; আইনৰ কুট-মেৰ-পাকৰ প্ৰতি তেওঁৰ বিতৃষ্ণা জন্মিছিল।

ইতিমধ্যে নলবাৰীত ৰাজদ্ৰোহীৰ প্ৰগ্ৰেপ্তৰৰ বাবে, পীড়ন দমনৰ বাবে চিপাহী-চন্তৰী-গোয়েন্দাৰ অস্থায়ী শিবিৰ পতা হৈছিল। অনেক ডেকা-গাভৰুক হাতে গলে বান্ধি তাত সমূৰাই ৰাখি বে-আইনী বিদ্ৰোহ-বিপ্লৱৰ আতি গুৰি উলিয়াই শাসনকাৰ্য নিৰাপদ কৰিবলৈ প্ৰচেষ্টা চলোৱা হৈছিল। দোষী-নিৰ্দোষী অনেককেই তাত আৱদ্ধ কৰি ৰাখি বৈপ্লৱিক আন্দোলনৰ তলা-নলা উলিয়াই শিপায়ে-পোখায়ে উচ্ছেদ কৰিবলৈ যত্ন কৰা হৈছিল আৰু শাস্তিবোৰৰ কথা শুনিলে মানুহৰ গাৰ নোম সিহঁৰি উঠিছিল।

ভাৰত ৰক্ষা আইন মতে ছমাহ হোৱাত ৰাভাদেৱৰ সহধৰ্মিনী কনকলতাক জেলৰ পৰা মোকোলাই দিলে। হাঁহি মুখে তেওঁক বিদায় দি বিষ্ণুপ্ৰসাদে ৰচনাত্মক কাৰ্যত আৰু বেছি মনোনিবেশ কৰিলে। কনকলতা বেলশৰৰ নিজ পিতৃ-মাতৃৰ ঘৰলৈ গুচি আহিল আৰু গোপনভাৱে নাৰী সংগঠনৰ কামত লাগিল। বিপ্লৱী স্বামী কবিয়ে অমৰ তেজাল কলমেৰে কালিয়া গীত ৰচিলে—

····· কাৰ আমৰণ
জীৱনৰ পণ
আমি মিলি যুঁজ দিম ॥···
দুখৰ কলিয়া আকাশত
নতুনসূৰুযে দিয়ে দেখা
বাঙলী বোলৰ পোহৰত
দেখো মুকুতিৰ পথ-ৰেখা ;—
সেই পথেদিয়ে গলে আগুৱাই
দলিতৰ হ'ব জয়—
বিজয় নিচান দিম উৰুৱাই,—
পুৰণিৰ হ'ব ক্ষয় ॥···
কৰি আমৰণ
জীৱনৰ পণ
আমি মিলি যুঁজ দিম ॥"···
(হিয়াৰ পুং : গল্প : ৰাভা)

১৯৫৩ খৃষ্টাব্দৰ ২৫ জুলাইৰ স্মৰণীয় দিনটোত কাৰাবন্ধ বিপ্লৱী বিদ্রোহী কবি, গায়ক, সুৰকাৰ, সংগীতজ্ঞ, চিত্ৰকৰ, গৱেষক, দাৰ্শনিক, অভিনেতা, নটবৰ, নিপীড়িত নিৰ্যাতিতৰ দৰদী বন্ধু গুৰু বিষ্ণুপ্ৰসাদ ৰাভাদেৱক চুপ্রিম-কোৰ্টৰ আদেশ অনুসৰি কয়েদীৰ বগাঘৰৰ পৰা অসম চৰকাৰে তেওঁক মুকলি কৰি দিলে তেওঁৰ মনটো বেয়া লাগিল কয়েদী হৈ থকা সেই সহজ সৰল গোৰাহঁতলৈ, হৰেণহঁতলৈ মনটো পুনৰবলৈ ধৰিলে। তেওঁৰ মুকুতিৰ বাতৰিত অসমৰ ইমূৰৰ পৰা সিমূৰলৈ মানুহৰ মাজত আনন্দ আৰু অনুপ্রেৰণাৰ সিহঁৰণ উঠিল। তেওঁ ট্রেইন যোগে পোনে পোনেই গৈ তেজপুৰ উঠিল। বতৰাটি কনকলতাই পাই মনত ঠেহ পাতিলে, কিন্তু সেই অভিমান তেওঁৰ বেছি সময় নাথাকিল। খবৰ পোৱাৰ তিনি দিন পিছতেই গুণী প্ৰিয়তম স্বামীৰ সান্নিধ্য লভিবলৈ তেওঁ তেজপুৰলৈ যাত্ৰা কৰিলে। ছৰ্দাৰ বাহাদুৰ গোপালচন্দ্ৰ পথৰ সেই ঘৰটিত সোমায়ে তেওঁ পোনতেই অভিমানৰ অভিনয় এটি কৰিবলৈ যত্ন কৰিছিল যদিও ভোলানাথ সদৃশ স্বামীৰ হাঁহিৰ খিলখিলনিটোতেই তেওঁৰ সকলো অভিমান ভাঙি চূৰ্ণ বিচূৰ্ণ হ'ল, স্বামীৰ পবিত্ৰ চৰণত কনকলতাৰ কোমল আঙুলীযে হাৰমনিয়মৰ ৰিদত টিপি দিয়াৰ দৰেই কলাকাৰ সুন্দৰ পুৰুষজনৰ হাঁহিয়ে আৰু হাতে প্ৰিয়া কনকক সাবটি মাৰি ধৰিলে। উপস্থিতি-সকলৰ মাজতো হাঁহি আৰু আনন্দৰ ঢৌ উঠিল।

গুৱাহাটী অঞ্চলৰ অনেক লোকে তেওঁক দেখা কৰিবলৈ আহিল, বহুতেই তেওঁক নিজ নিজ গাঁওলৈও নিমন্ত্ৰণ কৰিলে। অসংখ্য চিঠি-পত্ৰও আহিল—গাওঁলৈ

নিমন্ত্ৰণ, টাউন-চহৰলৈ নিমন্ত্ৰণ, মঞ্চলৈ নিমন্ত্ৰণ—ৰাজহুৱা সভা-সমিতি-সংগীত-সমাৰোহলৈও নিমন্ত্ৰণ। পুনৰ যেন ৰাইজৰ মৌ-মিঠা সাগৰলৈ প্ৰাণৰ আবেগ আমন্ত্ৰণ!

"আহ অ' ন জিলিকনি
জিলিকনি
আহ অ' ন জিলিকনি
পোহৰাই তোল এই ধৰণী
শাঁত কৰ দুখৰ অগনি।
নহলে যে হব ছাই—
হায়! হায়!! হায়!!!
পৃথিবী শুৱনী
চিৰ নৱ জিলিকনি॥
উৰুৱাই মৰু মৰতলৈ
শান্তিৰ কপোত কপোতী
দে মেলি ডেউকাৰ ছাত
শান্তি
মুক্তি
প্ৰগতি জিলিকনি
অ' ন জিলিকনি॥"

(পৰজীৱনৰ শুভ লগনত: গীত: বাভা)

সাম্য-শান্তিৰ নতুন পৃথিৱীৰ নতুন সমাজৰ সপোন দেখোঁতা বিপ্লৱী—নিপীড়িত নিৰ্যাতিতৰ, পদদলিত শোষিত অৰ্ধাহাৰী অনাহাৰীৰ মুকুতিৰ সপোন দেখোঁতা বিষ্ণুপ্ৰসাদে ন জিলিকনিৰ পোহৰৰ ধৰণী পোহৰ কৰি তুলিবলৈ হাবিলাস কৰিলে। শান্তি, মুক্তি আৰু প্ৰগতিয়ে দলিতৰ দুখ, শোষিতৰ শোক, পীড়িতৰ পিপাসা, নিপীড়িতৰ নিৰাশা সকলো আঁতৰ কৰি পৃথিৱীক পোহৰাই তুলিব। নটৰাজ শিৱৰ দৰেই ৰাইজৰ কল্যাণৰ বাবে, দহজনৰ মংগলৰ বাবে কালকূট পাণ কৰি হলেও পুনৰ ৰাইজৰ মাজলৈকেই গৈ তেওঁ ৰাইজৰেই সেৱা কৰিব; শান্তি, মুক্তি, প্ৰগতিৰে কালৰ ৰথৰ চকবিক গতিশীল কৰি তুলিব। 'অমৃত মথনত' হলাহল কালকূট বিষ ওলাই পৃথিৱীৰ জীৱসকলক ম্ৰিয়মান কৰি তুলিলে, তেতিয়া প্ৰজাপতি ব্ৰহ্মাই নটৰাজ শিৱকহে প্ৰাৰ্থনা কৰিলে জগত ৰক্ষাৰ বাবেই।

"বিষৰ জ্বালায়ে জগতকে নেয় দহি।
সহিবে নপাৰি ৰসাতলে যায় মহী॥

দশোদিশে কৰে প্ৰজা হাহাকাৰ ৰোল।
ভয় হৈয়া ব্ৰহ্মা গৈলা শংকৰৰ কোল॥
* * *

হেন শুনি পাছে কৃপাময় ত্ৰিলোচন।
স্নেহে আকুলিত হুয়া বুলিলা বচন॥
হুয়োক নিৰ্ভয় মই কৰো পৰিত্ৰাণ।
এহি বুলি পাৰ্বতীক দিলা সমিধান॥
* * *

ঈশ্বৰ হুইবাৰ এহি মানে প্ৰয়োজন।
প্ৰাণীভয় ভীত ভৈলে কৰিব ৰক্ষণ॥
বিশেষত মহন্তৰ এহি ব্যৱহাৰ।
পৰজীৱ ৰাখে জীৱ দিয়া আপোনাৰ॥
* * *

হেন জানি মই ক্ষীৰ সাগৰক যাওঁ।
তিনিও লোকৰ আজি দুৰ্গতি খণ্ডাও॥
ঘোৰ কালকূটক গিলিবো কৌতুহলে।
দেখিয়োক মই জীৰ্ণ কৰো যোগবলে॥”

(অমৃত মথন : শ্ৰীমন্তশংকৰদেৱ)

বিষ্ণুপ্ৰসাদ ৰাভাদেৱেও সৰ্বহাৰাৰ মুকুতিৰ বাবে নীলকণ্ঠৰ ৰূপ লৈছিল, মঙ্গলময় শিৱৰ দৰেই—

“……মুদিত নয়নে
অমোহৰ কল্যাণদেৱৰ
চিৰ সুন্দৰ
মুকুতি আকাৰ
জ্বলাই হিয়াৰ চাকি প্ৰেমৰ শলিত ডালি
বিপ্লৱ অগনি দাহ লই
বঢ়াই মুক্তি পৰাই যতনে থাপনা পাতি
দেহা ধুনা দুনৰী টি থই
তুলি সুমধুৰ তান……”

ভকতিৰ গান তেওঁ উচ্চস্বৰে গালে। তেওঁৰনো কি নাছিল, কিহৰ অভাৱ আছিল, গুণ-গৰিমাতেই নো তেওঁৰ কি ক্ষতি-খুণ দেখা দিছিল? চৰদাৰ বাহাদুৰ গোপাল চন্দ্ৰ ৰাভা (O. B. I. Aide-Camp, Governor of Bengal) তাহানিৰ ইংৰাজ-শাসনৰ সামৰিক বিভাগৰ উচ্চপদস্থ খ্যাতি-সম্পন্ন

এজন বৰ-বিষয়াৰ পুত্ৰ বি. ঢাকা নগৰত উপজি—চাৰিটা ঘোঁৰাই টনা ঘোঁৰা বাগীত প্ৰাইমাৰী স্কুললৈ গৈ ৰাজ-পুত্ৰৰ দৰে জীৱন আৰম্ভ কৰিছিল, পিতৃদেৱৰ সুদক্ষতাত আৰু কৰ্তব্য-সেৱাৰ বাবে ইংৰাজ চৰকাৰে তেওঁলৈ আগবঢ়োৱা দুহেজাৰ বিঘা খেতি মাটিৰ মালিকীস্বত্ব পোৱা বিষ্ণুপ্ৰসাদ ৰাভাদেৱে নিপীড়িত নৰ-নাৰায়ণৰ মুকুতিৰ বাবে—হালোৱাৰ লগত হালোৱা, হজুৱাৰ লগত হজুৱা, বনুৱাৰ লগত বনুৱা, ৰণুৱাৰ লগত ৰণুৱা, ভকতৰ লগত ভকত, বায়নৰ লগত বায়ন, গায়নৰ লগত গায়ন, ব্যাসৰ ওজাৰ লগত ব্যাস-কীৰ্তনীয়া, ঘোষাকীৰ্তনীয়াৰ লগত ঘোষাকীৰ্তনীয়া, নটৰ লগত নটক, মঞ্চত অভিনেতা,—আন পিনে গভীৰ গৱেষক, নৃতাত্বিক. দাৰ্শনিক, বিচক্ষণ ৰাজনীতিজ্ঞ, বুৰঞ্জীবিদ, ভু-তাত্বিক, কবি, চিত্ৰকৰ, নাট্যকাৰ, ঔপন্যাসিক, গাল্পিক, প্ৰাৱন্ধিক আদি বত্ৰিশ গুণৰ অধিকাৰী হৈও, তেওঁ হৈ উঠিছিল বিপ্লৱ-অগনিৰ আৰিকাঠি জুইৰ আৰিয়া ধৰোঁতা। মানৱতাৰ সুগভীৰ অন্তৰদৃষ্টি, সংঘাটময় জীৱনৰ কালজয়ী ব্যক্তিত্ব, সংগীত-সংস্কৃতিৰ দিব্য-ৰূপ, পৰোক্ষ প্ৰাণ-স্পৰ্শী প্ৰেম-প্ৰীতি-দৰদেৰে নিম্ন পীড়িত কোটি জনতাৰ হিয়াৰো হিয়াৰ, প্ৰাণৰো প্ৰাণৰ লগত নিজকে বিলাই দিয়া তেওঁৰ আত্মবোধে—তেওঁৰ মহতী জীৱনটোক ৰূপ দিছিল—ধ্ৰুপদী সংগীতেৰে পৰিপূৰ্ণ এখনি অনুপম কাব্য স্বৰূপে। এনে উদাহৰণ পৃথিৱীত বিৰল।

"সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ চিন্তাবিদ হিচাপে চিহ্নিত কৰিব লগাকৈ কেতিয়াবা কেতিয়াবা হঠাতে একোজন চিন্তানায়কৰ জন্ম হয়। বিষ্ণুপ্ৰসাদ ৰাভাৰ ক্ষেত্ৰতো প্ৰশ্নহীনভাৱে এই কথাই খাটে। চিন্তাৰ বিভিন্ন দিশত বিভিন্ন জনে অবিস্মৰণীয় ভাবে ৰেখাপাত কৰি মানৱ মন আলোড়িত কৰি তোলে। সংস্কৃতিৰ সমন্বয় আৰু সম্প্ৰীতিৰ কালজয়ী চিন্তা তথা জীৱন ৰক্ষাৰ দিশত বিষ্ণু প্ৰসাদ ৰাভাক সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ চিন্তানায়ক বুলি ক'লে চকুচৰহা বুদ্ধিজীৱি বাদে আনে হয়তো অত্যুক্তিৰ প্ৰশ্ন নুতুলিব।"……

(সাম্প্ৰতিক কালৰ প্ৰবাদ পুৰুষ বিষ্ণুৰাভা…… ঃ গুণেশ্বৰ সোণোৱাল)

গুৰু ঘন ঘন ঘোষ ঘৰিষণ গৰ্জন

সাম্ৰাজ্যবাদী শোষণকাৰী বিদেশী ইংৰাজ শাসনৰ কিছু কালৰ পিছৰ পৰাই কৰলৈ গলে ভাৰতত বৈপ্লবিক সাহিত্যৰ সৃষ্টি হৈছিল। উনৈশ শতিকাৰ আৰম্ভণিৰ পৰাই কৰলৈ গলে এনে সাহিত্যই পাহি পোখা মেলিছিল। ১৮৫৭ খৃষ্টাব্দৰ চিপাহী বিদ্ৰোহে এনে সাহিত্যলৈ যেন এটি আদৰ সাদৰ আৱাহনহে জনাইছিল। নলিনী কিশোৰ গুহ মহোদয়ৰ "বাংলায় বিপ্লববাদ" আৰু সুপ্ৰকাশ ৰায় মহোদয়ৰ "ভাৰতেৰ বৈপ্লবিক সংগ্ৰামেৰ ইতিহাস" আদিয়ে সেই কালত বাৰুকৈয়ে বিপ্লৱৰ ভাবধাৰাৰে অকল বংগদেশকেই চেতনা প্ৰেৰণাৰে সংঘাটৰ বাবে যুৱক যুৱতীসকলক তেজোদ্দিপ্ত কৰি তুলিছিল। অম্বিকাগিৰী ৰায়চৌধুৰীদেৱেও বৈপ্লৱিক গীত আৰু কবিতা ৰচনা কৰিছিল, কিন্তু তেওঁৰ গীত-কবিতাত বিপ্লৱতকৈও কঠোৰ কৰ্মময় জীৱনহে তেওঁ বেছি কামনা কৰিছিল আৰু দেশৰ লোকৰ কৰ্মহীনতা, নিষ্ক্ৰিয়তা, জড়তা, শিথিলতা আদি দেখি তেওঁৰ প্ৰাণত বেদনাৰহে উল্কাপাত হৈছিল।

"...মানৱতাক পিষ্ট কৰা
দাসত্বটোৰ পাপৰ ভৰ
ওফোৰাই দি স্বাধীন হলো
নিজে চলাম নিজৰ ঘৰ,—
মানৱতাৰ পূৰ্ণ বিকাশ
ঘটাম আমি আনাতেই,
ত্ৰিলোক জুৰি প্লাৱন তুলিম
মানৱীয় জেউতিৰেই,—
কাম কৰ কৰ, কাম ধৰ ধৰ,
কেৱল কাম কেৱল কাম—
কেৱল কামত প্ৰাণ ঢালি দে—
অবিৰাম অবিশ্ৰাম,—
কেৱল কাম, কেৱল কাম,
নাই জিৰণি, নাই বিৰাম।"...

(কৰ্ম-গীতিকা : অম্বিকাগিৰী)

বংগৰ নজৰুল ইচলাম বা বৰপেটাৰ প্ৰসন্নলাল চৌধুৰী আদি কবিসকলকো বিদ্ৰোহী কবি আখ্যা দিয়া হৈছিল। বংগৰ গায়ক মুকুন্দ দাসে দলগত ভাৱে বিদ্ৰোহী গীত গাই ফুৰি স্বাধীনতাৰ আন্দোলনৰ শকতি যে বঢ়াইছিল, তাত কোনো সন্দেহ নাই। অসমৰো অনেক গাৱেঁ-নগৰে তেওঁৰ দলটিয়ে স্বৰাজৰ গীত গাই ৰাইজৰ মাজত আলোড়ন সৃষ্টি কৰিছিল।

জ্যোতিপ্ৰসাদ আগৰৱালা সুন্দৰৰ সাধক গীতিকাৰ, সুৰকাৰ, গায়ক, নাট্যকাৰ, কবি, চিত্ৰকৰ আৰু সংস্কৃতিৰ সেৱক। দেশৰ স্বাধীনতাৰ বাবে কাৰাগাৰ বন্ধ হৈ তেওঁ তেওঁৰ অগ্নি-সুৰেৰে দুস্কৃতিক বিনাশ কৰি শ্ৰীমন্তশংকৰদেৱৰ পৰা পোৱা অনুপ্ৰেৰণাৰে শ্ৰীকৃষ্ণ-কৃষ্টিকেই মণিকুট সাজি একক শিল্পীৰ পৃথিৱীৰ পৰিকল্পনা কৰিছিল।

'জন সমাজত বিপ্লৱীধ্বনি মুক্ত কণ্ঠে গাবলৈ জ্যোতিয়ে'—"অগ্নিগানৰ জুই ফিৰিঙতি সিঁচিছিল।"···"জ্যোতিপ্ৰসাদৰ আদৰ্শৰবীৰ লাচিত, জীৱন-লক্ষৰ প্ৰতীক হৈছে শ্ৰীকৃষ্ণ, ৰণবাদ্য হৈছে পাঞ্চজন্য, মন্ত্ৰ হৈছে অগ্নিবীণা, সৈনিক হৈছে গাঁৱৰ ডেকা-গাভৰুৰ দল আৰু জনতা ; তেওঁ সাধনা কৰে অহিংস-বিপ্লৱৰ আৰু বন্দনা কৰে চিৰসুন্দৰৰ।···"

(অসমীয়া-কবিতাৰ কাহিনী : ভৱানন্দ দত্ত)

কিন্তু বিষ্ণুপ্ৰসাদ ৰাভাদেৱে তেনে ধৰণে অহিংস আন্দোলনেৰে শোষিত, পীড়িত, নিৰ্যাতিত, অৱহেলিত, হালোৱা-হজুৱা-বনুৱাৰ মুক্তিৰ সত্যতাত বিশ্বাস নকৰিছিল। ৰাইজেই ৰজা, গীয়াতিয়েই গংগাৰ মন্দাকিনীৰ পাৰত সাম্য-শান্তিৰ কৃষক-বনুৱা-পঞ্চায়ত-ৰাজ প্ৰতিষ্ঠিত কৰিবলৈ, অৱনত আৰু শোষণ-শাসনত জৰ্জৰিত, নিপীড়িত নিৰ্যাতিতৰ বাবে তেওঁ জীৱন পণ কৰি—কায়-মন-বাক্যেৰে পাত-কাপ-মহি-মৈলামৰ যুগান্তকাৰী বৈপ্লৱিক সমাবেশ পাতিছিল। এনে বিপ্লৱৰ বাহিৰে পদদলিতসকলৰ যে মুক্তিৰ বাহিৰে একো পথ নাই—তেওঁ দৃঢ়ভাৱে বিশ্বাস কৰিছিল। সংস্কৃতিৰ বাহক নিপীড়িত নিম্ন জনসাধাৰণৰ অতিশয় দুঃখজনক আৰু হৃদয় বিদাৰক অৱস্থাৰ চিত্ৰই তেওঁক সদায় ব্যথিত আৰু ম্ৰিয়মান কৰি তুলিছিল, সেয়েহে কলাকাৰ দৰদী কবি জনে সৰ্বহাৰাৰ মুকুতিৰ বাবে সশস্ত্ৰ-বিপ্লৱৰ মহাকষ্টময় জীৱন-যাত্ৰা বাচি লৈছিল। তেওঁৰ অন্তৰ্দৃষ্টি, বুৰঞ্জীৰ জ্ঞান গভীৰ অভিজ্ঞতা, দৰ্শন-চিন্তা, অবিচল নিষ্ঠা, আৰু নৈতিকতাই তেওঁৰ জীৱনৰ মূল সুৰটোক সদায় সংগীতৰ একেটি ৰাগতেই বান্ধি থৈছিল আৰু উদাৰমানৱতাবাদী দৃষ্টি-ভংগীয়ে যুক্তিৰেই তেওঁৰ সৃষ্টিৰ ক্ষমতালৈ অবিহনা যোগাইছিল। সেয়েহে "গুৰু ঘন ঘন ঘোষ ঘৰিষণ গৰ্জন"ৰ দৰে তাণ্ডৱ ৰচনাৰ মাজতে লাস্যৰো তেওঁ সৃষ্টি কৰিব পাৰিছিল। —সুন্দৰ সুষ্ঠ নিখুঁত দুৰ্লভ মানৱ-জীৱনৰ প্ৰতি যাৰ গভীৰ আস্থা আৰু আসক্তি, তেনে শিল্পী-সাহিত্যিকে বিপ্লৱত অনিবাৰ্যভাৱে

অংশ লব লগা হয়, সেয়েই বিষ্ণুপ্ৰসাদ ৰাভাদেৱে গভীৰ নিষ্ঠাৰে প্ৰেমিক হৈও, জংগী তীব্ৰ অজেয় বিপ্লৱী, আন পিনে তেওঁ নিপুণ কলাকাৰ, বিশ্ব-মানৱতাবাদী পূৰ্ণ মানৱ আৰু কাল বিজয়ী মহান স্ৰষ্টা।

১৯১৮ খৃষ্টাব্দত সশস্ত্ৰ বিপ্লৱৰ গোপন দল এটিয়ে তেতিয়াৰ হাবিয়ে-জংঘলে ভৰা গুৱাহাটীৰ আঠগাঁৱত ঘাঁটি পাতিছিল। নলিনীকান্ত বাগচি, প্ৰবোধ দাসগুপ্ত, প্ৰভাস চন্দ্ৰ লাহিড়ী, নৰেন্দ্ৰ বেনাৰ্জী আৰু মনীন্দ্ৰ ৰায় নামৰ পাঁচজন বিপ্লৱীৰ দ্বাৰা প্ৰশিক্ষণ লৈ আছিল। পিছত তেতিয়াৰ কামৰূপ জিলাৰ পুলিচ-চাহাব (S. P.) মিষ্টাৰ ফেয়াৰ ওৱেদাৰএ চোৰাংচোৰাৰ গোপন তথ্যৰ ওপৰত ভিত্তি কৰি সশস্ত্ৰ পুলিচ বাহিনীৰে অঞ্চলটো অবৰুদ্ধ কৰি চেপি চেপি আহি গুলি চলাবলৈ ধৰাত বিপ্লৱীসকলেও গুলিৰেই উত্তৰ দিলে। শৈণত যুৱকসকল হাবিৰ মাজেদি নৱগ্ৰহ পৰ্বতত খোপনি পুতিলে। পিছ দিনা পুনৰ ৰাতি নোপুৱাওঁতেই উভয় পক্ষৰ গুলিয়াগুলি আৰম্ভ হোৱাত প্ৰবোধ দাসগুপ্ত আৰু নলিনীকান্ত বাগচি পলাই কোনিবা লুকাই পৰিল, কিন্তু বাকী কেইজনক বন্দী কৰিলে। এই বিপ্লৱীসকলৰ লগত স্থানীয় যুৱক কোন বা কোনঁ কোন আছিল আজিও সঠিকভাৱে জনা নাযায়। কিন্তু এইটো থিক যে সশস্ত্ৰ বিপ্লৱৰ অসমতো পাতনি মেলা হৈছিল।

অনাদি কালৰ কোনোবা এটি শুভ মুহূৰ্তত বিশাল জলৰাশিৰ প্ৰফুল্লিত পদুম এপাহিৰ মাজত তত্ত্ব-জ্ঞানী ব্ৰহ্মাদেৱৰ হেনো সৃষ্টি হৈছিল। তেওঁৰ নিজৰ জনম-ৰহস্যৰ আদি সত্য বিচাৰিবলৈ গৈ তেওঁ উৱাদিহ নোপোৱা হ'ল। পদুম ফুলৰ নলীৰ মাজেৰে শ শ বছৰ তেওঁ নামি গৈ থাকিল—কিন্তু সেই পথৰ শেষ নাই, অন্ত নপৰে তেতিয়া তেওঁ পুনৰ ওপৰলৈ উঠি আহিবলৈ ধৰিলে আৰু নলীৰ মূৰৰ পদুমত অৱস্থান কৰিলে আৰু তাতেই দীৰ্ঘ তপস্যাৰ দ্বাৰা জ্ঞান-বিজ্ঞান-ৰহস্যৰ উদ্ঘাটন কৰি অনন্ত ব্ৰহ্মাৰ জ্ঞান লাভ কৰি ব্ৰহ্মা হৈ পৰিল। বিৰাট বিশ্বৰ জ্ঞান তেওঁৰো সম্পূৰ্ণ নহ'ল। বিজ্ঞানী নিউটনে কৈছিল যে মহাজ্ঞান-বিজ্ঞান মহাসমুদ্ৰৰ পাৰৰ মই শিলগুটিহে বুটলিছো। কিন্তু সেই পণ্ডিত-বিজ্ঞানী নিউটনৰ সত্য উদ্ঘাটনে জগতৰ চিন্তা-জগতৰ তুমুল পৰিবৰ্তন সাধন কৰিছিল। এনে আত্ম জ্ঞানেই সদায় জগতৰ কল্যাণ সাধন কৰে।

প্ৰত্ন-তত্ত্ব, অৰ্থ-তত্ত্ব, মূৰ্তি-তত্ত্ব, শিল্প-তত্ত্ব, ইতিহাস, ভুগোল, সমাজ তত্ত্ব নৃ-তত্ত্ব, লিখন, অংকন, সংগীত আদি সকলো বিষয়তে সমান জ্ঞান লাভ কৰিব পৰাটো সকলোৰে ভাবে সম্ভৱপৰ নহয়। এখন দেশৰ কৃষ্টি সংস্কৃতিৰ পূৰ্ণ জ্ঞান ভৰা বুৰঞ্জী জানিবলৈ হলে প্ৰতি গাঁওৰেই আচাৰ-বিচাৰ, বিশ্বাস-অবিশ্বাস বিধিনিষেধ, ধৰ্মীয় নিত্য আৰু নৈমিত্তিক কাৰ্যসূচী, জন্ম-বিবাহ-মৃত্যুৰ হৰ্ষবিষাদ, অতীতৰ কিংবদন্তি, পূৰ্বপুৰুষ সকলৰ অস্ত্ৰশস্ত্ৰৰ কাহিনী, প্ৰেম-প্ৰণয়-চেনেহ ভকতিৰ সৌন্দৰ্য, শতৰু বিনাশৰ সাধু ইত্যাদি বাৰুকুৰি কথাৰ

জগত যাৰ গভীৰ সংযোগ থাকে, তেনে প্ৰতিভাশালী পুৰুষেহে সেই দেশৰ, সেই সমাজৰ—সেই লোকসমূহৰ সঁচা ইতিহাস ৰচি যুগজয়ী হয়। এনে প্ৰতক্ষ্য সংযোগ বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ বাবেই সম্ভৱপৰ হৈছিল আৰু এনে মহৎ সংযোগৰ উৎসৰ অনুপ্ৰেৰণা তেওঁ সৰ্বগুণাকৰ সুন্দৰ শ্ৰীমন্ত শংকৰদেৱৰ পৰাই লাভ কৰিব পাৰিছিল।

ডঃ হীৰেন গোহাই সম্পাদিত “সৈনিক শিল্পী বিষ্ণু ৰাভা” গ্ৰন্থত নগেন কাকতিয়ে “বিপ্লৱী গণ-শিল্পী বিষ্ণুৰাভা” শিতানৰ তেওঁৰ প্ৰবন্ধটিত অতি সত্য আৰু সুন্দৰ কথা এষাৰ লিপিবদ্ধ কৰিছে ঃ

“…এহাতে ষ্টেন-গান, আনহাতে কলম তুলি লৈ কংগ্ৰেছী চৰকাৰৰ দহ হেজাৰ টকীয়া পুৰস্কাৰৰ বিপদ মুৰত লৈ ঐতিহাসিক অন্যায়ৰ বিৰুদ্ধে পৃথিৱী জোৰা প্ৰতিৰোধ জগাই তোলা আদৰ্শবাদী দলৰ অনুপ্ৰেৰণাৰে আত্মগোপন কৰি অসমৰ হালোৱা হজুৱা গঞাক চৰকাৰী দমন উৎপীড়নৰ বিৰুদ্ধে সংগঠিত কৰি ফুৰা এজন বিপ্লৱী শিল্পী ধুমুহাৰ গতিত পাহাৰে-ভৈয়ামে দৌৰি ফুৰিছিল। …—সেই জন বিপ্লৱীয়েই বিষ্ণু ৰাভা।”…

শ্ৰীমন্ত শংকৰদেৱে তেওঁৰ ‘সৰ্বগুণাকৰ’ বিৰাট প্ৰতিভাৰে অসম কামৰূপ বেহাৰ ৰাজ্যত তেওঁৰ বিবিধ কলা-কৃষ্টিৰ মাধ্যমেৰে এক সুন্দৰ উদাৰ প্ৰশস্ত মানৱসমাজৰ নতুন পাতনিৰ সূচনা কৰিছিল আৰু সেই সাম্য শান্তিৰ সমাজৰ পৰিধি ত্ৰিভুজ আকাৰত সোঁৱে বাঁৱে আৰু তলে-ওপৰে বৃদ্ধি হ'বলৈ ধৰাত দুষ্কৃতিৰ শক্তিশালী গোষ্ঠিয়ে সংঘবদ্ধভাৱে সেই মহতী আদৰ্শ আৰু জীৱন ধাৰাৰ পদ্ধতিক বিধ্বংস কৰিবলৈ দেহে কেহে, মনে-প্ৰাণে লাগি পৰিছিল। কিন্তু পৰা নাছিল—দুষ্কৃতিয়ে কোনো দিনাই সংস্কৃতিক বিনাশ কৰিব নোৱাৰে।

“…তেওঁৰ (শ্ৰীশংকৰদেৱ) অপৰিসীম প্ৰতিভা আৰু গভীৰ প্ৰাণ-স্পন্দনে সাঁচ ঢালি থৈ গ'ল অসম-কামৰূপৰ অসমীয়া জাতিৰ নতুন প্ৰাণ আৰু নতুন সংগীত, নতুন সাহিত্য আৰু নতুন শিল্পকলা, নতুন ধৰ্ম আৰু নতুন সমাজনীতি দি, নতুন সংস্কৃতিৰ ভেটিত প্ৰতিষ্ঠা কৰি।

…ৰাজনৈতিক সামাজিক বুৰঞ্জীৰ মুৰৰ ওপৰে কত ধুমুহা, চেঁচা আৰু তপত বতাহৰ প্ৰাণ দাহী সোঁত পাৰ হৈ গৈছে ; কিন্তু গুৰুজনাই যি সংস্কৃতিৰ বীজ দেশ জুৰি সিঁচিলে, সি আজিকোপতি জাতিৰ জীৱনৰ তলীলৈকে শিপাই তাক জীপ দি আছে।” (শ্ৰীশ্ৰীশংকৰদেৱ ঃ ডঃ মহেশ্বৰ নেওগ)

দেশৰ এই সঁচা বুৰঞ্জীৰ ধাৰা, আমি কোনোমতেই নুই কৰিব নোৱাৰো। ৰাজ অনুগ্ৰহক আওকাণ কৰা সুন্দৰ শ্ৰীমন্তশংকৰদেৱৰ দৰেই বিষ্ণুপ্ৰসাদেও শোষক শাসক পীড়ক ৰজা মহাৰজা জমিদাৰ মহাজন পুঁজিপতি আদিয়ে কৃষ্টি

সংস্কৃতি, প্ৰেম-ভাতৃত্ব বাহক কেতিয়াও হব নোৱাৰে বুলিয়েই বিশ্বাস স্থাপন কৰি—নিম্ন মানুহৰ, অৱনত জনগণৰ, অৱহেলিত হালোৱা-হজুৱা-বনুৱাৰ সঁচা জীৱনৰ সঁচা কাহিনীৰে মানৱ ইতিহাস ৰচনাৰ সূচনাৰ পাতনি মেলিছিল।

"…তৰ্কাতীতভাৱে শ্ৰীমন্ত শংকৰদেৱ যে পূৰ্ণ মানৱ এই কথা দ্বিধাহীন ভাবে কব পাৰোঁ। বিশ্ব-মানৱৰ ইতিহাসত মহৎ মনীষী সেইজনেই, যিজনে অস্পৃশ্যতাৰ মূলোচ্ছেদ কৰি সংকীৰ্ণ ভেদাভেদৰ প্ৰাচীৰ সাহসেৰে চূৰ্ণ বিচূৰ্ণ কৰিব পাৰিছে আৰু বিশ্বদৰবাৰত জাতিগঠনৰ ধাৰাবাহিকতা নিষ্ঠা সহকাৰে প্ৰতিষ্ঠা কৰিব পাৰিছে। এই দিশত শ্ৰীমন্ত শংকৰদেৱ এক প্ৰচণ্ড প্ৰবাহ; অদমনীয় চালিকাশক্তি আৰু সংহতিৰ দৃঢ় সৌধ নিৰ্মাণকাৰী যুগবেত্তা খনিকৰ। বিবেকৰ মৌলিক আধাৰ শ্ৰীমন্তশংকৰদেৱ; প্ৰলয়ৰ তাণ্ডৱ নৃত্যেৰে ৰূপান্তৰৰ মন্ত্ৰ উচ্চাৰণ কৰা চিৰযুৱা ডেকাগিৰী আধ্যাত্মিক সংস্কৃতিৰে গণ-চেতনা আলোড়নকাৰী মহাসাধক আৰু বিশ্বপ্ৰাণ।"…

(শংকৰদেৱৰ আবিৰ্ভাৱ আৰু সমকালিন সামাজিক পটভূমি ঃ
গুনেশ্বৰ সোনোৱাল)

(শুন-শুনৰে সুৰ বৈৰী প্ৰমাণা
নিশাচৰ নাশ নিদনা।…বৰগীতটো
ৰাগ আশোৱাৰী, তাল পৰি-ত এবাৰ
গাই লবলৈ অনুৰোধ কৰা হ'ল।)

কাৰাগাৰৰ পৰা বন্ধন মুক্ত হলেও কোটি কোটি নিম্ন-নিপীড়িত জনতাৰ বাবে তেওঁ পুনৰ সংগঠন, সভা-সমিতি, নাট-মঞ্চ আদিত বিশিষ্ট ভাও লৈ পুনৰ ৰাইজৰ বৰমগুত বৰ ওজা হৈ ওলাল। দুই একে তেওঁক পৰামৰ্শও দিছিল—ৰাজনীতি পৰিত্যাগ কৰি সাহিত্য-সংগীত আৰু সংস্কৃতিৰ চিন্তা, চৰ্চা, প্ৰচাৰ, আৰু ৰচনাত্মক কাৰ্যত লাগিবলৈ। কিন্তু কৃষ্টি-সংস্কৃতি-সাহিত্য-সভ্যতা-মানৱতাৰ বাহক যদি ৰাইজৰেই অৰ্থ-নীতিৰ বৈষম্যই ৰাজ-হাড় ভাঙি পেলায়, তেন্তে কৃষ্টি-সংস্কৃতি, কলা-শিল্পনো কাৰ বাবে? অসম আৰু অসমীয়া সংস্কৃতিৰ লগত তেওঁৰ একাত্মবোধ, সাম্যবাদ আৰু সমাজতান্ত্ৰিক তত্ত্বসমূহক অসমৰ ঐতিহাসিক আৰু সাংস্কৃতিক বৈশিষ্ট্যসমূহৰ লগত খাপ খুৱাই নব নব উন্মেষশালী শক্তিৰে অসমৰ নিম্ন-নিপীড়িত জন জীৱনক গঢ় দিবলৈ কৰা তেওঁৰ প্ৰচেষ্টাক মূল্যায়ন কৰিবলৈ আগ বাঢ়ি আহি—সেই মতেই বাস্তৱ ক্ষেত্ৰত কাৰ্য কৰিব পাৰিলেহে মনোৰম অসম, নামে কামে অসম হব।

তেওঁৰ জীৱন্ত অনুপ্ৰেৰণাকাৰী তেওঁৰ সুৰ-মঞ্চ আৰু প্ৰাণেৰে ৰচিত অনেক গীতত উন্নত জাতীয় ঐতিহ্য, প্ৰগতিশীল প্ৰৱণতাবোধৰ আনুগত্যৰ চেতনা, দেশ-প্ৰেম আৰু সমাজতান্ত্ৰিকতাৰ ভাৱধাৰাৰে পৰিপূৰ্ণ।

"অ' অসমীয়া ডেকাদল
অ' অসমীয়া ডেকাদল ॥
আজি তোৰ তেজাল বদন
মলিন কিয় হ'ল ?
দুৰ্গম নদ পাহাৰ গিৰি
লংঘিছিলে ডেকাগিৰি
সুন্দৰ শংকৰে লৰি কৰিছিলে তল,
দেখুৱাইছিল জগত্ জুৰি অসীম বাহুৰ বল,
সিও যে তোৰ নাইকীয়া হ'ল ।
কীৰ্তন দশম নামঘোষা
হওক আমাৰ শৌৰ্য
নাট গীত নাম বৰগীত
হওক ৰণৰ তূৰ্য
আহিঁ তেওঁ এই অসমৰ
হওক অসীম বীৰ্য
অসমীয়া সমনীয়া
আগ বাঢ়ি যাওঁ বল ।
আগ বাঢ়ি যাওঁ বল ।
আগ বাঢ়ি যাওঁ বল ॥"

(অ' অসমীয়া ডেকাডল ঃ গীত ঃ ৰচনা ঃ বিষ্ণু ৰাভা)

"আগবাঢ়া বাঢ়া আগ / আগবাঢ়া ।
দেশৰ বীৰৰে দল / আগবাঢ়া ।
বীৰাঙ্গনা যাব তোমাৰ স'তে
প্ৰেৰণাৰ অস্ত্ৰ লৈ
আগবাঢ়া বাঢ়া আগ ! / আগবাঢ়া !
তুমি পংকিল পৃথিৱীত বোলাই দিয়া
সাম্যৰ নববোল
দেশৰ বীৰৰ দল ! ··
ধুমুহাৰ ৰাতিৰ ক'লা এন্ধাৰৰ
বক্ষ চিৰাচিৰ হ'ল ।
তোমাৰ সাহৰ উজ্বল জেউতি
জ্বলি উঠে জলমল ।···
সময় গতিৰ শিৰত উঠি
তাণ্ডৱ নাচিবৰ হ'ল ।

পঁচা অতীতৰ পুৰণি জঁকাত
শোণিতৰ বান উঠিল
আগবাঢ়া বাঢ়া আগ
আগবাঢ়া।" (মুক্তি-দেউল ঃ ৰাভা)

অসমীয়া সাংস্কৃতিক কেন্দ্র কৰি বিষ্ণুপ্রসাদ ৰাভাদেৱে বিশ্ব-মানৱৰ একক আৰু অভিনৱ সংস্কৃতি মানৱতাবাদ আৰু মহাসুন্দৰৰ প্ৰতিষ্ঠাৰে বৰ্তমান যুগ আৰু অনাগত যুগৰ সখ্যৰ সেতু বন্ধনৰ বাবে অহোপুৰুষাৰ্থ কৰি জীৱনত সীমাহীন নিকাৰ আৰু নিৰ্যাতন ভোগ কৰিব লগা হৈছিল, কিন্তু তেওঁ কোনো দিনা নিৰাশ বা বিচলিত হোৱা নাছিল।

'পৰ-জনমৰ শুভ লগন'ৰ সুৰো এনে বিপ্লৱী পুৰুষজনৰ হৃদয়-বীণত ঝংকাৰিত হৈছিল। এই জনমেই যে শেষ জীৱন নহয়, তাকো তেওঁ প্ৰেমৰ কাব্যৰে গুঠিছিল। সৌন্দৰ্যৰ মহা অনুভূতিয়ে তেওঁৰ বিভিন্ন সাহিত্যক সত্য সনাতন আৰু ৰূপময় কৰি তুলিছে।

"পাৰুছুলী ধুনীয়া দিপ্‌লিপ্‌ পাটগাভৰু, চৈধ্য বছৰীয়া চুপহী—অপৰূপ ৰূপহী। ঘন কলা চুলিটাৰী মেলিলে বাঁহৰ গাঁজৰ দৰে নিমজ কলাফুললৈকে পৰে—মেঘালী ডাৱৰ মেলি, কপালখন দেখিলে, মনে হয় পূৰ্ণিমা নিশাৰ সোণালী হেঙুলি বৰণ মিহলা ৰহণেৰে সনা নিকা পুৱৰ আকাশ; ধেনু ভিৰীয়া ভুৰুযোৰ দেখিলে মনে হয় যেন কোনোবা কাম-দেৱতাৰ কলা কিচ্‌কিচিয়া চিক্‌মিকীয়া ধনুহে, ডাঙৰ ডাঙৰ চকুজুৰি দেখিলে এনে যেন লাগে, গোটেই খিনি মোহিনী শকতি যেন সেই জুৰিতে আছে, অপাৰ নিলীম সাগৰ আহি যেন দুটা—শামুকৰ বুকুত থানথিত্‌ লৈ কাম ধনুৰ তলত থিতাপি লৈ চাওঁতাৰ হিয়া আকুহি নিবলৈ বৈ আছে; গাল দুখন পকা ঔৰ ৰঙৰ দৰে পিছল পিছল ৰঙচুৱা, ভুৰুযোৰৰ মাজেদি দীঘল তিলফুল হেন নাকটি তললৈ বৈ পৰা, হাঁহকনীয়া ঘৰণীয়া মুখৰ ওঁঠযোৰ মাজেদি ফলা বিম্বফলৰ দৰে, আমগুটীয়া থুতৰীটো দেখিলে সুহি সুহি খাওঁ খাওঁ লাগে, ডিঙিটো হাঁহৰ ডিঙিৰ দৰে লেতুসেতু, হাত দুখন হাতীৰ শুড়ৰ দৰে লেও সেও। আঙুলি কেইটি লাহী লাহী পাঁজি সেৰীয়া,—বুকুখন উঠন 'ৰিবি' চাদৰ খনৰ তলত থকা থেকোবৰ দৰে থপ্‌-থপ্‌কৈ পিয়াহ দুটা লৰে, ককালটি মজলাই পৰুৱাৰ দৰে ক্ষীণ যেন মুঠিৰে খামোচ মাৰি ধৰিব পাৰি, ভৰি দুখন ভৰ মঙহাল তপিনাৰ পৰা গঁজালি মেলা দুজোপা কলগছহে যেন, ভৰিৰ আঙুলি কেইটি পদুমৰ পাহি হেন দেখনীয়াৰ। ·· সোৱণশিৰীৰ পানীয়ে তাইৰ নিপোটল দেহা কেঁচা সোণৰ দৰে সোণবৰণীয়া কৰি তুলিছে।"

(মিচিংকনেঙ্‌ ঃ উপন্যাস ঃ ৰাভা)

ছেদল ভেদল খেদল দাপে

“ৰূপ-তন্ত্ৰৰ সাধনাই এজনক ৰূপ-তান্ত্ৰিক সিদ্ধপুৰুষ ৰূপে গঢ়ে। ৰূপ-তীৰ্থৰ যাত্ৰী ৰূপ-তন্ত্ৰ সাধনাৰ গৰাকী হয়। সেই ৰূপ-তান্ত্ৰিক সিদ্ধ পুৰুষেই হ'ল প্ৰকৃত শিল্পী, ঝঞ্জা-বিজয়ী শিল্পী। প্ৰশান্ত মহাসাগৰৰ গভীৰ তলিৰ শামুকৰ গৰ্ভ ফালি মুকুতাৰ সৌন্দৰ্য সি উপভোগ কৰে, পৃথিৱীৰ উচ্চতম শৃংগ গৌৰীশংকৰৰ ওপৰত আৰোহি সৌন্দৰ্য সি ভোগ কৰে, আৰু মহাকাশত উৰি মহাশূন্যৰ মহা সৌন্দৰ্য সি দৰশন কৰে। কুমাৰে প্ৰতিমা গঢ়ে, কিন্তু সি তাত প্ৰাণ-প্ৰতিষ্ঠা কৰিব নোৱাৰে। প্ৰাণ-প্ৰতিষ্ঠা কৰে কোনে?—পুৰোহিতে?

ৰাজনৈতিক দলবোৰে এখন দেশ বা এটা জাতি গঢ়িব পাৰে, কিন্তু তাত প্ৰাণ-প্ৰতিষ্ঠা কৰিব নোৱাৰে। প্ৰাণ-প্ৰতিষ্ঠা কৰে ৰূপ-তান্ত্ৰিক সিদ্ধ পুৰুষ ঝঞ্জা বিজয়ী আত্মাৰ গৰাকী প্ৰকৃত শিল্পীয়েহে।

ৰাজনৈতিক দলবোৰে মানৱ-সমাজৰ ৰূপান্তৰ ৰূপায়ণ কৰিব পাৰে, কিন্তু শিল্পীসকলেহে তাত প্ৰাণ-প্ৰতিষ্ঠা কৰি সুন্দৰ কৰি তোলে।”......

ৰচনা ঃ ৰাভা

(ৰূপান্তৰ ঃ আলোচনী ঃ গোকুল পাঠক)

আদি মানৱ ব্ৰহ্মাই আনন্দ লাভৰ বাবেই আৰু সৃষ্টিৰ সৌন্দৰ্য-বোধৰ বাবেই চাৰিজন সিদ্ধ পুৰুষৰ সৃষ্টি কৰিলে, কিন্তু তেওঁলোকে সৃষ্টিলৈ মন নকৰি কেৱল জ্ঞানৰবাবেই সাধনাত ৰত হ'ল। পিছত ব্ৰহ্মাদেৱে ৰূপ-সাধনাৰ বাবেই সৃষ্টি কৰিলে অপূৰ্ব ৰূপৱতী দিপ্‌লিপ ৰূপ-লাৱণ্যৰে—পৰিপূৰ্ণ এজনী কন্যা-সন্ধ্যা। কন্যাৰ ৰূপত ব্ৰহ্মাই আৰু সৃষ্টিৰ বাবে অনুপ্ৰাণিত হৈ তেওঁৰ মানস-ৰাজ্যৰ পৰা ৰূপে-ৰসে ভৰপূৰ কামদেৱক সৃষ্টি কৰিলে আৰু কামকুমাৰৰ সুন্দৰ শৰীৰত- কৰ্ম-কম্পনেৰে উঠিল এটি বিৰাম-হীন স্পন্দন—পঞ্চ আবেগ। জ্ঞানী ব্ৰহ্মাৰ মদনৰ পীড়া হ'ল। ৰূপৱতী কুমাৰী সন্ধ্যাৰ

ৰতি-ৰসত সুবাসিত মনোৰমা দেহাৰ পৰা ঘাম ববলৈ ধৰিলে—ফলত চৌষষ্টি কলাৰ সৃষ্টি হৈ পৰিল—এয়েই মানৱ-জীৱনলৈ আনি দিলে ভাব, অনুভাৱ, আবেগ, ৰূপ, বস, ছন্দ, কথা, সুৰ আৰু তাল।

বসৰ উদ্দীপক 'ভাৱ', আৰু ৰসেই সুন্দৰৰ আচ্ছাদনত মানৱ-মনক অভিভূত কৰি তোলে। সুৰ সদায় ভাৱ প্ৰকাশক আৰু সচেতন। গীত-বাদ্য নৃত্যই প্ৰদান কৰা আনন্দৰ পৰাই মানৱৰ প্ৰাণত জাগৰিত হয় এক অনুপম সৌন্দৰ্য চেতনা, এয়েই 'ৰস'ৰ পৰিপূৰক। সংগীতত সময়ৰ পৰিমাণ নিৰ্ধাৰণ বা সময়ব জোখকেই 'তাল' বোলে। কলাকাৰ বিষ্ণুপ্ৰসাদ ৰাভাদেৱে এসময়ত অসমৰ ইমুৰৰ পৰা সিমুৰলৈ ঘূৰি 'তাল'ৰ বৃহৎ গ্ৰন্থ এখন সংকলন কৰিছিল, কিন্তু তেওঁৰ অজ্ঞাতবাসৰ সময়ত সেই মূল্যবান গ্ৰন্থখন হেৰাই গ'ল। (এই লিখকেই সেই গ্ৰন্থখন নিজৰ ববপেটাৰ ঘৰত আলহি হৈ ৰওঁতে নিজ চকুৰে দেখিছিল।)

গৱেষণাৰ অনেক তত্ত্ব-তথ্য তেওঁ অনেক সময়ত ফটা-চিটা কাকত বা কোনো ছপা নিমন্ত্ৰণী পত্ৰৰ ওভোটা পিঠিত বা কোনো ছপা হেণ্ড-বিল আদিৰ পিঠিতো টুকি ৰাখিছিল। অজ্ঞাতবাসৰ সেই অমূল্য সম্পদৰ অনেক বস্তুকেই হেৰাই গৈছে।

কাৰামুক্ত হৈ তেওঁ পুনৰ পূৰ্বৰ জীৱনৰ কাৰ্য-সূচীবোৰ আৰম্ভ কৰিলে। অকল ৰাজনৈতিক, সমাজনৈতিক, সাংস্কৃতিক বা সাংগীতিক বক্তৃতাই নহয়, মঞ্চতো আগৰ দৰেই অভিনয় কৰি ফুৰিবলৈ ধৰিলে। চোৰাংচোৰাৰ জৰিয়তে তেওঁ কাৰ্যাৱলী অকল অসম চৰকাৰকেই নহয়, কেন্দ্ৰীয় চৰকাৰৰো প্ৰতি নিতে তীব্ৰ দৃষ্টি আছিল। কিন্তু ৰাইজৰ তেওঁৰ প্ৰতি থকা অসীম শ্ৰদ্ধা, তেওঁৰ দৰ্শনৰ প্ৰতি আকৰ্ষণ, তেওঁৰ প্ৰতিভাৰ বিবিধ গুণাৱলীয়ে তেওঁক সদায় সৰ্বজনৰ দৃষ্টিত মহিয়ান কৰি ৰাখিছিল, সেয়েহে চৰকাৰে তেওঁৰ প্ৰতি যি কোনো দোষী আচামীৰ দৰে ব্যৱহাৰ কৰিবলৈ মুঠেই সাহ কৰা নাছিল। ধনিক শ্ৰেণীৰ শোষণবাদ আৰু সেই ধনিক পুঁজিপতিৰ গাত আউজি পৰিপুষ্টিত হোৱা শাসক-গোষ্ঠীয়ে চলোৱা নিৰ্মম শাসন আৰু পুঁজিপতিৰ মুনাফাৰ বাট প্ৰশস্ত কৰি ৰখা তেওঁলোকৰ আইন-আদালত, অৰ্ডিনেন্স্-অধ্যাদেশ আদিৰ প্ৰকৃত সত্যসমূহ ৰাভাদেৱৰ লিখনি আৰু বক্তৃতাত অতি উজ্জ্বলভাৱে সদায় প্ৰকাশ পাইছিল। আনপিনে এটি স্তাবকৰ দলে শিল্পী হৈ, কবি হৈ, সাহিত্যিক হৈ ধনৰ বিনিময়ত, মান-পদৰ বিনিময়ত জনগণক প্ৰৱঞ্চনা কৰে। শোষক সম্প্ৰদায়ৰ কোনো দেশ নাই, কোনো জাতি নাই, কোনো কৃষ্টি সংস্কৃতি নাই, বুলি তেওঁ সদায় কৈছিল, গাইছিল, লিখিছিল।

"... পৃথিৱীৰ আন আন দেশৰ দৰে সেই একে শোষক সম্প্ৰদায়ৰ তেওঁলোক, যাৰ জাতি নাই, দেশ নাই, কেৱল সুবিধাবাদী মুনাফাখোৰ, চোৰা-বাজাৰী।

তেওঁলোকৰ টকা আছে, ছপাখানা কিনিছে, ৰাজ্যতা খৰাই গুণিছে, গাঁথিছে, লিখিছে, ৰচিছে, আঁকিছে আৰু তাকে ছপাই জগতত প্ৰকাশ কৰিছে, বিলাইছে।
সেই কৃষকবনুৱা অসমীয়া অত্যাচাৰিত দলৰ গল্প, উপন্যাস, নাটক, ছবি, মূৰ্তি, নাম, বোলছবি, বেখাকাহী, প্ৰকাশ কৰিবৰ অৰ্থ নাই, সামৰ্থ নাই, সময় নাই। তেতিয়াহে প্ৰকৃত শিল্পৰ উৎকৰ্ষ সাধন হব, যেতিয়া এই অত্যাচাৰিত দলৰ প্ৰকৃত স্বৰূপ উদ্ঘাটিত হব, অৱনত দুৰৱস্থা উন্নীত হব আৰু তেওঁলোক এই আহল-বহল পৃথিৱীৰ বুকুত চিৰমুক্ত, চিৰ স্বাধীন হৈ উমলি ফুৰিব পাৰিব। অসমৰ যি কৃষ্টি-সংস্কৃতি আছে তাক সংস্কৃত কৰিব লাগিব, যি নতুন আহিছে তাকে অসমীয়া ঠাচত ভালকৈ সজাই পৰাই গঢ়িব লাগিব। তেতিয়াহে আমাৰ অসমীয়া কৃষ্টি, সংস্কৃতি আৰু সভ্যতা পূৰ্ণ বিকাশ পাব আৰু অসমীয়া জাতি বাঁচিব।" (অসমীয়া কৃষ্টিৰ চমু আভাষ : ৰাভা)

১৯৫৩ খৃষ্টাব্দৰ শেষৰ ফালে ভাৰতৰ শিক্ষা আৰু সংস্কৃতিৰ মন্ত্ৰী হুমায়ুন কবিৰ ডাঙৰীয়াই বিষ্ণুপ্ৰসাদ ৰাভাদেৱলৈ অনানুষ্ঠানিকভাৱে এটি নিমন্ত্ৰণ পঠায়। তেতিয়া জৱহৰলাল নেহেৰু ভাৰতৰ প্ৰধানমন্ত্ৰী। কবিৰ মহোদয়ে ভাবিছিল যে, ৰাভাদেৱক ক্ষমতাশালী নেহেৰুৰ প্ৰভাৱৰ দ্বাৰা তেওঁক কংগ্ৰেছ দললৈ লৈ যাবলৈ পাৰিব আৰু এনে লোক কংগ্ৰেছলৈ আহিলে উত্তৰ-পূৰ্ব ভাৰতত তেওঁলোকৰেই একচেতীয়া ৰাজত্ব হৈ পৰিব। শিক্ষা আৰু সংস্কৃতিৰ লগত জড়িত বাবেই ৰাভাদেৱে এই নিমন্ত্ৰণ গ্ৰহণ কৰে আৰু গুৱাহাটীৰ (ছাত্ৰীবাৰী, খৰ্গচোধুৰী ৰোড, গুৱাহাটী ৮) গোপাল দাসক লগত লৈ ৰেলগাড়ীৰে দিল্লীলৈ যাত্ৰা কৰে। সংগীতজ্ঞ ৰাভাদেৱৰ সম্মানৰ অৰ্থে চৰকাৰৰ সংস্কৃতি বিভাগে সংগীত-সমাৰোহ এটি অনুষ্ঠিত কৰি তেওঁক 'ভাৰতীয় সংগীত আৰু সংস্কৃতি'ৰ বিষয়ে এটি বক্তৃতা দিবলৈ অনুৰোধ কৰে। বৰগায়ন বিষ্ণুপ্ৰসাদে ইংৰাজী ভাষাত এঘণ্টীয়া অতি মনোৰম সুৱাদী পাণ্ডিত্যপূৰ্ণ বক্তৃতা এটি আগবঢ়ায়। এই বক্তৃতা শুনি অকল হুমায়ুন কবিৰেই নহয়, কেবাজনো নেতৃস্থানীয় লোকেই অভিভূত হৈ পৰিছিল। গীত, বাদ্য আৰু নৃত্যৰে সভাৰ কাৰ্যৰ সামৰণি পৰে।

কবিৰ দেৱৰ তেওঁ দুটি দিন আৰু তিনিটি নিশা আদৰ-সাদৰৰ মাজত অতিথি হৈ থাকিল। তেওঁৰ বহুমুখী প্ৰতিভাৰ প্ৰমাণ পাই কবিৰ জনা তেওঁৰ প্ৰতি শ্ৰদ্ধাশীল হৈ পৰিল। পিছত তেওঁ ৰাভাদেৱলৈ এক লাখ টকাৰ এটি মঞ্জুৰী আগবঢ়ালে :—মঞ্জুৰীৰ উদ্দেশ্য হৈছে—ৰাভাদেৱৰ সমস্ত সাহিত্য আৰু চিত্ৰসমূহ প্ৰকাশ কৰিব লাগে। মন্ত্ৰী হুমায়ুন কবিৰে ভাবিছিল যে ধনত কোন বশ নোহোৱাকৈ থাকিব, কিন্তু ৰজা-ঘৰীয়া আশা—'ছেদেল ভেদেল খেদেল দাপে'ত পৰিণত হ'ল।

কলাকাৰ জনে এটি সুন্দৰ হাঁহি মাৰিলে। কবিৰ ডাঙৰীয়াই তেওঁৰ সেই

হাঁহিৰে ভৰা মুখখনলৈ চাই থাকিল—হুঁহাৰ অৰ্থ তেওঁ বুজিব পৰা নাছিল। গোপাল দাসে ৰাভাদেৱৰ মুখলৈ চাই মিচিক্-মাচাক্কৈ হাঁহি আছিল আৰু মনে মনে ভাবি আছিল—এক লাখ নালাগে, দহ লাখ টকা দিলেও, তেওঁ কেতিয়াও গ্ৰহণ নকৰে।

পিছতেই বিষ্ণুপ্ৰসাদে ধীৰে ধীৰে কবলৈ ধৰিলে,—"টকাতকৈও অনেক মূল্যবান সম্পত্তি আপোনালোকৰ হাতত বন্দী হ'ল। সেইবিলাক মোকোলাই দিয়কচোন।"

"কওকচোন বাৰু" হুমায়ুন কবিৰে কৈ উঠিল।

"মোৰ অনেকখিনি লিখনি বিভিন্ন লোক আৰু স্থানৰ পৰা পুলিচ মিলিটাৰীয়ে জব্দ কৰি লৈ গ'ল, মোক সেই সম্পদবোৰ ওভোটাই দিয়াৰ ব্যৱস্থা কৰি দিবলৈহে মই আপোনাক অনুৰোধ কৰিবলৈ বিচাৰিছো। ইটালী, স্পেইন ফ্ৰান্স আদি দেশৰ বিপ্লৱী শিল্পী-সাহিত্যিকৰ লিখনিসমূহ পুলিচ-মিলিটাৰীয়ে কব্জা কৰি গৃহ-দপ্তৰবোৰত সেইবোৰ জব্দ কৰি ৰাখিছিল; কিন্তু পিছত সেইবোৰ দেশৰ ৰাষ্ট্ৰীয় সম্পদ বুলিয়েই জ্ঞান কৰি ওভোটাই দিয়াৰ প্ৰমাণ সেইবোৰ দেশৰ বুৰঞ্জীত আছে।"...

মন্ত্ৰী হুমায়ুন কবিৰ নীৰৱ হৈ পৰিল। তেনে ভাবে পুলিচ-মিলিটাৰীয়ে জব্দ কৰা লিখনি যে তেওঁলোকে কৰবাত ৰাখি থৈ দিছে, তেনে বিশ্বাস তেওঁৰ মনলৈ নাহিল। ইংৰাজৰ ৰাজত্বকালতো বাজেয়াপ্ত হোৱা পুথি কোনো দিনাই ওভোটাই পোৱা নাছিল। অম্বিকাগিৰী ৰায়চৌধুৰী দেৱৰ "বন্দীনি ভাৰত" নামৰ নাটক এখন ইংৰাজ চৰকাৰৰ বিৰুদ্ধে ৰাইজক বিদ্ৰোহ কৰিবলৈ উচটোৱা বুলি জগৰ ধৰি বে-আইনী ঘোষণা কৰা হৈছিল আৰু সেইখন নাটক চিৰকালৰ বাবে অসমীয়া সাহিত্য ভঁৰালৰ পৰা নিশ্চিহ্ন হৈ গ'ল। সেইকালত বাংলা ভাষাৰো কেবাখনো পুথি চৰকাৰ বিৰুদ্ধ বৈপ্লৱিক বুলি বাজেয়াপ্ত কৰিছিল। বিপ্লৱী কবি-সাহিত্যিক ৰাভাদেৱৰ অনেক লিখনি পুলিচ-মিলিটাৰীয়ে হাত কৰাৰ পিছত কোনো ঘোষণা নিদিয়াকৈয়ে লণ্ড-ভণ্ড কৰি পোলোৱা হ'ল। স্বাধীন চৰকাৰৰ দিনত ঔপন্যাসিক হিতেশ ডেকাৰ "মাটিকাৰ" নামৰ উপন্যাসখনে অসমত বাস কৰা অনা-অসমীয়াৰ বিৰুদ্ধে উচটোৱা বুলি জগৰ ধৰি বে-আইনী ঘোষণা কৰা হৈছিল। যিয়েই নহওক, মন্ত্ৰী মহোদয়ে কলাকাৰ জনাক কোনো সদুত্তৰ দিব পৰা নাছিল। পিছত তেওঁৰ বহুমুখী প্ৰতিভাৰ প্ৰমাণ পাই তেওঁক ভাৰত চৰকাৰৰ সংস্কৃতি বিভাগৰ এজনা ডিৰেক্টৰ হিচাপে থাকিবলৈ শিক্ষা-সংস্কৃতি বিভাগৰ মন্ত্ৰী কবিৰ ডাঙৰীয়াই এটি প্ৰস্তাৱ আগবঢ়ালে।

ধন-সম্পতি, ভোগ-বিলাস, ৰাজপদ আদিলৈ জীৱনৰ কোনো মুহূৰ্ততেই বাঞ্ছা নকৰা বঞ্চা-বিজয়ী কলাকাৰ জনে মন্ত্ৰীৰ সকলো প্ৰলোভনকেই হাঁহি মুখে

প্ৰত্যাখ্যান কৰিলে। জৱাহৰলাল নেহেৰুৰ লগত দেখা-সাক্ষাত হোৱা প্ৰশ্ন আৰু পিছত নুঠিল। তেওঁৰ প্ৰিয় শিষ্য গোপাল দাসক লগত লৈ অসমলৈ প্ৰত্যাবৰ্তন কৰিলে। এসপ্তাহ পিছতেই গুৱাহাটী আকাশবাণী কেন্দ্ৰত তেওঁক এজনা অন্যতম সঞ্চালক স্বৰূপে এখনি নিয়োগ-পত্ৰ তেওঁৰ তেজপুৰৰ ঠিকনাত তেওঁ পাই এটা হাঁহি মাৰি জেপতেই সোমাই থলে। পিছত সেই চোলাটো মলিয়ন হোৱাত নিয়োগপত্ৰখনৰ কথা পাহৰি পানীৰ বালটিত বুৰাই থৈ কনকলতাক ধুবলৈ কৈ বাণ-ৰঙ্গমঞ্চলৈ গুচি গ'ল। বহুত দেৰিকৈ চোলাটো ধুওঁ বুলি তেওঁৰ সহধৰ্মীনিয়ে চাবোন সানোতে সেই কাগজখন পাই উলিয়াই থৈছিল যদিও, নষ্ট হৈ আখৰবোৰ নেদেখা হৈ পৰিল।

বিষ্ণুপ্ৰসাদ ৰাভাদেৱে পুনৰ মধ্যম লয়-গতিত সভা-সমিতি, নাট-মঞ্চ, সুৰ-মঞ্চ, গীত-বাদ্য, সাহিত্য-সংস্কৃতিৰ বৰনামঘৰত পুনৰ প্ৰৱেশ কৰিলে। নানা স্থানৰ পৰা অহা নিমন্ত্ৰণবিলাক ৰক্ষা কৰি অসমৰ ইমুৰৰ পৰা সিমুৰলৈ ফুৰিবলৈ ধৰিলে, মাজে-সময়ে কনকলতাও তেওঁৰ সংগী হৈ ওলায়। বেছি ভাগ যাত্ৰাই হয় গ্ৰাম্য-মুখী, নিম্নজন-গণ-মুখী, সৰল-সহজ সেই সংস্কৃতিক বুকুৰ মাজত বহন কৰি জীয়াই থকা হালোৱা হজুৱা বনুৱা সমাজমুখী। শোষিত পীড়িত জনগণৰ কল্যাণৰ বাবে, সংস্কৃতিক সেই নিৰ্যাতিত অৱহেলিতৰ হিয়াই হিয়াই স্থাপন কৰাৰ বাবেই উৎকট নিকাৰ ভুগিও অদমনীয়ভাৱে তেওঁ দিনে নিশাই ঘূৰিলে, ফুৰিলে, বুলিলে, গালে, বালে, নাচিলে, হাঁহিলে, আঁকিলে—কোনো দিনাই তেওঁ ক্লান্ত হৈ নপৰিল। সৰ্বগুণাকৰ শ্ৰীমন্তশংকৰদেৱৰ সু-সমন্বয় মানৱতাবাদৰ লগত সুন্দৰৰ প্ৰতিষ্ঠাৰে অৱহেলিত অনাদৃত জনগণৰ অৱনত অৱস্থাক উন্নত কৰি প্ৰগতিৰ পথেৰে আগ বঢ়াই নি সুসংযত সুস্থ সৰল সুন্দৰ সাম্যবাদী জনগণতান্ত্ৰিক এখনি উদাৰ বহল সমাজ স্থাপনৰ বাবেই তেওঁ কলা-সাহিত্য, সংগীত, আলেখ্য, চিত্ৰ, কাব্য স্থাপত্য, ভাস্কৰ্যক মূলধাৰা কৰি লৈছিল।

ন্যাস্ত পুঁজিপতি, ধনিক, বণিক, ক্ষমতাশালী সকলে জনগণক এনেপৰা লোৰ দৰে একত্ৰিত হৈ থাকিবলৈ নিদিয়ে—সিহঁতৰ সদায় সুৰযন্ত্ৰ, কুট-নীতি, কুট-কৌশল। অসমক সিহঁতে 'অসম' হৈ থাকিবলৈ নিদিয়ে। গতিকেই ইয়াৰ প্ৰতিবাদ স্বৰূপেই ১৯৫৩ খৃষ্টাব্দৰ মে মাহৰ শেষ সপ্তাহত ৰাভাদেৱে দেড়শ কন্যাক নাৰৰ ডেকা-গাভৰুৰ দল এটি গীতে-মাতে, নাচে বচনে সংগঠিত লৈ ভাৰতৰ ৰাজধানী দিল্লী নগৰীলৈ ৰাওনা হ'ল ; লগতে আৰু গ'ল ডাক্তৰ চেকু আঙ্গামী, ডানিয়েল আঙ্গামী, মাৰ্চ আঙ্গামী, হৰেন্দ্ৰ কলিতা, গোপাল দাস আৰু কনকলতা ৰাভাই। শ্ৰীমতী ৰাভাই গাভৰুসকলৰ সকলো দিহা-পৰামৰ্শ আৰু পৰিচালনাত নিপুণভাৱে অংশ গ্ৰহণ কৰিলে।

বৰ অসমৰ বাবে বৰণীয়া জাতি, প্ৰজাতি, উপজাতি, গোষ্ঠী, খেল, মেল,

চাং, মৰং,—সকলোকে প্ৰাণৰ মাজেদি চিনি পোৱা, প্ৰাণৰ বেদনা বুজি পোৱা, সৰ্ব লোকৰ লগত আত্মাৰ সম্বন্ধ পতা, বকুৰ কুতুম, এনধাৰ অতীতৰ পৰা সকলো বুৰঞ্জী চকুৰে দেখা যেন পাণ্ডিত্য লাভ কৰি থকা এই উত্তৰ-পূৰ্ব ভূখণ্ডৰ ভৱিষ্যত স্থিতিৰ বাবে এখনি বৈজ্ঞানিক আঁচনি কৰি মেমোৰেণ্ডাম স্বৰূপে ভাৰত চৰকাৰৰ ওচৰত দাখিল কৰিবলৈ বিপ্লৱী কলাকাৰ জনাৰ এয়েই আছিল এটি মহান প্ৰচেষ্টা। ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক, ভাষিক আদি সকলো দিশকেই সামৰি তেওঁ কেনে ৰূপত ন কৈ সংগঠিত কৰিবলৈ বিচাৰিছিল, এই স্মাৰক কাকত তাৰেই প্ৰতিচ্ছবি স্বৰূপ আছিল। এই ঐতিহ্যপূৰ্ণ অসম আৰু ইয়াৰ আশে-পাশে থকা পৰ্বতমালাৰে ভূষিত ভূমি খণ্ডক খণ্ড-বিখণ্ড নকৰি ভাৰতবৰ্ষৰ ভিতৰতেই ৰাখি এক সংযুক্ত-ৰাজ্য (Federal Territory) স্বৰূপে গঢ় দিয়াৰ তেওঁ পৰামৰ্শ আগ বঢ়াইছিল ;—য'ত বিভিন্ন মৰংঘৰেই নামঘৰ আৰু বিভিন্ন কীৰ্তনঘৰ, নামঘৰেই মৰংঘৰৰ নতুন ৰূপত ডেকাচাং গাভৰুচাং, মণিকূট—ভাজঘৰ হৈ মহা-সমন্বয়ৰ সাংস্কৃতিক পূৰ্ণ বিকাশৰ পথত অগ্ৰসৰ হব।

কিন্তু শক্তিশালী শাসকবৃন্দ, তেওঁলোকৰেই প্ৰতিভূ পুঁজিপতি ধনপতি কুবেৰসকল, লাভখোৰ চোৰাবাজাৰী বণিকসকল বৰ-কামানেও ভাঙিব নোৱাৰা একেটি দুৰ্গতেই বাস কৰি থাকে, সময় বুজি, সুযোগ বুজি, ৰাজনীতি গণি-পিটি তেওঁলোকে বিবৃতি দিয়ে, আদেশ-অৰ্ডিনেন্সো ওলায়, ছেগ চাই সৰ্বহাৰাৰ বাবে বক্তৃতা দি বুকু ঢাকুৰী কান্দেও, প্ৰাকৃতিক দুৰ্যোগত ব্যৱসায়ৰ সুযোগ লয়, আন পিনে সাহায্যৰ বৰভঁৰালৈ ধন-বিতৰ টোপোলাও আগ বঢ়ায়। এইবোৰেই তেওঁলোকৰ অভিনয় ; কিন্তু নিপীড়িতৰ সদায় সেই একেই হা-হুমুনিয়াহ, একেই অভাৱ, একেই উপবাস।

দলে-বলে বিষ্ণুপ্ৰসাদ ৰাভাদেৱ অসমলৈ উভতি আহিছিল। মাৰ্কাচ আঙ্গামীয়ে কিছুদিন অসমতেই অ'ত ত'ত ঘূৰি ফুৰিছিল। বিষ্ণুপ্ৰসাদ ৰাভাৰ আদৰ্শ জ্ঞান আৰু জীৱন দৰ্শনে তেওঁক বাৰুকৈয়ে মুহি পেলাইছিল। মূলত অসমীয়া আৰু নগা যে একেটাই আছিল—এই তত্ত্ব তেওঁ গ্ৰহণ কৰিছিল। শেষত, এওঁক অসমীয়া-সপক্ষী (Pro-Assamese) বুলি জগৰ ধৰি বিচ্ছিন্নতাবাদী নগাৰ কোনো কোনোৱে খণ্ডতেই মাৰি পেলায়। মাৰ্কাৰৰ বিয়োগ বাতৰিয়ে ৰাভাদেৱক বিষাদ-গ্ৰস্ত কৰি তুলিছিল।

নিম্ন জনগণৰ সুহৃদ দুৰ্দান্ত শোষকৰ কাল স্বৰূপ বিষ্ণুপ্ৰসাদ ৰাভাদেৱ সদায় কলাকাৰ স্বৰূপেই নিশ্চয় অমৰত্ব লাভ কৰিব ;—বাগুৰাম্বা নৃত্যৰ পৰা দেওদিনী—দেওধাই নৃত্যলৈ, খেম্বো-থোইবী নৃত্যৰ পৰা চালি-নৃত্যলৈ, চিফুঙৰ পৰা দুমদাম-ডগৰলৈ (মিচিঙৰ), খামৰ পৰা খোল-মৃদংগলৈ, বাদুং দুপ্পাৰ (ৰাভাৰ) পৰা গংগ্ৰেং পেঁপালৈ, খুটিতালৰ পৰা লুপি তাললৈ, বৰধেমালিৰ

ওপৰ-চোকেলী বাজনাৰ পৰা সওৰ বাজনা খনলৈ, পৰিতালৰ পৰা জ্যোতি, জ্যোতিমান, মাঠজ্যোতিলৈ, পট-মঞ্জৰীৰ পৰা ৰূপক তাললৈ, সুহাই ৰাগৰ পৰা শ্ৰীগান্ধাৰলৈ, কাৰুণ্যকেদাৰৰ পৰা-শ্যাম-কৌ-তহিৰ আদি বাৰকুৰি গীত, ৰাগ, তাল, লয়, মান, সুৰুঙ্গৰলৈ তেওঁ আছিল ববৰায়ন আৰু বৰগায়ন।

ধুবুৰী কাৰাগাৰৰ পৰা মুকুতি লভি তেওঁ যিবিলাক সাংস্কৃতিক কেন্দ্ৰ, থান-সত্ৰ, সভা-মণ্ড আদিত আদৰ অভ্যৰ্থনাৰে অভিনন্দিত হৈছিল, সেইসকলোবোৰ স্থানৰ বিৱৰণ বা ভাষণ, বা চাহ-তামোল খাওঁতে তেওঁ কোৱা মন্তব্যবোৰ আজিও পোহৰলৈ অহা নাই। মাথো ১৯৫৪ খৃষ্টাব্দৰ শেষ ভাগত পাঠশালাত অভিনন্দন দিওঁতে পূৰ্ণ শিল্পী ৰাভাদেৱে তেওঁৰ বক্তব্যৰ মাজত এষাৰ কথা কৈছিল—যে "ডুবীৰ নটীৰ নৃত্যৰ দ্বাৰা মোক আদৰণি জনালে মই অতি আনন্দ পালোহেঁতেন"।

তেতিয়ালৈ পৰিহৰেশ্বৰ নটৰাজ শিৱৰ ডুবি দেৱালয়ৰ নটী (সকল) অনাদৃতা, অৱহেলিতা, পৰিত্যক্তা আৰু সমাজৰ অভিশপ্তা। নটবৰ ৰাভাদেৱৰ এই এষাৰ কথাই সমাজত এক আলোৰণৰ সৃষ্টি কৰিলে। সেই নটীসকলৰ প্ৰতি ঘৃণা আৰু অৱহেলাৰ ঠাইত শ্ৰদ্ধা জন্মিল, হাততেই থকা শামুকটোৰ ভিতৰতেই যে মহামূল্যবান মাণিক লুকাই আছে, তেতিয়াহে উপলব্ধি কৰিলে। ইতিমধ্যে সেই নৃত্যসমূহৰ সৰহ অংশবেই বিলুপ্তি ঘটিছিল। হলেও, অৱশেষৰ পৰাই মণি মুকুতা উলিয়াই দেৱদাসী নৃত্যৰ সুন্দৰ ৰূপ এটি সজাই তোলা হ'ল। নট-নটীসকলৰ প্ৰতি আগৰ পৰাই সহানুভূতি আৰু মৰমচেনেহ থকা ৰত্নকান্ত তালুকদাৰ আগ বাঢ়ি আহিল আৰু বায়ন হৈ সৰগীয়ে নৃত্য সংৰক্ষণ কৰিলে।

বজালীৰ পৰাই বিষ্ণুপ্ৰসাদ ৰাভাদেৱ বৰপেটা থানৰ 'বোলন'ৰ আহ্বান মতেই বৰপেটালৈ গৈ থানৰ সম্মানিত আলহি লৈ সত্ৰৰ অতিথিশালাত ছয়দিন ছয় ৰাতি আছিল। এদিন সন্ধিয়া কেলি-কদম্বগছ জোপাৰ তলত বহা ৰাজহুৱা সভাত সুন্দৰ শ্ৰীমন্তশংকৰদেৱৰ মহা-জীৱনৰ অনেক কথা চিত্ৰ-আলেখ্যৰ দৰেই দাঙি ধৰিছিল, হেজাৰ হেজাৰ পুৰুষ-মহিলা সভাত উপস্থিত হৈছিল, সৰ্বগুণাকৰ গুৰুজনাৰ এনে সুৰে-মণ্ডে ভৰা জীৱন-চৰিত যেন ইয়াৰ পূৰ্বতে কোনেও শুনাই নাছিল, অনেকৰেই এনে হেনেই লাগিল। শ্ৰীশংকৰ মাধৱদেৱৰ জীৱন-চৰিতৰ অনেক কথা এতিয়াও যে অলিখিত হৈয়ে আছে, তাকে উদাহৰণৰে দৈতে দাঙি ধৰিলে। তেতিয়াৰ বুঢ়াসত্ৰীয়া ৺চন্দ্ৰকান্ত দেৱ মিশ্ৰ দেৱে সভাৰ শেষত তেওঁৰ মূৰত হাত থৈ থানৰ মালা-নিৰ্মালীৰে তেওঁক আশীৰ্বাদ কৰিলে। শ্ৰীমন্তশংকৰ-মাধৱদেৱৰ জয়ধ্বনিৰে আকাশ নিনাদিত হৈ উঠিল।

তিনি দিন ৰাতিপুৱাৰ প্ৰসংগত বহি সেই প্ৰসংগৰ ছন্দ, ঘোষা-পদ যে সম্পূৰ্ণভাৱে ৰাগ-সংগীতৰ ওপৰত প্ৰতিষ্ঠিত, তাকেই তেওঁ সদৰী কৰিলে।

থাপনাক কেন্দ্ৰ কৰি থকা কাচ, হাতী, সিংহ, গড়ুৰ আদিৰে সৈতে থকা তিনি খন আসনৰ কলা-সম্ভাৰৰ কথাত তেওঁ গৌৰৱেৰে সোৱৰণ কৰি শুনালে। মহাসুন্দৰৰ মণ্ড,—সংগীত, সাহিত্য, সংস্কৃতিৰেই পৰিপূৰ্ণ কৰি সুন্দৰ শ্ৰীমন্ত শংকৰদেৱে বা-বাইজক দি গৈছে বুলিয়েই তেওঁ বাৰে বাৰে দোহাৰিলে। প্ৰসংগৰ অন্তত বৰ-ডমামা গুৰু-গম্ভীৰ শব্দত বাজি উঠিল। কলাকাৰ জনাৰ সৰ্ব-শৰীৰ ৰোমাঞ্চিত হ'ল। তেওঁ জনজাতীয় পৱিত্ৰ ঘৰং মৰৰ কথাও ভাবিলে—কেনে সুন্দৰ ক্ৰমোন্নতি—ক্ৰমবিকাশ। স্ৰষ্টা কলাকাৰ সুন্দৰ শ্ৰীমন্তশংকৰদেৱৰ মনোৰম সৃষ্টিসমূহলৈ তেওঁ কোটি কোটি প্ৰণিপাত জনালে।

"ম'ৰং। 'মিচিং'য়ামে ডেকাসকলৰ ডেকাচাং-পৱিত্ৰ চাং। পাপ মনলৈ সেই চাঙত উঠিবলৈ কাৰো অধিকাৰ নাই। ই ডেকাসকলৰ শিক্ষাৰ কেন্দ্ৰ। ইয়াতেই সিহঁতে ধাৰ্মিক, সামাজিক আৰু সাংস্কৃতিক সকলো শিক্ষা লয়।" ..... (মিচিং কনেঙ্ঃ উপন্যাসঃ ৰাভা)

বুৰঞ্জীবিদ্ বিষ্ণুপ্ৰসাদ ৰাভাদেৱে মত প্ৰকাশ কৰি কৈছিল যে শ্ৰীমন্ত শংকৰদেৱে ৰাজ-ৰোষত কেবাবাৰো আত্ম-গোপন কৰি থাকিব লগা হৈছিল আৰু সেই অজ্ঞাতকালত তেওঁ নিশ্চয় জন-জাতীয় ম'ৰং ঘৰত আশ্ৰয় লব লগা হৈছিল আৰু তেতিয়া তেওঁ সেই অনুষ্ঠানবিলাকৰ সকলো কথাই জানিব পাৰিছিল। ম'ৰং-ঘৰত আশ্ৰয় পোৱা জনক তেওঁলোকে যি কোনো বিপদতেই নহওক—জীৱন ৰক্ষা কৰিবই, কোনোবাই যদি ৰণ-সজ্জাৰেও তেওঁক বিচাৰি যায়, তেতিয়া হলেও অস্ত্ৰ-শস্ত্ৰৰেই তেওঁক ৰক্ষা কৰিব, গতিকে ডেকাগিৰী শ্ৰীশংকৰ তাত নিৰাপদ আছিল।

বিভিন্ন জনজাতিৰ ডেকা-চাঙৰ বিভিন্ন নাম আছে, যেনে নগাৰ ডেকাচাঙক ম'ৰং জেমীনগাৰ হেনচেউকী, গাৰোৰ নক্পেট্, লুচাইৰ জ্জল্বুক্, কাৰবীৰ মাৰো বা আতেৰাং ডিমাছাৰ নদৰাং ওৰাংচুৰ পানু ইত্যাদি। ইয়াত সংগীত, সমবায়, সমাজ-ৰক্ষা কৃষি, শিল্প ৰণ নীতি অৰ্থনীতি আদি মানৱ জীৱনত আৰু সমাজ-জীৱনত লগা সকলো শিক্ষাকেই দিয়া হয়। এই অনুষ্ঠানসমূহ যি জনজাতিৰ মাজত আজিও শক্তিশালী হৈ আছে সেইসকলেই নিজৰ কৃষ্টি-সংস্কৃতি, শিল্প-কলা, নিজ ধৰ্ম আৰু বৈশিষ্ট্যক ৰক্ষা কৰি আছে।

বৰপেটাৰ পৰা ৰাভাদেৱ তেজপুৰৰ নিজঘৰলৈ উভটি গৈছিল আৰু "প্ৰাগজ্যোতি কলা পৰিষদ" নামৰ এটি সাংস্কৃতিক আৰু সাংগঠনিক অনুষ্ঠানৰ বিস্তৃত আঁচনি এখনি অতি পৰিশ্ৰম আৰু চিন্তাভাৱনাৰে লিখি উলিয়াই তেতিয়াৰ অসমৰ ৰাজধানী চিলঙলৈ গৈ মুখ্যমন্ত্ৰী বিমলাপ্ৰসাদ চলিহাৰ লগত দেখা-সাক্ষাত হৈ সেই পৰিষদৰ কথা বুজাই কলে। তেওঁৰ লগত নৃত্য-শিল্পী যতীন্দ্ৰ গোস্বামীও সংগীস্বৰূপে গৈছিল। চলিহা ডাঙৰীয়াই এই আঁচনি পৰিষদখন চৰকাৰীভাৱে স্বীকৃতি দি কাৰ্যকৰী কৰাৰ বাবে যত্ন কৰিব বুলি

কথা দিছিল। পিছত অসম চৰকাৰে এই মূল্যবান আঁচনিখন কেন্দ্ৰীয় চৰকাৰৰ সংস্কৃতি বিভাগলৈ পঠোৱা বুলি জানিব পৰা গৈছিল; কিন্তু দুঃখৰ কথা পিছত ইয়াৰ উৱাদিহ কোনেও আৰু কতো একো নাপালে।

গন্ধৰ্ব ৰাভাদেৱে সদায় সুন্দৰৰেই সপোন দেখিছিল আৰু সেই সপোনবোৰ বাস্তৱত ৰূপায়িত হোৱাৰেই কামনা কৰিছিল। কলা-শিল্পীয়ে কোনো ৰাজনৈতিক দলৰ বহতীয়া হৈ থাকিব নোৱাৰে—তেওঁৰ বাবে সত্য আৰু সুন্দৰেই সেৱাৰ থাপনা। বৈপ্লৱিক কাৰ্যসূচীত তেওঁ সদায় তাণ্ডৱী নটৰাজ। ১৯৪৯ খৃষ্টাব্দত ডিব্ৰুগড়ৰ নালিয়াপুলত অনুষ্ঠিত হোৱা 'গণ-নাট্যসংঘ'ৰ সভাত দিয়া অগ্নিবৰষা বক্তৃতাটোৱেই যেন আছিল তেওঁৰ তাণ্ডৱ নৃত্যৰেই এখনি আলেখ্য স্বৰূপ। আনপিনে তেওঁ কোমলতকৈ কোমল পদুম ফুলৰ দৰে সুৰভিত সুবাসিত, প্ৰেম আৰু স্নেহেৰে গঠিত হোৱা প্ৰাণ এখনিৰ নিচ্ছিদ্ৰ গৱাকী।

" কোনো লোকক কোনোৱে অৱহেলা কৰিলে বিষ্ণুৰাভাৰ কলম গৰ্জি উঠে। সৰু বৰ ভেদ আনিব খুজিলে, উচ্চ-নীচ মনোভাৱে পোখা মেলিলেই ৰাভাই ৰুদ্ৰৰূপী প্ৰলয়ংকৰি ৰূপ ধাৰণ কৰে। বিলাসী জীৱন পৰিহাৰ কৰি আৰ্ত আৰ্তজনৰ জীৱন ধাৰণৰ সৈতে নিজকে মিলাই দি সৰ্বস্ব ত্যাগ কৰিব পৰা বলিষ্ঠ মানসিকতা অৰ্জন কৰিব পাৰে। সেয়ে ৰাভা সৰ্বশ্ৰেষ্ঠ।" ..

(শংকৰদেৱ-জ্যোতিপ্ৰসাদ-বিষ্ণুপ্ৰসাদ ঃ

ৰচনা ঃ গুণেশ্বৰ সোণোৱাল)

আদি সত্য আমি উলিয়ালো

সশস্ত্ৰ-বিপ্লৱৰ জয়-যাত্ৰাৰ আধৰুৱা পথৰ পৰা উভতি আহি বিষ্ণুপ্ৰসাদ ৰাভাদেৱে পুনৰ শ্ৰীমন্তশংকৰদেৱৰ জনসংস্কৃতিক অৱহেলিত, অনাদৃত, শোষিত পীড়িতৰ হৃদয় ৰাজ্যত থাপনা কৰি সেই সকলক মানৱ সিংহাসনত প্ৰতিষ্ঠা কৰাৰ বাবে তেওঁৰ কাপ-কলম তুলিকাক ন সাজেৰে সজাই তুলিবলৈ প্ৰয়াস কৰিলে।

তেওঁৰ পাঁচোটি গল্পৰ সমষ্টি “সোণপাহি” নামৰ গল্প পুথিখনি অসমীয়া সাহিত্য ভঁৰাললৈ সোণৰ দৰেই চিৰমূল্যবান। তেওঁৰ নৃত্য-নাট “ন পৃথিৱীৰ নতুন যুগ”ৰ গীত মাত নৃত্যসমূহৰ বৈপ্লৱিক উপচাৰসমূহে কংগ্ৰেছ চৰকাৰৰ হৃদপিণ্ড কঁপাই তুলিছিল। আন এখনি “গেঙনি বেঙনি” নামৰ সৰু নাটকে জনজীৱনৰ দুঃখজনক হুবহু চিত্ৰ অঁকাৰ লগতে স্বাৰ্থান্বেষী হৃদয়হীন নেতৃত্বৰ কুট-কৌশল আৰু চক্ৰান্তসমূহক উদঙাই দি ৰাইজৰ ক্ষমতা ৰাইজক লবলৈ আহ্বান জনাইছিল আৰু সৰ্বহাৰাৰ মুকুতিৰ সত্য উদ্ঘাটন কৰি লিখিছিল :

“ ধনীৰ অত্যাচাৰত মৃতইও জীৱনী শক্তি পাব। জনতাৰ আৱাহনত সৰুৰ বিশ্বই জাগি উঠিব। বিপ্লৱ দীৰ্ঘজীৱি হব। চাৰিওফালে বিশ্বজুৰি বিপ্লৱৰ অগনি বিয়পি পৰিব। এয়েই বিপ্লৱ, বিশ্ব-বিপ্লৱ নাটকৰ নান্দী সুৰাই একতলী।”…

তেওঁৰ “মিচিং কনেঙ” সুন্দৰ উপন্যাসখনিত সৰল সহজ মিচিং জীৱনৰ চিত্ৰ, যুদ্ধৰ বিভীষিকা, দেশ স্বাধীন কৰাৰ জনগণৰ হাবিলাস, বিয়াল্লিচৰ বিদ্ৰোহ ইত্যাদি বিবিধ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক দিশ উদঙাই তুলিছে :

“… মণিপুৰত বোমা পৰে। গোটেই ভাৰতত বৃটিছৰ সৈন্যবাহিনীয়ে ছাউনি পেলায়। অসম ৰণ সমাৰোহেৰে ভৰপূৰ হয়। অসমৰ গাৱেঁ ভুঁয়ে, পৰ্বতে-কন্দৰে, নগৰে-চহৰে বৃটিছৰ ৰণ-সমাবেশ বিয়পি পৰে।…

...আগষ্ট প্ৰস্তাৱৰ মন্ত্ৰত দীক্ষিত হৈ গোটেই দেশবাসী জাতি ধৰ্ম নিৰ্বিশেষে জাগি উঠে—হুংকাৰ কাঢ়ে "বন্দে মাতৰম্, ভাৰত মাতাকী জয়,—ভাৰত ত্যাগ কৰ ; কৰেঙ্গে ইয়া মৰেঙ্গে"।

" ভাৰত স্বাধীন ! কোনে কয় ? ইংৰাজ গ'ল, ধনৰাজ হ'ল। আজি কলাধনী আৰু বগাধনীয়ে ভাৰতৰ জনসাধাৰণৰ বুকুত বহি টুপি টুপি তেজ পিছে, বুকি বুকি মঙহ খাইছে, কুৰুকি কুৰুকি হাড় কেইডালো চোবাইছে।... বিয়াল্লিচ্ চনৰ আন্দোলনত স্বাধীনতা যুঁজত আমি হালোৱা-হজুৱা, বনুৱা আৰু তল মজলীয়া খলপৰ দুখীয়া শ্ৰেণীৰ বাইজে মিলি কিমান যুঁজিলো,— অথচ আমাৰ অঙহী-বঙহী গৰীব বাইজে আজি এমুঠি খাবলৈ পায়,—এমুঠি খাবলৈ নাপায়। অথচ যিসকল দ্বিতীয় মহাসমৰৰ সময়ত বিয়াল্লিছ চনৰ যুঁজাৰুসকলক চোৰাং হিচাপে ধৰাই দিবলৈ সহায় কৰিছিল, ঠিকাদাৰি কৰি ডাঙৰ ধনী মানুহ হৈ কাৰেং হেন ঘৰ সাজি লাখ লাখ টকা বেংকত জমাইছিল, স্বাধীনতা পোৱাৰ লগে লগে মজা সলাই খদ্দৰৰ ধুতি পাঞ্জাবী, আৰু গান্ধী টুপি পিন্ধি আজি তেওঁলোক হৈছে আচল নেতা, আচল দেশসেৱক টকাৰ জোৰত। ."

ৰাভাদেৱৰ নৃতাত্ত্বিক গৱেষণামূলক প্ৰবন্ধসমূহে ভৱিষ্যতলৈ পণ্ডিতসকলৰ বাবে বৈজ্ঞানিক গৱেষণাৰ পথ সুগম কৰি থৈ গৈছে। তেওঁৰ বহল-অসমৰ কৃষ্টি-সংস্কৃতি, সভ্যতা-সাহিত্য, মাত-কথা, শিল্প-কলা, বয়ন-বন্ধন, স্থাপত্য ভাস্কৰ্য সকলোৰে গৱেষণামূলক তত্ত্ব-তথ্যই চাৰিও পিনে নতুন নতুন সত্যৰ আলোকপাত কৰি অসমক উজলাই তুলিছে আৰু ভৱিষ্যতৰ সাংস্কৃতিক বুৰঞ্জীৰ বৰভেটা নিৰ্মাণ কৰিছে।

"অসমীয়া কৃষ্টিৰ চমু আভাষ' আৰু "অসমীয়া কৃষ্টি" অতি মূল্যবান ভাষণ দুটি এখন দীঘল পুথিৰ আকৃতিত প্ৰকাশ হৈ গৈছে। আকৰত সৰোবৰ হলেও, মূল্যৰ পিনেদি সাগৰ সদৃশ। তেওঁৰ "অতীত অসম" চমু প্ৰবন্ধটোও আন এধাৰি মণি-মুকুতাৰ মালা স্বৰূপ।

তেওঁৰ "বৌৱতী সুঁতি" যে তেওঁৰ মহা মনীষা জীৱনৰ স্মৃতি বহন কৰাৰ লগতে, তেওঁৰ বিশাল জ্ঞান-বিজ্ঞান ৰহস্যৰ স্বাক্ষৰ বহন কৰি আছে।

কবি বিষ্ণুপ্ৰসাদৰ কবিতাসমূহৰ কথা, ভাৱ, ৰূপ, ৰস, ছন্দ সুৰ আৰু তালত বন্ধা। তেওঁৰ সুৰৰ বৈশিষ্টতা হৈছে সচেতনতা আৰু সৌন্দৰ্যতা আৰু প্ৰাণৰ গভীৰ অনুভূতি।

তেওঁৰ সংগৃহিত "শংকৰী সংগীতৰ সংকলন' খনত তেওঁ অসমৰ ইমূৰৰ পৰা সিমূৰলৈ থকা থান-সত্ৰসমূহত ঘূৰি তেওঁ "তাল" সমূহ সংগ্ৰহ কৰিছিল। তাত একেখন তালকে বিভিন্ন সত্ৰত কেনেকৈ কি বোলোৰে বজায় সংগ্ৰহ কৰি ভাবিছিল যে ভৱিষ্যত সংগীত বিশেষজ্ঞসকলে ইয়াৰ শুদ্ধতা নিৰ্ণয় কৰিব।

এই ক্ষেত্ৰত তেওঁ এটা কথা কৈছিল যে বোলৰ বিভিন্নতা থাকিলেও তালবোৰ সমূহ সংখ্যাকেই একেই; কিন্তু একেখন তালৰে 'মাত্ৰা'ৰ কম বেছি তেওঁ পাইছিল, যেনে 'পৰিতাল' খন পূৰ্ণ কমলাবাৰীত ২৪ মাত্ৰা, সুন্দৰী দিয়াত ২০ মাত্ৰা, চামগুৰিত ১২ মাত্ৰা, বৰপেটাত আকৌ ১৪ মাত্ৰা, এনে দৰে এটি পাৰ্থক্য দেখা গলেও, সেই তালৰ গীতটো গাই যাওঁতে কোনো মতেই বে-তাল হৈ নাযায়। থানৰ গায়ন-বায়নসকলে গীত (বৰগীত বা অংকৰ গীত গাই যাওঁতে মূল ৰাগত আৰম্ভ কৰি বিভিন্ন ৰাগ হৈ ৰে তালত গাই যাই যায়। এখন মূল তালৰ পৰা বিভিন্ন শাখা তালবো প্ৰচলন আছে, যেনে 'মূলতাল'—(যতি বা) জ্যোতিৰ পৰা—মাঠ-জ্যোতি, ধৰম-জ্যোতি, উন্ জ্যোতি ইত্যাদি। অৱশ্যে বৰবায়ন-গায়ন ৰাভাদেৱে এইবোৰ চিন্তা-চৰ্চা-গৱেষণাৰে লিখি উলিয়াবলৈ সময় নাপালে। অতি পৰিতাপৰ কথা যে সংকলন খন পিছত হেৰাই গ'ল।

গীতিকাৰ আৰু এই সুৰকাৰ জনে এহেজাৰৰো ওপৰ সংখ্যক বিভিন্ন গীত ৰচনা কৰিছিল। সেই গীতবোৰৰ অনেকটিৰেই তেওঁ নিজেই সুৰ দি ল'ৰাছোৱালী আৰু ডেকা-গাভৰুসকলক বিভিন্ন গাঁও-নগৰত শিকাই গোৱাইছিল। কিছুমান সশস্ত্ৰ বিপ্লৱৰ গীত ভিতৰুৱা জনজাতীয় গাঁৱত প্ৰচলিত হলেও, পিছলৈ লোপ পাই আহিছিল। তেওঁৰ দুই চাৰি গীত আন গায়কে দুই এক কিঞ্চিৎ অদল-বদল কৰি নিজৰ কৰিও লৈছে, কাৰণ সেইবোৰ ক'তো ছপা হোৱা নাছিল। তেওঁৰ সমগ্ৰ সংগীত সমূহকেই ইয়াৰ বিশেষত্ব, ৰচনা-ৰীতি, আদৰ্শ, সুৰ সঞ্চ আৰু, তাল মানৰ বাবে 'জ্যোতি-সংগীত'ৰ দৰেই "বিষ্ণুসংগীত" ৰূপে নামকৰণ কৰাটো আনন্দৰ কথা হৈছে। শ্ৰীগোপাল দাসে "পৰ জনমৰ শুভ লগনত" নাম দি যিখিনি গীত (মুঠ ২৪) প্ৰকাশ কৰি উলিয়াইছে, সেইখিনিৰ ভিতৰত "স্বাধীন-চিতীয়া হালোৱা ডেকা বণুৱা" গীতটোৰ এটি বড়ো ভাষাৰ অনুবাদ দিয়া হৈছে, এইটোও ৰাভাদেৱৰে নিজৰ ৰচনা—"গানায় গোছীনি হালুৱা।"

: স্বাধীন চিতীয়া হালোৱা ডেকা ৰণুৱা :

স্বাধীন-চিতীয়া হালোৱা ডেকা ৰণুৱা,
পঞ্চায়তী যুগৰ ন মনৰে মনুৱা
হুঁজিব সমৰত লগৰীয়া বনুৱা ॥
চিনি লচোন কোন শত্ৰু লুকাই আঁৰত তাৰ,
ভাঙুৰ ঘূমলা তেজপিয়া কুবেৰৰে মূৰ,
জীৱন ভৰি নপৰিব তোৰ দুঃখৰে ওৰ
যিমান দিন বাচি থাকিব ধনৰ থকুৱা ॥

বাৰে বাৰে জাতিৰ নামত চুৰি ডকাইতিৰ খেল
ৰজনাতৰ দলে পাতে নানা জালিয়াতী মেল।
আগ বাঢ়ি বল ভাঙি-চিঙি-চিঙি জুলুমবাজীৰ জাল,
নকৰিবি ভয়, বল হই শোষণবাদীৰ কাল,
নতুন যুগৰ নতুন ভাৱৰ, নতুন ৰণৰ মাল।
আওৰাই যা আগুবাঢ়ি বল আগবাঢ় দুখীয়া ॥

* বড়ো ভাষাৰে :—
গানায় গোছীনি হালুৱা নাং চেংগাৰা,
পঞ্চায়াত যুগুনি গোটী গোদাননি চান গ্ৰা
যুজি-গান উনাও নাং নায়াও যাওগ্ৰা লাগীক্ৰা ॥
চিনায় নানৈ লা চাৰ চুথু যাখমাদাং চেৰাও,
চাম্ৰুপ্ হাৰদো থৈ লীং গাৰা কুবেৰাঁণ খৰোয়াও
জীৱনী গৈয়া থৈবালাৰী নীংনি দুখুৰা।
জীৰগান যেছেবাও দাহানিনি থাংখুৱা ফাৰা ॥
গালে গালে জাতিনি নামৈ খাওনায় লুটিয়ানা,
ফানাচামানৈ দং জেৰোবো ফানদওলা ফ্ৰা।
বাছা বাছা চিগাং থু জুলুমবাজী নিজেখা
দাগীংাৰ দোপথায় হাৰাদি থৈ লীং গাৰা ফোৰথা ;
গীদন্ যুগুনি গোদানা ভাৱনি বিননি যুঁজি গাবা।
থু চিগাং থু থু চিগাং থু দুখীয়া ফাৰা ॥

গীতটোৰ বিশেষত্ব হৈছে ইয়াৰ থুলত,——প্ৰথমতে তিনিশাৰী, পিছত চাৰিশাৰী আৰু শেষত ছয়শাৰীৰ এটি থুল। এই গীতটো পোন পহিলতে বিপ্লৱীসকলৰ প্ৰশিক্ষণ শিবিৰত তেওঁ ডেকা-চেংৰাসকলক শিকাই দিছিল। গাঁও-নগৰ, ধাননি-বননি, হাবি-পৰ্বতত তেওঁ অনেক ল'ৰাছোৱালী চেংৰা-চিখ্লা, ডেকা-দৰটাংক গীত-নাচ আদিৰ শিক্ষা দিছিল। বহুত সময়ত, অভিনয়ৰ সময়ত নাটৰ লাগতীয়াল গীত-নৃত্য তেওঁ বহুতকেই শিকাই দিছিল।

অভিনয়ৰ বাবেই তেওঁ ভৰত মুনিৰ 'নাট্য-শাস্ত্ৰ' নন্দিকেশ্বৰৰ 'অভিনয় দৰ্পন' আদি আৰু নৃত্যৰ বাবে 'শ্ৰীহস্তমুক্তাৱলী', 'সংগীত-দামোদৰ' আদি কঠিন সংস্কৃত গ্ৰন্থবোৰ তেওঁ যত্ন সহকাৰে পঢ়িছিল আৰু এইবিলাকৰ অনেক

* 'া' এই চিনযুক্ত হলে 'ও'-ওনহয়, 'ঔ'-ও নহয়। উভয়ৰ মাজে মাজে ডিঙি চেপা দি শব্দ উচ্চাৰিত হয়।

দৰতাং=গাভৰু (বাড়া ভাষা)

শ্লোক তেওঁৰ মুখতেই আছিল। গীত-বাদ্য-নৃত্যৰ নিচিনা অভিনয় কলাও অতি কঠিন বুলিয়েই তেওঁ লিখিছে ঃ

"অভিনয় অতি কঠিন সাধনা। ইয়াৰ সাধনাত সিদ্ধ পুৰুষ হলে প্ৰকৃত অভিনেতা হব পাৰে এজন কঠোৰ সাধকে। চৰিত্ৰৰ লগত সম্বন্ধ বান্ধি এজন অভিনেতাই আংগিক, বাচিক, আহাৰ্য আৰু সাত্বিক আভৰণেৰে—ৰস, ভাৱ-বিভাৱ আৰু ব্যাভিচাৰৰ আলম লৈ সেই চৰিত্ৰৰ ৰূপ গুণাদি প্ৰকাশ কৰে, ৰূপায়িত কৰে সেই চৰিত্ৰৰ আচল গুৰুত্ব অধ্যয়ন কৰি - তাৰ গূঢ়তত্ত্ব আৰু তথ্য আহৰণ কৰি। এই নাট্যকলাৰ পদ্ধতি অৱলম্বন কৰি ৰচনা কৰা হয়, অসমৰ অংকীয়া নাট আৰু সেই প্ৰণালীৰে পৰিৱেশন হয় সত্ৰীয়া ভাওনা"।

(মোৰ প্ৰিয় ভূমিকা ঃ ৰাভা)

ৰাভাদেৱ যে এজন সাৰ্থক অভিনেতা আছিল, তাক কোনেও অস্বীকাৰ কৰিব নোৱাৰে। তেওঁ আঠ ন বছৰ বয়সৰ পৰাই শ শ স্থানত, শ শ মঞ্চত লেখ-জোখ নোহোৱাকৈ অভিনয় কৰি গৈছে। এনেবোৰ মঞ্চতেই প্ৰখ্যাত নাট্যকাৰ আৰু অভিনেতা ফণীশৰ্মায়ো অনেক স্থানত দৰ্শকৰ স্মৃতিত গভীৰ চাঁপ বহুৱাই অভিনয় কৰিছে। ৰাভাদেৱ আছিল সদায় অৱহেলিত, অনাদৃত, নিম্নসকলৰ প্ৰাণৰ বন্ধু, সেয়েহে তেনে ভাওবোৰত তেওঁ হৃদয় ঢালি, প্ৰাণ ঢালি তীব্ৰ আবেগ অনুভূতিৰে ভাও দিয়াত সেই ভাওবোৰ সদায় জীৱন্ত হৈ উঠিছে। সেই ভাওবোৰৰ ভিতৰত—ফণী শৰ্মা ৰচিত "কিয় ?" নাটকৰ কোকৰাঝাৰ জিলাৰ জনজাতীয় লগুৱা 'গেঠু'ৰ ভাও, "চিৰাজ" নাটকৰ 'আঘোনা' লগুৱাৰ ভাও, ডঃ ভূপেন্দ্ৰ হাজৰিকাৰ "এৰা বাটৰ সুৰ' কথা-ছবিত 'ভূজ্‌লং কাকা'ৰ ভাও—আদি বিশেষভাৱে উল্লেখযোগ্য। "আহত বন্ধুৰে" নামৰ বাংলা ভাষাৰ কথা-ছবি এখন তেওঁ জনজাতীয় গাঁওবুঢ়াৰ ভাও এটি লৈছিল, এই ভাওটিয়ে বাঙালী দৰ্শক-ৰাইজক মুগ্ধ কৰি পেলাইছিল। তেনেদৰেই, তেওঁৰ নৃত্য-গীতেও জগতক মুহিব পাৰিছিল। তেওঁৰ বহুমুখী প্ৰতিভাৰ বিবিধ বিজ্ঞানে তেওঁক সজাই তুলিছিল পূৰ্ণ মানৱ স্বৰূপে।

ইংৰাজ সমালোচক সাহিত্যিক ডোনাল্ড টৌভ (Donald Tove)-এ হেনে প্ৰখ্যাত শিল্পী বিথোফেন (Beethoven)ৰ এখন অসমাপ্ত জীৱনী লিখিছিল আৰু সেই জীৱনীখনত লিখকে তেওঁক পূৰ্ণ কলাকাৰ (Complete artist) বুলি লিখি থৈ গৈছে। বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ ক্ষেত্ৰত এনে গুণৰ অলপো ক্ষতি-খুণ নাছিল। পূৰ্ণ সফলতাৰ পৰিপূৰ্ণ আনন্দত তেওঁ বুৰ গৈ থাকিব পাৰিছিল। বিশ্বৰ সকলো নিপীড়িত, নিৰ্যাতিত, অৱহেলিত, শোষিত, হলোৱা, হজুৱা, বনুৱাৰ পূৰ্ণ মুক্তিৰ বাবেই তেওঁ নিজৰ জীৱন পণ কৰিছিল। কেৱল অসম বা ভাৰতৰেই নহয়, তেওঁ সমগ্ৰ বিশ্বৰ প্ৰেম, শান্তি আৰু প্ৰগতিবাদী সংগ্ৰামী মানৱৰ জীৱন্ত প্ৰতীক।

ধন-সম্পত্তি, মণি-মুকুতা, পদবী-ক্ষমতা আদিলৈ তেওঁৰ কিঞ্চিতো হাবিলাস নাছিল। সাংসাৰিক ক্ষেত্ৰত তেওঁক অভাৱ-অনাটনে হেঁচি ধৰিলেও, তেওঁ একো গ্ৰাহ্য ন কৰিছিল, কিন্তু তেওঁৰ সহধৰ্মিনী কনকলতাৰ প্ৰতি তেওঁৰ আছিল গভীৰ প্ৰেম। কনকলতাৰো স্বামীৰ প্ৰতি আছিল অসীম শ্ৰদ্ধা, পাৰাপাৰহীন প্ৰণয়, আদৰ্শৰ প্ৰতি নিষ্ঠা, দেশ আৰু সমাজৰ প্ৰতি স্বাৰ্থহীন অনুৰাগ, মুখত সদায় লাগি আছিল দুঃখ-কষ্টই জঁয় পেলাব নোৱাৰা মধুৰ মিচিকিয়া হাঁহি। সঁচাকৈয়ে কনকলতা বাভাই কলাকাৰ গন্ধৰ্ব বাভাদেৱক অনুপ্ৰেৰণা দিব পাৰিছিল। তেওঁ বিশ্বাস কৰিছিল যে এই জীৱনেই মানুহৰ শেষ জীৱন নহয়,—আত্মা অমৰ অনাদি অনন্ত।

"ন জায়তে ম্ৰিয়তে ন কদাচিৎ
নায়ং ভূত্বা ভবিতা বা ন ভূয়ঃ
অজো নিত্যঃ শাশ্বতোয়ং পুৰাণো
ন হন্যতে হন্যমানে শৰীৰে॥"

(শ্ৰীমদ্‌ভগৱৎগীতা ঃ ২—২০)

প্ৰেমিক কবি বাভাদেৱৰ অসমাপ্ত "নাৰী নৰ" কাব্যই এই সত্য বহন কৰিছে।

"আমি দুয়ো মিলিলোঁহি
আদি নাৰী-নৰ
ভূলোক দ্যুলোক আৰু ভৱ লোক
ফুৰি ফুৰি—
উলাহেৰে বিচাৰি বিচাৰি
আকউ পালেঁহি সেই
পৃথিৱী পুৰণি—
জৰাজীৰ্ণ নাগিনী ধৰণী। ··
এনে হেন মনোমোহা
ধুনীয়া সুন্দৰী এই ধৰণীত
কতবাৰ আমি উপজিলো।
উভয়ে পুনৰ—
আমি দুয়ো মিলিলোঁহি
আদি নাৰী নৰ
আকাশত তাৰকাৰ মাণিক গুঠিলোঁ,
আদি সত্য আমি উলিয়ালো ;
আদি বৰ্ণ আমিয়ে লিখিলো—
আদি সুন্দৰক আমি—
প্ৰথমে পুজিলোঁ ··

হৃদয়ৰ প্ৰিয়া
মোৰ বৰণীয়া।
আদিম সমাজ আৰু প্ৰথম বিজ্ঞান
আমি দুয়ো সৰজিলোঁ।
প্ৰেমৰ সোঁতত
আৰু
প্ৰণয়-ৰথত
দুয়ো দুয়ো জনকে চুমি
পালো এক নতুন প্ৰেৰণা—
এক নব অনুভূতি।"

প্ৰেম আৰু মানৱ-জীৱন-দৰ্শনে এই কাব্যখনিক অতুলনীয় কৰি তুলিছে। সুন্দৰৰ সৃষ্টিৰ অনুভূতিয়ে তেওঁক সৌন্দৰ্য আৰু প্ৰেমৰ সনাতনত্বৰ প্ৰতি আকুলিত কৰিছে। প্ৰেম যেনে সত্য, মানৱ জীৱনো তেনে সত্য আৰু শাশ্বত।

ৰাভাদেৱৰ প্ৰেমময়ী সহধৰ্মিনী কনকলতাৰ দুটি পুত্ৰৰ জন্ম হৈছিল আৰু অতি মৰমতে দুয়োৰো ঘৰুৱা নাম দিছিল থুনুথুনু আৰু মুনুমুনু। কিন্তু দুয়ো পুত্ৰই কেচুৱা কালতেই স্নেহময়ী মাতৃৰ অকৃত্ৰিম মৰম-চেনেহৰ পৰা বঞ্চিত হৈছিল। ১৯৬২ খৃষ্টাব্দৰ পাঁচ জানুৱাৰীৰ দিনা কঠিন নৰীযাত পৰি কনকলতাই ডিব্ৰুগড়ৰ চৰকাৰী হচ্‌পিটালত ইহলীলা সম্বৰণ কৰে। কেচুৱা দুটি লৈ আদৰ্শবাদী কলাকাৰ ৰাভাদেৱে কঠোৰ বাস্তৱৰ সন্মুখিন হৈ পৰিল। কনকলতাদেৱীৰ চিৰ-বিৰহত তেওঁৰ প্ৰাণমন ভাগি ডোখৰ ডোখৰ হলেও, তেওঁ গহীন-গম্ভীৰভাৱে ধৈৰ্য ধৰি ৰল, তেওঁৰ পাত-কাপ-মহি-মৈলাম স্তব্ধ হৈ নপৰিল, তুলিকাৰ ৰঙো শুকাই নগ'ল, মঞ্চৰ প্ৰাণৱন্ত অভিনয, ৰাজহুৱা সভাৰ বক্তৃতা, গাৱেঁ-ভৈয়ামে-পৰ্বতে ঘূৰি ফুৰা অভ্যাসৰ পৰি সমাপ্তি নঘটিল। সত্য-অন্বেষণে তেওঁৰ দৃঢ় গতি ললে।

গৰজন আৱাহন, সৃজনৰ নব বল

"জীৱন পহিলা, তাৰ পিছতহে পীৰিতি। এই সমিধান যি লভে।...মানুহে জীৱন পায় জনমৰ লগে লগে, মৰণো জনমে তাৰ লগতে। জনমৰ পৰাই জীৱন আৰু মৰণৰ যুঁজ চলে। এয়েই জীৱন-সংগ্ৰাম। জীৱন জিকিলে মানুহ বাঁচে, হাৰিলে মৃত্যুই কৰাল গৰাহত তাক গিলি মাৰি পেলায়। গতিকে জীয়াই থাকিলে, মানুহৰ গৌৰৱ গৰিমা বাঢ়ে হে, নুটুটে; কিন্তু জীয়াই থাকিলে মানুহৰ দৰে বাচিব লাগিব। মানুহ, মানুহ, জানোৱাৰ নহয়। মানৱৰ অধিকাৰবোধ তাৰ অন্তৰত জাগি উঠে। পাবুছলীক জীৱনৰ লগৰী হিচাপে পাবলৈ হলে, মানুহৰ দৰে পাব লাগিব। কাৰণ সি মানুহৰ সমাজত; সি সমাজৰ হৈ কাম কৰিব লাগিব; তাৰ সমাজ, মিচিং সমাজ। মিচিং পশু নহয় মানুহ। সি মিচিং, সি মানুহ; তাৰ সমাজ মিচিং-সমাজ মানৱ-সমাজ। পাবুছলীও সেই সমাজৰ এজনী।"... (মিচিং কনেঙ্ ঃ উপন্যাস ঃ ৰাভা)

সাধাৰণ লোক এজনৰ মুখেৰে এনে জ্ঞানগৰ্ভ কথাকে সাহিত্যিক বিষ্ণুপ্ৰসাদ ৰাভাদেৱে মানুহৰ জীৱনৰ অৰ্থ বুজাই দিয়াৰ লগতে নিজৰ আত্মোপলব্ধি আৰু বিশ্ব-মানৱত্বৰ ভাৱ প্ৰকাশ কৰাইছে। সত্যসুন্দৰ আৰু সাম্যৰ পূজাৰী বিষ্ণুপ্ৰসাদে পিষ্ট-ক্লিষ্ট নিৰ্যাতিত, নিপীড়িত, কাৰাবাসী, উপবাসী, অৰ্ধাহাৰী, অনাহাৰীৰ বাবে প্ৰকৃত মুকুতি আৰু প্ৰগতিৰ বাবে যি সপোন দেখিছিল—তাকেই তেওঁ গীতে-মাতে প্ৰকাশ কৰাৰ লগতেই—গল্প, উপন্যাস, নাটক, প্ৰবন্ধ আদিত সুস্পষ্টভাৱে লিপিবদ্ধ কৰি থৈ গৈছে। তেওঁৰ অনেক লিখনি হেৰাই গলেও, পোৱা খিনিতেই তেওঁৰ আদৰ্শ, কাৰ্য্য-সূচী, দৰ্শন, ৰাজনীতি, সমাজনীতি, অৰ্থনীতি সমস্তই প্ৰকাশ পাইছে।

"১৯৬০ খৃষ্টাব্দত বহা" অসম সাহিত্য সভাৰ নিশাৰ সাংস্কৃতিক-সংগীত-সমাৰোহত মুখ্য অতিথি স্বৰূপে নিমন্ত্ৰণ এটি দিছিল। ৰাভাদেৱে 'অসম সাহিত্য সভা' ভাল পাইছিল। তেওঁ আশা কৰিছিল যে এই সভাখনে অসমৰ

সৰ্বগোষ্ঠীক একত্ৰিত কৰি সমন্বয় আৰু সংহতিৰে তেওঁৰ পৰিকল্পিত অসম গঢ়াৰ বাবে নিশ্চয় অৱদান আগ বঢ়াব পাৰে। ৰাভাদেৱৰ দুঘণ্টীয়া বক্তৃতাত শ্ৰোতাসকলৰ অকনো আমনি লগা নাছিল। কিন্তু সেই মূল্যবান বক্তৃতাটো সংৰক্ষিত নহল। মাথো সাহিত্যাচাৰ্য অতুলচন্দ্ৰ হাজৰিকা ডাঙৰীয়াৰ "অসম সাহিত্য সভাৰ ৰূপ লেখা" ১৯৭৭ খৃষ্টাব্দত প্ৰকাশিত গ্ৰন্থখনত আমি মাথো এই খিনিহে পাইছো ঃ

"২৭, ২৮ আৰু ২৯ অক্টোবৰৰ অৰ্থাৎ অধিবেশনৰ তিনিও ৰাতি হেজাৰ-বিজাৰ দৰ্শকৰ সমুখত সাংস্কৃতিক সমাবোহ সম্পন্ন হয়। ২৭ তাৰিখে সভাপতিত্ব কৰিছিল ধুবুৰীৰ সংগীতজ্ঞ মানগোবিন্দ চক্ৰবৰ্তীদেৱে। মুখ্য অতিথি আসনৰ পৰা শিল্পী শিৰোমণি বিষ্ণুপ্ৰসাদ ৰাভাদেৱে এটি সুদীৰ্ঘ ওজস্বিনী ভাষণ দিয়ে।"

সমাজত নৈতিকতা স্থাপনৰ মনোভাৱ তেওঁৰ বৰ তীব্ৰ আছিল। কোনো ধৰণৰ সমাজবিৰোধী কথাকেই তেওঁ সহ্য কৰিব নোৱাৰিছিল। কিন্তু ৰাজনীতি বা সমাজ-নীতিৰ কোনো ক্ষেত্ৰতেই তেওঁৰ আঁকোৰগোজ মনোবৃত্তি নাছিল। "বিপ্লৱী কমিউনিষ্ট পাৰ্টি" (R.C.P.I.) ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ (C.P.I)ৰ লগত চামিল হৈ এটি শক্তিশালী দল গঠন কৰাৰ প্ৰশ্ন উঠোতে তেওঁ উদাৰ মনোভাৱ প্ৰকাশ কৰিছিল। অৱশ্যে এই গুৰুত্বৰ বিষয়টো লৈ উভয় দলৰ গুৱাহাটীত বহা সভাত তেওঁ উপস্থিত থাকিব পৰা নাছিল, কিন্তু উভয়ে এক হোৱা বিষয়টো সমৰ্থন কৰি এখন পত্ৰ প্ৰেৰণ কৰিছিল। তেওঁ প্ৰগতিশীল বামপন্থীসকলৰ মাজত ঐক্য স্থাপন কৰাই মহাশক্তিৰে পুনৰবাৰ আন্দোলন কৰাৰ পক্ষপাতী আছিল। শেষত চামিলকৰণৰ বিৰোধী কিছুমানে আন দললৈ গুচি যায়, কোনো কোনোৱে ৰাজনীতিও এৰিলে, দুই একে এই সুযোগতে কংগ্ৰেছৰ চত্ৰ ছাঁয়ালৈ কামনাপূৰ্বক ভাৱে গৈ উন্নতিৰ সপোন দেখিলে। কিন্তু ৰাভাদেৱৰ দল-উপদলৰ প্ৰশ্ন নাছিল—শোষিত পীড়িত নিম্ন জন গণৰ প্ৰকৃত মঙ্গল সাধন কৰি তেওঁলোকক প্ৰকৃত মানবৰ আসনত প্ৰতিষ্ঠিত কৰাহে আছিল তেওঁৰ জীৱনৰ ব্ৰত।

"উঠ্ জাগি উঠ্ উপবাসী
অন্ন ভূমিহীন দল ;
বুকু পেট জ্বলা চিৰ দুখী,
শেষ যুঁজলই হেৰ' বল।
শুন্ হেৰ' শুন্
গৰজন আৱাহন, সুজনৰ নববল।
চিঙি দাস-শাপ—
বন্ধন হম জয়ী হেৰ'
সৰ্বহাৰা হীন দল।

হব এই বিৰোধত শেষ—
পৰিচয়,—
কাৰ জয় কাৰ পৰাজয়,
সাধে বিশ্ব মানৱৰ হিত
যুঁজি বিশ্ব-সংঘই ।”… ..

(সৰ্বহাৰাৰ মুক্তিৰ গীত : ৰাভা)

১৯৬২ খৃষ্টাব্দৰ ১ চেপ্টেম্বৰৰ নিশা শ্ৰীমন্তশঙ্কৰ দেৱ ৰচিত “ৰুক্মিণী হৰণ” নাটখন প্ৰায় এমাহ প্ৰশিক্ষণ দি গন্ধৰ্ব ৰাভাদেৱে তিনিচুকীয়াত মঞ্চস্থ কৰে। খেমালিও সম্পূৰ্ণভাৱে বজোৱা হৈছিল। ৰাগ সুহাই মান একতালিত গীত-ভটিমা, বচন-বাজনা, সূত্ৰ ভাও, প্ৰৱেশ-প্ৰস্থানৰ মনোৰম নৃত্যৰে কল্যাণ খৰমানত নাট সম্বৰণ কৰা হৈছিল। নাট নিখুঁটভাৱে কৰিবলৈ আ-অলংকাৰ মুকুট, কুণ্ডল, কেৰু-খাৰু আদি কেনে হব—তেওঁ নিজে আঁকি দিছিল ; আনকি শ্ৰীকৃষ্ণৰ শিৰত পিন্ধা ‘চুড়া’টো কেনে হব লাগিব, তাকো তেওঁ নিজ হাতে আঁকি কৃত্ৰিমভাৱে সজাই তুলিছিল। শ্ৰীকৃষ্ণৰ—“মধুৰ মুৰুতি মুৰাৰু মকৰ কুণ্ডল গণ্ড মণ্ডিত খণ্ডিত চান্দ ৰুচিস্মিত হাসা……শ্যাম শৰীৰ ৰচিত পীত অম্বৰ উৰে বনমালা লোলে কিংকনী কনয়া দোলে”·· আদিৰে সম্পূৰ্ণ শাস্ত্ৰীয় ভাৱে সজাবলৈ তেওঁ যত্নৰ ত্ৰুটী নকৰিছিল। এই নাটৰ সাফল্যতে তেওঁৰ প্ৰাণত আনন্দৰ সঞ্চাৰ হৈছিল আৰু তেওঁৰ নাট-মঞ্চৰ বিবিধ কলা জ্ঞানৰ প্ৰমাণ হেজাৰ হেজাৰ দৰ্শকৰ চকুৰ আগত জিলিক উঠিছিল।

ইয়াৰ এবছৰ আগতেই গণেশগুৰিৰ কাষৰ হাতীগাঁওত “কৃষক বনুৱা পঞ্চায়ত”ৰ এখন গুৰুত্ব-পূৰ্ণ সভা বহিছিল। কেবা হেজাৰো কৃষক-বনুৱা ৰাইজ সভাত উপস্থিত হৈছিল। হাতীগাঁও তেতিয়া কবলৈ গলে বনৰীয়া হাতীৰ উপযোগীকৈ হাবিয়ে বননিয়ে ভৰা। এতিয়া এই অঞ্চলটি গুৱাহাটী মহানগৰীৰ ভিতৰতেই সোমাই পৰিছে। গোবিন্দ কলিতা, খগেন্দ্ৰনাথ বৰবৰুৱা, চিন্তাহৰণ কলিত, যোগেন্দ্ৰ গগৈ, গোপাল দাস আদি বিপ্লৱী নেতাসকলো তাত উপস্থিত হৈছিল। বিষ্ণুপ্ৰসাদ ৰাভাদেৱে সেই মহাসভাৰ মুখ্য অতিথি স্বৰূপে যোগদান কৰি ৰাইজৰ ৰাজ, সুখৰ পঞ্চায়ত ৰাজ কেনেকৈ থাপনা কৰিব লাগিব আৰু কেনেকৈ ইয়াক দীৰ্ঘস্থায়ী কৰি জনগণৰ সুখ-সম্পদ সাম্য মৈত্ৰীৰ বাবে কৰিব লগীয়া কাৰ্যসূচী গ্ৰহণ কৰিব লাগিব, অসমৰ বিভিন্ন কৃষ্টি-সংস্কৃতিক কেনেকৈ সুসমন্বয় কৰি একক এচপৰা লোৱা দৰে সেই সমাজখন গঢ়িব লাগিব—গীত-বাদ্য-নৃত্য কলাই কেনেকৈ সেই মানৱসমাজ খনক সুন্দৰ কৰি তুলিব, ডেকাগিৰী সুন্দৰ শ্ৰীমন্তশংকৰে কেনেকৈ সংগীতৰ সুৰেৰে, নাচোনৰ লয়-লাসেৰে, নাট অভিনয়ৰে, নিম্ন জনগণক মানুহৰ আসনত প্ৰতিষ্ঠিত কৰি নতুন সমাজ এখনৰ সৃষ্টি কৰিছিল—তেওঁ বক্তৃতাৰে গীতেৰে হাতৰ মুদ্ৰাৰে ৰা-ৰাইজক ইমান

সুন্দৰকে বজাই দিলে সে কৃষক-বনুৱা-হালোৱা-হজুৱা ৰাইজ মুগ্ধ হ'ল। তেওঁলোকে যেন বুজি পালে—চৌষষ্ঠি কলাৰ অৰ্থ,—গীতবাদ্য-নৃত্যৰ জীৱন-দানী শকতি।

এনে তাৎপৰ্যপূৰ্ণ সভাখনৰ সভাপতিত্ব কৰিছিল সোণাপুৰৰ বিপ্লৱী পুৰুষ পৰশুৰাম ইংতি মহোদয়ে। এইখন সভাতেই কলাকাৰ বিষ্ণুপ্ৰসাদ ৰাভাদেৱক "কলাগুৰু" উপাধি প্ৰদান কৰা হয়। সভাপতিৰ আসনৰ পৰাই এই প্ৰস্তাব দাঙি ধৰা হৈছিল আৰু ৰাইজৰ মাজত বিপুল হৰ্ষধ্বনি উঠিছিল আৰু "কৃষক বনুৱা পঞ্চায়ত" "জিন্দাবাদ" ধ্বনিত আকাশ নিনাদিত হৈ উঠিছিল। এনে ধৰণৰেই গৰজন আহ্বানত নিপীড়িত ৰাইজৰ সৃজনৰ নৱ বল যেন লাভ কৰিলে।

হাতীগাঁওৰ সভাৰ পূৰ্ণ বিৱৰণ চৰকাৰৰ চোৰাংচোৱাই সংগ্ৰহ কৰি লৈছিল। বিষ্ণুপ্ৰসাদ ৰাভাই হয়তো পুনৰ সশস্ত্ৰ সন্ত্ৰাশবাদৰ সৃষ্টি কৰিব পাৰে—এনে আশংকা পুলিচ বিভাগৰ ওপৰ মহলৰ দুই এক বা-বিষয়াৰ মনত জাগিছিল। সেয়ে চোৰাংচোৱাৰ গোপন তীব্ৰ নজৰ তেওঁৰ ওপৰত পুনৰ পৰিছিল।

সেই কালছোৱাত মাৰ্ক্স-লেনিন-ষ্টেলিনবাদী মাও চে টুঙৰ নেতৃত্বৰ মহা চীন শক্তিশালী হৈ উঠিছে। মহাচীনৰ লগত প্ৰাচীন মহাকামৰূপৰ বন্ধুত্বপূৰ্ণ সম্পৰ্ক থকা কথাটোকেই জনা যায়। ভাৰতৰ প্ৰধানমন্ত্ৰী জৱহৰলাল নেহেৰুৱেও চীনদেশৰ লগত ভাৰতৰ বন্ধুত্বকেই সদায় বিচাৰিছিল। তেতিয়া ৰঙা চীনৰ লগত ছোভিয়েত ৰাষ্ট্ৰৰো বৰ সহজ সম্পৰ্ক নাছিল। ইতিমধ্যে ছোভিয়েত ৰাছীয়া লগত ভাৰতৰ বন্ধুত্বই স্থাপন হৈ আছে। ভাৰতৰ প্ৰগতিশীল সাম্যবাদী ৰাজনীতিৰ সমৰ্থক দল কিছুমানক ৰুচ-পন্থী আৰু কোনো কোনো দল চীনা-পন্থী বুলি ভাৰত চৰকাৰৰ এটি গোপন বিশ্বাস চলি আছিল।

মাও চে টুং অকল ৰাজনীতিকেই নহয়, তেওঁ এজন কবি আৰু সাহিত্যিক আন পিনে এজন বিচক্ষণ সংগঠনশালী নেতা। কৃষিকৰ্মক তেওঁ সদায় আগ স্থান দিযে আৰু তেওঁৰ বিভিন্ন কৰ্ম-সূচীয়ে চীনদেশক দোপতদোপে আগবঢ়াই নিলে। সামৰিক বাহিনীৰ তেওঁ বিস্তাৰ সাধন কৰিছে।

১৯৬২ খৃষ্টাব্দৰ নভেম্বৰ মাহত চীনৰ ৰণুৱা ফৌজ অৰুণাচলৰ সীমায়েদি ৰণ-হুংকাৰে আগবাঢ়ি অহা বুলি উত্তৰ-পূব-ভাৰতত এটি আতংকৰ সৃষ্টি হ'ল। অনা-অসমীয়া লোকসকলে অসম এৰি পৰিয়ালবৰ্গ লৈ নিজ নিজ ৰাজ্যলৈ গতি কৰিলে। ধনী-সদাগৰসকলে দুই-চাৰি ৰখীয়া থৈ অট্টালিকাবোৰত বৰ বৰ তলা লগাই কলিকতা, দিল্লী, বোম্বে আদি স্থানলৈ তীব্ৰ বেগে যাবলৈ ধৰিলে। চীনা-বাহিনী শোণিতপুৰৰ ফুট-হিলৰ পথেদি অগ্ৰগতি কৰিছে বুলিয়েই খবৰ ওলাল। তেজপুৰ টাউনৰ বাসিন্দাসকলক তুৰন্তে তেজপুৰ এৰি

যাবলৈ জিলা অধিপতিয়ে মাইক-যোগে হুকুম শুনাই দিলে, সিদিনা ১৯৬২ খৃষ্টাব্দৰ কুৰি নভেম্বৰ। ইয়াৰ আগ নিশাই ৰাভাদেৱৰ ঘৰ সশস্ত্ৰ পুলিচ বাহিনীয়ে ঘেৰাও কৰি তেওঁৰ দুয়ো হাতত হেণ্ড-কাফ লগাই দিযে আৰু ককালত ৰচিৰে বান্ধি পেলায়। সৰু শিশু মাতৃহীনা পুত্ৰ দুটিক তেওঁৰ বুকুৰ মাজৰ পৰা আঁতৰাই মাটিত পেলাই দিয়ে। তেতিয়া দেশপ্ৰেমিক আৰু মানৱ-প্ৰেমিক ৰাভাদেৱৰ মনত যে কেনে ভাব হৈছিল ভাবিব নোৱাৰি।*

তেওঁক বান্ধি আনি তেজপুৰ জেলত ৰাখিছিল আৰু চিপাহী-চন্তৰীয়ে দিনে ৰাতিয়ে তেওঁক ঘেৰি ৰাখিছিল। পিছত তেওঁক উৰিষ্যাৰ ভয়াবহ বহৰমপুৰ জেলত আৱদ্ধ কৰি থৈ দিছিল। এনে বিপদ আপদেও ধৈৰ্যশীল ৰাভাদেৱে অকণো বিচলিত হোৱা নাছিল।

সেই কালত জৱহৰলাল নেহেৰু ভাৰতৰ প্ৰধানমন্ত্ৰী আছিল। উত্তৰ-পূৱ ভাৰতৰ সামৰিক প্ৰতিৰক্ষাৰ বাবে তেওঁৰ অকনো মন কৰা নাছিল। তেওঁৰ "Discovery of India" (ভাৰত-আৱিষ্কাৰ) নামৰ বৃহৎ ইংৰাজী গ্ৰন্থখনত অতীত কীৰ্ত্তিৰে ভৰপুৰ অসমৰ বিষয়ে তেওঁ একো লিখিব নোৱাৰাটো বা নিলিখাটো প্ৰণিধানযোগ্য কথা। সেয়েহে, তেওঁ চীনৰ ড্ৰেগনে অসম গিলি পেলালে বুলিয়েই বোধহয় দুঃখেৰে বিদায়-বাণী উচ্চাৰণ কৰিছিল।

পিছতেই ৰণ-দৃশ্যৰ পট পৰিবৰ্তন হৈ পৰিছিল। শক্তিশালী সাম্যবাদী-বহল চীনৰ সামৰিক বাহিনী অসম দেশৰ পিনে অগ্ৰগতি নকৰি নিজৰ বিশাল দেশৰ পিনেই দলদোপ কৰি গতি কৰিলে। শান্তি-কামী জগতে স্বস্তিৰ নিশ্বাস পেলালে।

অসম এৰি পলাই যোৱা বণিক ধনিকসকল পুনৰ উভতি আহিবলৈ আৰম্ভ কৰিলে। কলিকতা-দিল্লীত আঁতৰাই ৰখা দুই এক অসমীয়া ভাষা কোৱা ধনৱন্ত-লোকবো পৰিয়ালবৰ্গ পুনৰ উভটিল। অসমখন পুনৰ অসম হৈ উঠিল। শাসক, শোষক আৰু অভিজাতসকল পুনৰ সুস্থিৰ হৈ উঠিল। শাসক ৰাজনীতিজ্ঞসকলৰ মনলৈ সাহস আহিল। কলাকাৰ ৰাভাদেৱক চীনা-পন্থী বুলি ভবাসকলেও, তেওঁক অসম-পন্থী বুলিহে বিশ্বাস কৰিলে। গতিকে তেওঁক কাৰাগাৰৰ পৰা মোকোলাই দিয়াই যুগুত বুলি ভাবিলে। সেয়েহে

* ১৯।১১।৬২ তাৰিখে (এই লিখকে) তেজপুৰৰ পৰা বৰঙাবাৰীলৈ গৈছিলো। ২০।১১।৬২ তাৰিখে বৰঙাবাৰীতে আছিলো। ২১।১১।৬২ তাৰিখে অজস্ৰ মটৰকাৰত অৰুণাচলৰ পৰা মানুহ যোৱা চকুত পৰিছিল। কিন্তু তেজপুৰলৈ যাব পৰা একো বাচ নাছিল। পিছ দিনা বাচৰ বাবে বৈ বৈ বিয়লি পৰত অসম ষ্টেট ট্ৰান্সপোৰ্টৰ বাচ এখন তেজপুৰ মুৰাই আহিছিল আৰু তাত কোনো মতে সোমাই লৈ নিশা ৭।৮ বজাত তেজপুৰ পাওঁ, তেতিয়া তেজপুৰ জনশূন্য, কিন্তু ৰেল-ষ্টেচন আৰু বাচ-ষ্টেচনত মানুহবিলাকে তেজপুৰ এৰিবলৈ আকুল হৈ বৈ আছিল।

১৯৬৩ খৃষ্টাব্দৰ ২৪ আগষ্টৰ দিনা কাৰাৰ দুৱাৰ তেওঁৰ বাবে মুকলি হ'ল। সৃজনৰ নব বৰ্ণ যাৰ হৃদয়ত সদায় জীৱন্ত, সেই জনাই এনে হুকুমৰ শব্দবোৰত অলপো উত্তেজিত নহ'ল। বহৰমপুৰৰ জেলৰ ভিতৰত তেওঁ গীত, চুটি-গল্প আৰু প্ৰবন্ধও লিখিছিল, দুই চাৰি ছবিও আঁকিছিল। কাৰাৰ বাহিৰৰ কাৰাত থকা নিপীড়িতসকলৰ প্ৰতি তেওঁৰ বহল মনটো পুনৰ জাগৰিত হৈ উঠিল। শিশুপুত্ৰ ডাঙৰটিক তেওঁৰ বাইদেৱেকে (৺ধাবাৰাম মেচৰ পত্নী) ৰাখিছিল আৰু সৰুটোক ব্ৰেলশৰৰ মোমায়েকহঁতে লৈ গৈছিল আৰু তাতেই সি থাকি স্কুলত পঢ়িছিল। তেওঁ তেজপুৰ ঘৰলৈ উভতি আহি অনুভৱ কৰিলে যে কনকহীন ঘৰখনৰ কনক-কান্তি যেন আৰু একো নাই। ভাগি যোৱা ভাওনাৰ মণ্ডখনত যেন কাৰো সাৰ-সুৰ নাই। বাহিৰৰ গছৰ ওপৰত থকা চৰাই চিৰিকতিৰ কণ্ঠস্বৰবোৰত যেন কেদাৰ-কাৰুণ্যৰ সুৰ বাজি উঠিছে ঃ

…বাহিৰত বৰষুণ পৰে ধৰাষাৰ
দুগালেদি বয় মোৰ চকুলো দুধাৰ
উচাতন কৰে মোৰ মনযে এবাৰ,—
"মোৰ প্ৰিয়া নাই! প্ৰিয়া নাই!!"

বিষ্ণুৰাভা, আকৌ তুলিকা লোৱা

সুন্দৰৰ পূজাৰী বিষ্ণুপ্ৰসাদ ৰাভাদেৱে তেজপুৰৰ সেই কনক-কান্তি হীন ঘৰ খন বৰ উদং বিঙাবিঙা অনুভৱ কৰিলে। অনেক গীত ৰচিলে সুৰ দিলে—গুণগুণাই গালেও। পুনৰ ৰা-ৰাইজৰ মাজলৈ ওলাই গ'ল। ঠায়ে ঠায়ে মঞ্চত ভাও দিলে। ৰাজনৈতিক, সাংস্কৃতিক আৰু সাহিত্যিক সভা-সমিতিত ভাষণ দিলে। ছবিও আঁকিলে—ডেকাগিৰী সুন্দৰ শ্ৰীমন্তশংকৰৰ ছবি বৰপেটাতেই আঁকি ছপায়ো উলিয়াইছিল, সেই ছবিয়ে ভকত, সত্ৰীয়া, গায়ন-বায়ন সকলোৰে প্ৰশংসা লাভ কৰিছিল। দ্বিতীয় বাৰ কাৰাৰুদ্ধ হোৱাৰ আগতে মহাপুৰুষ শ্ৰীশ্ৰীশংকৰদেৱৰ যি অনুপম চিত্ৰ আঁকিছিল, সেই খন আজিকালিৰ দিনতহে ৰঙীন ভাবেই ছপা কৰি উলিয়াইছে। তেওঁৰ অংকিত মাধৱদেৱৰ ছবি এখনিও ছপা হৈ ওলোৱাত সাংস্কৃতিক জগতৰ এটি ডাঙৰ অভাৱ পূৰ হৈছে। শ্ৰীশংকৰ মাধৱদেৱৰ একাত্মতা, অভিন্নতা আৰু ব্যক্তিত্বৰ বিশালতাত তেওঁৰ কলাকাৰ প্ৰাণত দেখা দিয়া এক দিব্য ৰূপৰ শংকৰ-মাধৱ একত্ৰিতভাৱে তেওঁৰ তুলিকাত ৰূপ লৈ উঠিছে।

অসমৰ বাহিৰে ভিতৰে থকা জনজাতীয় গোষ্ঠী, উপগোষ্ঠী, খেল, ফৈদ আদিৰ নৃতাত্ত্বিক বিচাৰ, তেওঁলোকৰ ক্ৰমবিকাশ আৰু ক্ৰমোন্নতি আদিৰ ঐতিহাসিক বিশ্লেষণ মূলক প্ৰবন্ধ আৰু গ্ৰন্থ তেওঁ লিখিছিল। তেওঁৰ লিখনি-সমূহৰ এটি নিজস্ব ঠাচ আছে। ঠায়ে ঠায়ে বাক্য দীঘল হলেও, সেইবোৰ অতি নিমজ। বিনয়ী ভাব প্ৰকাশ আৰু শংকৰী সাহিত্য—গীত-নাটৰ শব্দ-যোজনাৰে তেওঁৰ লিখনী সমৃদ্ধ। অসমীয়া কৃষিসংস্কৃতিৰ কোটিকলীয়া গভীৰ জ্ঞানে তেওঁৰ সাহিত্যক সুন্দৰ কৰি তুলিছে। অসমৰ প্ৰতি থকা তেওঁৰ প্ৰেম আৰু বিশ্ব-মানৱতা সমান্তৰালভাৱে সাহিত্যৰ মাজেদি অগ্ৰগতি কৰি গৈছে। পীড়িত, দলিত, অৱহেলিতৰ বাবে তেওঁ বজোৱা মুক্তি-শিঙাৰ ৰুদ্ৰ সুৰ তেওঁৰ নাট আৰু গীতসমূহৰ পৰম আত্মা স্বৰূপ। সমাজক কেন্দ্ৰ কৰি তেওঁৰ জীৱন্ত সাহিত্যই সদায় সাম্যবাদকেই সৰোগত কৰি অৰ্থনৈতিক বৈষম্যৰ সামৰণি মৰাৰ

সপোন দেখিছিল। সমাজতন্ত্ৰবাদৰ তত্ত্বসমূহক তেওঁ অসমক ঐতিহাসিক আৰু কৃষি-সংস্কৃতিৰ বৈশিষ্ট্যসমূহৰ লগত খাপ খুৱাই নতুন উন্মেষাশালী শক্তিৰে নিম্ন জনগণৰ সমাজ খনক গঢ় দিবলৈ তেওঁ যত্নবান হৈছিল।

ৰূপ-কোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ নিচিনাই ৰাভাদেৱেও অসম আৰু অসমীয়া জাতিৰ কৃষ্টি-সংস্কৃতিক কেন্দ্ৰ কৰি বিশ্ব-মানৱৰ একক আৰু অভিনৱ সংস্কৃতিৰ পৰিকল্পনাৰে তেওঁ বিভিন্ন আঁচনিৰ প্ৰচেষ্টা চলাইছিল।

"বিষ্ণুৰাভা, আকৌ তুলিকা লোৱা,
ইটাৰ দেৱালত আঁকি যোৱা সেই ছবি,
যি ছবিত ফুটে হেজাৰ শিল্পীৰ উত্থান,
অখ্যাত জনৰ আশা আবেগৰ ৰোল।"......

(ডঃ বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য)

কাৰাগাৰৰ পৰা ওলাই আহি তেওঁ কলম আৰু তুলিকা হাতত তুলি লৈছিল আৰু গভীৰভাৱে কলা সেৱাত লাগি গৈছিল। পুনৰ অসমৰ পুবৰপৰা পশ্চিমলৈ বৰলুইতৰ দুয়ো পাৰে থকা চিৰ চেনেহী অসমৰ বুকুত—জনগণৰ মাজত, গায়ন-বায়নসকলৰ শাৰীত,অভিনেতাৰ মঞ্চত, বিপ্লৱৰ জ্বলা জুইৰ শিখাৰ আগত তেওঁ পুনৰ গাবলৈ বাবলৈ নাচিবলৈ আগ বাঢ়িল। তেজপুৰৰ পৰা চিচিবৰগাঁওলৈ, পুনৰ ছেখোৱাৰে ডিবৰু হৈ ৰংপুৰ-শিৱসাগৰেদি, বটদ্ৰৱা-নগাওঁৰে গুৱাহাটী ওলায়। ইয়াতেই মানুহৰ সাগৰত সাতোৰ মাৰি হয়গ্ৰীৱ হাজোৰ মাজেদি বৰপেটাত উপস্থিত হয়। বৰপেটাৰ পৰা নলবাৰী-চামতা পায়, পিছত মছলপুৰলৈ আগবাঢ়ে। মছলপুৰৰ পৰা উত্তৰৰ খহটামহটা পথেৰে গৈ চিদলী-কোকৰা ঝাৰপায়। পশ্চিমৰ পিনে দেওদি দেওদি গৈ দিংদিঙা ওলায়। সেই ঠাইৰ পৰা ৰা-ৰাইজৰ মিঠামিঠা আদৰ-সাদৰৰ মাজেদি আহি যোগীঘোপা-পঞ্চৰত্নৰে বৰলুইত—বহ্মপুত্ৰৰ এচল পবিত্ৰ পানী মূৰত লৈ বাইদা, কৃষ্ণাই, দুধনৈ, ৰংজুলি আদিত ৰৈ-বৈ-কৈ পলাশবাৰীলৈ আগ বাঢ়ে। পিছত সোণাপুৰ পায়, সোণাপুৰৰ পৰা আগবাঢ়ি শিলঘাটেৰে শোণিতপুৰ-তেজপুৰত ওলায়।

শূণ্য ঘৰখনত তেওঁৰ মন নবহিল। ফণী শৰ্মাৰ লগত নানা কথা পাতে। বন্ধুৰ ভিতৰত ব্যাথাৰ বাৰ্তাৰ নট-সূৰ্যই নোপোৱাকৈ নাথাকে। পুনৰ নাটক এখনকেই অভিনয় কৰো বুলি শৰ্মাদেৱে প্ৰস্তাৱ আগ বঢ়ায়, পুনৰ বাণ-ৰঙ্গমঞ্চ ৰজনু-জনাই উঠে। নাটৰ বাচনি হয়, ভাওৰ বাচনি চলে—ৰঙ্গমঞ্চত গীত-বাদ্য-নৃত্য-নাটৰ এটি যেন 'তৌৰ্যত্ৰিক' গতি আৰম্ভ হয়।...

এদিন বিয়লি পৰত দুয়ো বাণ-ৰঙ্গমঞ্চৰ ভিতৰত বহি অনেক কথাৰেই আলচ কৰিছিল, তেতিয়া আথৰাৰ সময় হোৱা নাছিল। কলিকতাৰ ৰঙ্গমঞ্চৰ কথা ওলাইছিল। কৰবলৈ গলে, কলিকতাৰ ৰঙ্গমঞ্চসমূহেই পোনতে অসমৰ শিক্ষিত নাট্য-পীপাষুসকলক অনুপ্ৰেৰণা দিছিল।

নাট্যকাৰ ৰাভাদেৱে লাহে লাহে কবলৈ ধৰিলে,—ইষ্ট ইণ্ডিয়া কোম্পানীয়ে

পোনতে বেহা-বেপাৰ কৰিবলৈহে আমাৰ দেশলৈ আহিছিল। তাৰেই আলম লৈ আহোতাসকলৰ ভিতৰত দুই চাৰি ইংলণ্ডৰ শিল্পীও যে আহিছিল, তাক নুই কৰিব নোৱাৰি। ১৭৮৯ খৃষ্টাব্দৰ পহিলা মেৰ দিনাই মিছেচ এমা ব্ৰিষ্টোৰ নামৰ এক ইংৰাজ মহিলাই কলিকতাত অস্থায়ী মঞ্চ সাজিছিল, কিন্তু তেওঁ এবছৰ পিছতেই ভাৰত এৰি যাব লগা হ'ল। ইয়াৰ সাত বছৰ পিছত 'ওৱেলাৰ প্লেচ থিয়েটাৰ' স্থাপিত হয়। কিন্তু এই মঞ্চ তৈয়াৰ হৈছিল অভিজাত শ্ৰেণীৰ লোকসকলৰ বাবেহে। ইয়াৰ পিছতেই, দুশ জন দৰ্শকৰ আসনেৰে 'এথোনিয়ান থিয়েটাৰ' নামৰ এখনি মঞ্চ কলিকতাত স্থাপিত হৈছিল, কিন্তু ১৮১২ খৃষ্টাব্দত এই মঞ্চৰ সামৰণি পৰে। পিছে, সংস্কৃত পণ্ডিত আৰু ভাৰতীয় প্ৰাচীন নাট্য-শাস্ত্ৰৰ জ্ঞান থকা অধ্যাপক হোৰেচ হেমান উইলচন চাহাবৰ নেতৃত্ব আৰু উদ্যোগত 'চৌৰঙ্গী থিয়েটাৰ' স্থাপিত হয়। তেতিয়াৰ খ্যাতনামা সংগীতজ্ঞ জমিদাৰ দ্বাৰকানাথ ঠাকুৰ মহোদয়ে এই মঞ্চৰ পৃষ্ঠপোষক হৈছিল। এই মঞ্চত নৃত্য-নাট-পটীয়সী ইংৰাজ মহিলাই ভাও দিছিল। ভাৰতীয় আৰু ইংৰাজ দৰ্শকেৰে প্ৰেক্ষাগৃহ ঠাহ খাই পৰিছিল।

ফণী শৰ্মাই মুৰ দুপিয়াই নিমাতে শুনি গৈছিল।

পিছে ১৮৩৯ খৃষ্টাব্দত কিবাকৈ জুই লাগি 'চৌৰঙ্গী থিয়েটাৰ' চাই হৈ গ'ল। এনে সময়তেই দমদমত সামৰিক-বাহিনীৰ চাউনী পতা হ'ল। নাট্যানুৰাগী বা-বিষয়া মিলি এখনি মঞ্চ পাতিলে যদিও, তেওঁলোকে কৃতকাৰ্যতা লাভ কৰিব নোৱাৰিলে।

বোধহয় প্ৰাণ ঢালি কোনেও নালাগিল, নাট-শিল্প ইমান সহজ নহয়। কথাখিনি নাট-আকলুৱা শৰ্মাদেৱে কৈ উঠে।

থিকেই, পিছতেই স্থাপন হ'ল—'চাৰ্চ্চ চৌচি থিয়েটাৰ'। ইয়াৰ মঞ্চত ইংৰাজী স্কুলৰ ল'ৰা-ছোৱালীবিলাকেও অভিনয় কৰিছিল। অভিনয় যে এটি অতি সম্মানজনক কলা-শিল্প, তেতিয়াহে আমাৰ অনেক মানুহে ধাৰণা কৰিব পাৰিছিল। পিছলৈ ইয়াতেই 'চেণ্ট্ জনচ্ কলেজ' স্থাপিত হৈছিল। ইয়াৰ পৰবৰ্তি সময়তো 'গেৰিছন থিয়েটাৰ' আদিৰ মঞ্চই গঢ় লৈ উঠিছিল। কলিকতাৰ বাহিৰেও, ইংৰাজ নাট্যমোদী লোকেই বোম্বে, মাদ্ৰাজ, আগ্ৰা, নাইনিতাল আদিত মঞ্চ সাজিছিল। কিন্তু সেই সকলোবোৰ নাট্য-ইতিহাস কালৰ গৰাহত মাৰ গৈছে।...

শৰ্মাই চকু দুটা ডাঙৰকৈ মেলি দি বন্ধুৰ পিনে চায়, মনতেই ভাবে—ইমান ইতিহাসনো কত সোমাই ৰাখিছে। নৰ ক্লান্ত-হীন, শ্ৰান্ত-হীন, যেন অফুৰন্ত জ্ঞানৰ ভঁৰাল!

মাজতে এদিন দুয়ো ৰংগমঞ্চলৈ যোৱা নাই। দ্বিতীয় দিনা বিয়লি চাৰি মান বজাতেই শৰ্মাদেৱে চৰ্দাৰ বাহাদুৰ গোপাল চন্দ্ৰ পথত থকা ৰাভাদেৱৰ ঘৰ ওলাল। দুয়ো বহিল, দুয়োৰো মুখত হাঁহিৰ নিজৰা।

'প্ৰাগজ্যোতি কলা পৰিষদ'ৰ আঁচনি থন আৰু ব্যাপক কৰাৰ বাবে কিবা-

কিবি আ-অলংকাৰ গোটাব ধৰিছো—কোনো ক্ষেত্ৰতেই আমি সংগীতৰ প্ৰধান আৰু বিশিষ্ট চতুৰগুণ কেইটা পাহৰি যাব নালাগে।

কোৱাচোন কোৱা কি কি? গন্ধৰ্ব ৰাভাদেৱে এটি হাঁহি মাৰি কবলৈ ধৰিলে: পোন পহিলতে, সুৰ-সংযোগ যাক ইংৰাজীত 'Tuning' বুলি কোৱা হয়, এয়েই 'সৰগম'। দ্বিতীয়তে, 'পদগম' 'Composition' বা ৰচনা; তৃতীয়তে, 'লয়গম' Timing বা তাল-মান আৰু চতুৰ্থতে 'চেতবোধনাগম' 'Appealing' বা আকৰ্ষণ।

সামবেদেই সংগীতৰ প্ৰথম উৎস। ইয়াৰ বিশিষ্ট অংশকেই 'গন্ধৰ্ব বেদ' বোলে। 'ৰঞ্জ' ধাতুৰ পৰা ৰাগ—'ৰঞ্জয়তি'—মনোৰঞ্জন (শৰ্মাৰ মুখলৈ চাই সহাস্য বদনে কয়)। শিৱ পঞ্চাননৰ পঞ্চ মুখ পদ্মৰ পৰা—পঞ্চৰাগ। ষষ্ঠ ৰাগটো হেনো কলানিপুণা পাৰ্বতীৰ মুখপদ্মৰ পৰাহে ওলাল—এয়ে ছয় ৰাগ।

শৰ্মাদেৱে কৈ উঠে—আজিৰ আখৰা আৰু ইয়াতেই চলিব যেন পাইছো। পিছে, চাহ-তামোলৰ যোগান ধৰোঁতা দেখো ইয়াত কোনো নাই। কেনেকৈ নো ৰংবোৰ জমি উঠিব?

উঠিব, উঠিব। সংযোগ এটি হৈছে, সংযোজক কনকেই।

উস্ সংযোজক কনকেই? কি আচৰিত কথা! মৃতা কনকে সপোনত কিবা কৈছে নেকি?

নহয় এয়া জীয়াই থকা কনক, ৰঙ্কি ষ্টুডিঅ'ৰ গৰাকী যুৱক কনকনাথ।

সি আকৌ এনে বুঢ়া ঘটকৰ ভাও কেনেকৈ ললে?

তাকেই হেনো কিবা আপোন পাতি লামিদাৰাৰ কালীকুমাৰ ব্ৰহ্মাৰ ফালৰ কোনোবা মানুহ আহি এটি বতৰা দি গৈছে। গোসাই গাঁওৰ কাষতেই বিন্নাকাটা নামৰ এখনি সৰু গাঁও আছে। শান্তিচৰণ ঢুকাইছে, মাক কেশৰী বৰ্তমান জীয়াই আছে, তেওঁলোকৰ কন্যা মোহিনী, আমাৰ এই ঘৰটিলৈ চাহ তামোলৰ যোগান ধৰাৰ বাবে পঠাবলৈ হাবিলাস কৰিছে।

শৰ্মাদেৱে এটি নাটকীয় হাঁহি মাৰি 'বুঢ়া কালত সংসাৰ নপতাই ভাল আছিল' বুলি মনত ভাবিলেও, বন্ধুৰ ভগা ঘৰখন পুনৰ জোৰা লগাৰ আশাৰেই কালীকুমাৰ ব্ৰহ্মাৰ আশ্ৰয়ত থকা শ্ৰীমতী মোহিনীক অনাৰ প্ৰস্তাৱত হয় ভৰ দিলে।

সিমানতেই সিদিনাৰ দুয়োৰে সভা ভাঙিল। নাট্য-বিশাৰদ শৰ্মাদেৱো ঘৰলৈ গ'ল। কবি ৰাভাদেৱে গীত কবিতা এটি লিখো বুলি পৰি থকা বিয়াৰ চিঠি এখনৰ ওলোটা পিনে লিখিবলৈ ধৰিলে:

"আগুৰাই ব'ল আগুৰাই ব'ল
আগুৰাই ব'ল সমনীয়া।
হালোৱাৰ দল হজুৱাৰ দল
বনুৱাৰ দল অ' ৰণুৱা॥
অহৰহ জ্বলে হৃদয়ৰ
দুখৰে অগনি

পোৰে দুখীৰ পেটত লঘোনত
ভোকৰে পোৰণি
চিঙি ভাঙি শত যুগৰ
শিকলি বান্ধনি
ৰণ-দুন্দুভি বজাই যা যা
আগুৱাই, আগুৱা ॥"

এনে বৈপ্লৱিক জোঁৱাবৰ মাজতো কনকলতাৰ বাবে তেওঁৰ মনটো পুৰিবলৈ ধৰে, নাবালক শিশু দুটিৰ লালন-পালনৰ বাবে তেওঁ সংকিত হৈ উঠে। মোহিনীবালা তেওঁৰ অনেক দিনৰেই পৰিচিত। এবাৰ এখন ৰাজহুৱা সভাত তেওঁৰ আদৰণিৰ মাল্য প্ৰদানৰ ভাৰ ষোৰশী মোহিনীৰ ওপৰতেই ন্যস্ত হৈছিল। ৰাজনৈতিক পলাতক ৰাভাদেৱক কেবাখনো জনজাতীয় গাঁওত আলপৈচন ধৰিছিল। দখনা পৰিহিত স্বাস্থ্যবান মিঠাবৰণীয়া আৰু সকলো পিনৰে নীতি-সদাচাৰ মানি চলা মোহিনীবালা স্পষ্টবাদী আৰু সাহসী।

কালীকুমাৰ ব্ৰহ্মৰ লগতে আন কেবাজনো বয়সীয়াল লোকে আ-আলোচনা কৰি আৰু লগতে তেজপুৰৰ কনকনাথ (ফটোগ্ৰাফাৰ) আৰু দুই এজনে পৰামৰ্শ কৰি মোহিনী বালাক বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ গৃহিনী কৰি পঠিওৱাৰে স্থিৰ কৰিলে। তেতিয়ালৈ মোহিনীবালাৰ কিছু বয়স আগবাঢ়িছিল। তেওঁৰ শুভকাংখীসকলে তেওঁক বিপ্লৱী পুৰুষজনৰ বাবে উপযুক্ত ভাৰ্যা হব বুলি বিশ্বাস কৰিলে। প্ৰথমতে মোহিনীবালাই ঘেঁহো-নেহো কৰিছিল, পিছত দুই এক মহিলাই বুজোৱাত মান্তি হ'ল, ৰাভাদেৱৰ প্ৰতি থকা তেওঁ শ্ৰদ্ধা স্নেহ অনস্বিকাৰ্য। ১৯৪৮ খৃষ্টাব্দত পোন প্ৰথমে মোহিনীবালাই সুপুৰুষ ৰাভাদেৱৰ লগত সাক্ষাত লাভ কৰিছিল।

নিস্পৃহ সংসাৰী, কলাৰ সাধনাত বুৰ গৈ থকা, সুন্দৰৰ সান্নিধ্যত সদা-সৰ্বদা নিজকে বুৰাই ৰখা বিপ্লৱী সাধক, নিপীড়িত নিৰ্যাতিত অৱহেলিতৰ চিৰবান্ধৱ বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ পুৰণি ঘৰখনত সুহাই ৰাগৰ মাৰ যোৱা সুৰটো পুনৰ যেন ৰিনিকি-জিনিকি উঠিল। তেওঁৰ স্তব্ধ নোহোৱা তুলিকা— পাত-কাপ-মহী-মৈলামৰ পুনৰ 'গা-মান'ৰ 'মধ্যলয়' খন 'দ্ৰুতলয়'লৈ গতি কৰিলে। বগাচুৰীয়া, বগা এঙাচোলা আৰু বগা জোঙা পাগুৰীৰে বায়ন সকল চাহিনীৰ পিছত চাহিনী সাৰ্মৰি বজাই চলনাৰ ভাঙিৰে আগবঢ়াৰ দৰে শিল্পী শিৰোমণি ৰাভাদেৱেও গীত-মাত-নাট-বচন-অংকন আদি বিবিধ কলাৰে জন-জীৱনক সমৃদ্ধিশালী কৰি কালৰ লগত ফেৰ মাৰিব পৰাকৈ প্ৰস্তুত কৰি তুলিলে।

নটসূৰ্য্য ফণী শৰ্মা তেওঁৰ ঘৰলৈ আহে, নাটৰ অভিনেতাৰ দৰে বচন কয়, নানা কথা আলোচনা কৰে। কলা পৰিষদৰ পৰিকল্পনা বিলাক তেওঁৰ আগত বৈজ্ঞানিক শিল্পীজনে দাঙি ধৰে। বাস্তববাদী শৰ্মাদেৱে কোনো কোনো ক্ষেত্ৰত মূৰ দুপিয়াই দুপিয়াই শলাগীহে থয়, অবাস্তৱ জগতখনৰ প্ৰতি তেওঁৰ আস্থা নাহে।…

সময়ত বিষ্ণুপ্ৰসাদ আৰু মোহিনীবালাৰ কন্যা এটি উপজি ঢুকাল। এই পানী-কেচুৱাটোৰ মৃত্যুত ৰাভাদেৱ অত্যন্ত শোকতপ্ত হৈ পৰিছিল।* এই বিষয়ে তেওঁ তেওঁৰ স্মৃতি-কথাত নিজেও কিঞ্চিৎ লিখি থৈ গৈছে।

ইযাৰ পিছত দুবছৰ পৰে নোহওতেই তেওঁলোকৰ এটি পুত্ৰ জনমে। অতি মৰমতে সেই প্ৰাণ-পুতলীৰ তেওঁলোকে লুন্দুন্ ঘৰুৱা নাম এটি ৰাখিলে আৰু দুয়ো পূৰ্বৰ কন্যা-বিয়োগৰ দুঃখ পাহৰি গ'ল। পুনৰ যৰগায়ন ৰাভাদেৱে অতি উৎসাহেৰে শ্ৰীগান্ধাৰ, বসন্ত, কেদাৰ, মাউৰ আদি বিভিন্ন ৰাগৰ গীতেৰে অসম-আকাশ মুখৰিত কৰি তুলিলে। পুনৰ সভা-সমিতিত বিপ্লৱৰ অগনি জ্বলাই বক্তৃতা দিবলৈ ধৰিলে, নিপীড়িত সকলৰ মুকুতিৰ বাবে তেওঁ পুনৰ সজাগ হৈ উঠিল। কিন্তু পূৰ্বৰ সেই তেওঁৰ মুকুতি দেউলৰ—

"সো চোৰা নয়নত
সবগৰ দিব্যময় ভাতি—
সেই ভাতি মঙ্গল কল্যাণময়
শান্তিৰ জ্যোতি।"...

আৰু পুনৰ্বাৰ প্ৰজ্বলিত, সংগঠিত আৰু সংবৰ্ধিত হোৱাৰ আশা স্তিমিত হৈ আহিলে স্ৰষ্টাকলাকাৰ জন কিন্তু কোনোদিনেই নিৰুৎসাহ হৈ নপৰিল। ৰিঙিয়াই কলে জগতৰ সৰ্বহাৰাক ঃ

"—লভিম নিজ মুক্তি
দি নিজ বাহুৰ বল।
নিজ বাহু বল,—প্ৰধান সাধন ;—
পাবলৈ নিজৰ ধন
জ্বলা অগ্নি, হ'ব শত্ৰু দহন
আছে সময় যিমান ক্ষণ
হব এই বিৰোধত শেষ পৰিচয় ;
কাৰ জয় কাৰ পৰাজয়
সাধে বিশ্ব মানৱৰ হিত
যুঁজি বিশ্ব-সংঘই।"...

এবাৰ বৰপেটাৰ "মিলন-মন্দিৰ" ৰঙ্গমঞ্চক কেন্দ্ৰ কৰি যুৱকৰ দল এটিয়ে শ্ৰীমন্তশংকৰদেৱৰ জীৱনৰ ওপৰত এখনি বোলছবি নিৰ্মাণ কৰাৰ হাবিলাস কৰি নাট্যকাৰ ৰাভাদেৱক নিমন্ত্ৰণ কৰি আনিছিল। মিলন-মন্দিৰতেই সভাখন বহিল। স্থানীয় লিখক, অভিনেতা, গায়ন-বায়ন আৰু ভকতৰ সমাবেশ হ'ল। সপক্ষে বিপক্ষে অনেক কথা ওলাল ; কিন্তু মহাপুৰুষ সুন্দৰ শ্ৰীমন্ত শংকৰৰ অনুগামী বিষ্ণুপ্ৰসাদ ৰাভাদেৱে যেতিয়া সৰ্বগুণাকৰ দৰশিত সুন্দৰ শ্ৰীশংকৰৰ কথাৰে বোলছবিৰ পৰ্দাৰ বিজ্ঞানৰ কথা কবলৈ ধৰিলে তেতিয়া সভা নিমাওমাও হৈ পৰিল বোলছবিৰ পৰ্দাত যেন তেওঁ ৰূপবান শ্ৰীশংকৰক যেন দাঙিছে

* কন্যা কেচুৱাটোৰ কৰুণ মৃত্যুৰ এটি বাতৰি ৰাভাদেৱে ডাকযোগে এখন চিঠিৰে এই গ্ৰন্থকাৰক জনাইছিল।

ধৰিলে। হৰ্ষধ্বনিৰে সকলোৱে সমৰ্থন কৰিলে। কলাকাৰ ৰাভাদেৱৰ মুখ-মণ্ডল এক দিব্য প্ৰতিভাৰে যেন উদ্ভাষিত হৈ উঠিল। আনন্দ-উলাহৰ মাজেদিয়ে সভাখনৰ সামৰণি পৰিল যদিও, ফুটুকাৰ ফেনৰ দৰে এই সভা আৰু পুনৰবাৰ কেতিয়াও নবহিল।* পিছদিনা তেওঁ বেলশৰ-নলবাৰীয়েদি তেজপুৰলৈ বেল-গাড়ীৰে ৰাওনা হয়।

এনেদৰে, অদম্য কৰ্মস্পৃহা, নিপীড়িতৰ মুক্তি-মঙ্গল, নতুন সৃষ্টিৰ হাবিলাস, বৰ অসমক সজাই-পৰাই সুসংস্কৃত কৰাৰ সীমাহীন স্পৃহা, জনগণৰ মাজত আত্মীয়তাৰে নিজক বিলাই দিয়া, শোষণ অন্যায়-অনীতিৰ বিৰুদ্ধে বিপ্লৱ চলোৱা আদি বাবে কুৰি কাৰ্য-সূচীয়ে তেওঁৰ শক্তিমন্ত শৰীৰত বাৰুকৈয়ে এটি হেঁচা পেলাইছিল। কোনো দিনা বেমাৰ-আজাৰ নোহোৱা শিল্পী-পুৰুষজনে দেহত কঠোৰ শ্ৰম আৰু কষ্টৰ প্ৰতিক্ৰিয়া অকণো অনুভৱ কৰিব পৰা নাছিল। ভ্ৰমণ, বক্তৃতা, অভিনয়, অংকন, লিখন আদি পৰিশ্ৰমৰ বাহিৰেও, বহৰমপুৰ কাৰাগাৰৰ কয়েদীৰ কষ্ট, আৰু চৰকাৰে তেওঁৰ ওপৰত চলোৱা দুৰন্ত অপমানে তেওঁক যে দুৰ্বল কৰি পেলোৱা নাছিল, তেনে নহয়, কিন্তু ঝঞ্জা-বিজয়ী স্থিতপ্ৰজ্ঞ ধৈৰ্যশীল কলাকাৰ জনে একোকে কেৰেপ নকৰি নিজ আদৰ্শত সদায় সুৰ্য্যৰ দৰে সুস্থীৰ হৈ আছিল।

তেওঁ নিজেই এনেদৰে লিখিছিল :

"..... ১৯৬২ চনত চীন আক্ৰমণৰ আশংকাত তেজপুৰ বাসী যেতিয়া সন্ত্ৰস্ত হৈ পৰিছিল, দেশৰক্ষা আৰু ৰাইজক সাধ্য অনুসৰি অভয় দিয়াৰ চেষ্টা কৰাৰ দোষতে মাতৃহীন দুটি শিশুক বুকুত লৈ শুই থকাৰ পৰা কংগ্ৰেছ চৰকাৰৰ পুলিচে তেজপুৰৰ পৰা গুৱাহাটীলৈ পঘাৰে বান্ধি সাত মাহ সুদূৰ উৰিষ্যাত কাৰাৰুদ্ধ ৰাখি ৰাইজৰ সেৱাৰ পৰা বঞ্চিত কৰিবলৈ বিচাৰিছিল, কিন্তু বিচলিত হোৱা নাছিলো—পাইছিলো নতুন বল।"

তথাপিও, এনে বল-শকতিয়েও তেওঁৰ অক্ষত দেহক চিৰ যৌৱনেৰে সঞ্জীবিত কৰি ৰাখিব নোৱাৰিলে। যি গভীৰ নিদ্ৰাত তেওঁৰ ঘোৰ-ঘোৰাই নাকৰ শব্দ হৈছিল, সেই টোপনি তেওঁৰ লাহে লাহে পাতল হৈ আহিল। তেওঁ ৰাতিপুৱা চাৰিটা বজাতেই উঠা হ'ল, পিছলৈ তিনিটা বজাতেই সাৰ পাবলৈ ধৰিলে—কিবা লিখে, কিবা আঁকে। এলাহ আচলতে তেওঁৰ নাছিল, পৰিবেশৰ অভাৱতহে তেওঁৰ কেতিয়াবা কাপ তুলি স্তব্ধ হৈছিল। তেওঁৰ লিখন আৰু অংকন ভাগৰ অনেকখিনি বিভিন্ন লোকত আৰু স্থানত পৰি আছিল। সেইবোৰ 'কীৰ্তন' সংগ্ৰহ কৰোঁতা ৰামচৰণ ঠাকুৰ হৈ গোটাই আনোতা কোনো নোলক। তেনে অনেক সম্পদ হেৰাল আৰু দুই এক লিখন দুই এজনে লুকাই ৰাখি নিজৰ কৰি ললে।

তেওঁক দেখা কৰিবলৈ অহা লোকৰ অভাৱ নাছিল, দুই একে তেওঁৰ পৰা বস্তু সৰকাই নিজৰ কৰি লবলৈ প্ৰয়াস নকৰা নহয়, আকৌ অনেকেই তেওঁৰ

* সিদিনা নিশাটো ৰাভাদেৱ আমাৰ ঘৰতেই ৰৈছিল আৰু বোলছবিখন হলে, কেনেকৈ সাজিব লাগিব, অনেক কথা আমাৰ আগত কৈছিল।

প্ৰতি থকা শ্ৰদ্ধা-ভক্তিৰ ভাৱতেই তেওঁৰ লগত পুণ্য দৰ্শনৰ বাবে আগ্ৰহেৰে আহিছিল। তেওঁৰ মাত-কথা-ব্যৱহাৰত সকলো মুগ্ধ হৈছিল, এনে কথা-বতৰাতেই তেওঁৰ বহুমুখী অফুৰন্ত জ্ঞানৰ পৰিচয় পাই অনেকেই বিস্ময় মানিছিল। এইছোৱা বয়সলৈ তেওঁৰ জ্ঞান-বিজ্ঞান-কলা-ৰহস্যৰ সীমাহীন জেউতীয়ে তেওঁক স্পষ্টভাৱে সুন্দৰ কৰি তুলিছিল। অসমীয়া সংস্কৃতি-সভ্যতাৰ ভৱিষ্যতৰ বাবে তেওঁ সন্দিগ্ধ হোৱা নাছিল। ডিব্ৰুগড় মেডিকেল কলেজৰ উৎসৱত দিয়া ভাষণত এই কথা স্পষ্ট হৈ পৰিছিল :

"এনে ধৰণৰ কৃষ্টি কলাৰ দক্ষতা দেখুৱাব পৰা ক্ষমতা পৃথিৱীত কাৰো নাই।

সেই মুদ্ৰাৰ ক্ষমতা ·····
নৃত্যৰ মাজেদি মুদ্ৰাই দেখুৱাই—
য'ত প্ৰকাশ কৰিছিল
শ্ৰীমন্তশংকৰৰ বিশালত,
ব্ৰহ্মপুত্ৰৰ দৰে জান জুৰিবলৈ
আহি যেনেকৈ বিশাল ব্ৰহ্মপুত্ৰ হৈছে—
নগা আহোম, মিৰি, মিচিমি······
আহি এই অসমত সম্মিলিত সমাবেশ হৈছে—
—কুকি অকা, দফলাৰ কৃষ্টি সমাবেশ
বিৰাট ব্ৰহ্মপুত্ৰৰ দৰে বিশাল—ব্ৰহ্মপুত্ৰক
প্ৰতিৰোধ কৰিবলৈ কোনো শক্তি নাই,
একো নাগানি সংগতি বৈ যাবই, ঠিক
অসমীয়া কৃষ্টিকো পৃথিৱীৰ কোনো
শক্তিয়ে ৰোধিব নোৱাৰে। কালৰ
ৰথৰ চকৰীয়ে চেপি খুন্দি সমান কৰিব পাৰে·······
····· আঙ্গামী আও নগা অসমলৈ আহে—
মৰং য'ত ধৰ্ম, সমাজ, যুক্তি·····
আলোচনা কৰিব পাৰি।
'নামঘৰ' ধৰ্মক লৈ গঢ়ি উঠিছে।
নামঘৰ যে
নগাসকলৰ দান
মিৰি মিচিমিৰ দান। অসমীয়া এটা
বড়োসকলৰ ভিতৰত মেচ, কছাৰী,
সোণোৱাল, লালুং, চুতীয়া, গাৰো,
মোচাই, ৰাভা এই সকলেই পৰে।"·····

এনেদৰে মহাসংহতিৰ বৰসাকোঁ সাজি কলাগুৰু জনাই অসমক একতা, প্ৰেম, শ্ৰদ্ধা, শৰতি-ভকতিৰে এচপৰা লোৰ দৰে কৰি তুলিবলৈ প্ৰচেষ্টা চলাই গ'ল। দেহলৈ আওকাণ কৰি তেওঁ সদায় দহৰ স্বাৰ্থতহে খাটিলৈ, মাতিলে,

আঁকিলে, নাচিলে, হাঁহিলে, ভাও দিলে, গালে, বালে আৰু শোষক অত্যাচাৰী ধনিক বণিকক হুংকাৰী সাৱধান কৰি দিলে ঃ

"হুচিয়াৰ ! হুচিয়াৰ !!
ধনী ! মহাজন !! জমিদাৰ !!!
হুচিয়াৰ ! হুচিয়াৰ !!"

এই ৰৱধ্বনি আকাশে বতাহে নিনাদিত হ'ল, কম্পিত হ'ল শোষক দানৱৰ দল। শাসক দলৰ কোপদৃষ্টি তেওঁৰ ওপৰত পৰাটো স্বাভাৱিক হৈ পৰিল।

ফণী শৰ্মা মাজে সময়ে আহি ওলায়—কত ধৰণৰনো কথা দুয়োৰো। গ্ৰীক দেশৰ 'ভায়োনিচাচ' দেৱতাৰ পূজাৰ গীত-নৃত্যৰ কথাৰ পৰা ইটালী, ফ্ৰান্স, ইংলণ্ড আদি দেশবো অভিনয় মঞ্চৰ ইতিহাসৰ পুংখেদি নানা কথা উলিয়াই। ফণী শৰ্মাৰ "কিয়" নাটৰ 'গেঠু'ৰ ভাওৰ সোৱঁৰণীয়ে দুয়োকো আনন্দিত কৰি তোলে। ভূপেন হাজৰিকাৰ "এৰাবাটৰ সুৰ"ৰ ভুজলং ককাৰ, "প্ৰতিধ্বনি"ত খাচীয়া 'চিয়েম' জনজাতীয় সুন্দৰ নিখুঁট ভাওৰ বিষয়েও দুয়ো সোঁৱৰণীৰ মন্থন কৰে। হাঁহি হাঁহি শৰ্মাদেউ ঘৰলৈ যায়।......

হাঁহিৰ পিছত হেন কান্দোনৰ এটি ৰিণি-ৰিণি সুৰ !

"আপোনাৰ টোপনি কমি যোৱাই আপোনাৰ অসুখৰ জাননী। আপুনি জিৰণী লওক।"

কথাষাৰ শুনি ৰাভাদেৱ কিছু অ-প্ৰস্তুত হৈ পৰে। নৰ্বীয়াৰ কথা তেওঁৰ মনলৈ কোনো মতেই নাহে, তেওঁৰ স্বাভাৱিক হাঁহিটোৱে তেওঁক সুৰাই তোলে।

শ্ৰীমতী মোহিনী ৰাভা চিন্তান্বিত হৈ পৰে—আগৰ দৰে তেওঁ আজি দুই চাৰি দিনৰ পৰা খোৱাতো দেৰি হয়।

শ্ৰীমতী ৰাভাই এটি ভৱিষ্যত বিপদৰ সংকেত পাই বিমৰ্ষ হৈ পৰে।

"আৰু সভা-সমিতিলৈ যাব নালাগে, বিশ্ৰাম আপোনাৰ বৰ দৰকাৰ।"

শ্ৰীমতী ৰাভাৰ বাক্যশাৰীয়ে মহান ৰাভাদেৱৰ অন্তৰ শেলে হনাদি হানি পেলায়।

মনতেই ভাৱে—ৰাইজক এৰি এদিনো ৰব পৰা নাযায়।......

এদিন হঠাতেই ভুৱন-ভোলা ৰাভা দেৱে খাই থাকোতে খাব নোৱাৰা হ'ল, খাদ্যখিনি বাৰে বাৰে বমি কৰিব লাগি ধৰে। শ্ৰীমতীয়ে তেওঁৰ মুখখন মচি দি শুৱাপাটিলৈ লৈ-গ'ল, লাহেকৈ শুৱাই থৈ কলে, "অলপ জিৰণি লওক, ভাল পাই যাব, একো চিন্তা নকৰিব।" কিন্তু ৰাভাদেৱে অকণো চিন্তিত নহল, কলা সৃষ্টিৰ নৰ নৰ ভাৱবোৰ তেওঁৰ মনৰ মাজলৈ আহিবলৈ ধৰিলে।

লাহে লাহে কলাকাৰ গন্ধৰ্ব-পুৰুষ জনাৰ নৰিয়াৰ বাৰ্তাৰ সমগ্ৰ অসমতেই বিয়পি পৰিল—নানা ঠাইৰ পৰা চিঠিপত্ৰ আৰু টেলিগ্ৰাম আহিবলৈ ধৰিলে, কোনো কোনোৱে তেওঁ তেজপুৰৰ ঘৰলৈও খবৰ লবলৈ আহিল। অসম থৌকি-বাথৌকি লাগি কঁপি উঠিল, এই কঁপনিয়ে অসমৰ বাহিৰলৈও গৈ ঠায়ে ঠায়ে খুন্দা মাৰিলে।

বিষ্ণুৰাভা পুনৰ আহিব উভতি

"অসমৰ বৰ্ণাঢ্য সংস্কৃতিৰ বৰ-ঘৰত শংকৰদেৱ-জ্যোতিপ্ৰসাদৰ বিশিষ্ট প্ৰতিভাই যি যুগমীয়া সংস্কৃতিৰ বৰ আলি বান্ধিলে, গণ-শিল্পী বিষ্ণুৰাভা সেই আলিৰে অনুগত সতীৰ্থ। পূৰ্বসূৰী স্মৃতিৰেখাত ৰাভাই এই প্ৰসঙ্গত যথাৰ্থ ভাৱেই, শংকৰদেৱ আৰু জ্যোতিপ্ৰসাদৰ সাংস্কৃতিক প্ৰ-মূল্যক স্বীকৃতি দিছে। একোটা পৰম্পৰা গঢ়িবলৈ বিশিষ্ট মনিষীসকলৰ জীৱনজোৰা সাধনা, ত্যাগ আৰু সংগ্ৰাম জড়িত হৈ থাকে। এনে পৰম্পৰাক যান্ত্ৰিকভাৱে গছকি কোনেও অনাগত দিনৰ সমাজ এখন পাব নোৱাৰে। আন ফালে, যুগবৈশিষ্ট্যতাক অস্বীকাৰ কৰি পৰম্পৰাৰ প্ৰতি অন্ধ অনুৰাগেও ভৱিষ্যৎ দ্ৰষ্টাৰ চকুত কাপোৰ বান্ধে। ৰাভাৰ সাংস্কৃতিক বৈশিষ্টতা এই খিনিতে যে তেওঁ পৰম্পৰাক অন্ধভাৱে আঁকোৱালী ধৰিও থকা নাই, যান্ত্ৰিক ভাৱে বিসৰ্জনো দিয়া নাই। বৰ যুগ বৈশিষ্ট্যতাৰ আধাৰত পৰম্পৰাক বিচাৰ কৰিছে, লাগতিয়াল খিনি গ্ৰহণ কৰি আৰু সেই পৰম্পৰাৰ ভেটিটোক বৈজ্ঞানিক ভাৱে সুদৃঢ় কৰিবলৈ চেষ্টা চলাইছিল।"……

(বিষ্ণুৰাভা ৰচনাৱলী : আগলতি পাত : বিষ্ণুৰাভা সৌৰৱণী গৱেষণা সমিতি)

সৰ্বগুণাকৰ সুন্দৰ শ্ৰীমন্তশংকৰদেৱৰ গীত বাদ্য নৃত্য নাট সাহিত্য, চিত্ৰ কলা-শিল্প আদিৰ বহুমুখী বিশাল প্ৰতিভাৰ মহাসৌন্দৰ্যৰ মহা ৰূপ উপলব্ধি কৰি প্ৰাণৰ ভকতি-অৰ্ঘ্য নিবেদনেৰে সংস্কৃতিৰ বৰদেউল সাজিবলৈ তেওঁ জনতাৰ মাজলৈ, নিপীড়িত-অৱহেলিতৰ মাজলৈ, হলোৱা-হজোৱাৰ বৰ-চোতাললৈ ওলাই আহিছিল। ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক সকলো দিশতে নিম্ন জনগণৰ বাবে, বৈপ্লৱিক কাৰ্যসূচীৰে শোষিত, পীড়িত, হালোৱা-হজুৱা-বনুৱাৰ মুকুতিৰ বাবে হাতত কাপ কলম আৰু কান্ধত ষ্টেনগান তুলি লৈ নিজৰ জীৱনক তুচ্ছ কৰি তেওঁ ওলাই গৈছিল মুকুতি-যুজৰ কুৰুক্ষেত্ৰলৈ। এনেদৰেই যুঁজোতে, মাতোতে, গাওঁতে, নাচোতে, অভিনয় কৰোঁতে কৰোঁতে, আঁকোতে, ঘূৰোতে-ফুৰোতে, কাৰাগাৰৰ লোহ জিঞ্জিৰি হাতত

পিন্ধোতে পিন্ধোতে, তেওঁৰ শৰীৰত ওপৰত যি হিমালয় হেঁচা পৰিছিল—তাৰে প্ৰতিক্ৰিয়া তেওঁৰ এই কালান্তক নবীয়া, কিন্তু তেওঁ একোকে ভয় কৰা নাই, চিন্তা কৰা নাই—একেই সেই হাঁহি ভৰা মুখত মধুৰ হাঁহি।

তেওঁক চিকিৎসাৰ বাবে গুৱাহাটী মেডিকেল হস্পিটাললৈ নিয়া হ'ল। দৈনত ডাক্তৰসকলে তেওঁক আগুৰি ধৰিলে। চাৰিও-পিনৰ পৰা আহে শিল্পী, সাহিত্যিক ৰাজনৈতিক, অৰ্থনৈতিক, বৈজ্ঞানিক পণ্ডিতসকল। অনেক থান-সত্ৰৰ পৰা আহিল—গান-বায়ন-নটুৱাসকল। শাসনৰ-গাদীত থকা নেতাসকলেও তেওঁৰ বাৰ্তাৰ নোলোৱাকৈ থাকিব নোৱাৰিলে।

১৯৬৮ খৃষ্টাব্দৰ নভেম্বৰ মাহ। জাৰ তেতিয়া বিশেষ পৰা নাই। ৰুগীয়াৰ বাবে জলবায়ু ভালেই। তেওঁৰ বা-বাতৰি লওতে কোনেও একো কষ্ট পোৱা নাই। তেওঁৰ পৰিবাৰো লগতেই আছে আৰু অনবৰত লাগি আছে গোপাল দাস। বহুজন খ্যাতনামা আৰু অখ্যাতনামা শিল্পী সাহিত্যিক-লিখক লিখকা অ'ৰ-ত'ৰ পৰা আহি তেওঁৰ বা বাতৰি লৈ আছে।

গভীৰভাৱে চিকিৎসকসকলে তেওঁৰ পৰীক্ষা-নিৰীক্ষা কৰিলে, এবাৰ নহয়, দুবাৰ নহয়, কেবাবাৰো। তেওঁলোকৰ চিকিৎসালয়ত থকা যন্ত্ৰ-পাতিৰ সহায়ত একান্তভাৱেই চোৱা-চিতা কৰা হ'ল—ৰোগ নিৰূপণ কৰিলে—কেন্সাৰ বুলি। গুৱাহাটীত এই কালান্তক ৰোগৰ বিশেষ একো চিকিৎসা হেনো নাই। এই বাতৰিটি প্ৰচাৰ হোৱাৰ লগে লগে নানা ঠাইত ডেকা-গাভৰু, চেংৰা-চিখলা সকলে সংগীত-পৰোভৰ পাতি তেওঁৰ চিকিৎসাৰ ধন-সংগ্ৰহৰ বাবে চেষ্টা কৰিবলৈ ধৰিলে। তেতিয়াৰ মুখ্যমন্ত্ৰী বিমলাপ্ৰসাদ চলিহা ডাঙৰীয়ায়ো এইক্ষেত্ৰত কিছু সহায় কৰা কথাটো আমি জানিব পাৰিছিলো। লৰালৰিকৈ তেতিয়া বহুতেই গৈ কলাগুৰুজনাক হস্পিটালত দেখা কৰিলে। *অসম জুৰি কাৰুণ্যৰ সুৰ এটি বাজি উঠিল।

শীতকালৰ ডিচেম্বৰ মাহ, চেঁচা বতাহবোৰ বৈ আছে, বতৰ মাদকতাহীন। এনেবোৰ কুৰ'লী ভৰা দিনৰ মাজতেই বিষ্ণুপ্ৰসাদ ৰাভাদেৱক ট্ৰেইন যোগে ভাৰতৰ দক্ষিণ সাগৰৰ কূলৰ বোম্বে নগৰীলৈ লৈ যোৱা হ'ল আৰু ১৯৬৮ খৃষ্টাব্দৰ ২৮ তাৰিখে 'টাটা কেন্সাৰ ইন্ষ্টিটিউত'ৰ সুদক্ষ ডাক্তৰ-চিকিৎসক-সকলৰ হাতত তেওঁক অতি আশাৰে সমৰ্পণ কৰা হ'ল। লগত যোৱা সকলো সংকিত আৰু কম্পিত, কিন্তু তেওঁৰ মুখৰ স্বাভাৱিক হাঁহি তেতিয়াও মাৰ যোৱা নাই। চিকিৎসকসকলে তেওঁৰ গুণ-গৰিমা আৰু তেওঁৰ বহুমুখী প্ৰতিভাৰ কথাবোৰ জানিব পাৰি দেহে কেহে খাটিলে। দিনৰ পিছত দিন গ'ল, কিন্তু উদ্দাম গতিশীল ৰাভাদেৱৰ শৰীৰলৈ কোনো পৰিৱৰ্তন নাহিল। গুৱাহাটীলৈ—তেজপুৰলৈ দিনৰ খবৰ দিনে আহি আছে, সকলো লোক উৎকণ্ঠিত, বিষাদিত, চিন্তিত, সকলোৰে কামনা তেওঁ আৰোগ্য হৈ ঘূৰি আহিব।

---

* ৬।১২।৬৮ তাৰিখে কলাগুৰুজনাৰ লগত গুৱাহাটীত এই গ্ৰন্থকাৰৰ শেষ সাক্ষাত।

কিন্তু আশাৰ ক্ষীণ সুৰ, অস্পষ্ট ৰাগ, নুবজা বাজনাৰ বোল ক্ষণে ক্ষণে স্তিমিত হৈ আহিল। চিকিৎসকসকলে শেষত পৰামৰ্শ দিলে—মহান ৰোগীজনক নিজ গৃহলৈহে ওভোটাই লৈ যাব লাগে, তিনি কুৰি দিনৰ ভিতৰত তেওঁৰ একো অগ্ৰগতি দেখা নগ'ল—চিকিৎসা বিজ্ঞান ভাগৰি পৰিল।

পুনৰ তেওঁক গুৱাহাটীৰ হস্পিটাললৈ অনা হ'ল আৰু তাতেই বিশেষজ্ঞ ডাক্তৰ কেইজন মানে পৰীক্ষা-নিৰীক্ষা কৰি সকলো দিহা-পৰামৰ্শ আৰু দৰবৰ-তালিকাৰে তেজপুৰলৈ পঠিয়াই দিলে। শিল্পী সৈনিকৰ প্ৰত্যাবৰ্তনত তেজপুৰত হা-হমুনিয়া সৃষ্টিৰ মাজতেই, মানুহৰ হেঁপাহৰ, মৰমৰ, শ্ৰদ্ধা-ভকতিয়ে সজাই তোলা আশাবোৰ পুনৰ যেন মূৰ দাঙি দাঙি উঠে।

ৰবগায়ন ভাগৰি পৰিল। নাট-মণ্ডৰ ন-গছি বন্তিৰ তোৰণ খন—অগ্নিগড় ৰূপে প্ৰজ্বলিত হৈয়েই থাকিল। বুকুচোলা, বচোৱাল, গামখাৰু মণিৰে গায়ন-বায়নসকলে ৰবধেমালি বজাবলৈ উদ্‌গ্ৰীৱ হৈ ৰৈ থাকিল। লহাঙা পিন্ধা সৰেও মহাতাৰ কাষেদি থিয় হৈ ৰ'ল।

তীৰ্থলৈ অহাৰ দৰে বিভিন্ন স্থানৰ পৰা গুণ গ্ৰাহী গুণীসকলো তেওঁৰ কাষলৈ একোবাৰ আহিল, খ্যাত-অখ্যাত গায়ন-বায়ন নট অভিনেতা অনেকেই তেওঁক চাবলৈ আহিল। সকলোৰে চকুত চকুলো, বুকুত বেদনাৰ সহিব নোৱাৰা ভাৰ, মনৰ মাজত নিৰাশাৰ আশা। তেওঁক বন্দী কৰি নিঃশেষ কৰিব খোজা ক্ষমতাশালী ৰাজনৈতিক নেতা দুই একেও নহাকৈ থকা নাছিল। ৰাক্য-ৰাণীও বিচাৰি আহিছিল বহুজন গায়ন বায়ন, অভিনেতা-নাচনীয়ে। সকলোৱে তেতিয়াও তেওঁৰ ক্ষীণাই যোৱা শৰীৰৰ দিব্য-জ্যোতিৰে আলোকিত হৈ থকা মুখ খনত সেই হিয়া খোলা হাঁহিৰ ৰেঙণি।

উত্তৰ জামুগুৰিৰ বিহু উৎসৱৰ মুখপত্ৰৰ বাবে বিচাৰি আহিছিল কলাগুৰু জনাৰ এটি অমৰ বাণী। তেওঁ বৰ সন্তোষিত মনেৰেই কৈ গৈছিল আৰু এজনে লিখি গৈছিল। এই বাণী বৰ্তমান আৰু ভৱিষ্যতৰ অসমৰ কল্যাণৰ বাবে সঁচাকৈয়ে আছিল এক কঠিন সত্য :

"কলৈ গ'ল চতাই পৰ্বতৰ নাগিনী ছোৱালী ডালিমীৰ দেশ, যি ডালিমী অসমীয়াৰ হিয়াৰ আমঠু কলিজাৰ এডুখৰি, বুকুৰ এফাল আছিল, যি ডালিমীয়ে মোসনা মাতেৰে অসমীয়াক 'কেঁচাসোণ' বুলি মাতি নিজৰ হিয়াত মৰমেৰে চেনেহেৰে আকোৱালী লৈছিল—আজি আৰু দুনাই তাই আমাৰ হিয়াৰ মাজলৈ নাহে, চিৰকাললৈ গুচি গ'ল হাদুৰি হাদুৰি হিয়া ঢাকুৰিয়াই মাতিলেও তাই আৰু নাহে।······

যদি অসমৰ মানচিত্ৰ লোপ পাই যায়, তেনেহলে অসমীয়া জাতিও চিৰ কাললৈ লোপ পাই যাব।·····

যদি অসমীয়া জাতি মৰি যায়, লাখ লাখ বছৰৰ সাধনাৰ ফলত লভা অসমীয়া কৃষ্টি আৰু সংস্কৃতি চিৰকাললৈ লোপ পাই যাব।·····

·····এই লুপ্ত অসমৰ বুকুত চিৰকাল নববৰষৰ উদয় হব, যেতিয়া গছৰ

ডালে, ঠালে, ঠেৰুৰে কঁহি কঁহি পাতে মলিয়াৰ, যেতিয়া ঘাঁহ-দুবৰিৰ বনৰ বুকুৰ ওপৰত সেউজ-বুলীয়া বহণে ৰহণাব, যেতিয়া কুলি-কেতেকীয়ে সুহুৰিয়াই সুহুৰিয়াই গোটেই ধৰণীৰ এচুক বজনু-জনাই তুলিব, তেতিয়া অসমৰ ৰঙালী বিহু ঢকা, ঢোল, শিঙৰীয়া-পেঁপাৰে গুমুগুমাই উঠিবনে? আজি এই ৰঙালী বিহু বহাগীৰ দিনত জনে পতি অসমীয়াৰ হিয়াৰ মাজত এটা সংকল্প জাগি উঠা উচিত। অসমৰ হিয়াৰ আমঠু, কলিজাৰ এডুখৰি, বুকুৰ একাল যিসকল গৈছে আৰু আছে, সকলোৰে হিয়া আঁকুহি মৰমেৰে চেনেহেৰে প্ৰীতি শ্ৰদ্ধা ভক্তিৰে অসমীয়াৰ হিয়াৰ মাজত—টানি আনি একে লগ কৰো, কোটিকলীয়া অসম থনৰ মানচিত্ৰ পৃথিৱীৰ মানচিত্ৰ তথা ভাৰতৰ মানচিত্ৰৰ পৰা বিলুপ্ত হবলৈ নিদিও—লাখ লাখ বছৰীয়া ভিন ভিন অসমীয়া জাতি-উপজাতি আৰু জনজাতি সকলক বৈচিত্ৰৰ মাজেৰে ঐক্যৰ গুথনিৰে গুঠি মহান শক্তি অসমীয়া জাতি হিচাপে পুনৰ বাচিবলৈ দিম আৰু লাখ লাখ বছৰৰ সাধনাৰ ফলত লভা অসমীয়া কৃষ্টি আৰু সংস্কৃতিৰ যাউতি যুগীয়াকৈ ৰাচি পুনৰ চিৰ উজ্বল কৰি তুলিম।

আজি এই ৰঙালী বিহুৰ দিনত প্ৰত্যেক অসমীয়াৰ অন্তৰত এই সংকল্প জাগ্ৰত হৈ উঠক—এয়ে কামনা।"

এয়েই আছিল বিশ্ব-মানবতাবাদী কলাকাৰ গুণাকৰ ৰাভাদেৱৰ অসম-আৰু অসমীয়া প্ৰাণ! এনে মনোৰম অসম, সুন্দৰ অসমৰ, সপোনৰ অসমৰ সুন্দৰ শ্ৰীমন্তশংকৰৰ গীত-বাদ্য নৃত্য-নাট-বচন, ভংগী, মুদ্ৰা, সাহিত্যৰ-পদঘোষা ছন্দ ঝুমুৰ সৰ্বহৰ লগত কলাগুৰু কলাকাৰ কবি, গায়ন, বায়ন, নৰ্তক, চিত্ৰক, বুৰঞ্জীবিদ, গবেষক, সমাজ-স্ৰষ্টা বিষ্ণুপ্ৰসাদ ৰাভাদেৱ আছিল একক ভাৱে পৰিপূৰ্ণ ৰূপে। তেওঁ বুজিলে, নান্দী সুহাই একতালত আৰম্ভ হোৱা তেওঁৰ জীৱন নাটৰ কল্যাণ-খৰমানৰ লৈ আহিল। কাৰুণ্য কেদাৰ ৰাগত ৰচনা কৰিলে শেষ গীত—শেষ ৰাগ, শেষৰ থওনি-মান:

(ঘোষা ॥) "এয়ে মোৰ শেষ গান।
মোৰ জীৱন নাটৰ শেষ ৰাগিনী
কল্যান খৰমান ॥
(পদ ॥) পাতনিতে বালো ধেমালি নান্দী
ভঙ্গী সূত্ৰধাৰ
হাঁহি বিননিতে ভাও দিলো নানা
বোৱালো অশ্ৰুধাৰ।
নৱ নৱ ৰসে বালো ভাও-নাও
আশাৰ-নিৰাশাৰ
আজি হব মোৰ জীৱন-নাটৰ
ভাওনাৰ অৱসান।
নীল আকাশত পঁৰীতী তৰা
টিমিকি টিমিকি জ্বলে

সিও যাব নুমি একে নিশাহতে
বেলিৰ পোহৰ পালে।
ঠগীৰ লগৰে বন্তিৰ শিখা
নুমো নুমোকই নাচে
খৰমান তালৰ কল্যাণ ৰাগৰ
ছেৰে অপৰূপ ঠাছে।
দোষে গুণে হ'ল ভাওনাৰ শেষ
পুঁৱতি তৰাও নুমে
বাঁহৰ আগেদি উষাৰ বেলিয়ে
বঙা মুখ তুলি জুমে।
নিশাৰ লগৰী বিদায় ৰাগিণী
ৰাইজৰ পদ চাম ॥
আজি হ'ল মোৰ জীৱন-নাটৰ
ভাওনাৰ অৱসান
মোৰ-জীৱন-নাটৰ শেষ ৰাগিণী
কল্যাণ খৰমান ॥"

গহীন গম্ভীৰ ৰাতি, নিমাওমাও জগত, কিন্তু এই নিস্তব্ধতাৰ মাজত শয্যাত দীঘল দি থকা বৰগায়ন জনে—

ধেয় ধিনা / ধেয় ধিনা /
তাথিতাকু / থেয় থিনা /
থেয় থিনা।

বোল খিনিত আনন্দত তন্ময় হৈ হয়তো শেষৰ 'মান' খিনিলৈ অপেক্ষা কৰিছিল। বিশাল আকাশখনৰ তৰাবোৰ আৰু জিলমিলাই উঠিছিল, সিহঁতৰ চকুবোৰ সেমেকি পৰাত উজ্জ্বলতা আৰু বাঢ়িছিল, লাহে লাহে বৈ থকা বতাহ খিনি অগ্নিগড়ত পৰি থকা কলা-কৌশল্য-ভাস্কৰ্যত খুন্দা খাই ভোট-অকা দফলা পৰ্বতৰ পিনে গতি কৰিছিল। কোনো বা-মাৰলি নোহোৱাকৈয়ে বিষাদিত বতাহজাক দক্ষিণলৈ মুক্তি-মংগলৰ পদ-চালনাৰে পৰ্বত ভৈয়াম গাঁৱে-পথাৰে, হাবিয়ে-বননিয়ে কঁপনি তুলিছিল।......

সৰ্বজনে সদানন্দ, চিদানন্দ, নিত্যানন্দ কলাকাৰ-কলাগুৰু জনাৰ মুখ মণ্ডললৈ চাই আছিল। তিনিকুৰি বছৰীয়া যুৱক, সৰ্বকলাৰ অধিকাৰী, কামৰূপ-অসমৰ বৰ-সত্ৰীয়া, যাৰ এডালো চুলি পকা নাই, যাৰ এটিও দাঁত লৰা নাই, যাৰ কলমৰ সৃষ্টিত শোষক পীড়ক-দানৱ প্ৰকম্পিত হ'ল, যাৰ তুলিকাৰ বুলনিত সৌন্দৰ্যই থুপ খাই উঠে, যাৰ মিঠা মাতত হেজাৰ হেজাৰ ৰাইজ সচেতন হৈ উঠে—সেই জনা পুণ্য পুৰুষ বিপ্লৱৰ অগণি-শিখা বিষ্ণুপ্ৰসাদ ৰাভা আজি নিস্তব্ধ নিশ্চল হৈয়ো যেন সজাগ।

"বিষ্ণু ৰাভা তুমি সাৰে আছা ॥
তুমি সাৰে আছা
আমি শুই আছো।
সোণপাহি লেৰেলি গ'ল,
বেউলাও নাইকিয়া হ'ল
আৰু
তুমি সাৰে আছা
আমি শুই আছো।
নাটকৰ শেষ যবনিকা পৰিল,
চিনেমাৰ ৰীল ছিগি গ'ল,
বৰদৈচিলাও মাকৰ ঘৰলৈ গ'ল ;
অথচ তুমি সাৰে আছা
আমি শুই আছো।
বিষ্ণুৰাভা তুমি সাৰে আছা ॥

(ৰচনা : অনিল শৰ্মা : দৈনিক অসম—২০।৬।৭২)

তেওঁ সাৰে থকাই নহয়, তেওঁৰ পুনৰ উত্থান হ'ব, তেওঁ পুনৰ বৰগায়ন হৈ গাব, বৰবায়ন হৈ বজাব, নতুন হৈ নাচিব, শ্ৰীমন্তশঙ্কৰদেৱে পতা ৰঙ্গমঞ্চ খনৰ তেওঁৱেই যে চিৰন্তন ভাওৰীয়া।

মাজ নিশা হৈছে। মুক্তি-মংগলৰ ভটিমাটো গায়ন বায়নে গাবলৈ ধৰিছে, বজাবলৈ ধৰিছে—কিযে মিঠা মিঠা চাপৰবোৰ, কেনেযে সুৰদী কণ্ঠস্বৰ! "চকাৰ কেলিং কলগীতকণ্ঠঃ।" সেই কলগীত কণ্ঠতেই যেন নিনাদি উঠিল—

বিষ্ণুৰাভা পুনৰ আহিব উভতি !
বিষ্ণুৰাভা পুনৰ আহিব উভতি !!…

পুনৰ নিস্তব্ধ নিমাত নিতাল—নিমাও-মাও। শুকুলা পক্ষৰ পঞ্চমী তিথিৰ জোনৰ কিৰণ আগ নিশাতেই মাৰ গৈছিল। চাৰি আহাৰ বৃহস্পতিবাৰ, শুভ নক্ষত্ৰ, শুভ নিশা!

১৯৬৯ খৃষ্টাব্দ, ১৯ জুন, মাজনিশা! মহানাট সামৰণিৰ খৰ-খেদা।

শ্ৰীশ্ৰীকলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ অমৰ জীৱনে মুহূৰ্তৰ বাবে কলাময় লীলা জ্ঞানময় কৰ্মময় ধৰ্মময় 'মোহন মুৰতি মুৰাৰু' 'পীত অম্বৰ লাসা' 'অধৰ মধুৰ বেণু পঞ্চম গানৰ মহাসুৰত অৱগাহন কৰি—সুন্দৰ সৰ্বাগুণাকৰ 'দৰশিত সুন্দৰ' পূৰ্ণ কলাকাৰ শ্ৰীমন্তশঙ্কৰ দেৱৰ কলাময় অৰূপ ৰূপত নিজকে বিলাই দি—জগতৰ কোটি কোটি পীড়িত দলিত অৱহেলিতৰ প্ৰতি মৌণ প্ৰণিপাত জনোৱাৰ মুক্তি-মংগলৰ শেষতেই তেওঁৰ মহাজীৱনৰ মহানাটকৰ অৱসান হ'ল। দেশ জুৰি তলমল উসমিসু লাগিল।

সেই শেষ নিশাতেই তেজপুৰৰ পৰা জীৱন কলিতাই ভাৰতীয় কমিউনিষ্ট

পাৰ্টিৰ কাৰ্যালয়লৈ ফোনযোগে জনালে যে বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ অৱস্থা অতি সংকটময়। লগে লগেই দুঃসহ বাতৰি মহনগৰীত ব্যাপি পৰিল।

ইনকিলাব ঝিন্দাবাদ!

বিষ্ণুৰাভা ঝিন্দাবাদ!!

ধ্বনি নিনাদিত হৈ পৰিল।

লাহে লাহে বেলিটো পুৱৰ আকাশত ৰঙা পৰি উঠিল। চি-পি-আইৰ কাৰ্যালয়ৰ সমুখন অৰ্ধনমিত ৰঙা পতাকা বিষাদ-গ্ৰস্ত হৈ বতাহত কঁপি উঠিল।

চাৰিও পিনৰ পৰা তেজপুৰলৈ মানুহ লৰিবলৈ ধৰিলে। হেজাৰ হেজাৰ মানুহ সমাবেশ হ'ল। দূৰৰ পৰাই সমদল কৰি অহা যুৱক-যুৱতীসকলৰ কণ্ঠধ্বনি শুনা গ'ল—

বিষ্ণুৰাভা ঝিন্দাবাদ!

বিষ্ণুৰাভা অমৰ হওক!!

সকলোৰে থেলা-থেলি—কলাগুৰুৰ দৰ্শনৰ বাবে: কাষতে বহি সহধৰ্মিনী শ্ৰীমতী মোহিনী ৰাভাই উচুপিছে। তিনি পুত্ৰ—থুনুথুনু হে অলপমান ডাঙৰ হবলৈ ধৰিছে, মুনুমুন সৰু, একো বুজাই হোৱা নাই,—কি জীৱন, কি মৰণ, লুনুদুন একেবাৰে কেচুৱা। কৰুণ দৃশ্যটো দেখি সকলোৰে হৃদয়বোৰ যেন ভাঙি চিঙি গৈছিল।

নটসূৰ্যই কেচুৱাৰ দৰেই কান্দিলে আৰু উদভ্ৰান্তৰ দৰে ইপিনৰ পৰা সিপিনে যায়, সিপিনে পৰা ইপিনে আহে। কমলা আগৰৱালা, দেবেন্দ্ৰনাথ চলিহা, তুলসিদাস আদিয়ে শেষ যাত্ৰা আৰু উলিয়াব লাগে বুলিয়েই যা-যোগাৰত লাগিছে। ধূপ-ধুনা ফুল-চন্দনৰ গোন্ধে বিষাদ-পূৰ্ণ বতাহ খিনিক পৱিত্ৰ কৰি তুলিলে। নামঘোনা কীৰ্তন-ঘোষাৰ সুৰ প্ৰাণ-মন পৰশি কাৰুণ্যৰ পৰশেৰে মধ্যালয়ত বাজি উঠিল।

ফুলে-পাতে সুশোভিত হোৱা গাড়ীখন প্ৰস্তুত হ'ল—আৰু ৰবৰ সকাম নাই। চাৰিওপিনে হাঁহাকাৰ লাগিল। গুৱাহাটীৰ পৰাও এনে পৰতেই ভুপেন হাজৰিকা প্ৰমুখ্যে কেবাজনো প্ৰখ্যাত সুৰ-শিল্পী গৈ ওলাল, সকলোৰে চকুত চকুলো। আৰু মানুহ আহিয়েই আছে। মানুহৰ সোঁত!

ফুলে-পাতে সুশোভিত যন্ত্ৰচালিত-গাড়ীখনে কাল-ৰূপ ধাৰণ কৰিলে, তাকেই তোলা হ'ল সৰ্বগুণাকৰ কলাকাৰ কলাগুৰু জনৰ নশ্বৰ দেহ। পুনৰ কান্দোনৰৰ উৰ্মি উঠিল। ভোৰতাল জোৰৰ লগত ৰামগিৰি-কাৰুণ্যৰ—কোনোবাই আৰম্ভ কৰিলে:

"প্ৰাণ হৰি গৈলা এৰি॥"···

এযাৰি ঘোষাৰ প্ৰভাৱতেই চকু-পানী নপৰা জনৰো গিৰুগিৰাই চকু পানী ওলাবলৈ ধৰিলে। কাল যাত্ৰাও খোজত খোজ পেলাই আৰম্ভ হ'ল!···

এইখনেই বৈ থকা পৱিত্ৰ ভল্লীৱী—বড়ো-কছাৰীৰ ঘাই গোসানী।

"য'তে বড়োৰ কামুখা বা কেঁচা খাইতী গোসানী থাকিব, তাতে ভৰলুৰ বা

ভৰলী নৈ থাকিবই, কামাখ্যাৰ পাদ প্ৰক্ষালন কৰি আছে আজিও ভৰলী নৈ বৈ আছে। শদিয়া অঞ্চলৰ কেঁচাখাইতী আইৰ শ্ৰীচৰণ চুই আছে আজিও দেওপানী বা ভৰলী নৈ। (অসমীয়া কৃষ্টি : ৰাভা)

এই ভল্লীৰী, ভল্লীবুড়ী, ভৰলীনৈৰ পাৰৰ পুন্য স্থানত দাহনৰ চিতা সজা হ'ল। ভল্লীৰীৰ নিৰ্মল পানীৰে কলা-গুৰুৰ মানৱী দেহত গা-স্নান কৰালে। চাৰিওপিনৰ উচুপনিৰ মাজতে 'ওঁৰাম—ওঁহৰি' ধ্বনিৰ মঙ্গলময় শব্দৰ মাজতেই কলাগুৰুৰ নৰ-তনু চিতাত তোলা হ'ল। পবিত্ৰ কাঠ, চন্দন, শালধুনা, ধুপ, ঘৃত আদিত হুমুহুমাই অগনি জ্বলি উঠিত। কালৰো কাল কালাগ্নিয়ে তেওঁৰ কলাময় দেহক সাৱটি ধৰিলে। অগনিৰ 'জোৰটো শিশু থুনুথুনে হাতত তুলি ললে। চাৰিওপিনে পুনৰ কান্দোনৰ ৰোল উঠিল।

কোনোবাই ধ্বনি দিলে—বিষ্ণুপ্ৰসাদ ৰাভা অমৰ হওঁক—বিষ্ণু ৰাভা ঝিন্দাবাদ !···

ৰাইজৰ মাজত কোৰাকুই কৰিছে—এনে হেন মনোৰম, সুন্দৰৰো সুন্দৰ—ৰাগে-তালে বান্ধি থোৱা সুৰ-মঞ্চ, নাচ-নাট, বচন-ভংগী, মিঠা মিঠা বিভিন্ন ভাষা-উপভাষাৰ মিঠা মিঠা সুৰবোৰ—সুন্দৰ শ্ৰীমন্ত শংকৰে পতা সমবায়ী সাম্যৰ সমাজখন গন্ধৰ্বৰাজ বিষ্ণু প্ৰসাদে এৰি যাবনে ?

'নাযায়' 'নাযায়' বুলি কৈ কোনোবা এজন আদহীয়া বয়সৰ লোকে আগ বাঢ়ি যায়।

হয় হয়, নিশ্চয় নিশ্চয়—বিষ্ণুৰাভা পুনৰ আহিব উভতি! পুনৰ আহিব উভতি !! ভগা হৃদয় লৈ লৈ ৰা-ৰাইজ উভতিবলৈ ধৰিছে। অনেক জনৰ মন তেতিয়াও দুঃখে-বেজাৰ জৰ্জৰিত। অসমৰ ভৱিষ্যতৰ কথা ভাবি-চিন্তিও কোনো কোনোৱে গভীৰ খোজবোৰ পেলাই হৃদয়ত ব্যথাৰ বিননিৰে আগ বাঢ়িছে।···

বৰ-নাটৰ বৰ মেলা ভাগি গ'ল। বৰগায়ন, বৰবায়ন, ৰচক, কবি, লিখক, বুৰঞ্জীবিদ্, চিত্ৰকৰ, নৰ্তক, গবেষক, ৰাজনীতিক, সমাজ-নীতিক সংস্কৃতিৰ বৰসত্ৰীয়া, নিপীড়িত, নিৰ্যাতিত, শোষিত, অৱহেলিত, অৰ্ধাহাৰী, অনাহাৰী-সকলৰ আত্মাৰো আত্মা, সুহৃদৰো সুহৃদ বৰ অভিনেতা কলাগুৰু শ্ৰীবিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ বৰনাটৰ যৱনিকা পৰিল। ভাৰতীয় ভাৱধাৰা আত্ম-তত্ত্ব, দেহ-তত্ত্ব, মন-তত্ত্ব আৰু দৰ্শনৰ ভিত্তিত শ্ৰদ্ধা-তৰ্পণ, শ্ৰদ্ধাঞ্জলি, শ্ৰদ্ধাৰ শৰাই, ভকতি-পুষ্পাঞ্জলি, চৰিত-চৰ্চন—ঠায়ে-ঠায়ে, নগৰে-নগৰে, গাঁৱে-গাঁৱে, পৰ্বতে-পাহাৰে মঞ্চে-মঞ্চে, নামঘৰে-মৰংঘৰে ৰা-ৰাইজৰ গভীৰ শ্ৰদ্ধাৰে অনুষ্ঠিত হবলৈ ধৰিলে।

খ্যাত, অখ্যাত হেজাৰ হেজাৰ কবিয়ে কবিতা ৰচিলে, কত শ শ প্ৰবন্ধ ওলাল, কুৰিয়ে কুৰিয়ে নাট-অংকত ৰচনা কৰিলে। এই লিখনিসমূহ খবৰৰ কাকত আৰু আলোচনীত কিছু অংশ প্ৰকাশিত হৈছিল, কোনো কোনোৱে পুস্তিকা আকাৰত এখুদীয়াকৈ উলিয়াইছিল কিন্তু সৰহ সংখ্যাকেই লিখক-লিখিকাৰ নিজ নিজ টোকা বহী বা দিনলিপিতেই ৰৈ গ'ল। এজন মহান পুৰুষৰ পৰলোকৰ পৰিচ্ছেদ এটিক লৈ ইমান সাহিত্য-সৃষ্টি পৃথিৱীৰ বুৰঞ্জীতেই বিৰল বুলি কব পাৰি।

"যাৰ নৃত্যৰ ছন্দ আছিল
নিমাত নিতাল গভীৰ ৰাতি
কাৰ চিফুং বাঁহীৰ সুৰে
কঢ়িয়াই আনিছিল
অন্তৰৰ অৱৰুদ্ধ অনুভূতি
যাৰ শিল্পী-প্ৰাণৰ
ৰহস্যময় আকুলতাই
ৰোৱাই আনিছিল
অভিনৱ সুৰৰ সংগতি।
কোন আছিল তেওঁ অপ্ৰমাদী
সাধক শিল্পী
যাৰ উদাত্ত কণ্ঠত
জাগ্ৰত হৈছিল
অনন্ত সংগ্ৰামৰ প্ৰতিশ্ৰুতি।
যাৰ নৃত্যৰ ছন্দ আছিল
তেজাল বিপ্লৱৰ
তাণ্ডৱ উত্তাল গতি।
যাৰ গতিৰ ভাষাত
মূৰ্ত হৈছিল
কৃষক শ্ৰমীক ৰণুৱা বনুৱাৰ
জীৱন উন্মেষৰ ৰেঙণি।
যাৰ লক্ষ্য আছিল
বিবৰ্তনৰ ধাৰা
ৰূপান্তৰমুখী গতি।
তেওঁৱেই আছিল ৰূপান্তৰৰ শিল্পী ··
তেওঁৱেই আছিল সেই
বিপ্লৱী পুৰুষ বিষ্ণুৰাভা···
তোমাক জনালো প্ৰণতি!"

(ৰচনা ঃ গীতা হাতীকাকতি)

শ্ৰীমন্ত শংকৰদেৱৰ দৰেই বিষ্ণুপ্ৰসাদ ৰাভাদেৱো আছিল এক প্ৰচণ্ড গতিৰে বৈ থকা এক সৃষ্টিশীল গতিধাৰা—যাৰ অদমনীয় চালিকা শক্তিত গঢ়ি উঠিছিল প্ৰেম একতা আৰু সংহতিৰ দৃঢ় সোণালী সৌধ।

"সুন্দৰৰ পূজাৰীৰ মন্ত্ৰ!
মানুহ-জনে পৃথিৱীখনক
সাৱটি ধৰিছিল
অন্তৰঙ্গ এক বন্ধুৰ দৰে।

সুৰৰ দেউল বিশ্বৰ ছন্দ
আৰু
ধুনীয়া পদুমীৰ দৰে
মানুহ জনে ইয়াত
বিয়পাই দিছিল
অলেখ সেউজী ধুপৰ সুগন্ধ !
আঃ, কি বিমোহিনী সুন্দৰৰ পূজাৰীৰ মন্ত্ৰ !
চিফুং বাঁহীয়েই জগালেনে
স্থবিৰ জাতিৰ ছন্দ !
ইতিহাসৰ উজ্জ্বল পাতৰ দৰে
পৃথিৱী খনে মানুহজনক
আঁকোৱালী ললে।
আজি প্ৰভাতত্তে শুনিলো
সেই যুগ-জয়ী
বিপ্লৱৰ কণ্ঠ !!" (ৰচনা ঃ ঋজু গোস্বামী)

কবি, সাহিত্যিক, সমালোচক ৰাজনীতিজ্ঞ খ্যাতনামা আৰু সৰ্বজন প্ৰিয় হেম বৰুৱাদেৱে চমু চিন্তাশীল প্ৰৱন্ধ এটিত কলাগুৰু জনাৰ বহুমুখী প্ৰতিভাৰ সোঁৱৰণ কৰি নানা কথাৰ প্ৰসংগত কৈছিল—

"……জ্যোতিৰ পোহৰ আৰু ৰাভাৰ আভাৰে আধুনিক যুগৰ অসমীয়া সংস্কৃতি ৰঙীণ।……অসমীয়া সংস্কৃতিৰ প্ৰাচীন গৌৰৱে মানুহজনৰ মন-প্ৰাণ উদ্বেলিত কৰিছিল।……অসমৰ প্ৰাচীন সংস্কৃতিৰ বিষয়ে, বিশেষকৈ নৃত্য-গীতৰ বিষয়ে মানুহজনৰ জ্ঞান আছিল অপৰিসীম।……শাসনৰ নামত জনসমাজৰ ওপৰত অনুষ্ঠিত অন্যায় অবিচাৰ আদিয়ে শিল্পী গৰাকীৰ অন্তৰ গভীৰভাৱে স্পৰ্শ কৰিছিল। জনসমাজৰ দাৰিদ্ৰই তেওঁক মিয়মান কৰি তুলিছিল। সত্য আৰু ন্যায়ৰ অৰ্থে জনসমাজৰ কাৰণে যুঁজাৰ মানসেৰে তেওঁ ৰাজনীতিৰ আশ্ৰয় গ্ৰহণ কৰিছিল।……সংস্কৃতিৰ পূজাৰীয়ে মৃত্যুক জয় কৰে। এই সকলৰ নশ্বৰ দেহৰ অন্ত পৰিব পাৰে, সেই বুলি এইসকলে সিঁচি থৈ যোৱা 'পোহৰ'ৰ কেতিয়াও অন্ত পৰিব নোৱাৰে।……ৰাভাই সিঁচি থৈ যোৱা পোহৰ অবিনশ্বৰ,—অপৰাজেয়, পোহৰৰ মৃত্যু নাই।

প্ৰাচ্য-জগতৰ সাহিত্যিক-সমালোচক আৰু জাতীয় অধ্যাপক ডঃ সুনীতিকুমাৰ চট্টোপাধ্যায়ে কলিকতা মহানগৰীৰ ১০নং হিন্দুস্থান পাৰ্কত ২৯ জুনৰ দেওবাৰে পশ্চিমবঙ্গৰ খ্যাতনামা সাহিত্যিক অন্নদাশংকৰ ৰায় মহাশয়ৰ সভাপতিত্বত বহা শ্ৰদ্ধা-তৰ্পণৰ সভাত সগৌৰৱে ঘোষণা কৰিছিল ঃ

"……বিষ্ণুপ্ৰসাদ ৰাভাৰ সাক্ষাৎলাভৰ সৌভাগ্য মোৰ কোনো দিনাই হোৱা নাছিল ; কিন্তু তেওঁৰ একোখনি কিতাপ পঢ়িয়েই মই মুগ্ধ হৈছিলো

বড়ো কৃষ্টি সম্বন্ধে ৰাভাৰ যি ৰচনা-প্ৰবন্ধ, তাৰ মাধ্যমেৰেহে মাথোন মোৰ যোগাযোগ। একালত মই বড়ো ভাষা আৰু কৃষ্টিৰ অৱদান সম্পৰ্কে অনুশীলন কৰিছিলো।...... বড়ো নাম 'ভুল্লং বুথুৰ'—কল কল নাদিনীৰ পৰা ব্ৰহ্মপুত্ৰ নামৰ উৎপত্তি বুলি ৰাভাই যি মত দাঙি ধৰিছিল, তাক মই গ্ৰহণ কৰিছিলো। ......ৰাভা 'পূৰ্ণ মানৱ' আৰু ছুফী দৰ্শনৰ 'ইনচাৰ-এ-কামিন'।

বিষ্ণুপ্ৰসাদ ৰাভাদেৱ আছিল সদায় জনগণৰ আৰু জনগণতান্ত্ৰিক সংস্কৃতিৰ পূৰ্ণ প্ৰতিভূ। সত্য-সুন্দৰ-সাম্য আৰু বিপ্লৱী-সংঘাটৰ তেওঁ আছিল এজন পূৰ্ণ সাধক। তেওঁৰ তিৰোধানত ৰা-ৰাইজৰ বাহিৰেও, শাসক-গোষ্ঠীৰ মাজতো তেওঁৰ প্ৰতি থকা শ্ৰদ্ধা আৰু সহৃদয়তাৰ প্ৰকাশেৰে সভা-সমিতি আৰু শ্ৰদ্ধা-তৰ্পণৰ অনুষ্ঠানে ব্যাপকভাৱে কলাগুৰুজনাৰ অদম্য প্ৰভাৱকেই প্ৰকাশ কৰিছিল।

তেতিয়াৰ পৰ্বতৰ ৰাজধানী ছিলঙৰ ৰাজকাৰেঙৰ বিধানসভাতো স্মৃতি-তৰ্পন হৈছিল। মুখ্যমন্ত্ৰী বিমলাপ্ৰসাদ চলিহা ডাঙৰীয়াই "অসমে এজন প্ৰতিভাবান লোকক আৰু দেশে এজন আজন্ম শিল্পীক হেৰুৱালে" বুলি বেজাৰ কৰি তেওঁলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছিল।

সংযুক্ত বিধায়িনী দলৰ নেতা শ্ৰীগৌৰীশংকৰ ভট্টাচাৰ্যদেৱে আবেগ ভৰা ভাষাৰে বক্তৃতা দি কৈছিল যে "বিষ্ণুপ্ৰসাদ ৰাভাৰ বিয়োগত অকল অসমেই নহয়, সমগ্ৰ ভাৰতেই এজন ৰাজনীতিবিদ আৰু কলাবিদক হেৰুৱালে। কলাকাৰ ৰাভাই গভীৰভাৱে বুজিছিল যে যেতিয়ালৈকে নিষ্পেষিত নিৰ্যাতিত অৰ্ধাহাৰী, অনাহাৰী সৰ্বহাৰা জনসাধাৰণৰ দুঃখ দুৰ্গতি, যন্ত্ৰণা আৰু যাতনাৰ লাঘৱ কৰিব পৰা নহয়, তেতিয়ালৈকে প্ৰকৃত কলাৰ বিকাশ হব নোৱাৰে।"

ভট্টাচাৰ্যদেৱে আৰু কৈছিল যে—"ৰাভা আছিল সৰ্বগুণ-অলংকৃত ;—তেওঁ আছিল নৃত্যবিষাৰদ, সংগীতজ্ঞ, গীতিকাৰ, চিত্ৰ-বিশাৰদ, কবি-সাহিত্যিক আৰু অভিনেতা।"......

বিৰোধী দলৰ কমিউনিষ্ট সদস্য শ্ৰীফণী বৰাই বিভিন্ন কথাৰ মাজতেই কৈছিল—"ৰাভা আছিল এজন সভা শুৱনি পুৰুষ।...জনসাধাৰণৰ এনেকুৱা প্ৰিয় ব্যক্তি মই আজিলৈকে অসমত দেখিবলৈ পোৱা নাই।...ৰাভা আছিল এটি বহুমুখী প্ৰতিভা, স্বাধীনতা সংগ্ৰামৰ প্ৰথম শাৰীৰ সৈনিক, জ্বলন্ত দেশ-প্ৰেমৰ নিদৰ্শন, সংস্কৃতিৰ পূজাৰী। অসমৰ জাতি-উপজাতিক ঐক্যবদ্ধ কৰাৰ প্ৰচেষ্টাৰ প্ৰতীক। শোষণকাৰী-পুঁজিবাদীৰ বিৰুদ্ধে ৰাভাই জন-সাধাৰণক নাট্য-সংগীত আৰু লিখনিৰ মাজেৰে জগাই তুলিবলৈ বিচাৰিছিল। শ্ৰীশ্ৰীশংকৰদেৱৰ পিছত এনে বহুমুখী প্ৰতিভাসম্পন্ন ব্যক্তি ৺ৰাভাৰ বাহিৰে আৰু দ্বিতীয়জন অসমত এতিয়ালৈকে ওপজা নাই।"...

কলাগুৰুৰ অন্যতম গুণমুগ্ধ আৰু তেওঁৰ আদৰ্শৰ অনুগামী ৺হেমাঙ্গ বিশ্বাস মহোদয়ে কলিকতাৰ সেই সভাতেই (অন্নদাশংকৰ ৰায়ৰ সভাপতিত্বত বহা) স্মৃতি-শ্ৰদ্ধা-অৰ্পণৰ বক্তৃতা প্ৰসংগত ৰাভাদেৱৰ বিবিধ গুণাৱলীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি বিগলিত কণ্ঠে কৈ উঠিছিল ঃ

"বিষ্ণুপ্ৰসাদ ৰাভাৰ মৃত্যুয়ে অসমৰ জনগণৰ কাৰণে কিমান ডাঙৰ এক বিপৰ্যয় আনি দিলে, তাক বাংলাদেশে (পশ্চিম-বঙ্গ) উপলব্ধি কৰা টান, কিয়নো তেওঁৰ দৰে সৰ্বতোমুখী সংগ্ৰামী ব্যক্তিত্বৰ লগত তুলনা দিয়াৰ লোক বাংলাদেশত নাই।...তেওঁ আছিল পাহাৰ আৰু সমতলৰ সৱাতোকৈ আপোন মানুহ—সমন্বয়ৰ সেতু।"...

সেই সভাখনৰ সভাপতিৰ আসনৰ পৰা ৰায় মহোদয়ে শেষ ভাষণত কয় ঃ

"...হাতত অস্ত্ৰ লৈ গান গাই, ছবি আঁকি জীৱন-সংগ্ৰামত আগুৱাই যোৱাৰ উদাহৰণ ইটালীয় নৱন্যাসৰ যুগত আছিল বুলি শুনা যায়। এই দেশত এনে সব্যসাচীৰ দৃষ্টান্ত বিৰল।...

অসম বহুজাতি, বহু ভাষা-সংস্কৃতিৰেই ৰাজ্য ..ৰাভা মহাশয় আছিল সেই অসমৰ সমন্বয়ৰ প্ৰতীক।"...

এনে দৰেই অসমৰ বাহিৰে-ভিতৰে, গাঁৱে-নগৰে, পৰ্বতে ভৈয়ামে, ৰঙ্গমঞ্চে-মুকলি-মঞ্চে, বিদ্যালয়ে-শিক্ষালয়ে শ শ স্মৃতি-তৰ্পণ আৰু শ্ৰদ্ধানিবেদনৰ বৰ বৰ সভাত হেজাৰ হেজাৰ জনে তেওঁৰ গুণাৱলী কীৰ্তন কৰিলে, শ শ কবিয়ে তেওঁৰ উদ্দেশ্যে কবিতা ৰচি ৰা-ৰাইজক শুনালে; ৰা-ৰাইজ হ'ল—বিমোহিত —বিস্মিত। পিতৃ "চৰ্দাৰ বাহাদুৰ চুবেদাৰ মেজৰ গোপালচন্দ্ৰ ৰাভা ও-বি-আই, এইডি-ডি-কেং আৰু মাতৃ গেঠী দেৱীৰ গৃহত ১৯০৯ খৃষ্টাব্দৰ ৩১ জানুৱাৰী বৃহস্পতিবাৰে তেতিয়াৰ অখণ্ড মহা ভাৰতৰ ঢাকা নগৰত নৰ-নাটৰ পাতনি মেলি, ১৯৬৯ খৃষ্টাব্দৰ ১৯ জুনৰ বৃহস্পতি বাৰে গভীৰ নিশা দুইবাজি পচিশ মিনিট পাৰ হৈ যোৱাৰ পৱিত্ৰ ক্ষণতে গৌৰৱপূৰ্ণ উষা-নগৰী শোণিতপুৰৰ তেজপুৰৰ থান-সত্ৰ সদৃশ নিজ গৃহতেই সুৰে-ছন্দে-গীত-মাতে-নাচে-চিত্ৰ-কলা-সাহিত্য-সংগীত, সংস্কৃতিৰে পৰিপূৰ্ণ মহান জীৱন নাটৰ সামৰণি মাৰিলে। থৈ গ'ল—অপূৰ্ব স্মৃতি, বহুমুখী প্ৰতিভাৰ চিৰ উজ্জ্বল স্বাক্ষৰ, বিবিধ গীত-বাদ্য-নৃত্যৰ সনাতন অৱদান, বাৰে-বৰণীয়া অসমৰ কোটি-কলীয়া বুৰঞ্জীৰ ন ন তত্ত্ব—বিবিধ তথ্য, জগতৰ নিপীড়িত, নিৰ্যাতিত শোষিত, অৱহেলিত, অনাদৃত, হালোৱা-হজুৱাৰ মুকুতি পথৰ সত্য সন্ধানেৰে পৰিপূৰ্ণ সাহিত্যৰ বৰ-ভঁৰালৰ লগতেই মুকুতি-সংঘাটৰ অমোঘ অস্ত্ৰৰ চিৰন্তন বাৰ্তাৰি।

সুন্দৰৰ সাধনাৰে ঝঞ্জা-বিজয়ী সাধনাৰ সিদ্ধ আতমাৰে—স্থিতপ্ৰজ্ঞ, সদানন্দ চিৰহাস্য শিল্পী-শিৰোমণি-ৰূপেৰে—তেওঁ হৈ ৰ'ল বিশ্বৰ বুকত—চিৰ-সংগ্ৰামী, চিৰ-অমৰ, চিৰ-নতুন, চিৰ-সুন্দৰ!

।। বিষ্ণুৰাভা পুনৰ আহিব উভতি ।।

সমাপ্ত ভেল।

১৭।১১।৮৭

বৰপাট-ধাম। বৰপেটা।

॥ থওনি মান ॥

"তিনি গৰাকী ক্ষণজন্মা মহাপুৰুষ—শ্ৰীকৃষ্ণ, লিওনাৰ্দো-দ্যা-ভিঞ্চি আৰু শ্ৰীশ্ৰীশংকৰদেৱৰ মহান আদৰ্শেৰে অনুপ্ৰাণিত হৈ সমগ্ৰ অসম তথা ভাৰতৰ প্ৰান্তে প্ৰান্তে পদব্ৰজে ঘূৰি সাংস্কৃতিক সমন্বয় তথা সম্প্ৰীতিৰ বিশাল ব্ৰহ্মপুত্ৰৰ চিৰপ্ৰবাহিত গতিত নিজকে বিলাই দি মৰ্তৰ মানুহৰ প্ৰেম আৰু মানৱীয়তাৰ সৰগ ৰচা লোক বিষ্ণুপ্ৰসাদ ৰাভাৰ বাহিৰে দ্বিতীয় এজন অসম-ভূমিত এতিয়াও জনম লভা নাই।...

.. অতুল শক্তিধৰ ৰাভাৰ আত্মা দেহান্তৰ হৈ জনগণৰ আত্মাত মিহলি হৈ পৰিছে—গ্ৰাম্যবাসী জনতাৰ বাবে সেয়েহে ৰাভা অমৰ ব্যক্তি।"

গ্ৰন্থ ঃ শংকৰদেৱ, জ্যোতিপ্ৰসাদ আৰু বিষ্ণুপ্ৰসাদ

—শ্ৰীগুনেশ্বৰ গোস্বামী